

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ৩১৫ ■ গুৱাহাটী ■ শুকুৰবাৰ, ২৪ জুন, ২০২২, ৯ আহাৰ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 315 Dainandin Barta ■ Guwahati, Friday ■ 24 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only


**লেঞ্চেটৰ অধ্যয়নত প্ৰকাশ ন ন তথ্য**

## ৪৬ শতাংশ শিশুৱে দুমাহলৈ দেখুৱাই থাকে ক'ভিডৰ বিভিন্ন লক্ষণ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৩ জুন ঃ** লেঞ্চেটৰ অধ্যয়নত প্ৰকাশ পাইছে শিশুৰ ক'ভিড সম্পৰ্কীয় ন ন তথ্য। ক'ভিডৰ পৰা মুক্ত হোৱাৰ পিছতো বহু শিশুৱে প্ৰায় দুমাহলৈ ক'ভিডৰ লক্ষণ দেখুৱাই থাকে। শেহতীয়াকৈ দ্য লেঞ্চেট চাইল্ড এণ্ড এডলচেণ্ট হেল্থ জাৰ্নেলত প্ৰকাশিত এক অধ্যয়ন অনুসৰি ক'ভিডত সংক্ৰমিত শিশুৱে কমেও দুমাহ স্থায়ী দীঘলীয়া ক'ভিডৰ লক্ষণ দেখুৱাব পাৰে। ০-১৪ বছৰ বয়সৰ শিশুৰ ক্ষেত্ৰত এনে ক'ভিডৰ লক্ষণৰ ধৰা পৰাৰ কথা অধ্যয়নটোত প্ৰকাশ পাইছে। ডেনমাৰ্কত শিশুৰ ক্ষেত্ৰত এই অধ্যয়ন চলোৱা হৈছিল। ডেনমাৰ্কৰ কোপেনহেগেন বিশ্ববিদ্যালয় চিকিৎসালয়ৰ অধ্যাপক চেলিনা কিকেনবৰ্গ বাৰ্গৰ নেতৃত্বত চলোৱা অধ্যয়নটোত এই কথা স্পষ্ট হৈছে যে শিশুসকলৰ ■ ৮ পৃষ্ঠাত









বিজেপি দলে ঘোষণা কৰা ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক প্ৰধানমন্ত্ৰী মোদীৰ আদৰণি, মনোনয়ন পত্ৰত স্বাক্ষৰ কৰিছে অসমৰ দুই সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা আৰু কামাখ্যাপ্ৰসাদ তাছাই

## মৰিগাঁৱত বানাক্ৰান্ত ৰাইজৰ মাজত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ২৩ জুন ঃ** আজি মৰিগাঁও জিলাত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা, বিজ্ঞান আৰু প্ৰযুক্তি, তথ্য প্ৰযুক্তি আদি বিভাগৰ মন্ত্ৰী ■ ৮ পৃষ্ঠাত

**কুইন চেইনৰ পাৰৰ পৰা লুইতৰ পাৰত ৰাজনৈতিক মন্ত্ৰণা ঃ চৰকাৰ পতন বা গঠন ঃ উত্তপ্ত উপকুল**

# গুৱাহাটীত বাঢ়িছে শক্তি টুটিছে মুম্বাইত





## ৰেডিছন ব্লুত ৭ দিনৰ বাবে বুক কৰা হৈছে ৭০টা কোঠা, কোঠাৰ ভাৰা ৫৬ লাখ টকা ঃ বিশেষ সূত্ৰই দিছে তথ্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৩ জুন ঃ** হঠাতে খদমদম লাগিছে গুৱাহাটীৰ এই বিলাসী হোটেল ৰেডিছন ব্লুত। হোটেলখন এতিয়া সমগ্ৰ দেশৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। কাৰণ মহাৰাষ্ট্ৰ বিসম্বাদী বিধায়কসকলক এই হোটেলতে ৰখা হৈছে। বিধায়কসকলক ইয়াত ৰখাৰ বাবে কিমান খৰচ হৈছে? সূত্ৰ অনুসৰি, হোটেলখনৰ ৭০টা কোঠা সাত দিনৰ বাবে 'বুক' কৰা হৈছে। কোনে বুক কৰিছিল, এতিয়াও স্পষ্ট হোৱা নাই। কিন্তু ■ ৮ পৃষ্ঠাত



## এফালে বান, আনফালে শুকান

**বানৰ সময়তো খেতিপথাৰত পানী বিচাৰি হাহাকাৰ বাক্সাৰ কৃষকৰ দিৰিং নৈৰ বুকুত নিজৰ ধনেৰে ৰাইজে নিৰ্মাণ কৰিলে কৃত্ৰিম বান্ধ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৩ জুন ঃ** যি সময়ত ৰাজ্যৰ বিভিন্ন অঞ্চলত বানপানীৰ কবলত পৰি হাজাৰ হাজাৰ লোকৰ ঘৰ-বাৰীৰ লগতে কৃষিপথাৰ বিনষ্ট হৈছে তেনে সময়তে বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলৰ কেইবা শতাধিক কৃষকৰ মাজত আকৌ পানী বিচাৰি সৃষ্টি হৈছে হাহাকাৰ অৱস্থাৰ। হয়, শুনিবলৈ আঁচৰিত যেন লাগিলেও এয়াই সত্য। ভৰ বাৰিষাৰ সময়তো এতিয়া জিলাখনৰ ■ ৮ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীয়ে আকাশীযানেৰে চালে বৰাকৰ বান

**উদ্ধাৰ আৰু সাহায্য অভিযান তীব্ৰতৰ কৰিবলৈ নিৰ্দেশ ঃ বানপীড়িতৰ সাহায্যৰ বাবে শিলচৰ চহৰৰ ৱাৰ্ড পৰ্যায়ৰ আঁচনি প্ৰস্তুত কৰক**






**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৩ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আকাশ মাৰ্গেৰে শিলচৰকে ধৰি কাছাৰ জিলাৰ বিভিন্ন প্ৰান্তৰ বান পৰিস্থিতি আৰু ইয়াৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বুজ লয়। আকাশ মাৰ্গেৰে পৰিদৰ্শন কৰাৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে সাংসদ ডাঃ ৰাজদ্বীপ ৰয়, উপায়ুক্ত, আৰক্ষী অধীক্ষক, ডি আই জি (দক্ষিণ মণ্ডল) উপস্থিত থাকে। ইয়াৰ পিছতে কাছাৰ জিলাৰ বান পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যেৰে জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত উচ্চপদস্থ বিষয়াসকলৰ সৈতে এক বৈঠকত মিলিত হয়। জিলা উপায়ুক্তগৰাকীয়ে সাম্প্ৰতিক বানপানীত হোৱা ক্ষয়-ক্ষতি আৰু প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৰাজি সম্পৰ্কত ■ ৮ পৃষ্ঠাত

## নদীবান্ধে উপকাৰতকৈ বেছি অপকাৰহে কৰিছে

**নদীবান্ধে ব্যাপক হাৰত পানী এৰি দিয়াৰ ফলতেই নগাঁৱত জলপ্ৰলয়ৰ সৃষ্টি হৈছে ঃ ৰাজেন গোহাঁই**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৩ জুন ঃ** নদীবান্ধৰ বিৰুদ্ধে এইবাৰ তৎপৰ হৈছে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁই। নদীবান্ধৰ বাবেই নগাঁৱত জলপ্ৰলয়ৰ সৃষ্টি হোৱা বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে নদীবান্ধে উপকাৰতকৈ বেছি অপকাৰহে কৰিছে। নদীবান্ধসমূহে জোখ-মাখ নোহোৱাকৈ পানী এৰি দিয়াৰ ফলত মধ্য অসমত জলপ্ৰলয়ৰ ■ ৮ পৃষ্ঠাত



কামাখ্যাত চলি থকা অম্বুবাচী মেলাত ভক্তৰ সমাগম

## লুইতৰ বুকুত খহনীয়া প্ৰতিৰোধৰ নামত বাঁহৰ বুৰুজ মাৰিয়ে কাম সামৰাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, টীয়ক, ২৩ জুন ঃ** বাৰিষা আহিলেই চিন্তাত টোপনি নাহে। '৮৭ চনৰে পৰাই আমাৰ গাঁওখন বৰলুইতৰ খহনীয়াত জৰ্জৰিত। বছৰি বহু পৰিয়ালৰ ঘৰ-বাৰী লুইতৰ বুকুত সপি দি ঠিকনা সলনি হৈছে। আমাৰ শেষ ভৰসা এতিয়া নেদেখাজনত।' - এই মৰ্মবেদনা টীয়ক ৰাজহ চক্ৰৰ অধীনৰ শগুণপৰা, বৰমথাউৰি গাঁৱৰ ৰাইজৰ। প্ৰতি বছৰেই বৰলুইতৰ প্ৰবল খহনীয়াত আক্ৰান্ত হোৱা অঞ্চলটোৰ ৰাইজে জনোৱা অনুসৰি বছৰি গাঁওখনৰ পথে গতি সলায় ■ ৮ পৃষ্ঠাত

**ডিমৌৰ নিতাইপুখুৰীত পৰস্ত্ৰীৰে অবৈধ সম্পৰ্ক ৰক্ষা কৰি অৱশেষত ব্লেকমেইলিঙৰ বলি**

## স্কুটীৰ সৈতে ডিমৌ নৈত আত্মঘাতী তিনিজনীয়া পৰিয়াল

**এছ ডি আৰ এফৰ উদ্ধাৰ অভিযান তীব্ৰতৰ, নিতাই আৰক্ষী চকীত অভিযুক্তৰ বিৰুদ্ধে দুখনকৈ এজাহাৰ পৰিয়ালৰ**





**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৩ জুন ঃ** পৰস্ত্ৰীৰে অবৈধ সম্পৰ্ক ৰক্ষা কৰি অৱশেষত ব্লেকমেইলিং আৰু বিপদ অনিবাৰ্য বুলি গম পাই নিতাই অঞ্চলৰ এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ শিক্ষকে সামাজিক মাধ্যম ফেচবুকত পোষ্ট দি পত্নী দীপা গগৈ আৰু ৪ বছৰীয়া কন্যা প্ৰিয়দৰ্শিনী গগৈক লগত লৈ ভৰ বাৰিষা উফন্দি থকা ■ ৮ পৃষ্ঠাত

**নগাঁৱত বানৰ ভয়াৱহ পৰিস্থিতি**

## বৰঘাট বাইপাছৰ ওচৰত ৩৬নং ৰাষ্ট্ৰীয় ঘাইপথেৰে বাগৰিল পানী

**নগাঁও চহৰত বনৰীয়া হাতীৰ মুক্ত বিচৰণ ঃ উপায়ুক্তৰ বাসভৱনৰ ৱালৰ লগতে ফুলনী বাগিচাৰ ক্ষতিসাধন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৩ জুন ঃ** নগাঁও জিলাৰ বানপৰিস্থিতি ক্ৰমশঃ ভয়াৱহ হৈ উঠিছে। কপিলী, কলং, বৰপানী নৈৰ বাঢ়নী পানীয়ে জিলাখনৰ ন ন অঞ্চল প্লাৱিত কৰিছে। কপিলী নৈৰ বাঢ়নী পানী ক্ৰমশঃ ■ ৮ পৃষ্ঠাত



## তুলিৰাম ৰংহাং পুনৰ মুখ্য কাৰ্যবাহী সদস্য

**কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ প্ৰতিষ্ঠা দিৱস পালন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকলীয়াঘাট, ২৩ জুন ঃ** আজি কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ ৭১সংখ্যক প্ৰতিষ্ঠা দিৱস। ১৯৫২ চনৰ ২৩ জুনত প্ৰতিষ্ঠা লাভ কৰিছিল কাৰ্বি আংলং স্বায়ত্ত পৰিষদখনে। এই উপলক্ষে আজি কাৰ্বি আংলং জিলাৰ ডিফু চহৰত পালন কৰা হয় প্ৰতিষ্ঠা দিৱসৰ। লগতে আজিয়েই ড° তুলিৰাম ৰংহাঙে মুখ্য কাৰ্যবাহী সদস্যৰূপে তৃতীয়টো কাৰ্যকালৰ বাবে দায়িত্ব গ্ৰহণ কৰে। আজি পৰিষদৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৰা পৰিষদৰ চৌহদত ভাৰতৰ জাতীয় পতাকা উত্তোলন কৰে নতুনকৈ দায়িত্ব গ্ৰহণ কৰা পৰিষদৰ ■ ৮ পৃষ্ঠাত

## দাম অলপ কমিল মিঠাতেলৰ

**কোকিলাত বানাক্ৰান্তৰ বাবে অহা মিঠাতেল ৰাস্তাৰ পৰাই উধাও ঃ বন্যাৰ্তৰ বাবে অহা সামগ্ৰী নাপালে বন্যাৰ্ত ৰাইজে**

**দৈনন্দিন বাৰ্তাৰ সেৱা, কোকিলা, ২৩ জুন ঃ** সমগ্ৰ ৰাজ্যতে বানে গৰকা ৰাইজৰ দুখ কুলাই-পাচিয়ে নধৰা হৈছে। সমগ্ৰ ৰাজ্যৰ ৰাজহাড় কঁপাই গৈছে বানে। বঙাইগাঁও জিলাৰ ৩৪নং অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত নাম্বাৰপাৰা চাকলা গাঁও পঞ্চায়তৰ চাকলা ২য় খণ্ডস্থিত বজাৰত যোৱা এসপ্তাহ ধৰি শিবিৰ পাতি আছিল অৰ্ধশতাধিক বন্যাৰ্তই। নিজৰ সপোনৰ ঘৰবাৰী এৰি বজাৰ গৃহত আশ্ৰয় লোৱা পৰিয়ালক চৰকাৰে সম্ভাব্য পৰিমাণে সকাহ দিয়াৰ বাবে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে। বানৰ ভয়াৱহতাৰ খবৰ ■ ৮ পৃষ্ঠাত

**বঙাইগাঁৱত জালিয়াতিৰে আনৰ নামত ভূমি হস্তান্তৰ**

## গ্ৰেপ্তাৰ মহৰী

**সোধা-পোছাৰ বাবে আটক উপায়ুক্ত কাৰ্যালয়ৰ উপ-পঞ্জীয়ক আৰু নৈশ চকীদাৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৩ জুন ঃ** বঙাইগাঁও আৰক্ষীয়ে এক ভূমি জালিয়াতিৰ গোচৰত এজন মহৰীক গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে দুজন চৰকাৰী কৰ্মচাৰীক সোধা-পোছাৰ বাবে আটক কৰিছে। ২০২১ বৰ্ষতে বঙাইগাঁও সদৰ থানাত ৰুজু হোৱা ভূমি জালিয়াতিৰ এটা গোচৰৰ ভিত্তিত আৰক্ষীয়ে মহৰীজনক গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে চৰকাৰী কৰ্মচাৰী দুজনক আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে। ■ ৮ পৃষ্ঠাত



## এখন ভৰি নোহোৱাকৈয়ে নিতৌ প্ৰতিদিনে তিনি কিলোমিটাৰ খোজকাঢ়ি স্কুললৈ যায় ধুবুৰীৰ ৰছুল হকে

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৩ জুন ঃ** বিহাৰৰ পাছত এইবাৰ অসমৰ এগৰাকী ছাত্ৰৰ ভিডিঅ' ছ'চিয়েল মিডিয়াত হৈছে ভাইৰেল। জীৱন যুদ্ধত হাৰ নমনা ধুবুৰীৰ এগৰাকী ছাত্ৰ। শাৰীৰিকভাৱে অক্ষম ■ ৮ পৃষ্ঠাত

**বঙাইগাঁৱৰ নিৰ্মীয়মাণ অগ্ৰিম আৱাসত অঘটন**

## সপ্তম মহলাৰ পৰা পৰিল শ্ৰমিক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৩ জুন ঃ** বঙাইগাঁও চহৰৰ নিকটৱৰ্তী কিষাণ বজাৰৰ সমীপত নিৰ্মাণ কাৰ্য চলি থকা অগ্ৰিম আৱাসৰ সপ্তম মহলাৰ পৰা পৰি ■ ৮ পৃষ্ঠাত

# আকাশলংঘী মূল্যবৃদ্ধিয়ে কোঙা কৰিছে ৰাইজক

## চামগুৰিত কনভয়ৰ খুন্দাত মৃত্যু হোৱা যুৱকৰ ঘৰত কৃষিমন্ত্ৰী অতুল বৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ২৩ জুন ঃ** নগাঁও জিলাৰ চামগুৰি থানাৰ অন্তৰ্গত চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপৰ ৰাষ্ট্ৰীয় ■ ৮ পৃষ্ঠাত



**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২৩ জুন ঃ** ৰাজ্যত সৰ্বত্ৰ বানৰ বিভীষিকা। বানে আপোন ঘৰখন তচ্‌নচ্‌ কৰিছে। কোনোৱে মথাউৰিত আন কোনোৱে ওখ ঠাইত আশ্ৰয় ল'বলগীয়া হৈছে। এনেকি পশু আৰু মানুহৰ বাসস্থান একাকাৰ হৈ পৰিছে। সাধাৰণ জনতাৰ এনে বিপদাপন্নৰ সময়ত ভূতৰ ওপৰত দানৱ পৰাদি পৰিছে এচাম অসাধু চক্ৰ। বানৰ আলম লৈ কেঁচা পাচলিৰ দাম আকাশলংঘী কৰি সাধাৰণ জনতাক মাধমাৰ শোধাইছে। সম্প্ৰতি কামৰূপ জিলাৰ বংশৰ, শিঙিমাৰী, শুৱালকুছি আদিত পাচলিৰ মূল্য সাংঘাতিক ধৰণে বৃদ্ধি হোৱাত সাধাৰণ জনতাই ■ ৮ পৃষ্ঠাত



# মাজবাটত বিধ্বংসী বাঢ়নী পানীত ৰৌতা নদীৰ তিক্ৰিটোলা বান্ধ আৰু সংযোগী গাঁওসমূহ বিস্তৰ খহনীয়াৰ কবলত

## স্থানীয় বিধায়ক চৰণ বড়োৰ তৎপৰতা



**দৈনন্দিন বাৰ্তাৰ সেৱা, লামাবাৰী ২৩ জুন** ঃ ৭০ নং মাজবাট সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ পাঠকপুৰ ডাকঘৰ অঞ্চলৰ হাজাৰ হাজাৰ কৃষক ৰাইজৰ জীয়াই থকাৰ একমাত্ৰ ভৰষা ৰৌতা নদীৰ তিক্ৰিটোলা বান্ধ। আজিৰ পৰা কিছু বছৰ আগতে নদীখনৰ বাঢ়নী পানীৰ তাণ্ডৱে শ শ গাঁৱৰ ৰাইজৰ বিস্তৰ ক্ষতিসাধন কৰাৰ লগতে নদীখন দুভাগত বিভক্ত হৈ পৰে। ফলস্বৰূপে দুয়োটা ভাগত বিভক্ত হোৱা নদীখনৰ গড়াখহনীয়াৰ কবলত বহুতো গাওঁৰ ৰাইজ ক্ষতিগ্ৰস্ত হয়। হাজাৰ হাজাৰ বিঘা মাটি ঘৰ বাৰী নদীৰ সোঁতত বিলীন হৈ যায়। শেষত চৰকাৰী কৰ্তৃপক্ষৰ সহযোগত তিক্ৰিটোলা নামৰ ঠাইত এটা বৃহৎ বান্ধ দিয়া হ'ল। তাৰ ফলশ্ৰুতিত এখন নদী দুখন হোৱা কাষৰীয়া গাঁওসমূহৰ কৃষক ৰাইজৰ লগতে সকলো ৰাইজৰ জীৱনলৈ উসাহ ঘূৰি আহে। তেনে দৰেই বিগত বছৰবোৰ সুন্দৰভাৱে অতিক্ৰম হৈ পুনৰ এইবেলি চলিত মাহত বৰষুণ হোৱাৰ গইনা লৈ যোৱা ১৫জুনৰ পৰা কেই বাদিনা ধৰি হোৱা নেৰানেপেৰা মুষলধাৰ বৰষুণৰ ফলত ফেনে ফুটুকাৰে অহা পানীৰ তীব্ৰ সোঁতে সমগ্ৰ পাঠকপুৰ অঞ্চলৰ ৰাইজৰ জীৱনৰ ভৰষা তিক্ৰিটোলা বান্ধটো উটুৱাই নিয়ে। বিধ্বংসী বানপানীৰ ফলত মাজবাট সমষ্টিৰ বৃহৎ পাঠকপুৰ অঞ্চলৰ তিক্ৰিটোলা, লামাবাৰী চাহ বাগিচা, খৰিবাৰী, পাঠকপুৰ, ৰৌতাগাঁও, অজাগড়, হাতীমাৰা আদিকে ধৰি কমেও ২৭খন গাঁও প্ৰভাৱিত হৈছে। বৰ্তমান বহুতো অঞ্চলত বানপানী হ্ৰাস পাই হৈ যদিও এতিয়াও কেইবাখনো গাঁও প্ৰভাৱিত হৈ আছে। তিক্ৰিটোলাৰ বান্ধটো নদীৰ বাঢ়নী পানীয়ে উটোৱাই নিয়াৰ ফলত ভয়ঙ্কৰ পৰিস্থিতিৰ সৃষ্টি হয়। খহনীয়াৰ যথাযথ স্থানসমূহ চৰকাৰী কৰ্তৃপক্ষৰ ফালৰ পৰা পৰ্যবেক্ষণ কৰাৰ লগতে স্থানীয় বিধায়ক চৰণ বড়োয়েও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এনে পৰিপ্ৰেক্ষিতত, ৰৌতা নদীৰ অতিৰিক্ত পানী আঁতৰাবলৈ তিক্ৰিটোলাত দুখন জেচিবি খননকাৰী মেচিন যোতোৱা হৈছে। ২২ জুনত বিধায়ক চৰণ বড়োয়ে স্থানীয় লোকসকলৰ সৈতে কামৰ তদাৰক কৰিবলৈ স্থানত উপস্থিত থাকে। বৰষুণ কমাৰ লগে লগে এই বান্ধটোৰ কাম সমাধা কৰিবলৈ ৰাইজে আগ্ৰহ প্ৰকাশ কৰে আৰু ইয়াৰ যথোচিত ব্যৱস্থা গ্ৰহণ কৰি খৰতকীয়াকৈ কামখিনি সম্পূৰ্ণ ৰূপে সমাধা কৰাৰ কথা বিধায়ক চৰণ বড়োয়ে ঘোষণা কৰে। উল্লেখ্য যে ৰৌতা নদীৰ তিক্ৰিটোলা বান্ধটো পুনৰ সম্পূৰ্ণ কৰিব পাৰিলে আহি থকা ভয়ঙ্কৰ বিপদৰ পৰা শ শ গাঁৱৰ কৃষক ৰাইজ লগতে সকলো ৰাইজ উপকৃত হ'ব পাৰিব।

# বৰমপুৰ-পুৰণিগুদামত যোগ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰমপুৰ, ২৩ জুন** ঃ সমগ্ৰ বিশ্বৰ লগতে নগাঁও জিলাৰ বিভিন্ন প্ৰান্ততো মঙলবাৰে পালন কৰা হয় অষ্টম আন্তৰ্ৰাষ্ট্ৰীয় যোগ দিৱসটি। সেই অনুসৰি নগাঁও জিলা প্ৰশাসন আৰু স্বাস্থ্য সেৱাৰ যুটীয়া উদ্যোগত বৰমপুৰৰ গোঁসাইগাঁওস্থিত বিশ্বৰ সৰ্বোচ্চ লৃক্তাকাৰ শ্ৰীশ্ৰীমহামৃত্যুঞ্জয় মন্দিৰ প্ৰাংগণত উদযাপন কৰা হয় আন্তৰ্ৰাষ্ট্ৰীয় যোগ দিৱস। যোগ দিবসৰ কাৰ্যসূচীত উপস্থিত থাকে নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা। বেদ বিদ্যালয়ৰ গুৰু, শিষ্যসকলৰ লগতে জিলা আৰু স্থানীয় প্ৰশাসক তথা ভক্তপ্ৰাণ ৰাইজে একেলগে যোগাসন কৰা পৰিলক্ষিত হয়। ইফালে, বৰমপুৰ শ্ৰীমন্ত শংকৰ মিছন অন্ধ বিদ্যালয়তো আন্তৰ্জাতিক যোগ দিৱস পালন কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী অংকিতা গুপ্তৰ প্ৰজ্ঞানবোৰে শুভাৰম্ভ কৰা যোগ প্ৰদৰ্শন কাৰ্যসূচীত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। আন্তৰ্জাতিক যোগ দিবসৰ উদ্দেশ্য আৰু যোগাসনৰ উপকাৰিতা সম্পৰ্কত কেইবাগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি ভাষণ প্ৰদান কৰে। সেইদৰে, যোগক্ৰীড়াৰ ক্ষেত্ৰখনত কেইবাটাও ৰাষ্ট্ৰীয়- আন্তৰ্জাতিক পদক লাভ কৰিবলৈ সক্ষম হোৱা পুৰণিগুদামৰ অংকিতা শইকীয়া নামৰ কিশোৰীগৰাকীয়ে পুৰণিগুদাম মুঢ়ানীস্থিত এটি মন্দিৰ প্ৰাঙ্গণত নিবলৈ কৰে যোগ সাধনা। অংকিতাৰ মতে যোগাভ্যাসৰ বাবে উত্তম সময় কাহিলীপুৱা। তেওঁৰ মতে প্ৰকৃতিৰ মাজত নিবলৈ কৰা যোগ সাধনাই বৃদ্ধি কৰিব পাৰে শাৰীৰিক আৰু মানসিক শক্তি, মানুহৰ সুস্বাস্থ্যৰ তথা নিৰোগী কৰি ৰাখিব। ৬ বছৰ বয়সৰ পৰাই যোগাভ্যাস কৰিবলৈ আৰম্ভ কৰা পুৰণিগুদাম শংকৰদেৱ বিদ্যা নিকেতনৰ ছাত্ৰী অংকিতাই পিতৃ-মাতৃয়েও সেই বিশেষ দিনটোত কৃতজ্ঞতা স্বীকাৰ কৰিছে অংকিতাক কণমানিৰে পৰা বৰ্তমানলৈ যোগৰ প্ৰশিক্ষণ প্ৰদান কৰি থকা যোগগুৰু তথা প্ৰশিক্ষকসকলক।

# লামডিঙত ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ বলিদান দিৱস পালন



**দৈনন্দিন বাৰ্তাৰ সেৱা, লামডিং, ২৩ জুন** ঃ আজি হোজাই জিলাৰ অন্তৰ্গত ৰেল শহৰ লামডিঙত লামডিং বিজেপিয়ে পালন কৰিলে ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ বলিদান দিৱস। লামডিং শহৰৰ মাজমজিয়াত থকা সাধুকুটিস্থিত ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ স্থৈত্ৰত মাল্য অৰ্পণ কৰি প্ৰদীপ জ্বলাই সকলো বিজেপিৰ নেতা কৰ্মীয়ে ড° শ্যামাপ্ৰসাদ মুখাৰ্জীক পুষ্পাঞ্জলি দিয়া পৰিলক্ষিত হৈছে। লামডিঙত ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ বলিদান দিৱসত উপস্থিত থাকে লামডিঙৰ বিধায়ক শিৱু মিশ্ৰ, টাউন মণ্ডল বিজেপিৰ সভাপতি দেৱাশিস গুপ্ত, লামডিং পৌৰসভাৰ পৌৰ মাতা সঞ্জিকা ৰাউত, লামডিং পৌৰসভাৰ উপ সভাপতি জনাৰ্দ্ধন পাল লগতে সকলো বাৰ্ডৰ সদস্য আৰু বিজেপিৰ কৰ্মী।

# পাঠৰীত ব্ৰাহ্মণ সমাজৰ গুৰুত্বপূৰ্ণ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰমপুৰ, ২৩ জুন** ঃ নগাঁৱৰ পাঠৰী বৈদিক ধৰ্ম সংঘৰ স্থায়ী মণ্ডপত নগাঁও জিলাৰ পাঠৰী-চকৰি আঞ্চলিক ব্ৰাহ্মণ সমাজৰ যোৱা ১৯ জুনত এখন সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। সভাৰ আৰম্ভণিতে পতাকা উত্তোলন কৰে নগাঁও জিলা ব্ৰাহ্মণ সমাজৰ উপদেষ্টা মহেন্দ্ৰ শৰ্মাই। জিলা ব্ৰাহ্মণ সমাজৰ প্ৰাক্তন সম্পাদক ৰমেশ চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত আৰম্ভ হোৱা সভাখনিত স্বৰ্ণলতা দেৱী শাস্ত্ৰীয়ে মংগলাচৰণেৰে শুভাৰম্ভ কৰে। উক্ত সভাত সাংগঠনিক দিশৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হয় । অসম ব্ৰাহ্মণ সমাজৰ সদস্য কুমুদ চন্দ্ৰ ভট্টাচাৰ্য, জিলা ব্ৰাহ্মণ সমাজৰ সম্পাদক প্ৰধান নৰেন্দ্ৰ নাথ শৰ্মা, জিলা ব্ৰাহ্মণ সমাজৰ সম্পাদিকা বৈজয়ন্তী খাউণ্ডেও সভাত ভাষণ প্ৰদান কৰে। উক্ত সভাতে পাঠৰী-চকৰি আঞ্চলিক ব্ৰাহ্মণ সমাজ, মহিলা সমাজ আৰু যুৱ সমাজৰ নতুন সমিতি গঠন কৰা হয়। আঞ্চলিক ব্ৰাহ্মণ সমাজৰ সভাপতি মহেন্দ্ৰ শৰ্মা, সম্পাদক ভুৱন চন্দ্ৰ শৰ্মা; মহিলা সমাজৰ সভানেত্ৰী মমতা দেৱী, সম্পাদিকা অৰু শৰ্মা; যুৱ সমাজৰ সভাপতি উৎপল কুমাৰ ভৰদ্বাজ, সম্পাদক ৰক্তিম প্ৰসাদ শৰ্মাক মূল দায়িত্বভাৰ হিচাপে অৰ্পণ কৰি সমিতিকেইখন গঠন কৰা হয়। শলাগৰ শৰাই আগবঢ়ায় অনিল শৰ্মাই। সভাত বৃহত্তৰ অঞ্চলটোৰ ব্ৰাহ্মণ সম্প্ৰদায়ৰ বহু সংখ্যক লোক উপস্থিত থাকে।

# নগাঁও-চকৰিগাঁৱত 'গীত আৰু কবিতাৰ দিন' উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰমপুৰ, ২৩ জুন** ঃ 'লেখিকা সংস্থা, অসম'ৰ নগাঁও শাখাৰ উদ্যোগত ২০ জুনত স্বৰ্গগতা ড° নিৰ্মলপ্ৰভা বৰদলৈৰ জন্মদিনটো 'গীত আৰু কবিতাৰ দিন' হিচাপে আৰু কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ স্মৃতি উদযাপন কৰা হয়। এই উপলক্ষে জিলা সাহিত্য সভা ভৱনত অনুষ্ঠিত হোৱা এখন সভাত সভাপতিত্ব কৰে উপমা মজুমদাৰে। জেউতি ৰাজবংশীৰ কণ্ঠত এটি বৰগীত পৰিবেশনেৰে শুভাৰম্ভ হোৱা সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° অমিয়া পাটৰে বিশিষ্ট সাহিত্যিকগৰাকীৰ জীৱন আৰু সাহিত্য কৃতি সম্পৰ্কে বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। ইয়াৰ মাজতে শাখাৰ সদস্যাসকলৰ দ্বাৰা সমবেত সংগীত পৰিৱেশনৰ পাছতে আৰম্ভ হয় গীত আৰু কবিতাৰ অনুষ্ঠান। মৃদুলা বৰঠাকুৰ, ড° নিৰ্মালী বৰা মালাকাৰ, কুমকুম বৰুৱা, মামণি শৰ্মা ভট্টাচাৰ্য, ইন্দিৰা বৰাই ক্ৰমে নিৰ্মলপ্ৰভা বৰদলৈ আৰু বিষ্ণুপ্ৰসাদ ৰাভা ৰচিত গীত আৰু মীনা বৰাই এটি স্বৰচিত গীত পৰিবেশন কৰে। সেইদৰে, জেউতি হাজৰিকা, পুষ্পাঞ্জলি শইকীয়া, দীপিকা নাথ আৰু দেৱযানী পাঠকে শৰ্মাই কবিতা পাঠেৰে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। স্বৰচিত প্ৰবন্ধ পাঠ কৰে ইন্দিৰা গোস্বামী ভট্টাচাৰ্যই। উপদেষ্টা সুৰ্বণ গোস্বামীয়ে নিজ বক্তব্যত নিৰ্মলপ্ৰভা বৰদলৈ সকলো নাৰীৰে আদৰ্শ বুলি উল্লেখ কৰে। আনহাতৰী উপদেষ্টা আৰতি শৰ্মাই 'অনুভৱ' শীৰ্ষক এটি স্বৰচিত গল্প পাঠ কৰে। গুণদা গোস্বামীয়ে নিৰ্মলপ্ৰভা বৰদলৈৰ জীৱনাধাৰত এখনি স্বৰচিত আলেখ্য পাঠেৰে সকলোকে আপ্লুত কৰে। সমজুৱাৰ একাষাৰত বক্তব্য আগবঢ়াই ক্ৰমে লেখিকা খৰ্গেশ্বৰী বৰা, গীতা ভড়ালী শইকীয়া, ড° ৰঞ্জলীন জাহান, ৰূপা শইকীয়া আৰু পূৰবী চক্ৰবৰ্তী সুতে। সম্পাদিকা দীপিকা নাথে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনৰ আৰম্ভণিতে বানত অকালতে প্ৰাণ হেৰুওৱাসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰি এক মিনিট মৌন প্ৰাৰ্থনা জনোৱা হয়। ইফালে নগাঁও 'কলংপাৰ লেখিকা সংস্থা'ৰ উদ্যোগত সংস্থাৰ উপদেষ্টা বৈজয়ন্তী খাউণ্ডৰ চকৰিগাঁৱস্থিত বাসগৃহ প্ৰাঙ্গণতো 'গীত আৰু কবিতাৰ দিন' পালন কৰে। এই উপলক্ষে সংস্থাৰ স্থায়ী সভানেত্ৰী অৰুণিমা বৰাৰ সভাপতিত্বত এখনি গাম্ভীৰ্যপূৰ্ণ সভা অনুষ্ঠিত হয়। সংস্থাৰ সম্পাদিকা তুলু হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা এই সভাত অঞ্জলি শৰ্মা বৰকটকী, স্বৰ্ণলতা দেৱী শাস্ত্ৰী, অঞ্জলি বৰা, তুলু হাজৰিকা, তৃপ্তিৰেখা কাকতি, নিশিতা বৰা আৰু 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ সম্পাদিকা দীপিকা বৰাই বিষ্ণু প্ৰসাদ ৰাভা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ সম্পৰ্কত সাৱলীল বক্তব্য আগবঢ়ায়। সেইদৰে, ডাঃ ৰীমা ভট্টাচাৰ্যই বিষ্ণু ৰাভাৰ বচনাৰাজিৰ সম্পৰ্কত আৰু লেখক অনিল কুমাৰ শৰ্মাই বিভিন্ন দিশ সামৰি সাৱলীল বক্তব্য আগবঢ়ায়। অনুস্কা শৰ্মা, নিকিতা বৰা, তগৰ গোস্বামী, জোনালী বৰাই বিষ্ণুৰাভা সঙ্গীত পৰিবেশন কৰি সকলোকে আপ্লুত কৰে। সংস্থাৰ মুখ্য উপদেষ্টা অনু দেৱী, স্বৰ্ণলতা দেৱী শাস্ত্ৰী আৰু কাবেৰী মহন্তই স্বৰচিত কবিতা পাঠ কৰে। উক্ত সভাতে অলপতে গুৱাহাটীত 'প্ৰেৰণা মাতৃ বঁটা' আৰু দিল্লীত 'দাদা চাহেব ফাল্কে আইকন নাৰীশক্তি বঁটা'ৰে সম্বৰ্ধিত হোৱা বৈজয়ন্তী খাউণ্ডক এখনি ফুলাম গামোচা আৰু গ্ৰন্থৰে সংস্থাৰ ফালৰ পৰা আদৰণি জনোৱা হয়। স্বৰ্ণলতা দেৱী শাস্ত্ৰীয়ে এটি সংস্কৃত শ্লোকেৰে আশীৰ্বাদ জনায়। শেষত সভানেত্ৰীৰ সুমধুৰ ভাষণেৰে সভা ভংগ কৰা হয়।

# উপায়ুক্তৰ অধ্যক্ষতাত বিভিন্ন বিভাগৰ সৈতে পঞ্চায়তৰ সভাপতি-সম্পাদকৰ পৰ্যালোচনা সভা

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, শিৱসাগৰ, ২৩ জুন** ঃ শিৱসাগৰ জিলাৰ উপায়ুক্ত আদিত্য বিক্ৰম যাদৱৰ অধ্যক্ষতাত কালি জিলাখনৰ বিভিন্ন বিভাগৰ সৈতে জিলাৰ ৮২খন গাঁও পঞ্চায়তৰ সভাপতি-সম্পাদকসকলৰ সৈতে এক পৰ্যালোচনা বৈঠক তথা উন্নয়নমূলক কাম-কাজৰ খতিয়ান সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হৈ যায়। এই সভাখনত জিলা উপায়ুক্তৰ লগতে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অশ্বিনী দ'লে, জিলা উন্নয়ন আয়ুক্ত শোভন গোৱলা, অতিৰিক্ত উপায়ুক্ত কৰ্মদেৱ ব্ৰহ্ম, জিলা পৰিষদৰ সভাপতি ধ্ৰুৱজ্যোতি মাউতৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। জিলাখনৰ সকলো অঞ্চলৰ ৰাইজে যাতে চৰকাৰী আঁচনিৰ সা-সুবিধাসমূহ উপযুক্তভাৱে আৰু সময়মতে লাভ কৰে সেই উদ্দেশ্যেই পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ সৈতে জিলাখনৰ বিভিন্ন বিভাগৰ লগত সমন্বয় স্থাপন কৰা আৰু পঞ্চায়ত প্ৰতিনিধিসকলৰ যোগেদি যাতে হিতাধিকাৰীসকলক প্ৰশাসন যন্ত্ৰৰ কাষ চপাই আনিব পাৰি তাৰ বাবে পদক্ষেপ লবলৈ আজিৰ সভাত আলোচনা কৰা হয়। অনাহাতেদি জিলাখনত সকলো বিভাগে হিতাধিকাৰীসকলক উপযুক্ত চৰকাৰী সা-সুবিধা দিয়াত যোগাসূত্ৰ ভূমিকা পালন কৰে তাৰ ওপৰতো কালিৰ সভাত আলোচনা কৰা হয়। উল্লেখযোগ্য যে জিলাখনত বৰ্তমান সক্ৰিয়ভাৱে চলি থকা বিভিন্ন আঁচনি যেনে ধান ক্ৰয় প্ৰক্ৰিয়া, জৈবিক কৃষি পদ্ধতি, জলজীৱন মিছন, পি এম কিষাণ, অটল অমৃত যোজনা, দীনদয়াল উপাধ্যায় গ্ৰামীণ বৈদ্যুতিকৰণ যোজনা, প্ৰধান মন্ত্ৰী আৱাস যোজনা, এম জি এনৰেগা আদি আঁচনিসমূহৰ লাভালাভ জনসাধাৰণে লাভ কৰা সন্দৰ্ভত বিশেষভাৱে দৃষ্টি ৰাখিবলৈ পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলক আৰু জিলাখনৰ বিভাগীয় মুৰব্বীসকলক আহ্বান জনোৱা হয়। তদুপৰি কালিৰ সভাতে ১ জুলাই তাৰিখে অনুষ্ঠিত হ'বলগীয়া শিৱসাগৰ দিৱসত জিলাখনৰ প্ৰতিখন গাঁও পঞ্চায়ততে গাঁও সভা অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হয়।

# মাজবাটৰ বানপীড়িত লোকৰ আশ্ৰয় শিবিৰত ওদালগুৰি জিলা ইউপিপিএলৰ খাদ্য-সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২৩ জুন** ঃ ওদালগুৰি জিলাৰ মাজবাটৰ বানপীড়িত আশ্ৰয় শিবিৰসমূহত ওদালগুৰি জিলা ইউ পি পি এল দলৰ ফালৰ পৰা কিছু খাদ্য-সামগ্ৰী বিতৰণ কৰা দেখা যায়। জানিব পৰা মতে ২১ জুনত ওদালগুৰি জিলা ইউ পি পি এল দলৰ ফালৰ পৰা সম্পাদক ৰতেন্দ্ৰ দৈমাৰীয়ে বানপীড়িত লোক সকলৰ মাজত আহি নিজ হাতেৰে কিছু খাদ্য-সামগ্ৰী বিতৰন কৰে। খাদ্য-সামগ্ৰী বিতৰণ কৰা আশ্ৰয় শিবিৰ সমূহ হৈছে ২ নং বাথৌগুৰি প্ৰাথমিক বিদ্যালয় আশ্ৰয় শিবিৰ, ছোৱাংজুলি আশ্ৰয় শিবিৰ, বালা গাঁও প্ৰাথমিক বিদ্যালয় আশ্ৰয় শিবিৰ, দেউচানী প্ৰাথমিক বিদ্যালয় আশ্ৰয় শিবিৰ। ইউ পি পি এল দলৰ এনে মহানুভৱতাক শলাগ লয় আশ্ৰয় শিবিৰৰ লোকসকলে। ৰতেন্দ্ৰ দৈমাৰীয়ে সাংবাদিকক কয় যে বানপীড়িত লোকসকলৰ নিজৰ ঘৰ-মাটি-নদীৰ বুকুত বিলীন হৈছে। এতিয়া




আশ্ৰয় শিবিৰত আশ্ৰয় ল'বলগীয়া হৈছে। তেখেত সকলৰ লগত সমভাগি হৈ ইউ পি পি এল দল সদায় তেখেতসকলৰ লগত থাকিব। খাদ্য-সামগ্ৰী বিতৰণ কাৰ্যসূচীত উপস্থিত থাকে ওদালগুৰি জিলা এছ টি ব'ৰ্ডৰ সভাপতি বিজন দৈমাৰী, মাজবাট ব্লক ইউ পি পি এল দলৰ সভাপতি ছবিন বসুমতাৰী আদিয়ে।

# শিৱসাগৰত ৫ শিশু শ্ৰমিক উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, শিৱসাগৰ, ২৩ জুন** ঃ ২০২২ শিৱসাগৰ জিলা প্ৰশাসনৰ তৎপৰতাত আৰু সহকাৰী আয়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা শিশু সুৰক্ষা বিষয়া মানালী প্ৰসাদ ৰজকৰ তত্ত্বাৱধানত শিৱসাগৰ জিলাৰ অন্তৰ্গত গৌৰীসাগৰ আৰু ডিমৌৰ দুয়োটি অঞ্চলৰ হোটেলৰ পৰা জিলা শিশু শ্ৰমিক ট্ৰাস্ক ফৰ্চৰ উদ্যোগত শিশু শ্ৰমিকৰূপে নিয়োজিত ৫টি শিশু শ্ৰমিক উদ্ধাৰ কৰি শিশু কল্যাণ সমিতিৰ ওচৰত হাজিৰ কৰাই জয়সাগৰস্থিত প্ৰজ্ঞালয়া শিশুগৃহত প্ৰকৃত পিতৃ-মাতৃৰ লগতে সঠিক বয়সৰ চিনাক্তকৰণ নোহোৱা পৰ্যন্ত ৰখাৰ ব্যৱস্থা কৰা হয়। জানিব পৰা মতে জিলাখনৰ শ্ৰম বিভাগৰ শ্ৰম পৰিদৰ্শক জীৱন টাইদে এই সন্দৰ্ভত শিশু শ্ৰমিকৰূপে নিয়োগ কৰা মালিকৰ ওপৰত গৌৰীসাগৰ আৰু ডিমৌ আৰক্ষী থানাত লিখিত এজাহাৰ দাখিল কৰিছে। উল্লেখযোগ্য যে শিশুকেইটিক উদ্ধাৰ কাৰ্যত সহকাৰী আয়ুক্ত আৰু ভাৰপ্ৰাপ্ত জিলা শিশু সুৰক্ষা বিষয়া মাণালী প্ৰসাদ ৰজক, সহকাৰী শ্ৰম আয়ুক্ত সঞ্চায়িতা ভট্টাচাৰ্যী, শিশু কল্যাণ সমিতিৰ সদস্যা দীপালী ভট্টাচাৰ্যী বৰুৱা, শ্ৰম বিষয়া অভিনন্দন বৰঠাকুৰ, শ্ৰম পৰিদৰ্শক জীৱন টাইদ, জিলা শিশু সুৰক্ষা বিষয়াৰ কাৰ্যালয়ৰ সুৰক্ষা বিষয়া (প্ৰতিষ্ঠানীয়) ৰূপা গগৈ, সমাজ সেৱক দীপক টায়েৰ লগতে দুয়োখন আৰক্ষী থানাৰ আৰক্ষী বিষয়াৰ উপস্থিতিত শিশুকেইটিক উদ্ধাৰ কৰা হয়।

## বয়সেও হাৰ মনাব নোৱৰা এগৰাকী শিক্ষকৰ কাহিনী

# পঞ্চাশোৰ্ধৰ বয়সত স্নাতক ডিগ্ৰী লাভ শিক্ষক বিজিত বৰুৱাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৩ জুন** ঃ মন কৰিলেই ছন। দৃঢ় মন আৰু একাগ্ৰতা থাকিলে বয়স সফলতাৰ বাধাৰ প্ৰাচীৰ কেতিয়াও হ'ব নোৱাৰে। এই কথাকে প্ৰমাণ কৰি দেখুৱালে যোৰহাট জিলাৰ টীয়ক মৌজাৰ অন্তৰ্গত জগদুৱাৰ ন-পমৰা গাঁৱৰ নিবাসী হেমোধৰ বৰুৱা আৰু স্বৰ্গীয়া গুণদা বৰুৱাৰ জ্যেষ্ঠ পুত্ৰ বিজিত বৰুৱাই। শিক্ষকতাৰ লগত জড়িত বৰুৱাই কিছুদিনৰ আগতে ঘোষিত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ কলা শাখাৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত ডিষ্টিংচন সহ প্ৰথম শ্ৰেণীত উন্নীত হৈ স্নাতক ডিগ্ৰী লাভ কৰিছে। সৰুৰে পৰাই অতি দৰিদ্ৰতাৰ মাজেৰে জীৱন নিৰ্বাহ কৰাৰ উপৰিও দিন হাজিৰা, গৰু ৰখীয়া, হালোৱা আদিৰ দৰে শ্ৰমিকৰ কাম কৰি পৰিয়ালৰ ভৰণ পোষণৰ দায়িত্ব বহন কৰিবলগীয়া হোৱাত শিক্ষাৰ দিশত কিছু স্থবিৰতাই দেখা দিয়াত ১৯৯৩ চনতেই টীয়ক চন্দ্ৰ কমল বেজবৰুৱা কলেজৰ পৰা বুৰঞ্জীত সন্মানসহ স্নাতক ডিগ্ৰী লাভ কৰিব লাগিছিল যদিও দুৰ্ভাগ্যজনকভাৱে সম্পূৰ্ণ কৰিব নোৱাৰিলে। বৰ্তমান তেখেতে সুদীৰ্ঘ ৩০ বছৰৰ পাছত ৫১বছৰ বয়সত পাৰিবাৰিক আৰু বয়সৰ প্ৰাচীৰকো নেওচি এই সন্মান লাভ কৰি অঞ্চলতোলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ বাবে আদৰ্শ দাঙি ধৰিছে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধীনৰ কাকজান কলেজ অধ্যয়ন কেন্দ্ৰৰ পৰা উত্তীৰ্ণ হোৱা আৰু বৰ্তমান বানপীড়িত কাৰৈমাৰীৰ ১০৪নং দেচুৱালী বস্তি প্ৰাথমিক বিদ্যালয়ৰ কৰ্মৰত সহকাৰী শিক্ষক বিজিত বৰুৱাক স্থানীয় শিক্ষক সমাজ আৰু ৰাইজে তেখেতৰ এই কৃতিত্বৰ বাবে অভিনন্দন জনাইছে।

# টীয়ক জুনিয়ৰ কলেজৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৩ জুন** ঃ ২০০৬ চনতে প্ৰতিষ্ঠা লাভ কৰা যোৰহাট জিলাৰ টীয়ক অঞ্চলত অৱস্থিত প্ৰথমখন 'জুনিয়ৰ কলেজ' (টীয়ক চিনিয়ৰ চেকেণ্ডেৰী স্কুল)ৰ ১৬ সংখ্যক প্ৰতিষ্ঠা দিৱস ২২ জুনত উদ্‌যাপন কৰা হয়। স্কুলৰ শৈক্ষিক উপাধ্যক্ষ প্ৰশান্ত চাংমাইয়ে আঁতধৰা অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰে উপাধ্যক্ষা ফুনু ফুকন শইকীয়াই আৰু পতাকা উত্তোলন কৰে অনিমা ওজাই। কলেজ চ'ছাইটিৰ সভাপতি সূৰ্য হাতীবৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি সামাজিক, সাংস্কৃতিক, শৈক্ষিক, নৈতিক আদি দিশত বহুমূলীয়া ভাষণ আগবঢ়াই। ইয়াৰ পাছত স্কুল প্ৰেক্ষাগৃহত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বাৰে ৰহনীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনেৰে দিনটোৰ কাৰ্যসূচী সামৰণি পৰে।

# ছিটা আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় মাজত চুক্তি সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৩ জুন** ঃ যোৱা দুটা বছৰে হৈ থকা ক'ভিড-১৯ৰ পাশ্বক্ৰিয়া তথা সমাজত ইয়াৰ বিৰূপ প্ৰভাৱ সম্পৰ্কে অধ্যয়ন কৰি নিৰাময়ৰ এক বৈজ্ঞানিক ভিত্তিক সমাধান সূত্ৰ নিৰূপণ কৰিবৰ বাবে আজি অসম চৰকাৰৰ ৰাজ্যিক উদ্ভাৱনা আৰু ৰূপান্তৰ আয়োগ আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ মাজত এখন বুজা-বুজি স্বাক্ষৰিত হয়। উপাধ্যক্ষ ৰমেন ডেকাৰ উপস্থিতিত জনতা ভৱনস্থিত ছিটাৰ সভাকক্ষত সম্পন্ন হোৱা অনুষ্ঠানটিত চিতাৰ হৈ মুখ্য কাৰ্যবাহী বিষয়া এম এছ মণিভন্নন আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হৈ অধ্যক্ষ ডাঃ অচ্যুত বৈশ্যই স্বাক্ষৰ প্ৰদান কৰে। ক'ভিড মহামাৰীৰ পিছত এচাম মানুহৰ মাজত সৃষ্টি হোৱা মানসিক তথা শাৰীৰিক বাধা আঁতৰোৱাৰ ক্ষেত্ৰত এই অধ্যয়নে বিশেষ সফলতা অজচ্ছ্ৰন কৰিব বুলি ছিটাৰ উপাধ্যক্ষ ৰমেন ডেকাই আশা প্ৰকাশ কৰে। উক্ত অনুষ্ঠানটিত জিএমচিএইচৰ মনোৰোগ বিভাগৰ মুৰব্বী অধ্যাপিকা ডাঃ দীপাঞ্জলি মেধি আৰু ডাঃ বি বৈশালৰ উপৰিও ছিটাৰ হৈ গুণ গোবিন্দ দাস, দিজেন্দ্ৰ হাজাৰী, দীপাংকৰ বৰা, অলকেশ কাকতী আৰু এল জৌটে উপস্থিত থাকে।

# বানত ক্ষতিগ্ৰস্ত কৃষকক সকাহ দিবলৈ যোৰহাট জিলা কৃষি বিভাগৰ 'কমিউনিটী নাৰ্চাৰী' আঁচনি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৩ জুন** ঃ শালি খেতিৰ বতৰত সম্ভাব্য বানৰ বিপক্ষে থিয় দিবলৈ অসম চৰকাৰৰ কৃষি বিভাগে 'কমিউনিটি নাৰ্চাৰী' শীৰ্ষক এখন অভিলাসী আঁচনি গ্ৰহণ কৰিছে। আঁচনিখনৰ জৰিয়তে কৃষি বিভাগে বাৰিষাৰ বানে ক্ষতিগ্ৰস্ত কৰা কৃষকসকলক বিনামূলীয়াকৈ কঠীয়া প্ৰদান কৰিব। অসমৰ বিভিন্ন জিলাৰ লগতে যোৰহাট জিলাতো 'কমিউনিটি নাৰ্চাৰী' আঁচনি সফল ৰূপায়নৰ বাবে জিলা কৃষি বিভাগে প্ৰয়োজনীয় পদক্ষেপ হাতত লৈছে। আঁচনিখনৰ অধীনত যোৰহাট জিলাত ১৭ হেক্টৰ ভূমিত 'কমিউনিটি নাৰ্চাৰী' স্থাপন কৰিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ ১৩টা কৃষি সম্প্ৰসাৰণ চক্ৰত আঁচনিৰ আধাৰত কঠীয়াতলি প্ৰস্তুত কৰা হৈছে। আঁচনিখনৰ লগত নিৰ্দিষ্ট অঞ্চলৰ কৃষিকেন্দ্ৰিক অনুষ্ঠান, পথাৰ পৰিচালনা সমিতি, উদ্যোগী কৃষকসকলক জড়িত কৰা হৈছে। ৰাজহ চক্ৰ বিষয়াক সভাপতি, সংশ্লিষ্ট বিধানসভা সমষ্টিৰ জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়াক সদস্য সচিব, কৃষি সম্প্ৰসাৰণ বিষয়াসকল, পি আৰ আইৰ ২ দুজন সদস্য আৰু বিধায়কৰ এজন প্ৰতিনিধিক সদস্য হিচাপে লৈ আঁচনিখন ৰূপায়নৰ বাবে এখন কাৰ্যকৰী সমিতি গঠন কৰা হৈছে। বানত ক্ষতিগ্ৰস্ত কৃষকসকলে বিনামূলীয়াকৈ কঠীয়া লাভ কৰিবলৈ ৰাজহ চক্ৰ বিষয়া, স্থানীয় কৃষি উন্নয়ন বিষয়া, কৃষি সম্প্ৰসাৰণ বিষয়ালৈ আবেদন কৰিব লাগিব। বানত খেতিপথাৰ নষ্ট হোৱা, কঠীয়া নথকা কৃষকসকলক আঁচনিখনৰ সুবিধা লাভ কৰিবলৈ যোৰহাট জিলা কৃষি বিষয়া বেণী মাধৱ বৰুৱা আৰু মহকুমা কৃষি বিষয়া ড° নিতুমণি গগৈয়ে এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে অনুৰোধ জনাইছে।


**NOTICE INVITING QUOTATIONS**

The Undersigned hereby invites quotations affixing court free stamp ol Rs.8.25 (Rupees eight and twenty five paise) only (Non refundable) are invited for suppliers/firms for Supply of consumable & office stationery items at the Directorate of Historical and Antiquarian Studies, Assam, Guwahat-1 as per the list of items enclosed at annexure-I for the financial year 2022-23. The quotations will be received up to 2.00 PM of 11-7-2022 and will be opened at 3.00 PM on the same day. Details related to quotation may be obtained from the office of the undersigned during office hours from 24-06-2022 up to 3.00 PM. For details the quotationers/representatives may visit Departmental web site www.dhasaassam.org.

The undersigned reserves the right to reject any or all the quotations with out assigning any reason thereof.

OSD (i/c Director),
Department of Historical and
Antiquarian Studies. Assam
Guwahati-1

Janasanyog /C/5253/22


# ওৰাঙৰ কলাগুৰু বিষ্ণু ৰাভা মহাবিদ্যালয়ত অৱসৰী অধ্যক্ষ মামলু ৰাম ডেকা, প্ৰবক্তা কুমুদ কুমাৰ শৰ্মা, কৃষ্ণ প্ৰসাদ ভট্টৰায়ক বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৩ জুন** ঃ ওদালগুৰি জিলাৰ ৭০নং মাজবাট বিধানসভা সমষ্টিৰ ওৰাং মৌজাৰ ওৰাঙত প্ৰসিদ্ধ শিক্ষানুষ্ঠান কলাগুৰু বিষ্ণু ৰাভা কনিষ্ঠ মহাবিদ্যালয়ত ১৭ জুনত এখনি বিদায় সম্বৰ্ধনা অনুষ্ঠান এটি হৈ যায়। মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সুদক্ষ, সৰ্বশ্ৰেষ্ঠ অধ্যক্ষ সমন্বিতে অন্য দুগৰাকী প্ৰবক্তাক মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী গোটৰ ফালৰ পৰা বিদায় সম্বৰ্ধনা জনোৱা হয়। মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ ড° চিনন্ নাৰ্জাৰীৰ সভাপতিত্বত অনুষ্ঠিত উক্ত বিদায় সম্বৰ্ধনা সভাত অলপতে অৱসৰ গ্ৰহণ কৰা ভাৰপ্ৰাপ্ত অধ্যক্ষ মামলুৰাম ডেকা, প্ৰবক্তা কৃষ্ণ প্ৰসাদ ভট্টৰাই আৰু প্ৰবক্তা কুমুদ কুমাৰ শৰ্মাক মহাবিদ্যালয়খনৰ প্ৰবক্তা আৰু কৰ্মচাৰী গোটৰ তৰফৰ পৰা এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশৰ মাজেৰে আনুষ্ঠানিকভাৱে বিদায় জনোৱা




হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰবক্তা ইংকু নাথে। সভাত অতিথি হিচাপে উপস্থিত থাকে ডিগ্ৰী কলেজৰ সহকাৰী অধ্যাপক ৰিংকু হালৈ আৰু ওৰাং অঞ্চলটোৰ সাংবাদিক তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য নৱ কুমাৰ ডেকা। উক্ত সভাত বিদায়ী সহকৰ্মীসকলৰ সৈতে সকলো প্ৰবক্তা আৰু কৰ্মচাৰী একাত্ম হৈ উঠে। বিদায় ভাষণ আগবঢ়াই মহাবিদ্যালয়ৰ প্ৰবক্তা আব্দুল মতলিব, ৰুমী বৰা, স্বপ্না পাল নাথ, প্ৰদুম্ন পাঠক, মন্তাজ মজুমদাৰ, ইংকু নাথ আৰু উচ্চ বৰ্গৰ সহায়ক যোগেন মেধীয়ে। বিদায়ী সহকৰ্মীসকলক একোখনকৈ ফুলাম গামোচা, একোখন শৰাই আৰু এটি কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনায় মহাবিদ্যালয়ৰ সমূহ প্ৰবক্তা তথা কৰ্মচাৰীসকলে। ১৯৮৮ চনত প্ৰতিষ্ঠা হোৱা কলাগুৰু বিষ্ণু ৰাভা কনিষ্ঠ মহাবিদ্যালয়ৰ পৰা এতিয়ালৈকে ৫ জন প্ৰবক্তা আৰু ৩ জন অধ্যক্ষই অৱসৰ গ্ৰহণ কৰিছে।

# মাজুলী জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২৩ জুন** ঃ মাজুলী জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত ২১জুনত মাজুলী কমলাবাৰী মিলন সংঘত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়। আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জগতজ্যোতি সাতোলাই যোগ দিৱস উপলক্ষে আয়োজিত সভাত সভাপতিত্ব কৰে। সভাত আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যোগ অনুশীলন প্ৰদৰ্শন কৰে। জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ ন'ডেল বিষয়া ডাঃ মানিক মিলিয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। কবি পাৰুল বৰা মিলিয়ে আঁত ধৰা সভাত মাজুলী জিলাৰ অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ ফুকনে মুখ্য অতিথিৰ ভাষণ আগবঢ়াই ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱ গাম, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, মাজুলী বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শক নৱ নাথ গোহাঁই, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ শশীধৰ ফুকনে ভাষণ প্ৰদান কৰে। অতিথি বক্তা সকলে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ তাৎপৰ্য আৰু ধঁপাতৰ উপকাৰিতা সম্পৰ্কত ভাষণ প্ৰদান কৰে। সভাত ৩১ মে'ৰ বিশ্বৰ ধঁপাত বিৰোধী দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰা প্ৰতিযোগিতাত স্থান লাভ কৰা কুৰি গৰাকী ছাত্ৰ-ছাত্ৰীক একোখনকৈ মানপত্ৰ, একোটিকৈ ট্ৰফীৰে পুৰস্কৃত কৰে। উল্লেখযোগ্য যে, জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ ন'ডেল বিষয়া ডাঃ মানিক মিলিৰ শব্দ, সুৰ, কথা আৰু অনুৰাগ মেধিৰ সংগীত ব্যৱস্থাপনাৰে সংকলন কৰা ধঁপাত বিৰোধী সজাগতাৰ এটি গীত যুটীয়া সঞ্চালক ডাঃ শশীধৰ ফুকনে আনুষ্ঠানিকভাৱে উন্মোচন কৰে। গীতটিৰ যোগেদি ডাঃ মিলিয়ে ধঁপাত জাতীয় দ্ৰব্য সেৱনৰ পৰা শৰীৰত হ'ব পৰা ক্ষতি আৰু নৱ প্ৰজন্মক ইয়াৰ পৰা আঁতৰি থকাৰ আহবান জনায়। সভাই ডাঃ মানিক মিলিৰ সমাজ সংস্কাৰৰ এনে প্ৰচেষ্টাক প্ৰশংসা কৰে। সভাত প্ৰধান শিক্ষক প্ৰশান্ত দোলাকাষৰীয়া, শিক্ষক ডিম্বেশ্বৰ ভূএগ্ৰা, আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ উপৰিও বহুকেইজন গণ্যমান্য ব্যক্তি, সমাজকৰ্মী, কবি, সাহিত্যিকে অংশগ্ৰহণ কৰে। সভাৰ শেষত ডাঃ মানিক মিলিয়ে ৰাজ্যিক সমন্বয়ক ঋদ্ধী প্ৰকাশ শৰ্মাই সমৱেত সকলোলৈ শলাগৰ শৰাই আগবঢ়ায়।

## ৰাশিফলত আজিৰ দিনটো

**৯ আহাৰ, শুকুৰবাৰ, ২৪ জুন, ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ কৃষ্ণা একাদশী, নক্ষত্ৰ ঃ অশ্চিনী, জন্ম ৰাশি ঃ মেঘ**
**সূৰ্যোদয়- ৪-৩৫-২০ সূৰ্যাস্ত- ৬-১৫-৩১**



■ **মেষ** ঃ ভ্ৰমণত কষ্ট ■ **বৃষ** ঃ ঠিকাত শুভ ■ **মিথুন** ঃ চাকৰিত উন্নতি ■ **কৰ্কট** ঃ নতুন পদ প্ৰাপ্তি ■ **সিংহ** ঃ নতুন প্ৰেমত সঁহাৰি ■ **কন্যা** ঃ বিত্ত লাভ ■ **তুলা** ঃ পুৰণি বন্ধু লাভ ■ **বৃশ্চিক** ঃ আনৰ দ্বাৰা ক্ষতি ■ **ধনু** ঃ ছাত্ৰ-ছাত্ৰীৰ কষ্ট ■ **মকৰ** ঃ আমোদ প্ৰমোদ ■ **কুম্ভ** ঃ সামাজিক ব্যস্ততা ■ **মীন** ঃ উৎসৱত যোগদান।

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

২৪ জুন, ২০২২ ■ শুকুৰবাৰ ■ গুৱাহাটী ■ ৯ আহাৰ, ১৯৪৪ শক





*চিচিবৰগাঁও গাঁও পঞ্চায়তৰ চকামৰা ৱাৰ্ডৰ পি এম এ ৱাই জি হিতাধিকাৰীসকলৰ গৃহ পৰিদৰ্শন চক্ৰ বিষয়া বৰ্ণালী গগৈ আৰু উপ-চক্ৰ বিষয়া অমলা দলেৰ সৈতে চিচিবৰগাঁও গাঁও পঞ্চায়তৰ সভাপতি গিৰীন চুতীয়া*

## ত্ৰিছ বছৰে মেৰামতিৰ অভাৱত নৰক সদৃশ কাঠৰ দলঙে কন্দুৱাইছে ৰাইজক

### খুৰাদিয়াত বিধ্বস্ত কাঠৰ দলঙেৰে গঞাৰ বিপদসংকুল যাতায়াত







**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৩ জুন ঃ** ৰাজ্যৰ প্ৰতি বাট আৰু দলং পুণঃনিৰ্মাণ আৰু মেৰামতি কৰাৰ নামত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বিভাগীয় ভাৱে প্ৰতিটো বিত্তীয় বৰ্ষতে কোটি কোটি টকা খৰচ কৰি উন্নয়নৰ ঢাক ঢোল বজালেও প্ৰকৃততে যে গ্ৰাম্য অঞ্চলৰ বাট পথৰ ভবামতে উন্নয়ন হোৱা নাই সেইটো গ্ৰামাঞ্চলৰ একাংশ বিধ্বস্ত বাট পথ লগতে জৰাজীৰ্ণ কাঠৰ দলঙৰ ফালে লক্ষ্য কৰিলেই সহজে অনুমান কৰিব পাৰি। শেহতীয়াকৈ কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাৰ সমীপৰ ভখুৰাদিয়াত এটি বিধ্বস্ত কাঠৰ দলঙে বিজেপি মিত্ৰজোঁটৰ চৰকাৰৰ উন্নয়নৰ নগ্ঠা ছবি উদঙাই দিছে। জানিব পৰা মতে, টুপামাৰী ই এণ্ড ডি মথাউৰিৰ পৰা সোণতলীহৈ গুৱাহাটী সংযোগী অতি গুৰুত্বপূৰ্ণ পথছোৱাৰ মাজত থকা জৰাজীৰ্ণ কাঠৰ দলং খন বিগত ত্ৰিছ বছৰেও মেৰামতি কিম্বা পুনৰনিৰ্মাণ নকৰাত যাতায়তৰ নামত চৰম হাৰাশাস্তিৰ সন্মুখীন হব লগা হৈছে পথচাৰী সকলে। নগৰবেৰা গুমি ই এণ্ড ডি মথাউৰি সংলগ্ন ভখুৰাদিয়া গাঁৱৰ উক্ত জৰাজীৰ্ণ বিধ্বস্ত কাঠৰ দলংখনেৰে বিগত কেবা বছৰ ধৰি বিপদসংকুলভাবেই যাতায়ত অব্যাহত ৰাখিছে ভখুৰাদিয়াবাসীয়ে।অঞ্চলটোৰ কেবাখনো গাঁৱৰ দুৱাৰমুখত থকা উক্ত মৰণফান্দ সদৃশ কাঠৰ দলংখন বাৰিষাৰ সময়ত ৰাইজৰ বাবে অধিক প্ৰাসংগিক হৈ পৰা দেখা যায় যদিও দলং খন যাতায়তৰ বাবে সুচল কৰি তুলিবলৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই বিগত সময়চোৱাত কোনো ধৰণৰ পদক্ষেপ হাতত নোলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে একাংশ লোকে। ভখুৰাদিয়া অঞ্চলৰ পৰা বহিঃঅঞ্চললৈ যাবলগীয়া হ'লে প্ৰথমেই পাৰ উক্ত কাঠৰ দলংখন পাৰ হব লাগে। কিন্তু দলংখনৰ অৱস্থা তথৈবচ। চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰ লগতে স্থানীয় জনপ্ৰতিনিধিক একাধিকবাৰ আবেদন নিবেদন জনাইও আজিলৈ সুফল পোৱা নাই স্থানীয় ৰাইজে। ফলত এতিয়া ক্ষোভিত হৈ পৰিছে স্থানীয় ৰাইজ আৰু ক্ষুদ্ধ বানপীড়িত ৰাইজে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ দলংখনৰ কাষতে পানীত নামি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে । ৰাইজে উক্ত স্থানত এখন পকী দলং নিৰ্মাণ কৰাৰ বাবে ৰাজ্য চৰকাৰক দাবী

### পানীত নামি ৰাইজে সাব্যস্ত কৰিলে প্ৰতিবাদ

জনাইছে। ৰাইজৰ এনে ন্যায্য দাবীৰ প্ৰতি চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

## ন-ন অভিযোগ ৰাইজৰ

### দুৰ্গম পথৰ নিৰ্মাণৰ নামত আবণ্টিত টকা কাৰ পকেটত ঃ তদন্তৰ দাবী ৰাইজৰ

### দৈনন্দিন বাৰ্তা কাকতত প্ৰকাশিত বাতৰিৰ পিছতেই প্ৰতিক্ৰিয়া





**দৈনন্দিন বাৰ্তা সেৱা, মহুৰামুখ, ২৩ জুন ঃ** বোকাখাত বিধান সভা সমষ্টিৰ অন্তৰ্গত দিচৈ আৰু দুসুঁতীমুখ গাওঁ পঞ্চায়তৰ সীমান্তবৰ্তী আলামি মাজগাওঁ ৰোহিতা সংযোগী পথত বিধায়ক পুঁজিৰ ধনৰ অনিয়মৰ অভিযোগ উত্থাপন কৰিছে স্হানীয় ৰাইজে। যি সময়ত মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ সমষ্টিত বিধায়ক পুঁজিৰ কামক লৈ মুখ্যমন্ত্ৰীৰ ভিজিলেঞ্চ দলে তদন্ত অব্যাহত ৰাখিছে সেই সময়তে বোকাখাত সমষ্টিৰ নৈপৰীয়া অঞ্চলতোৰ ৰাইজে উত্থাপন কৰা এনে অভিযোগে তাৎপৰ্য বহন কৰিছে। উক্ত এক কিল মিটাৰ দৈঘ্যৰ পথটোত শিল-বালি পেলাবৰ বাবে ২০১৯-২০ বৰ্যৰ বিধায়ক পুঁজিৰ দুই লাখ পঞ্চাশ হাজাৰ টকা আৱন্তন হৈছিল যদিওঁ উক্ত টকাৰে মাত্ৰ দহ গাড়ী শিল-বালি পেলায়েই সমুদায় টকা শেষ কৰিছে বুলি ৰাইজে অভিযোগ কৰিছে। উল্লেখ্য যে প্ৰধান মন্ত্ৰী গ্ৰাম চঁৰক যোজনাৰ এটা পথক লৈ দুখন গাঁৱৰ মাজত হোৱা দুৰ্বাদল কাজিয়াৰ অন্তত বোকাখাত মহকুমাৰ মহকুমাধিপতি উপস্থিতিত আৰু বোকাখাত বিধান সভা সমষ্টিৰ বিধায়ক তথা জ্যেষ্ঠ কেবিনেট মন্ত্ৰী অতুল বৰাৰ হস্তক্ষেপত আলামি মাজগাঁও চাৰি আলি ৰোহিতা সংযোগী এক কিলোমিটাৰৰ পথটো দিচৈ আৰু দুসুঁতীমুখ পঞ্চায়তক পাঁচশ মিটাৰকৈ নিৰ্মাণৰ বাবে এম জি এন ৰেগা আঁচনিৰ ৯ লাখ, ২৮ হাজাৰ, ৬শ ৪৬ টকাকৈ মুঠ ১৮,৫৭,২৯২ টকা আৱন্তন দিছিল। কিন্তু পথ নিৰ্মাণৰ কাম আধৰুৱা কৰি আঁচনিৰ বাবে আৱন্তিত সমুদায় টকা উলিয়াই লৈ যোৱাৰ তথ্য পোহৰলৈ আহিছে।পথ নিৰ্মাণৰ উক্ত বৃহৎ কেলেংকাৰীটো দুয়োখন পঞ্চায়তৰ সভাপতিৰ ছত্ৰ চাঁয়াত হোৱাৰো প্ৰমাণিত হৈছে। কিয়নো শ্ৰমিক সকলক মজুৰী প্ৰদান পত্ৰত স্বাক্ষৰ প্ৰদান কৰিব লাগে সভাপতিয়ে। উক্ত পথটোত থকা এটা ভগা পুলৰ বাবে আৰু দুৰ্নীতিৰ অভিযোগ কালি স্থানীয় ৰাইজে উত্থাপন কৰাৰ খবৰ "দৈনন্দিন বাৰ্তা" কাকতত প্ৰকাশৰ পিছতে আজি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ লগতে আজি ন ন অভিযোগ উত্থাপন কৰিছে ৰাইজে। উক্ত সমগ্ৰ বিষয়টো স্থানীয় বিধায়ক তথা কৃষিমন্ত্ৰী গৰাকীয়ে উচ্চ পৰ্যায়ৰ তদন্তৰ জড়িয়তে দোষীক উচিত শাস্তি প্ৰদানৰ দাবী জনাইছে।

## বিহালীত ৰে'লৰ আগত পৰি আত্মহত্যা যুৱতীৰ, চাঞ্চল্য

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৩ জুন ঃ** বিশ্বনাথৰ বিহালীত কালি নিশা প্ৰায় ১:০০ মান এগৰাকী যুৱতীয়ে ৰেলৰ আগত পৰি আত্মহত্যা কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে জলধাৰী পাচৱান নামৰ ব্যক্তি গৰাকীৰ দ্বিতীয় কন্যা ৰিংকী পাচৱান (১৮) নামৰ যুৱতী গৰাকীয়ে চেৰেলীয়া ৰেলৰে ক্ৰছিংৰ নাতি দূৰৈত ৰেলৰ আগত পৰি আত্মহত্যা কৰে । পৰিয়ালৰ লোকে যুৱতী গৰাকীয়ে ঘৰত কাৰো লগত কোনোধৰণৰ কাজিয়াত লিপ্ত হোৱা নাছিল যদিও মোবাইলত কাষৰীয়া যুৱক এজনৰ লগত মাজনিশা লৈকে এছ এম এছ ৰ যোগেদি বাক-বিতণ্ডাৰ সূত্ৰপাত হৈছিল বুলি জনায়। কিন্তু কি কাৰণে যুৱতী গৰাকীয়ে আত্মহত্যাৰ দৰে পথ বাচি ললে আৰক্ষীৰ অনুসন্ধানত হে পোহৰলৈ আহিব।





## নিঃচিহ্ন হোৱাৰ পথত নামঘৰ, ঘৰ, খহনীয়াৰ প্ৰৱল ভাবুকি

### বানপানীৰ সোঁতত খহিল পকী কালভাৰ্ট ঃ তিতকুছি-বৰপথাৰ পথৰ ব্যাহত যাতায়াত

**দৈনন্দিন বাৰ্তাৰ সেৱা আন্ধেৰীঘাট ২৩ জুন:** বছৰটোৰ দ্বিতীয় টো বলীয়া বানত সৰ্বহাৰা সমগ্ৰ ৰাজ্য খনৰ লগতে সমান্তৰালভাৱে দৰঙৰ পশ্চিমাঞ্চলো। এই বানত বিধ্বস্ত সকলো ৰাস্তা ঘাট ৰ লগতে ঘৰ দুৱাৰ, সা-সম্পত্তি আদিৰ। বিশেষকৈ পশ্চিম দৰং অঞ্চল ত বহুত বেয়াকৈ ক্ষতিগ্ৰস্থ হোৱা ৰ খবৰ অলেখ লেখ। ঘাইকৈ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত পশ্চিম বৰপথাৰ ৰ ৰাইজৰ দুখ দুৰ্দশা ৰ অন্ত নাই। বছৰ বছৰ ধৰি বানে জুৰুলা কৰা এই গাওঁ খনলৈ এটি পথৰ লগতে এখন পকী দলং নিৰ্মাণ কৰি দিয়া হৈছিল হে মাথো কিন্তু বানৰ প্ৰকোপত পথচোৱা সম্পূৰ্ণ বিধ্বস্ত হোৱাৰ উপৰিও পানীৰ সোঁতে পথটিৰ পকী কালভাৰ্ট টোৰ এটা মূৰত খহাই নিয়াৰ ফলত যাতায়ত ব্যৱস্থা ব্যাহত হয়। গঞা ৰাইজে নিজৰ গাঁঠি ৰ ধন খৰচ কৰি কোনো মতে যাতায়ত সুচল কৰে। ইপিনে বৰহোলা জানৰ ওপৰত নিৰ্মাণ কৰা পকী দলংখন ৰ তলেৰে বানপানীৰ প্ৰবল সোঁতত পৰি মাটিৰ গৰাখহনীয়াই নিশ্চিহ্ন কৰাৰ পথত পশ্চিম বৰপথাৰ ৰ নৱ নিৰ্মিত নামঘৰটো। আনফালে নামঘৰৰ লগতে লাগি থকা ঘৰ খনলৈয়ো প্ৰৱল ভাবুকি কঢ়িয়াই আনিছে।ভয় শংকাত থাকিব লগাত পৰিছে পৰেশ চন্দ্ৰ ডেকা ৰ ঘৰখনৰ পৰিয়ালবৰ্গই। পুনৰ বানপানী আহিলে যিকোনো মুহূৰ্তত ঘৰখন উটুৱাই লৈ যোৱা ৰ ভাবুকি প্ৰকট হৈ পৰিছে।

## খাটিয়ামাৰীত ভয়ংকৰ টুলুঙা নাও দুৰ্ঘটনা

### কথমপি প্ৰাণ ৰক্ষা দুই বাইক আৰোহী



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৩ জুন ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত কালাইৰদিয়াৰ পৰা সুখাৰঝাৰ লৈ যোৱা লোক নিৰ্মাণ বিভাগৰ পথৰ মাজত থকা সৰু খাল এখন পাৰ হওঁতেই আজি খাটিয়ামাৰী শান্তিপুৰত এক ভয়ংকৰ টুলুঙা নাওঁ দুৰ্ঘটনা সংঘটিত হয়। এই নাওঁ দুৰ্ঘটনাত দুই বাইক আৰোহীৰ লগতে কেবাজনো লোক সহ নাওঁৰীয়াৰ কথমপি প্ৰাণ ৰক্ষা পৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, খাটিয়ামাৰীৰ এগৰাকী যুৱকৰ লগতে আৰু নিৰলাচৰৰ হাইদৰ আলী নামৰ দুই বাইক আৰোহী খাটিয়ামাৰী শান্তিপুৰ অংশ পাৰ হওঁতেই আকস্মিকভাৱে টুলুঙা নাওখন বানৰ তীব্ৰ সোঁতত উটি যায়। বানৰ কোৱাল সোঁতত পৰি উটি যোৱা দুই বাইক আৰোহীৰ লগতে নাৱৰীয়াই সাঁতুৰি কোনোমতে প্ৰাণ ৰক্ষা কৰি পাৰত উপস্থিত হয়। পিছত স্থানীয় ৰাইজৰ সহযোগত বাইক দুটা পানীৰ মাজৰ পৰা উদ্ধাৰ কৰা হয়। স্মৰ্তব্য যে খাটিয়ামাৰী শান্তিপুৰত থকা কালভাৰ্টৰ কাম ঠিকাদাৰ মৃনাল জ্যোতি দাসে বিগত তিনিটা বছৰে সম্পূৰ্ণ নকৰাত বাৰিষাৰ সময়ছোৱাত খাটিয়ামাৰী শান্তিপুৰৰ মাজত যোগাযোগ বিছিন্ন হৈ থাকে। ৰাজ্যত এখন এবছৰীয়া সফলতাৰ দাবীদাৰ চৰকাৰৰ কাৰ্যকালত এনেকৈ দিনে-নিশাই মৰণত শৰণ লৈ দৈনন্দিন যাত্ৰা অব্যাহত ৰাখিব লগা হৈছে যদিও ৰাইজৰ এনে দূৰ্দশাৰ কোনো গুৰুত্ব নাই ঠিকাদাৰৰ লগতে স্থানীয় বিধায়ক শ্বেৰমান আলী আহমেদৰ। শীঘ্ৰে অসম্পূৰ্ণ কালভাৰ্টটোৰ কাম সম্পূৰ্ণ কৰি যাতায়াত ব্যৱস্থা সুচল কৰি তুলিবলৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক ৰাইজে দাবী জনাইছে।

## পৰ্বতঝোৰাত বানৰ পাছৰ পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ২৩ জুন ঃ** চলিত বৰ্ষৰ বানে কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বিস্তৰ অঞ্চল পৰিত কৰাৰ পাছত এই সম্পৰ্কীয় এখন পৰ্যালোচনা সভা আজি মহকুমাধিপতি কাৰ্যালয়ত অনুষ্ঠিত হয়ঞ্জ। অতিৰিক্ত উপায়ুক্ত তথা পৰ্বতঝোৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি অনছুলা বসুমতাৰীয়ে আজিৰ সভাখনত বিভিন্ন বিভাগৰ মুৰব্বীসকলৰ পৰা ক্ষয়-ক্ষতিৰ খতিয়ান বিচাৰে। তেওঁ বিভিন্ন বিভাগৰ বিষয়াসকলৰ উপৰি খণ্ড উন্নয়ন বিষয়াসকলক বানত ক্ষতিগ্ৰস্ত অঞ্চলসমূহ নিয়মীয়াকৈ পৰিদৰ্শন কৰি ক্ষয়-ক্ষতি তথা অভাৱ-অভিযোগৰ বুজ ল'বলৈ পৰামৰ্শ আগবঢ়ায়। গড়কাপ্টানি (পথ) বিভাগক এসপ্তাহৰ ভিতৰত ক্ষতিগ্ৰস্ত পথসমূহ মেৰামতি কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে এইবাৰৰ বানত পৰ্বতঝোৰা মহকুমাত ৪খন গাঁও সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হোৱাৰ উপৰি ৪১খন গাঁও আংশিকভাৱে ক্ষতিগ্ৰস্ত হয় আৰু ৬১খন গাঁৱৰ মুঠ ২৮৪.৪৯ হে'ৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হয়। এই অঞ্চলটোত ক্ষতিগ্ৰস্ত লোকৰ সংখ্যা পুৰুষ, মহিলা তথা শিশুকে ধৰি ২২,৮৮৪ গৰাকী। তাৰ ভিতৰত ২,১১৯গৰাকীয়ে আশ্ৰয় শিবিৰত আশ্ৰয় গ্ৰহণ কৰে। এইবাৰ মহকুমাটোত ৩৬,৬৫৬টি পশুধন বানৰ কবলত পৰে। ৯ ঠাইত আশ্ৰয় শিবিৰ স্থাপন কৰাৰ উপৰি ৪টা সাহায্য বিতৰণ কেন্দ্ৰৰ জৰিয়তে পৰ্যাপ্ত পৰিমাণে চাউল, দাইল, নিমখ, চিৰা, গুৰ, মিঠাতেল আৰু যথেষ্টসংখ্যক শিশুখাদ্য, বিস্কুট, মমবাতি, পানীৰ বটল, চাবোন, টাৰপালিন আদি বিতৰণ কৰা হয়। উল্লেখযোগ্য যে মহকুমাটোত ৩৩৮.৪ কুইণ্টল পশুখাদ্যও বিতৰণ কৰা হয়। আজিৰ বান পৰ্যালোচনা সভাখনত বগৰীবাৰীৰ চক্ৰ বিষয়া দেৱজ্যোতি গগৈ, সহকাৰী আয়ুক্ত অজিতাভ ভৌমিক, দেৱীতোলা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মানসজ্যোতি মালাকাৰ, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া একাব্বৰ আলী, স্কুলসমূহৰ উপ-পৰিদৰ্শক মংগলেশ্বৰ চৌধুৰী, মহকুমা পশু চিকিৎসা বিষয়া ডাঃ ভানুৰাণী কছাৰী, হস্ত-তাঁত বস্ত্ৰ শিল্প বিভাগৰ অধীক্ষক ইন্দ্ৰমোহন নাথ, গড়কাপ্টানি (গৃহ) বিভাগৰ কনিষ্ঠ অভিযন্তা ৰাজু কুমাৰ শ্বাও, যোগান বিভাগৰ অধীক্ষক ধৰ্মেশ্বৰ দাস, জলসিঞ্চন বিভাগৰ বিষয়া সাদন কুমাৰ সেন, বিদ্যুৎ বিভাগৰ বিষয়াদ্বয় নিশান্ত গুপ্তা আৰু ৰাহুল তৰফদাৰৰ লগতে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে বুলি মহকুমা তথ্য আৰু জনসংযোগ বিষয়া বিজয় বেজবৰুৱাই জনাইছে।

### চণ্টক-বিহুবৰত নাইকিয়া হৈ পৰিছে মানৱ জাতিৰ বাসোপযোগী পৰিৱেশ

## স্বাধীনতাৰ ৭৫ বছৰৰ পিছতো সুচল নহ'ল যাতায়াত ব্যৱস্থা

### গান্ধাৰীৰ ভূমিকাত বিভাগীয় কৰ্তৃপক্ষ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৩ জুন ঃ** ১০৪ নং নাজিৰা বিধান সভা সমষ্টিৰ অন্তৰ্গত 'শৈল নগৰী'ৰূপে খ্যাত চণ্টক - বিহুবৰ এলেকাৰ কাষতে সাতভনীৰ চানেকীৰে নগা ৰাজ্যকো আকোঁৱলি লৈছে । নাগালেণ্ডৰ গিৰীভূমিত উদ্ভৱ হোৱা অসমৰ আটাইতকৈ দ' নদী হিচাপে 'বশিষ্ঠ গংগা'খ্যাত দিখৌ নদী পাহাৰ সংগমৰ পৰা নামি অহা স্থানৰ পৰাই শিল আৰু 'কলাহীৰা'ৰ ভাণ্ডাৰসমূহ স্পৰ্শ কৰি অহাত উদ্যোগী কৰণৰ কোৱাল গতিৰ লগত দৌৰা এচাম উদ্যোগী - ব্যৱসায়ী - নিৰ্মাতা গোষ্ঠীৰ লোলুপ দৃষ্টিত দিখৌ নদীৰ বুকুৰ শিল, বালি সংগ্ৰহ প্ৰক্ৰিয়াই ভয়াবহতা কঢ়িয়াই আনিছে । কাষৰে নাগিনীমৰাকে ধৰি দিখৌৰ পাৰে পাৰে পাহাৰৰ টিলা, মালভূমিৰ দৰে স্থানত 'কলাহীৰা' ৰ খননো অব্যাহত আছে। বাধাহীনভাৱে কেৱল প্ৰকৃতিৰ বুকুৰ পৰা সম্পদ আহৰণ প্ৰক্ৰিয়াই দিখৌ নদীৰ চেহেৰাই লীন কৰি তুলিছে । চণ্টক-বিহুবৰৰ দৰে স্থানত প্ৰকৃতিৰ যি ৰূক্ষমূৰ্তি কৰি উঠিল সেই দৃশ্য মনোমোহা প্ৰকৃতিত শৈল সম্পদে কথা পতা দৃশ্য চোৱা দূৰৰে কথা, মানৱ জাতিৰো বাসোপযোগী পৰিৱেশ নাইকিয়া কৰি পেলালে। পৰ্যটনৰ গুৰুত্বৰ বিচাৰত একালত আসাম কোম্পানীৰ ৰে'ল সংযোগেৰে এটা ৰে'ল ষ্টেচন হৈ পৰা বিহুবৰত আজিৰ সময়ত উন্নত যাতায়তী ব্যৱস্থাৰে সংযোগ ঘটোৱা প্ৰাথমিক দায়িত্ব চৰকাৰসমূহে পালন কৰিব লাগিছিল যদিও চৰকাৰৰ তেনে দূৰদৰ্শী পদক্ষেপ স্বাধীনতাৰ ৭৫ বছৰৰ পিছতো সম্ভৱ হৈ নুঠিল। জৰাজীৰ্ণ বাট-পথৰ অৱস্থাই যমৰ যাতনাৰ মাজেৰেহে দিন পাৰ কৰিব লগাত পৰিছে জনজীৱন। বাৰিষা-খৰালি সকলো দিনতে চৰকাৰী মীন পাম সদৃশ দ' দ' প্ৰকাণ্ড গাতবোৰে মধ্যযুগীয় অৱস্থাতে স্থৱিৰ কৰি ৰাখিছে চণ্টক - বিহুবৰক । মৰুভূমিৰ দৰে বৈধ-অবৈধ ক্ৰেচাৰ মিলৰ ধূলিৰ ধুমুহা, বাট-পথৰ ৰেহ-ৰূপ নথকা অৱস্থাই জন জীৱনৰ দূৰ্যোগ যি পৰ্যায়লৈ গতি কৰাইছে দেখিলেই ভাৱ হয় এইখনেই সেই বিহুবৰ নে, য'ত নিতৌ অসমৰ বিভিন্ন স্থানলৈ দিনৰ হিচাপত সৰবৰাহ হয় হাজাৰ ট্ৰাক শিল আৰু কয়লা । ঘৰে - চোতালে থিয় হৈ থকাৰ সময়খিনিতো শ্বাস - প্ৰস্বাস ৰুদ্ধ যেন লগা অৱস্থাত নাগৰিকে মুখ ঢাকিহে জীয়াই থাকিব লগীয়া পৰিস্থিতিত চৰকাৰৰ প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগ, স্বাস্থ্য বিভাগ আদিৰ বৰমূৰীয়াসকলে গান্ধাৰীৰ ভূমিকাহে পালন কৰি আহিছে। ইফালে আসাম কোম্পানীৰ দিনৰে পৰা থকা ৰে'ল ষ্টেচন সম্প্ৰতি নিঃশেষ হৈ যোৱাৰ পৰৱৰ্তী সময়ত ইয়াৰ ভূ-খণ্ড অবৈধ শিলৰ ষ্টক আৰু ক্ৰেচাৰ মিল। কোটি কোটি টকা সম্পদ ধ্বংস হোৱাৰ পিছতো ৰে'ল বিভাগ তথা চৰকাৰে পুনৰুজ্জীৱীত কৰাৰ কোনো পদক্ষেপ গ্ৰহণ কৰা নাই আজি পৰ্যন্ত ।

## বয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন বিধায়ক ৰঞ্জিত দত্তৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৩ জুন ঃ** আজি বিহালি সমষ্টিৰ ২ নং বৰজাৰণি গাঁৱত অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী তথা বিহালী সমষ্টিৰ বিধায়ক ৰঞ্জিত দত্তই জিলা খনিজ ন্যাস পুঁজিৰে বৰজাণি বয়ন প্ৰকল্পটি আধাৰশিলা স্থাপন কৰে। আধাৰশিলা অনুষ্ঠানত উপস্থিত থাকে বিশ্বনাথৰ উপায়ুক্ত মুনিন্দ্ৰ নাথ ঙতে, জিনজিয়া জিলা পৰিষদ সদস্য অজয় দাস বৰজাৰণি গাঁও পঞ্চায়তৰ সভানেত্ৰী বিনা তিমুংপি আৰু বিশ্বনাথ জিলা গাঁও প্ৰধান সভাপতি ৰাম নাথ তেৰন আৰু স্থানীয় সচেতন ব্যক্তি যোগান ৰংহাং, ডালিম ৰমপি লগতে বিশ্বনাথ বিহালী পি ডব্লিউ ডি বিভাগৰ বিষয়া অভিযন্তা। ইফালে বিধায়ক ৰঞ্জিত দত্তই কয় যে এই প্ৰকল্পটো জড়িয়তে অঞ্চল জনসাধাৰণক বহু পৰিমাণে উপকৃত হ'ব বুলি প্ৰকাশ কৰা লগতে বিশেষভাৱে মহিলাসকলৰ এই অনুষ্ঠানৰ পৰা লাভান্বিত হ'ব বুলি উল্লেখ কৰে বিধায়ক গৰাকীয়ে।

NIT NO.SEI/T-27/ET-5/2022-23/192

**PRESS NOTICE INVITING TENDER**

The Superintending Engineer, Nagaon Circle (irrigation), Nagaon on behalf of Governor of Assam invites online bids for the works of 'CONSTRUCTION SOLAR POWERED MDTW SCHEMES (4 POINTS) UNDER RIDF-XXVII(NABARD) AT MAYANG DEV. BLOCK OF JAGIROAD LAC FOR THE YEAR 2021-22' under Morigaon-Laharighat-Jagiroad Division (Irrigation), Jagiroad amounting to Rs. 118.84 Lakh (Approx.) in 4 (Four) packages. Details may be seen at website http://assamtenders.gov.in and also in the office of the undersigned during office hours from 25/06/2022 to 05/07/2022.

Sd/-
Superintending Engineer,
Nagaon Circle (Irrigation)
Nagaon, Assam

Janasanyog /C/5269/22

gmda

**Guwahati Metropolitan Development Authority**

STATFED Building, Bhangagarh, Guwahati - 781005
Website: **www.gmda.assam.gov.in** Tel: 0361-2529650/9824
E-mail: **ceogmdaghy@gmail.com** Fax: 0361-2529991

**No. GMDA/DEV/91/2021/27** **Dated: 23-06-2022**

**SHORT TENDER NOTICE**

Sealed tenders in prescribed format eventually to be drawn up in P.W.D. F-2 Form (Modified) affixing non-refundable court fee stamp of ₹8.25 (Rupees eight and paisa twenty five) only from reputed, experienced & financially sound APWD Roads Registered Contractor of Class I (A, B & C), Class-II & Class-III categories are invited by the undersigned at the office of the Guwahati Metropolitan Development Authority for the work of "Road restoration work for existing gravel road at DMA No. 5 under South Guwahati West Water Supply Project" and will be received up to **2:30 P.M. on 11-07-2022** and will be opened at **3:00 P.M.** on the same day. In case of unscheduled holiday on the date of opening of the tender, the tender will be opened on the next working day at the same time and place. The Detailed Tender Document may be obtained on all working days from **24-06-2022 to 08-07-2022** on payment of non-refundable tender fee of ₹500.00 (Rupees Five Hundred) only against the work at GMDA's cash counter up to 2:30 P.M.

*Sd/-* **Chief Executive Officer**
Guwahati Metropolitan Dev. Authority
Bhangagarh, Guwahati - 5

AXIS BANK

**এক্সিছ বেংক লিমিটেড**

এ. চি. মাৰ্কেট, ৪ৰ্থ মহলা, ১, শ্বেইক্সপিয়েৰ সাৰণি, কলকাতা-৭০০০৭১

**বন্ধকত জমা ৰখা সোণ ই-নিলামৰ বাবে ৰাজহুৱা জাননী**

ঋণ লওতাসকলক বিশেষভাৱে আৰু ৰাইজক সাধাৰণভাৱে এই জাননীৰ জৰিয়তে অৱগত কৰা হ'ল যে এক্সিছ বেংকৰ তলত উল্লেখ কৰা শাখাসমূহত গ্ৰাহকে বন্ধকত জমা ৰখা সোণৰ বাবে ৰাজহুৱা নিলাম আহ্বান কৰা হৈছে।

তলত উল্লেখ কৰা ঋণ লওতাসকলৰ বাবে এক্সিছ বেংক লিঃত ঋণ লাভৰ সুযোগ দিয়া হৈছিল নিজৰ সোণৰ অলংকাৰ বন্ধক ৰখাৰ বিনিময়ত ('সোণৰ ঋণ সুবিধা') সংশ্লিষ্ট বেংকত। তেওঁলোকৰ ঋণৰ অনাদায় নিৰিখ আদায় দিবলৈ ঋণ লওতা/ গেৰাণ্টাৰসকলক দাবী জাননী প্ৰেৰণ কৰি আহ্বান জনোৱা হৈছিল যাতে সোণৰ ঋণসমূহ আদায় দিয়ে। যিহেতু ঋণ লওতা/ গেৰাণ্টাৰে অনাদায় ঋণৰ ধন পৰিশোধ কৰাত ব্যৰ্থ হ'ল, বেংক কৰ্তৃপক্ষই সেয়েহে ই-নিলাম ব্যৱস্থাৰে বন্ধকত থকা সোণৰ আ-অলংকাৰসমূহৰ নিলামৰ পদক্ষেপ গ্ৰহণ কৰিছে যাতে ঋণৰ অনাদায় ধনৰাশি আদায় কৰিবলৈ সক্ষম হয় অহা **০৪-০৭-২০২২** (তাৰিখ) দিনৰ **১২.৩০-৩.৩০ বজাৰ ভিতৰত** (নিলামৰ সময়)। সামগ্ৰীসমূহ 'যেনেদৰে আছে', 'যিধৰণে আছে', 'য'ত আছে' ভিত্তিত।

**ঋণ লওতা আৰু অনাদায় ধনৰ সবিশেষ ঃ**

| শাখাৰ নাম | গ্ৰাহকৰ নাম | লোণ একাউণ্ট নং | অনাদায় ধনৰাশি | দাবী জাননীৰ তাৰিখ | সামগ্ৰিক ওজন গ্ৰাম |
|---|---|---|---|---|---|
| বৰপেটাৰোড (এ এছ) | মাণিক দাস | ৯২০০৬০০৫২১৫৭৫৭৫ | ১১৪৭২৯ | ২৯-জানুৱাৰী-২২ | ৪৮.৪ |
| বৰপেটাৰোড (এ এছ) | সুশান্ত দেৱ নাথ | ৯২০০৬০০৫০২৬২৬৫৭ | ১০৫১২৩ | ২৯-জানুৱাৰী-২২ | ৩০.১ |
| বৰপেটাৰোড (এ এছ) | আব্দুল হান্নান খান | ৯২০০৬০০৪২৮৬৮৮৭৪ | ৩৫৩৮০ | ২৯-জানুৱাৰী-২২ | ১২ |
| ৰঙিয়া ৰাইয়া (এ এছ) | গীতালি কলিতা | ৯২০০৬০০৫১১৫২১৫৯ | ৬৩৬৫৭ | ২৯-জানুৱাৰী-২২ | ২৪.৯ |
| বৰপেটাৰোড (এ এছ) | আমিনুল ইছলাম | ৯২০০৬০০৫২১৬৬৩৪৬ | ২৫২৯৭ | ২৯-জানুৱাৰী-২২ | ৮.২ |
| বৰপেটাৰোড (এ এছ) | জুমি বেগম | ৯২০০৬০০৫১১৪৭৮৬৯ | ১২৮৯৭৪ | ২৯-জানুৱাৰী-২২ | ৩৩.৮ |
| মঙলদৈ (এ এছ) | তৰুলতা দেৱী | ৯২০০৬০০৪৯৭২৯৯৯৮ | ৮৯২৯৮ | ২৯-জানুৱাৰী-২২ | ৩০.৬ |
| নগাঁও (এ এছ) | সোমা তালুকদাৰ | ৯২০০৬০০৪৯৭২৮৭৯১ | ৭৩২৪৫ | ২৯-জানুৱাৰী-২২ | ৩৯ |
| বৰপেটাৰোড (এ এছ) | জুলফিকৰ আলী আহমেদ | ৯২০০৬০০৫১১৮৮১১৬ | ৫১৪৩১ | ২৯-জানুৱাৰী-২২ | ২৩ |
| বৰপেটাৰোড (এ এছ) | সীমান্ত দাস | ৯২০০৬০০৫০২৯৭৯৭০ | ৬৬৪৬৫ | ২৯-জানুৱাৰী-২২ | ১৮.৮ |

এক্সিছ বেংক লিঃৰ কৰ্তৃত্ব আছে একাউণ্ট প্ৰত্যাহাৰ/ নিলামৰ তাৰিখ সলনিৰ বাবে কোনো ধৰণৰ আগতীয়া জাননী নিদিয়াকৈ। নিলাম কাৰ্যকৰী হ'ব অনলাইন মাধ্যমেৰে https://gold.samil.in (অনলাইন ভেণ্ডৰৰ ৱেবছাইট) দিনৰ ১২.৩০-৩.৩০ বজাৰ ভিতৰত (সময়)। সবিশেষ চৰ্তাৱলীৰ বাবে অনুগ্ৰহ কৰি লগ-ইন কৰিব পাৰিব ৱেবছাইট ঃ https://gold.samil.in (অনলাইন ভেণ্ডৰৰ ৱেবছাইট)।

**তাৰিখ ঃ ২৪.০৬.২০২২**
**স্থান ঃ কলকাতা**

**কৰ্তৃত্বশীল বিষয়া**
**এক্সিছ বেংক লিমিটেড**

Affordable Health Mission | GNRC Quality•Value•Trust

**স্বাস্থ্য-বাৰ্তা**

**বঙাইগাঁৱত জিএনআৰচিৰ অ'পিডি সেৱা**

**২৪ জুন**

ল'ৱাৰ আছাম হাস্পতাল, বঙাইগাঁও

**ডাঃ কৃষ্ণ চন্দ্ৰ নাৰ্জাৰী**

(হৃদ্‌ৰোগ বিশেষজ্ঞ)

**লক্ষণবোৰ ঃ** বুকুৰ বিষ, ক্ষীপ্ৰ হৃদ্ স্পন্দন, শ্বাস-প্ৰশ্বাসৰ অসুবিধা, উচ্চ কলেষ্টৈৰ'ল, উচ্চ ৰক্তচাপ, হৃদ্‌যন্ত্ৰ আৰু ৰক্তবাহী নলীৰ ৰোগ।

**যোগাযোগৰ নম্বৰ**

7002770765

info@gnrchospitals.com www.gnrchospitals.com

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২৪ জুন ■ ২০২২ ■ ৯ আহাৰ ■ গুৱাহাটী

## প্ৰলয়ংকৰী বানত বিধ্বস্ত অসমবাসী ৰাইজ

ৰাজ্যত কালান্তক ৰূপ ধাৰণ কৰা সাম্প্ৰতিক বানপৰিস্থিতিত লাখ লাখ পৰিয়ালৰ অৱস্থা জটিল হৈ আছে। ব্ৰহ্মপুত্ৰকে ধৰি ৰাজ্যখনৰ সকলো নদ-নদী আৰু উপনৈসমূহৰ বাঢ়নী পানীয়ে প্ৰতি মুহূৰ্তত ন ন অঞ্চল প্লাৱিত কৰিছে আৰু ইয়াৰ সমান্তৰালভাৱে বানাক্ৰান্ত লোক আৰু অঞ্চলৰ সংখ্যা নিৰন্তৰ বৃদ্ধি হৈছে। প্ৰলয়ংকৰী বানে ঘৰ-দুৱাৰ, কৃষিভূমি সকলো বুৰাই পেলাইছে। বানৰ সমান্তৰালকৈ বিভিন্ন ঠাইত হোৱা ভূমিস্খলনে ৰাজ্যৰ পৰিস্থিতি অধিক ভয়াৱহ কৰি তুলিছে আৰু কমেও এই স্তম্ভ লিখাৰ সময়লৈ ৮১গৰাকী লোকে বানত প্ৰাণ হেৰুৱাইছে। ৰাজ্যৰ ৩২খন জিলা বানত বুৰিছে বুলি চৰকাৰে সদৰী কৰিছে। ৰাজ্যখনত ৪৭ লাখৰো অধিক লোক বানত আক্ৰান্ত হৈছে আৰু ১.১৩ লাখ হেক্টৰ কৃষিভূমিৰ খেতি নষ্ট হৈছে। ৰাজ্যৰ নদ-নদীসমূহৰ জলস্তৰ ক্ৰমাৎ বৃদ্ধি হৈ থকাৰ পৰিপ্ৰেক্ষিতত ৩২খন জিলা বানৰ কবলত পৰিছে। ক্ষতিগ্ৰস্ত গাঁৱৰ সংখ্যা ৫.৪২৪ আৰু বানাক্ৰান্ত লোক ৪৭ লাখ ৭২ হাজাৰ ১৪০জনলৈ বৃদ্ধি হৈছে বুলি দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। বানপীড়িত হাজাৰ হাজাৰ লোকে ৮১০টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈছে যদিও বহুতেই ওখ স্থানত আশ্ৰয় লৈছে। বানাক্ৰান্ত অনেক লোকে খাদ্যৰ লগতে খোৱাপানী আদিৰ অভাৱত দিন কটোৱা বুলি অভিযোগ উত্থাপন হৈছে। চৰকাৰে সংশ্লিষ্ট সকলোকে দিনে-নিশাই বানপানীস্থিতসকলৰ বাবে সেৱা তথা সাহায্য আগবঢ়াবলৈ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক চৰকাৰী নিৰ্দেশলৈ বাট নাচাই প্ৰয়োজনীয় সকলো সাহায্য আগবঢ়াবলৈ নিৰ্দেশ দিছে। লগতে উদ্ধাৰ আৰু সাহায্য অভিযান ক্ষিপ্ৰ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনৰ বিষয়াসকলক নিৰ্দেশ দিছে। পানীৰ পিছত হ'ব পৰা বিভিন্ন ৰোগ বিয়পাত জনসাধাৰণক ৰক্ষা কৰিবলৈ চিকিৎসা শিবিৰ স্থাপনতো নিৰ্দেশ দিছে। মুঠতে সকলো বানপীড়িতক প্ৰয়োজনীয় সাহায্য আগবঢ়োৱাত তৎপৰতাৰে সাহায্য তথা উদ্ধাৰ অভিযানত ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণৰ বাবে সকলোলৈকে নিৰ্দেশ জাৰি কৰিছে যদিও বহু অঞ্চলত সময় মতে সাহায্য নোপোৱাত সমস্যাই দেখা দিছে। এইক্ষেত্ৰত প্ৰশাসন তথা আৰক্ষী বিভাগে ক্ষিপ্ৰতাৰে ব্যৱস্থা গ্ৰহণ কৰাটো উল্লেখনীয় দিশ বুলি বিবেচিত। আশ্ৰয় শিবিৰসমূহতেই সাহায্য সীমিত থাকিলেই সমস্যাৰ সমাধান নিশ্চয় নহয়। এই বাবে চৰকাৰ তথা স্বেচ্ছাসেৱী সকলো সংগঠনে গাঁৱে গাঁৱে পীড়িতসকলক সাহায্য বিতৰণৰ অত্যন্ত জৰুৰী হৈ পৰিছে। উল্লেখ্য যে, খাদ্যাভাৱৰ বাবে কোনো এটা অঞ্চল নাইবা গাঁৱত দুৰ্ভিক্ষসদৃশ পৰিস্থিতিৰ সৃষ্টি নহয়, বানবিধ্বস্ত অঞ্চলবোৰৰ ৰাইজে যাতে লঘোণে থাকিবলগীয়া নহয়, বানপীড়িত ৰাইজে যাতে খাদ্যাভাৱত কষ্ট পাবলগীয়া নহয় সেইটো নিশ্চিত কৰাৰ দায়িত্ব চৰকাৰৰ। প্ৰলয়ংকৰী বানত ঘৰবাৰী হেৰুৱাই কেইবা লক্ষ লোকে আশ্ৰয় শিবিৰত আশ্ৰয় লৈছে। খাদ্য, খোৱাপানী আৰু পোহৰৰ বাবে হাহাকাৰ কৰিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। শিক্ষানুষ্ঠান বন্ধ ৰাখিব লগা হৈছে। যাতায়াতৰ বাবে ৰে'ল বাতিল হৈছে। কাজিৰঙাকে ধৰি বন উদ্যান জলমগ্ন হৈছে। মুঠতে এই সকলো ক্ষেত্ৰতে সাহায্য আগবঢ়োৱাৰ ক্ষেত্ৰত যাতে কোনো হেমাহি নহয় নাইবা অনিয়ম নহয়, সেই ক্ষেত্ৰত প্ৰশাসনে কঠোৰ নীতি লোৱাৰ প্ৰয়োজন আছে। বানত হাজাৰ হাজাৰ পথ ধ্বংস হৈছে, বহু মথাউৰি বিধ্বস্ত হৈছে, লাখ লাখ ঘৰবাৰী নষ্ট হৈছে। এই সকলোবোৰ পুনৰ নিৰ্মাণৰ বাবে শ শ কোটি টকাৰ প্ৰয়োজন হ'ব। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এইক্ষেত্ৰত উদাৰ নীতি ল'লেহে ৰাজ্যখনত লাখ লাখ লোকৰ ক্ষতিপূৰণ সম্ভৱ হ'ব। বছৰৰ প্ৰথম বানৰ পাছতে কেন্দ্ৰীয় চৰকাৰে পৰ্যবেক্ষণৰ বাবে দল পঠাইছিল। দ্বিতীয়টো বানৰ বাবে আন এটা দল অহাৰ কথা। তাৰ বাবে ৰাইজে সবিশেষ জানিব পৰা হোৱা নাই। কিন্তু বানৰ কবলত লাখ লাখ লোক সৰ্বস্বান্ত হোৱা আৰু কৃষিভূমি নষ্ট হোৱাত খেতিয়কৰ খেতি কৰা অসম্ভৱ হৈছে। ইতিমধ্যে বজাৰত শাক-পাচলিৰ নাটনি হৈছে আৰু খাদ্যৰ নাটনি হোৱাৰ আশংকা হৈছে আৰু বজাৰত দাম কেইবা গুণো বৃদ্ধি পাইছে। মুঠতে উপৰ্যুপৰি হোৱা বানৰ বাবে ৰাজ্যখনৰ অধিক লোক দৰিদ্ৰ হৈ পৰাৰ আশংকাই অধিক। কেন্দ্ৰীয় চৰকাৰৰ সু-দৃষ্টিৰ অতি প্ৰয়োজন হ'ব।

■ বিজেপিৰ বিকল্প আম আদমি নে তৃণমূল ? ■

# ৰেচন কাৰ্ড, অৰুণোদয় আঁচনিৰ ক্ষেত্ৰত প্ৰদান কৰা বৈষম্যই বিপদত পেলাব নেকি বিজেপিক ?

**মৃদুল কুমাৰ চাহু**

বিজেপিশাসিত চৰকাৰখনে ৰাজ্যৰ প্ৰায় ১ কোটি চাহ শ্ৰমিকৰ সামগ্ৰিক উন্নয়নৰ নিমিত্তে বহুকেইটা অভিলাষী আঁচনি গ্ৰহণ কৰাৰ বিষয়ে চলোৱা প্ৰচাৰৰ মাজতে উজনিৰ প্ৰায়সংখ্যক বাগিচাত আম আদমি পাৰ্টীয়ে অতি গোপনে খোপনি পুতি সাংগঠনিক তৎপৰতা আৰম্ভ কৰিছে। চাহ শ্ৰমিক সমাজৰ জ্যেষ্ঠ নেতা প্ৰয়াত ৰামেশ্বৰ ধানোৱাৰৰ পুত্ৰ মনোজ ধানোৱাৰে আম আদমি পাৰ্টীত যোগদান কৰাৰ পিছতেই সমাজখনৰ একাংশ নেতা আম আদমি দলত যোগদান কৰি অতি কৌশলপূৰ্ণভাৱে দলটোৰে সাংগঠনিক ভেটি সবল কৰাৰ কুচকাৱাজ আৰম্ভ কৰিছে। উজনিৰ চাহ শ্ৰমিকৰ মাজত কংগ্ৰেছৰ ভেটি একপ্ৰকাৰ উছন হোৱাত সুযোগ সন্ধানীৰূপে থকা বিজেপিয়ে নিজৰ ভেটি শক্তিশালী কৰিবলৈ সক্ষম হৈছিল। কংগ্ৰেছৰ ভোট বেংকৰ ভেটি ওফৰাই বিজেপিৰ ভেটি স্থাপন কৰাৰ পিছত দলটোৰে চাহ শ্ৰমিকক কংগ্ৰেছৰ দৰে কেৱল ভোট বেংক কৰি ৰখাৰ কৌশল অৱলম্বন কৰাৰ পৰিপ্ৰেক্ষিতত বাগিচাত ভিতৰে ভিতৰে ক্ষোভৰ অগনি সৃষ্টি হৈছে। জাতি বৈষম্যৰ দৃষ্টিকোণেৰে চৰকাৰখনে হিতাধিকাৰী নিৰ্বাচন কৰাত সমাজখনৰ হাজাৰ হাজাৰ শ্ৰমিক পৰিয়াল অৰুণোদয় আঁচনি আৰু ৰেছন কাৰ্ডৰ পৰা বঞ্চিত হ'ব লগা হৈছে। দলটোৰ বুথ পৰ্যায়ৰ নেতাৰ পক্ষপাতমূলক কাৰ্যৰ ফলত অৰুণোদয় আঁচনি, ৰেছন কাৰ্ড লাভৰ পৰা বঞ্চিত হোৱা শ্ৰমিকক সাৰথি কৰি আম আদমি পাৰ্টীয়ে সমাজখনত খোপতি পোতাৰ সুৰুঙা উলিয়াই সদস্য ভৰ্তিৰ অভিযান আৰম্ভ কৰিছে। বুথ পৰ্যায়ৰ নেতাৰ বৈষম্যমূলক দৃষ্টি-ভংগীয়ে শ্ৰমিকসকলক বিদ্ৰোহী কৰি তুলিছে। স্বচ্ছ পৰিয়ালৰ মহিলাই অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰূপে নিৰ্বাচিত কৰাৰ বিপৰীতে বাগিচাৰ শ্ৰমিক মহিলা, গ্ৰামাঞ্চলৰ সাধাৰণ কৃষক মহিলা, দিন মজুৰি কৰা দৰিদ্ৰ মহিলাক আঁচনিৰ পৰা বঞ্চিত কৰাৰ ফল ভুগিব পাৰে বিজেপিশাসিত চৰকাৰখনে। ভুল তথ্যৰে হিতাধিকাৰী নিৰ্বাচন কৰাৰ পৰিণামে শাসকীয় দলৰ বাবে প্ৰত্যাহ্বান সৃষ্টি কৰাটো একপ্ৰকাৰ নিশ্চিত হৈ পৰিছে। চাহ শ্ৰমিকে ভোট দিয়ে, পাঁচ বছৰ আনে সুবিধা লয়। কেইটামান টকাৰ বিনিময়ত ভোট আদায় কৰি নিৰ্বাচনত জয়ী হোৱা প্ৰতিনিধিসকলে চাহ শ্ৰমিকৰ আৱেগ-অনুভূতি বুজিবলৈ চেষ্টা কৰেনে? কংগ্ৰেছ কি বিজেপি সকলোৱে চাহ শ্ৰমিকৰ সমস্যাক গুৰুত্ব সহকাৰে লৈ স্থায়ী সমাধানৰ বাবে সু-পৰিকল্পিত আঁচনি গ্ৰহণ নকৰি প্ৰলোভনমূলক দৃষ্টি-ভংগীৰে কেতবোৰ আঁচনি গ্ৰহণ কৰি শ্ৰমিকক ভোট বেংক কৰি ৰাখিবলৈ কৰা কাৰ্যৰ বিৰুদ্ধে জনমত গঠন কৰি আম আদমি পাৰ্টীয়ে বাগিচা অঞ্চলত শক্তি বৃদ্ধিত জঁপিয়াই পৰিছে। কেৱল বাগিচা অঞ্চলতেই নহয় গাঁৱে-নগৰে আপৰ ভেটি শক্তিশালী কৰাত বিজেপি দলত গুৰুত্বহীন হৈ পৰা একাংশ নেতায়ো হাত উজান দিছে। দলৰ স্বাৰ্থত ত্যাগ স্বীকাৰ কৰি গুৰুত্বহীন হৈ পৰা আৰু জাতি বৈষম্যৰ বলি হোৱা বহু বিজেপি নেতাই আম আদমি দলত যোগদানৰ কুচকাৱাজ অব্যাহত ৰাখিছে। মাহমৰা, মৰাণ, টিংখাং, ডিব্ৰুগড়, থাওৰা, ডিগবৈ, তিনিচুকীয়াকে ধৰি বহুকেইটা সমষ্টিত খং-ক্ষোভত অগ্নিশৰ্মা হৈ পৰা শাসকীয় দলৰ গুৰুত্বহীন হৈ পৰা জাতি-জনগোষ্ঠীৰ নেতাই আম আদমি পাৰ্টীত যোগদান কৰিবলৈ মন মেলা বুলি এক নিৰ্ভৰযোগ্য সূত্ৰই সংবাদ মাধ্যমৰ ওচৰত সদৰী কৰিছে। ন-বিজেপিয়ে পুৰণি তথা জ্যেষ্ঠ নেতাৰ অৱদানক নস্যাৎ কৰি দপদপাই থকা দলটোৰ সন্মুখত থিয় হৈ ৰাজনৈতিক প্ৰত্যাহ্বানৰ বাবে কঁকালত টঙালি বন্ধা আম আদমি পাৰ্টীক কেনেকৈ প্ৰতিৰোধ কৰিব সেয়া হ'ব লক্ষণীয় বিষয়। শাসকীয় চৰকাৰখনে বাগিচাত আদৰ্শ হাইস্কুল, আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ স্থাপন কৰি শিক্ষা সচেতনাৰ পৰিৱেশ সৃষ্টি কৰিবলৈ যুগান্তকাৰী পদক্ষেপ হাতত লৈছে যদিও চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি প্ৰসংগক লৈ চৰকাৰে গ্ৰহণ কৰা নাই স্পষ্ট নীতি। চাহ শ্ৰমিকক নেতৃত্ব দিয়া সংগঠনৰ মাজত সংঘাত সৃষ্টিৰে শ্ৰমিকৰ মাজত ভেটি মজবুট কৰিবলৈ গ্ৰহণ কৰা পদক্ষেপে দলটোৰ ভেটি সমাজখনত কিমান দিনলৈ অব্যাহত থাকিব পঞ্চায়ত নিৰ্বাচনতেই ছবিখন বহিঃপ্ৰকাশ ঘটিব। মুঠতে ৰাজ্যত বিজেপিৰ বিকল্পৰূপে আম আদমি পাৰ্টী মূৰ দাঙি উঠিছে আৰু সুৰুঙা পাইছে শাসকীয় দলৰ একাংশ দলীয় নেতৃবৃন্দৰ পৰা। কংগ্ৰেছৰ ভেটি উছন কৰি বিজেপিয়ে নিজৰ ভেটি শক্তিশালী কৰাৰ দৰে আম আদমি পাৰ্টীয়ে আৰম্ভ কৰিছে সাংগঠনিক তৎপৰতা। শাসকীয় দলৰ দুৰ্বল দিশবোৰৰ অতি সূক্ষ্ম দৃষ্টিকোণেৰে পৰ্যবেক্ষণ কৰি আম আদমিয়ে জনতাৰ কাষ চাপিবলৈ আৰম্ভ কৰিছে। আম আদমি পাৰ্টীয়ে গুৱাহাটী পৌৰ নিৰ্বাচন, কাৰ্বি আংলঙৰ স্বায়ত্তশাসিত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি নিজৰ শক্তি প্ৰমাণৰ আখৰা কৰা দলটোৱে আগন্তুক পঞ্চায়ত নিৰ্বাচনত ৰাজ্যৰ সকলো স্তৰতে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব পৰাকৈ সাংগঠনিক ভেটি শক্তিশালী কৰা কাৰ্যত জঁপিয়াই পৰিছে। আম আদমি পাৰ্টীত কেৱল চাহ শ্ৰমিক তথা কংগ্ৰেছত গুৰুত্বহীন হোৱা বিজেপি নেতাই নহয় অগপ, এজেপি, ৰাইজৰ দলৰ নেতায়ো আপত যোগদান কৰিবলৈ আৰম্ভ কৰিছে। তেনে ক্ষেত্ৰত ৰাজ্যত অতি সোনকালে শক্তিশালী দলৰূপে পৰিগণিত হোৱাৰ দিশে গতি কৰিছে আম আদমি দলটো। বৈষম্যমূলক দৃষ্টি-ভংগীৰে ৰাজনৈতিক দলসমূহে চাহ শ্ৰমিক, সংখ্যালঘুকে ধৰি ভিন্ন জাতি-জনগোষ্ঠীক কৰি অহা ব্যৱহাৰত অতিষ্ঠ হৈ মানুহ হিচাপে জীয়াই থকাৰ অধিকাৰ বিচাৰি অসমৰ প্ৰৱঞ্চিত-নিপীড়িত লোকসকলে বিকল্প চিন্তা কৰিবলৈ চেষ্টা কৰাটো আচৰিত কথা নহয়। বিশেষতঃ কোনো এটা জাতিয়ে কোনো এটা ৰাজনৈতিক দলক ক্ষমতাত অধিষ্ঠিত কৰাব নোৱাৰে। গণতান্ত্ৰিক দেশত সকলো নাগৰিকৰ ভোট দিয়াৰ অধিকাৰ আছে। ক্ষমতাত অধিষ্ঠিত হোৱাৰ পিছত জাতি-বৈষম্যৰ দৃষ্টিৰে ভোটাৰক ব্যৱহাৰ কৰি প্ৰাপ্যৰ পৰা বঞ্চিত কৰি হিতাধিকাৰী নিৰ্বাচন কৰাৰ পৰিণাম চৰকাৰে ভুগিব লাগিব। কাৰণ দলটোৰ একাংশ নেতা-কৰ্মীৰ বাবেই অনাগত দিনত প্ৰবল প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব জনপ্ৰিয় বিজেপি চৰকাৰখনে। নিৰ্বাচনৰ পিছত জনপ্ৰতিনিধিক সাক্ষাৎ কৰিবলৈ যোৱা ব্যক্তিসকলৰ ভিতৰত কোন শ্ৰেণী ভোটাৰৰ সংখ্যা বেছি প্ৰত্যক্ষ কৰিলেই ছবিখন দেখিব। অৱশ্যে দিল্লীৰ দ্বাৰা পৰিচালিত সকলো ৰাজনৈতিক দলৰ চৰিত্ৰ একেই। গণতন্ত্ৰ আৰু মূল্যবোধক গুৰুত্ব প্ৰদান কৰি মুঠতে ৰাজনৈতিক বাতাবৰণ সৃষ্টি কৰিব পৰা ৰাজনৈতিক দলে জনতাৰ মৌলিক অধিকাৰ, বাক্-স্বাধীনতাৰ গুৰুত্ব প্ৰমূল্যবোধৰ প্ৰতিষ্ঠাৰে ভোটাৰৰ চাহিদা পূৰণত নিৰ্ণায়ক ভূমিকা ল'ব বুলি আশা কৰিব পাৰি। আম আদমি পাৰ্টীয়ে অসমত শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিলেও 'দল বাগৰা' নেতাৰে উপচি পৰা দলটোৱে অসমৰ জনগণৰ স্বাৰ্থক কিমান গুৰুত্ব দিব সেয়াও সন্দেহজনিত।

মন কৰিবলগীয়া বিষয় যে আপে ক্ষমতা দখলৰ বাবে অসমৰ জনগণৰ স্বাৰ্থত কি কি পদক্ষেপ গ্ৰহণ কৰিছে তাৰ ছবিখনো আদ্যপৰিমিত স্পষ্ট নহয়। মুখ্যমন্ত্ৰী আৰু তেওঁৰ পত্নীৰ বিৰুদ্ধে উত্থাপিত অভিযোগক সম্বলৰূপে লৈ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ লক্ষ্যৰে আম আদমি পাৰ্টীয়ে সঁচাকৈ বিজেপিৰ বিকল্প ৰূপত থিয় দিয়াত সফল হ'বনে? ৰাজ্যৰ ৰাজনীতিত ভোট বেংক সৃষ্টিৰ পৰিৱৰ্তে হিতাধিকাৰী সৃষ্টিৰে নতুন ৰাজনৈতিক কৌশলৰ আশ্ৰয় লৈ ক্ষমতা কুক্ষিগত কৰা বিজেপিৰ দৰে আম আদমি পাৰ্টীয়েও হিতাধিকাৰী সৃষ্টিৰ দৰে নতুন কৌশল অৱলম্বন কৰি ৰাইজৰ কাষ চাপিবলৈ আৰম্ভ কৰিছে। দিল্লী, পঞ্জাবত আম আদমিয়ে বিনামূলীয়া পানী, বিদ্যুৎ, শিক্ষা প্ৰদান কৰাৰ দৰে অসমত সকলো বিনামূলীয়া কৰিব পাৰিবনে? বিনামূলীয়া চাউল দি বৰ্তমানৰ চৰকাৰখনে অসমৰ জনসাধাৰণক এক প্ৰকাৰ ধোদলৈ ৰূপান্তৰ কৰাৰ দৰে সকলোবোৰ বিনামূলীয়া কৰিলে অনাগত দিনত অসমৰ লোকসকলৰ মাজত কৰ্মস্পৃহা একেবাৰে কমি যাব। ৰাজনৈতিক মুনাফাৰ বাবে এটা জাতিক কৰ্মস্পৃহাবিহীন এটা জাতিলৈ ৰূপান্তৰ কৰাৰ অঘোষিত প্ৰতিযোগিতাৰ শুভাৰম্ভণী যেন অনুমান হৈছে। ঘৰত বহি অৰুণোদয় পাইছে, ঘৰত বহি বিনামূলীয়া চাউল পাইছে, শিক্ষাৰ নামভৰ্তিৰ ক্ষেত্ৰতো যথেষ্ট শিথিলতা আনি দিছে। কৃষকক উৎসাহিত কৰাৰ নিমিত্তে প্ৰধানমন্ত্ৰী কিষাণ নিধিৰ জৰিয়তে কৃষকক অৰ্থ সাহায্য আগবঢ়াইছে। ইয়াৰ উপৰি বহু অভিলাষী আঁচনিৰে ওপচাই পেলোৱা চৰকাৰখনক বগৰাবলৈ আম আদমি পাৰ্টীয়ে শক্তি আহৰণ কৰিব পাৰিবনে? কাৰণ কৃষি নিধিৰ আঁচনিৰ ধন পাবৰ বাবে নিশাটোৰ ভিতৰত কৃষক হৈ পৰা হাজাৰ হাজাৰ ভুৱা কৃষকে আম আদমিক লগ দিবনে? ৰঙীণ টিভিৰ সন্মুখত ভৰি দাঙি দিনৰ দিনতো সময় ব্যয় কৰা গৃহিণীয়ে লাভ কৰা অৰুণোদয় আঁচনিৰ সোৱাদ এৰিব পাৰিবনে? চৰকাৰী সুবিধাৰ বাবে বিত্তৱান যিসকল ব্যক্তিয়ে দৰিদ্ৰৰ তালিকাত নাম সন্নিৱিষ্ট কৰিছে তেওঁলোকে বিজেপিৰ লগ এৰিবনে? চৰকাৰৰ পৰা প্ৰতিটো সুবিধা লৈ চৰকাৰক কঠোৰ সমালোচনা কৰা দুমুখীয়া চৰিত্ৰ ব্যক্তিসকলক লৈ আম আদমিয়ে বিজেপি হাটাও চলোৱা অভিযানত কিমান সফল হ'ব ২৩ চনত অনুষ্ঠিত হ'ব লগা পঞ্চায়ত নিৰ্বাচনতেই ছবিখন স্পষ্ট হৈ পৰিব। কাঁইটেৰে কাঁইট উলিয়াব পৰা নীতি গ্ৰহণ কৰিবলৈ নিজক প্ৰস্তুত কৰা জনসাধাৰণক প্ৰতিশ্ৰুতিৰ নামত আৰু কিমান দিন পানী মিঠৈ খুৱাব ৰাজনৈতিক দলে। আম আদমি পাৰ্টী ৰাজ্যত খোপনি পোতাৰ দৰে তৃণমূল কংগ্ৰেছেও প্ৰতিশ্ৰুতিৰ জোলোঙা লৈ অসমৰ জনসাধাৰণৰ মাজত প্ৰৱেশ কৰিছে। সময়ে ক'ব বিজেপিৰ বিকল্প হ'ব কোন?

*ফোন : ৬০০২৭-৩৫৫০১*



## দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতি প্ৰাৰ্থী কৰি লাভৱান্বিত হ'ব বিজেপি

■ **আনিছুৰ ৰহমান**

ওড়িশাৰ ময়ূৰভঞ্জ জিলাৰ ৰায়ৰাংপুৰ পৌৰ নিৰ্বাচনত জয়ী হৈ ৰাজনৈতিক কেৰিয়াৰ আৰম্ভ কৰা দ্ৰৌপদী মুৰ্মু পেছাত এজন শিক্ষয়িত্ৰী আছিল। ২০০০ আৰু ২০০৪ চনত বিধায়ক হিচাপে নিৰ্বাচিত হৈ নবীন পাটনায়কৰ নেতৃত্বাধীন বিজেডি-বিজেপি মিত্ৰজোঁট চৰকাৰৰ মন্ত্ৰী হৈছিল। পৰিবহণ, মীনপালন, পশুপালনৰ দৰে গুৰুত্বপূৰ্ণ বিভাগৰ মন্ত্ৰীৰ দায়িত্ব চম্ভালিছিল। ২০০৭ চনত ওড়িশাৰ শ্ৰেষ্ঠ বিধায়ক হৈছিল। দ্ৰৌপদী ২০১৫ চনৰ মে'ৰ পৰা ২০২১ চনৰ জুলাই পৰ্যন্ত ঝাৰখণ্ডৰ ৰাজ্যপাল আছিল।

ওড়িশাৰ ময়ূৰভঞ্জৰ চাওতাল পৰিয়ালৰ সন্তান দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী কৰি এনডিএ একপ্ৰকাৰ বিজয় নিশ্চিত কৰিলে। জনজাতি সমাজৰ দ্ৰৌপদীৰ নাম ঘোষণা কৰি বিজেপিয়ে এক গুলীত বহুকেইটা চিকাৰ কৰিলে। প্ৰথমে, ৰাষ্ট্ৰপতি নিৰ্বাচনত সংখ্যাৰ হিচাপত প্ৰায় দুই শতাংশ ভোট কম আছিল। কিন্তু দ্ৰৌপদীক প্ৰাৰ্থী কৰাৰ ফলত তেওঁৰ নিজ ৰাজ্য ওড়িশাৰ শাসকীয় দল বিজেডিৰ ভোট প্ৰায় নিশ্চিত হ'ল। ইতিমধ্যে ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন পাটনায়কে কয়— 'যেতিয়া প্ৰধানমন্ত্ৰীয়ে এই বিষয়ত মোৰ স'তে কথা পাতিছিল, তেতিয়া খুবেই আনন্দিত হৈছিলো। এয়া ওড়িশাবাসীৰ বাবে গৰ্বৰ বিষয়।' যদি দ্ৰৌপদী জয়ী হৈ আহে তেন্তে তেৱেঁই হ'ব ওড়িশাৰ পৰা দেশৰ প্ৰথম ৰাষ্ট্ৰপতি।

প্ৰায় ছবছৰ ঝাৰখণ্ডৰ ৰাজ্যপাল আছিল দ্ৰৌপদী। জনজাতীয় অধ্যুষিত এই ৰাজ্যত বিজেপিবিৰোধী দল ঝাৰখণ্ড মুক্তি মৰ্চা শাসনত থাকিলেও দ্ৰৌপদীক সমৰ্থনৰ ক্ষেত্ৰত চাওতাল তথা জনজাতীয় সমাজৰ চাপ থাকিব নিশ্চয়। আনকি ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেন নিজেও চাওতাল সমাজৰ। জনজাতীয় মুখ হিচাপে ৰাইছিনা হিল্‌ছৰ দৌৰত আছিল ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অজিত মুণ্ডা। কিন্তু শেষ পৰ্যন্ত দ্ৰৌপদীক নিৰ্বাচিত কৰি জনজাতি লোকৰ স'তে নাৰী সমাজতো এক বাৰ্তা প্ৰেৰণ কৰিলে।

দ্ৰৌপদীক ৰাষ্ট্ৰপতি প্ৰাৰ্থী কৰি আসন্ন লোকসভা আৰু বিধানসভাৰ নিৰ্বাচনত জনজাতীয় লোকৰ সমৰ্থন লাভ কৰাৰ কৌশল ৰচিছে। লোকসভাৰ ৫৪৩খন আসনৰ ভিতৰত তফছিলি জনজাতিৰ কাৰণে সংৰক্ষণ কৰা আছে ৬২খন আসন। ইফালে বছৰৰ শেষত গুজৰাট আৰু অহা বছৰ মধ্যপ্ৰদেশ আৰু ছত্তীশগড়ত বিধানসভাৰ নিৰ্বাচন। গুজৰাটত বিজেপিয়ে দীৰ্ঘদিন শাসন কৰিলেও তাৰ জনজাতীয় মানুহৰ মাজত বিজেপিৰ গুৰুত্ব কমিছে। গুজৰাট বিধানসভাত ১৮২খন আসনৰ ভিতৰত ২৭খন আসন সংৰক্ষণ আছে জনজাতীয় মানুহৰ বাবে। ২০১৭ চনত এই ২৭খনৰ ভিতৰত বিজেপিয়ে লাভ কৰিছিল মাত্ৰ ৯খন আসন। সংৰক্ষণ থকা আসনৰ বাহিৰেও গুজৰাটৰ মুঠ জনসংখ্যাৰ ১৪ শতাংশ জনজাতীয় লোকে প্ৰায় ৬০খন আসনৰ ফলাফল সাল-সলনি কৰি দিব পাৰে। সেয়ে মোদীৰ ৰাজ্যত নিৰ্বাচনৰ আগত জনজাতি মানুহৰ মন জয় কৰাৰ প্ৰয়োজন আছিল। ঝাৰখণ্ডত ৮১খন আসনৰ ভিতৰত ২৮খন সংৰক্ষিত। যোৱা নিৰ্বাচনত ২৮খনৰ ভিতৰত বিজেপিয়ে পাইছিল মাত্ৰ দুখন আসন। মধ্যপ্ৰদেশত ২৩০খন আসনৰ ভিতৰত সংৰক্ষিত ৮৪খন আসনৰ ভিতৰত ২০১৮ চনত বিজেপিয়ে লাভ কৰিছিল মাত্ৰ ৩৪খন আসন। এই ৰাজ্যবোৰত বিগত ১৫ বছৰ জনজাতীয় ভোটৰ হাৰ বিজেপিৰ কমিছে। ইফালে মহাৰাষ্ট্ৰ আৰু ওড়িশাতো বিজেপিৰ জনজাতীয় সমাজত গুৰুত্ব হ্ৰাস পাইছে। সেয়ে দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী কৰি জনজাতীয় লোকৰ ভোট লাভ কৰাৰ লগতে বিজেপি দলৰ গুৰুত্ব বৃদ্ধি কৰাৰ কৌশল কৰিছে। এই কৌশলৰ পৰা লাভৱান্বিত হোৱাৰ সম্ভাৱনা আছে বিজেপিৰ।

*ফোন : ৭০০২৯-৯৯৭৩৮*

# চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থা কোন দিশে গতি কৰি আছে



■ **আজিজুৰ ৰহমান**

বৰ্তমান সময়ত শিক্ষা হৈছে মানৱ জীৱনৰ এক অপৰিহাৰ্য অংগ। শিক্ষা অবিহনে মানৱ জীৱন অচল। শিক্ষাৰ পোহৰে আলোকিত কৰে মানৱ সমাজ। শিক্ষাই আনি দিয়ে মানুহৰ জীৱনলৈ সুন্দৰতা আৰু সফলতা। সেয়েহে বিখ্যাত দাৰ্শনিক লজে শিক্ষা সম্পৰ্কত কৈছিল— 'শিক্ষাই জীৱন, জীৱনেই শিক্ষা।' বৰ্তমান অসমৰ চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ প্ৰতি মানুহৰ আস্থা হেৰাই যাব ধৰিছে। ইয়াৰ প্ৰমাণ হিচাপে আমি ক'ব পাৰোঁ বিগত এটা দশকত চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলবোৰ তুলনা কৰি চালে ইয়াৰ প্ৰকৃত সত্য ওলাই পৰে। আনকি সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলেও একে কথাকে কয়। অইনবেলিৰ দৰেই এইবেলিও হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল চৰকাৰী বিদ্যালয়বোৰতকৈ ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰৰ ফলাফল যথেষ্ট উন্নত। চৰকাৰী বিদ্যালয়বোৰৰ শিক্ষাৰ এনে অৱনতি হোৱাৰ কেইবাটাও কাৰণ দৃষ্টিগোচৰ হয়।

প্ৰথমতে অসমৰ মন্ত্ৰী, বিধায়ক বা শীৰ্ষ আমোলাৰ ল'ৰা-ছোৱালীবোৰক চৰকাৰী বিদ্যালয়ত নপঢ়াই ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰত পঢ়োৱা দেখা যায়। ইয়াৰ ফলত চৰকাৰে চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাটোৰ ওপৰত যিমান গুৰুত্ব আৰোপ কৰিব লাগিছিল, সিমান গুৰুত্ব আৰোপ কৰা দেখা নাযায়। দ্বিতীয়তে, ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দৰে চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ ক্ষেত্ৰত যিমান সা-সুবিধা পাব লাগে, সিমান সা-সুবিধা পোৱাৰ পৰা বঞ্চিত হৈছে। প্ৰায়সংখ্যক চৰকাৰী বিদ্যালয়ত আজি পৰ্যন্ত বিজ্ঞানসন্মত ভাল পুথিভঁৰাল, ভাল বিজ্ঞানাগাৰ, ডিজিটেল ক্লাছ ৰূম, উন্নতমানৰ ডেস্ক-বেঞ্চ, ডিজিটেল ব্লেক ব'ৰ্ড আদিৰ অভাৱ দেখা যায়। তৃতীয়তে চৰকাৰী বিদ্যালয়ত বৰ্তমানেও বহু শিক্ষকৰ অভাৱ দেখা যায়। প্ৰাথমিক পৰ্যায়ৰ বহু বিদ্যালয়ত এজন শিক্ষকে বছৰ বছৰ ধৰি শিক্ষাদান কৰি আহিছে। বহু বিদ্যালয়ত গণিত বা বিজ্ঞানৰ শিক্ষক নোহোৱাকৈয়ে ছাত্ৰ-ছাত্ৰীসকলে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব লগা হৈছে। যদি মন্ত্ৰী, বিধায়কৰ ল'ৰা-ছোৱালীয়ে চৰকাৰী বিদ্যালয়ত পঢ়িলেহেঁতেন, তেনেহ'লে এনে সমস্যা হয়তো নহ'লহেঁতেন।

চতুৰ্থতে চৰকাৰী বিদ্যালয়ত শিক্ষকতা কৰা শিক্ষকে চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ প্ৰতি আস্থা থকা দেখিবলৈ পোৱা নাযায়। যাৰ ফলত চৰকাৰী বিদ্যালয়ৰ সৰহভাগ শিক্ষক-শিক্ষয়িত্ৰীয়ে চৰকাৰী বিদ্যালয়ত শিক্ষকতা কৰা সত্ত্বেও তেওঁলোকৰ নিজৰ নিজৰ ল'ৰা-ছোৱালীবোৰক ব্যক্তিগত খণ্ডৰ স্কুলত পঢ়োৱাৰ মানসিকতা দেখিবলৈ পোৱা যায়। স্বয়ং চৰকাৰী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ ল'ৰা-ছোৱালীবোৰক যদি চৰকাৰী বিদ্যালয়ত নপঢ়াই ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়াই, তাৰ পৰা অনুমান কৰিব পাৰি যে বৰ্তমান চৰকাৰী বিদ্যালয়ৰ শিক্ষাব্যৱস্থা কোন দিশে গতি কৰি আছে। পঞ্চমতে চৰকাৰী বিদ্যালয়ৰ অধিকাংশ শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত যিমান দায়িত্বশীল হ'ব লাগিছিল বা ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ ক্ষেত্ৰত যিমান গুৰুত্ব দিব লাগিছিল সিমান দায়িত্বশীল নোহোৱা বা গুৰুত্ব দিয়া দেখিবলৈ পোৱা নাযায়। ছাত্ৰ-ছাত্ৰীৰ ঘৰ পৰিদৰ্শন কৰা, ছাত্ৰ-ছাত্ৰীসকলে কি পঢ়িছে, ঘৰত কিমান সময় পঢ়ে, ঘৰত কি কৰি থাকে, গৃহকাৰ্যবোৰ সময় মতে কৰে নে নকৰে আদি কথাবোৰৰ প্ৰতি ব্যক্তিগত খণ্ডৰ শিক্ষকসকলে যিদৰে গভীৰ দায়িত্ব পালন কৰে, চৰকাৰী বিদ্যালয়ৰ প্ৰায়সংখ্যক শিক্ষক-শিক্ষয়িত্ৰীয়ে এনে দায়িত্ববোৰ পালন কৰা দেখা নাযায়। চৰকাৰী বিদ্যালয়ৰ প্ৰায়সংখ্যক শিক্ষক-শিক্ষয়িত্ৰীৰ এনে কাৰ্য দেখি এনেহেন ভাব হয় যে অধিকাংশ শিক্ষক-শিক্ষয়িত্ৰীয়ে এতিয়া কেৱল মাহৰ মূৰত দৰমহাকেইটা ল'বলৈহে বিদ্যালয়লৈ আহে। আনকি কিছুসংখ্যক শিক্ষক-শিক্ষয়িত্ৰীয়ে উপযুক্ত সময়তো বিদ্যালয়ত উপস্থিত নহয়। সময়ে সময়ে চৰকাৰী বিদ্যালয়ৰ বহু শিক্ষকে মদ্যপান কৰি বিদ্যালয়লৈ অহা দেখা যায়। গতিকে তেনে মানসিকতাৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে ল'ৰা-ছোৱালীবোৰক কি শিক্ষা দিব? বিদ্যালয়ৰ ফলাফল কেনেকৈ ভাল হ'ব? শিক্ষা ব্যৱস্থা কেনেকৈ উন্নত হ'ব? কিন্তু তেওঁলোকে নিজৰ নিজৰ ল'ৰা-ছোৱালীবোৰৰ ক্ষেত্ৰত সম্পূৰ্ণ সজাগ। বাকী ল'ৰা-ছোৱালীবোৰ কি হয়, কি নহয় তাৰ প্ৰতি অধিকাংশ শিক্ষকৰ কোনো ভ্ৰূক্ষেপ নাই। ষষ্ঠতে, চৰকাৰী বিদ্যালয়ৰ অভিভাৱক-অভিভাৱিকাসকলৰ কিছুমান ভুলৰ বাবেও আজি চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাটো বৰ বেয়াৰ ফালে গতি কৰি আছে। প্ৰায়সংখ্যক অভিভাৱক-অভিভাৱিকাই নিজৰ নিজৰ ল'ৰা-ছোৱালীবোৰৰ ক্ষেত্ৰত সচেতন হোৱা দেখা নাযায়। তেওঁলোকে কেৱল ল'ৰা-ছোৱালীবোৰক বিদ্যালয়ত দি নিজৰ দায়িত্ব শেষ বুলি ভাবে। ল'ৰা-ছোৱালীক ঘৰত পঢ়োঁৱাব পৰা অভিভাৱক-অভিভাৱিকাসকলে নিজৰ সন্তানবোৰক নিজে ঘৰততো নপঢ়ায়ে, আনকি ল'ৰা-ছোৱালীবোৰক স্কুলত শিক্ষকে কি পঢ়াইছে, কি শিকাইছে, পৰীক্ষাত কিমান নম্বৰ পাইছে, বিদ্যালয়ত গৃহকাৰ্য দিছে নে নাই, আদি কথাবোৰো নিজৰ সন্তানক সুধিবলৈ তেওঁলোকৰ আহৰিয়েই নাই। এনেবোৰ কাৰণত চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থা আজি ব্যক্তিগত খণ্ডৰ শিক্ষা ব্যৱস্থাতকৈ বহু পৰিমাণে পিছপৰি আছে। ইয়াৰ ফলত চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থা দিনক দিনে অৱনতি ঘটি আছে। বৰ্তমান অধিকাংশ অভিভাৱক-অভিভাৱিকাই চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ প্ৰতি সম্পূৰ্ণৰূপে আস্থা হেৰুৱাই ব্যক্তিগত খণ্ডৰ শিক্ষা ব্যৱস্থাৰ ওপৰত অধিক আস্থা ৰখা দেখা যায়। যাৰ বাবে এতিয়া প্ৰায়সংখ্যক অভিভাৱক-অভিভাৱিকাই নিজৰ সন্তানক ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়োৱাৰ মানসিকতা গঢ়লৈ উঠিছে। যাৰ বাবে চৰকাৰী বিদ্যালয়বোৰত দিনক দিনে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি আহিব ধৰিছে আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰ দিনক দিনে বাঢ়িবলৈ ধৰিছে। এতিয়াৰ পৰাই যদি চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ প্ৰতি চৰকাৰ, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকাসকলৰ লগতে সচেতন মহল সচেতন নহয়, তেনেহ'লে দুই-এবছৰৰ ভিতৰত হয়তো বহু চৰকাৰী বিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ অভাৱত বন্ধ কৰি দিবলৈ বাধ্য হ'ব। গতিকে সকলোৱেই যদি আত্মবিশ্বাসেৰে চৰকাৰী বিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰে, তেনেহ'লে নিশ্চয় এদিন চৰকাৰী বিদ্যালয়ৰ সুদিন ঘূৰি আহিব। এইক্ষেত্ৰত পিয়েৰ টেলহাৰ্ডে কৈছিল— 'পৰিস্থিতি যিমানেই ভয় লগা নহওক কিয়, দৃঢ়তা-আৰু আত্মবিশ্বাস থাকিলে জয়লাভ সুনিশ্চিত।'

*ফোন : ৮২৫৫০-৫৫৭৪০*

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### ৰাষ্ট্ৰপতি নিৰ্বাচন : ৰাষ্ট্ৰীয় ৰাজনীতিত জনপ্ৰিয়তা বৃদ্ধি পাইছে সৰ্বানন্দ সোণোৱালৰ

দেশৰ প্ৰথমগৰাকী নাগৰিক তথা দেশৰ সৰ্বোচ্চ পদ-মৰ্যাদা থকা ব্যক্তিজনেই হ'ল ৰাষ্ট্ৰপতি। সেই মুৰব্বী ব্যক্তিজনৰ নিৰ্বাচনক লৈ তৎপৰ এতিয়া দেশৰ শাসক-বিৰোধী পক্ষ। ইতিমধ্যে নিৰ্বাচনী আয়োগে ৰাষ্ট্ৰপতি নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে কোন হ'ব দেশৰ নতুন ৰাষ্ট্ৰপতি তাক লৈ শাসক-বিৰোধী পক্ষৰ মাজত চিন্তা-চৰ্চা অব্যাহত আছে। যদিও কোনো এটা পক্ষই অংক মিলাব পৰা নাই, তথাপি যুদ্ধগতিৰ ব্যস্ততাত নামি পৰিছে দুয়োটা শিবিৰ। শাসক-বিৰোধী দুয়োটা পক্ষই নিজৰ প্ৰাৰ্থীগৰাকীক দেশৰ মুৰব্বী হোৱাটো বিচাৰে। সেয়ে বিৰোধী শক্তিৰ লগতে এইবাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনক লৈ বিশেষভাৱে তৎপৰ হৈ পৰিছে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। দেশৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়ী হ'বলৈ বৰ্তমান বিজেপি তথা এনডিএ শক্তিশালী নহয়। দেশৰ ৰাজ্যসভা, লোকসভা আৰু বিজেপিশাসিত ৰাজ্যৰ বিধায়কৰ সংখ্যাৰে এনডিএৰ হাতত আছে মাত্ৰ ৪৮ শতাংশ ভোট আৰু ইয়াৰ বিপৰীতে কংগ্ৰেছকে ধৰি দেশৰ বিৰোধী পক্ষৰ হাতত আছে ৫২ শতাংশ ভোট। যদিহে বিৰোধী শক্তিয়ে উমৈহতীয়া প্ৰাৰ্থী আগবঢ়াই তেন্তে এনডিএৰ প্ৰাৰ্থীৰ জয়লাভৰ সম্ভাৱনা বহুত কম। সেই হেতুকে অহা জুলাই মাহত হ'বলগীয়া ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে প্ৰধানমন্ত্ৰীয়ে নিজে নামি পৰিছে যুদ্ধক্ষেত্ৰত। বিৰোধী দলৰ লগত বিশেষভাৱে আলোচনা কৰিবলৈ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাক দায়িত্ব দিয়াৰ উপৰি ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে মোদীয়ে গঠন কৰিছে ১৪জনীয়া এখন পৰিচালনা সমিতি। কেন্দ্ৰীয় জলসম্পদ মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱটক আহ্বায়কৰ দায়িত্ব প্ৰদান কৰি বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক বিনোদ তাৱদে আৰু চি টি ৰবিক সমিতিৰ সহ-আহ্বায়ক হিচাপে নিযুক্তি দি নৰেন্দ্ৰ মোদীয়ে ১৪জনীয়া এই সমিতিখন গঠন কৰে।

অসমবাসীৰ বাবে গুৰুত্বপূৰ্ণ কথা এইটো যে এই ১৪জনীয়া সমিতিখনত স্থান লাভ কৰিবলৈ সক্ষম হৈছে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী আৰু নৰেন্দ্ৰ মোদীৰ অন্যতম প্ৰিয় নেতা সৰ্বানন্দ সোণোৱাল আৰু সাংসদ তথা বিজেপি দলৰ অসম গোটৰ উপ-সভাপতি ৰাজদীপ ৰয়। ইয়াৰ লগে লগে ৰাষ্ট্ৰীয় ৰাজনীতিত জনপ্ৰিয়তা বৃদ্ধি পাইছে সৰ্বানন্দ সোণোৱালৰ। কিন্তু গুৰুত্বপূৰ্ণ কথা এইটো যে ১৪জনীয়া পৰিচালনা সমিতিত স্থান লাভ কৰা অমিত শ্বাহ শিবিৰৰ ব্যক্তিৰ সংখ্যা নিচেই কম। আনহাতে, বিজেপিৰ প্ৰত্যেকটো অভিযানত জড়িত হৈ থকা দলৰ ৰাষ্ট্ৰীয় সাঃ সম্পাদক তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ সাংসদ দিলীপ শইকীয়াই কিয় সমিতিত স্থান লাভ কৰিবলৈ সক্ষম নহ'ল বুলি এক প্ৰশ্ন উত্থাপিত হৈ আছে। একাংশই বিৰোধীয়ে কৰা মন্তব্য মতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কাম-কাজত সন্তুষ্ট নহয় কেন্দ্ৰীয় চৰকাৰ। সেয়েহে অমিত শ্বাহ আৰু ড° শৰ্মা ফৈদৰ ব্যক্তিয়ে এই সমিতিত স্থান লাভ কৰা নাই।

সেয়া যি কি নহওক নিৰ্বাচনী আয়োগে দিন ঘোষণা কৰাৰ লগে লগে দেশৰ জনতা নতুন ৰাষ্ট্ৰপতি হিচাপে কোন নিৰ্বাচিত হয় তাক চাবলৈ ৰৈ আছে। দেশৰ প্ৰত্যেকগৰাকী নাগৰিকে বিচাৰে যে দেশৰ মুৰব্বী আৰু সৰ্বোচ্চ ব্যক্তিজনৰ মৰ্যাদা যাতে এজন সু-ৰাজনৈতিক নেতাই লাভ কৰে। যিগৰাকী নেতাই ভাৰতবৰ্ষক বিশ্বৰ আগশাৰীৰ দেশসমূহৰ মাজত প্ৰতিষ্ঠিত কৰে।

■ **জনাৰ্দন তালুকদাৰ**

*ফোন : ৬৯০০৭-৮৮৮৭০*

# মাহমৰাত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণত ব্যাপক অনিয়মৰ অভিযোগ

## আন্দোলনৰ হুংকাৰ মাহমৰা 'আছু'ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ২৩ জুন ঃ** চৰাইদেউ জিলাৰ মাহমৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ আবণ্টন তথা নিৰ্মাণৰ নামত ব্যাপক অনিয়মৰ অভিযোগ উত্থাপন হৈছে। শাসকীয় দলৰ একাংশ নেতা-পালিনেতাৰ পৃষ্ঠপোষকতাত এই অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে মাহমৰা আঞ্চলিক ছাত্ৰ সন্থাই। কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত মাহমৰা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰিংকু বড়া আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক কল্যাণ বৰগোহাঁই প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ আবণ্টন তথা নিৰ্মাণৰ নামত শাসকীয় দলৰ একাংশ নেতা-পালিনেতাৰ পৃষ্ঠপোষকতাই বিষয়া-আমোলাসকলৰ সহযোগত হিতাধিকাৰীৰ একাউণ্টৰ ধন হৰলুকী কৰা বুলি অভিযোগ উত্থাপন কৰিছে। প্ৰেছ বিবৃতিত উল্লিখিত অভিযোগ অনুসৰি সমষ্টিটোৰ বিভিন্ন প্ৰান্তত এই অনিয়ম সংঘটিত হোৱাৰ লগতে শেহতীয়াকৈ উদয়পুৰ গাঁও পঞ্চায়তৰ জীৱনদৈ গগৈ নামৰ এগৰাকী হিতাধিকাৰীৰ নামত আবণ্টিত গৃহ নিৰ্মাণৰ ধন অসাধু চক্ৰই আত্মসাৎ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত এই ঘটনাৰ উচিত তদন্তৰ লগতে অসাধু চক্ৰটোৰ বিৰুদ্ধে কঠোৰ শাস্তি বিহিবলৈ চৰাইদেউ জিলা প্ৰশাসনক আহ্বান জনাইছে মাহমৰা আঞ্চলিক ছাত্ৰ সন্থাই। ইফালে মাহমৰা সমষ্টিৰ বিভিন্ন পঞ্চায়তত চৰকাৰৰ বিভিন্ন আঁচনি ৰূপায়ণত শাসকীয়পক্ষৰ একাংশ নেতা-পালিনেতাই অনিয়ম সংঘটিত কৰাত হিতাধিকাৰী তথা সমষ্টিবাসীয়ে চৰকাৰৰ আঁচনিৰ সুফল লাভ কৰিবলৈ সক্ষম হোৱা নাই বুলিও প্ৰেছ বিবৃতিত উল্লেখ কৰাৰ লগতে এই বিষয়ত বিভাগীয় কৰ্তৃপক্ষই কোনোধৰণৰ গুৰুত্ব নিদিয়াৰো অভিযোগ উত্থাপিত হৈছে। চৰকাৰ তথা প্ৰশাসনৰ এনে ভূমিকাত মাহমৰা আঞ্চলিক ছাত্ৰ সন্থা অসন্তুষ্ট হোৱা বুলি উল্লেখ কৰা প্ৰেছ বিবৃতিৰ জৰিয়তে আগন্তুক দিনত অনিয়ম সংঘটিত কৰা লোকসকলৰ বিৰুদ্ধে চৰাইদেউ জিলা প্ৰশাসনে পদক্ষেপ গ্ৰহণ নকৰিলে ৰাইজৰ সহযোগত তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰাৰো হুংকাৰ দিছে।



# ভগ্ন মথাউৰি পুনঃনিৰ্মাণকে ধৰি বিধ্বস্ত পথ, দলং মেৰামতিৰ বাবে অসমৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ তামুলপুৰ জিলা উন্নতি সভাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৩ জুন ঃ** তামুলপুৰ জিলাৰ মাজেৰে বৈ যোৱা খৰস্ৰোতা পাগলাদিয়া, কালানদী, মটঙা, ডিমিলা, বাল্টি, বৰলীয়া, পুঠিমাৰী আদি নৈসমূহে একাধিক স্থানত মথাউৰি ভাঙি পেলোৱাৰ উপৰি নৈপৰীয়া বহু গাঁও আৰু খেতিপথাৰ বুৰাই পেলোৱাত বহু লোক গৃহহীন হোৱাৰ উপৰি কৃষিজীৱী ৰাইজৰ কৃষি ক্ষেত্ৰত বিস্তৰ ক্ষতিগ্ৰস্ত হয়। বানবিধ্বস্ত কোনো কোনো অঞ্চলত পশুধনৰ স্বাভাৱিক মৃত্যুৰ ফলত কৃষকসকলে মূৰে-কপালে হাত দিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। কেইবা ঠাইতো বানপানীয়ে দলং তথা ৰাস্তা-ঘাট উটুৱাই লৈ যোৱাৰ ফলত সম্প্ৰতি বান পৰিস্থিতি কিছু শাম কাটিলেও যাতায়াত ব্যৱস্থা বিভিন্ন ঠাইত ব্যাহত হৈ আছে। ঠাইবিশেষে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে কলৰ ভুঁৰেৰে নদী পাৰ হৈ বিদ্যালয়লৈ যাবলগীয়া পৰিস্থিতিৰো সৃষ্টি হৈছে। বিভিন্ন গাঁও অঞ্চলৰ ৰাস্তা- ঘাট ভঙাৰ ফলত ৰাইজে জীয়াতু ভুগিবলগীয়া হৈছে যদিও তেনেকুৱা অঞ্চলৰ যাতায়াত ব্যৱস্থাৰ ওপৰত প্ৰশাসনে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। বিগত কিছুদিন ধৰি তামুলপুৰ জিলা উন্নতি সভাই তামুলপুৰ জিলাৰ সাম্প্ৰতিক বান পৰিস্থিতি পৰ্যবেক্ষণ কৰি অতি উদ্বিগ্ন হৈ পৰিছে। যিসমূহ মথাউৰি ভঙাৰ ফলত এই পৰিস্থিতিৰ সৃষ্টি হ'ল উক্ত মথাউৰিসমূহ যদিহে শীঘ্ৰে নিৰ্মাণ কৰা নহয় তেতিয়া সামান্য বৰষুণতে উক্ত অঞ্চলসমূহ আকৌ ক্ষতিগ্ৰস্ত হোৱাৰ সম্ভাৱনা আছে। সেয়ে উক্ত মথাউৰিসমূহ শীঘ্ৰে পুনঃনিৰ্মাণ কৰাৰ ব্যৱস্থা কৰাৰ লগতে কৃষিজীৱী ৰাইজক ক্ষতিপূৰণ দিয়া, বিধ্বস্ত পথ, দলং মেৰামতি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাই অসম উন্নতি সভাৰ অন্যতম তামুলপুৰ জিলা উন্নতি সভাই তামুলপুৰ জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। স্মাৰক-পত্ৰ দিয়াৰ সময়ত প্ৰতিনিধি দলত উপস্থিত থাকে তামুলপুৰ জিলা উন্নতি সভাৰ সভাপতি ৰুবুল দাস, সাধাৰণ সম্পাদক পল্লৱ কলিতা, অসম উন্নতি সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সোণেশ্বৰ কলিতা, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় ক্ৰীড়া সম্পাদক পূৰ্ণ ডেকা, বাক্সা জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি প্ৰদীপ কলিতা আৰু সাধাৰণ সম্পাদক দুলুজিৎ দাস।

# ধুবুৰী গেলেক্সি ছ'চিয়েল ৱেলফেয়াৰ নামৰ বেচৰকাৰী সংগঠনৰ ধুবুৰীৰ চৰাঞ্চলত বানাক্ৰান্ত লোকক খাদ্য সামগ্ৰী বিতৰণ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৩ জুন ঃ** ধুবুৰীত অব্যাহত আছে বানৰ বিভীষিকা। আশ্ৰয় শিবিৰে শিবিৰে বনৰ্ত্যৰ খবৰ লৈছে ধুবুৰীৰ গেলেক্সি ছ'চিয়েল ৱেলফেয়াৰ নামৰ বেচৰকাৰী সংগঠনটোৰ কৰ্মীসকলে। অকল আশ্ৰয় শিবিৰেই নহয় ধুবুৰীৰ ফলিমাৰী গাঁও পঞ্চায়তৰ কুন্তীৰ চৰৰ লগতে ওচৰে-পাঁজৰে থকা বিভিন্ন চৰাঞ্চলত বানাক্ৰান্ত অঞ্চললৈ গৈ বানৰ কৱলত পৰা লোকৰ খবৰ লৈ বিভিন্ন খাদ্য সামগ্ৰী বিতৰণ কৰিলে বেচৰকাৰী সংগঠনটোৱে। অৱশ্যে এইক্ষেত্ৰত বেচৰকাৰী গেলেক্সি ছ'চিয়েল ৱেলফেৱাৰ সংগঠনটোক সহায়-সহযোগিতা আগবঢ়াইছিল ধুবুৰীৰ মাৰিৱালা হেলথ্ ফাউণ্ডেচনে। দৰাচলতে বানৰ কবলৰ পৰা তথা গৃহবন্দী হৈ থকা ৰাইজক বিগত কেইবাদিন ধৰি বিভিন্ন খাদ্য-সামগ্ৰী লৈ বিতৰণ কৰি মহানুভৱতাৰ পৰিচয় দাঙি ধৰিলে ধুবুৰীৰ বেচৰকাৰী গেলেক্সি নামৰ সংগঠনটোৱে। অকল এয়াই নহয় বিগত দিনত ক'ভিডৰ সময়ত দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালক সহায় কৰি আহিছে বুলি উল্লেখ কৰিছে সংস্থাটোৰ সভাপতি হাফিজুৰ মুন্সীয়ে। অৱশ্যে এনে ধৰণৰ মানৱ সেৱামূলক কাম কৰাৰ বাবে প্ৰশংসাৰ পাত্ৰ হৈ পৰিছে। ইয়াৰ পাছত চৰাঞ্চলৰ বন্যাৰ্ত ৰাইজে ধন্যবাদ জনায় ধুবুৰীৰ এই বেচৰকাৰী গেলেক্সি ছ'চিয়েল ৱেলফেয়াৰ সংগঠনটোৰ কৰ্মীসকলক।

# লাহৰীঘাট মদ, ভাং আৰু জুৱাৰ ঘাটিলৈ পৰিণত হৈছে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ২৩ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ বিভিন্ন স্থানত মুকলিকৈ চলে জুৱাৰ আড্ডা, মদ-ভাঙৰ আড্ডা। আৰক্ষীৰ ভূমিকাক লৈ স্থানীয় ৰাইজ চিন্তিত। মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত বিভিন্ন স্থানত চলিছে জুৱাৰ মুকলি আড্ডা। আৰক্ষীৰ নিষ্ক্ৰিয় ভূমিকাৰ ফলতেই একাংশ দুষ্ট চক্ৰই এইদৰে দিনে-নিশাই চলাই গৈছে জুৱাৰ লগতে ড্ৰাগছ্, ভাং আদিৰ দৰে অবৈধ আড্ডা। লাহৰীঘাটৰ নৈপৰীয়া অঞ্চল দক্ষিণ চেনিমাৰী। ছেনিমাৰীৰ লগতে কাঠনি, টেঙাগুৰি, বগলীপাৰাকে আদি কৰি কছাৰীবড়ী, বোৱালগুৰি, দেৱাগুৰি, লেলাবড়ী আদি অঞ্চলত দিন-ৰাতিয়ে চলে এইদৰে জুৱাৰ মুকলি আড্ডা। লাহৰীঘাট অঞ্চলত চলা এনে জুৱাৰ আড্ডাৰ বিৰুদ্ধে মৰিগাঁও আৰক্ষী অধীক্ষকগৰাকীয়ে এইসমূহ দৃশ্য দেখাৰ পাছত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

# জ্ঞানপীঠ বঁটাপ্ৰাপক সাহিত্যিক নীলমণি ফুকন অভিনন্দন সংখ্যা হিচাপে প্ৰকাশ পাব অসম সাহিত্য সভা পত্ৰিকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৩ জুন ঃ** অসম সাহিত্য সভা পত্ৰিকাৰ সপ্তম সংখ্যাটো অসমীয়া সাহিত্য জগতখনলৈ জ্ঞানপীঠ বঁটা লাভ কৰি বিশেষ সুনাম কঢ়িয়াই অনা সাহিত্যিক নীলমণি ফুকন অভিনন্দন বিশেষ সংখ্যা হিচাপে প্ৰকাশ কৰাৰ মানস কৰিছোঁ। ইতিমধ্যে অসম সাহিত্য সভাই বৰনগৰ সাহিত্য সভাৰ আতিথ্যত বৰনগৰ মহাবিদ্যালয়ত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত আদৰণী পৰ্বত অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ড° উপেন্দ্ৰজিত শৰ্মাৰ সম্পাদিত অসম সাহিত্য সভা পত্ৰিকাৰ ষষ্ঠ সংখ্যাটো সাহিত্যিক হোমেন বৰগোহাঞিঙ শ্ৰদ্ধাৰ্ঘ্য অসমীয়া সাহিত্য বিশেষ সংখ্যা হিচাপে প্ৰকাশ কৰি উন্মোচন কৰা হয়। সম্প্ৰতি অসমৰ সাহিত্য জগতৰ মহীৰূহ অসম সাহিত্য সভাৰ সাহিত্যাচাৰ্য সন্মানপ্ৰাপক কবি নীলমণি ফুকন অভিনন্দন বিশেষ সংখ্যা হিচাপে প্ৰকাশ পাবলগীয়া অসম সাহিত্য সভা পত্ৰিকাৰ সপ্তম সংখ্যাটোৰ সম্পাদনাৰ কাম চলি আছে। সেয়েহে অসমীয়া কাব্য সাহিত্যলৈ কবি নীলমণি ফুকনৰ অৱদান, নীলমণি ফুকনৰ কবিতাৰ শৈলী বিচাৰ, নীলমণি ফুকনৰ কবিতাৰ চিত্ৰকল্প আৰু প্ৰতীক বিচাৰ, আধুনিক অসমীয়া কবিতা আৰু কবি নীলমণি ফুকন, কবি নীলমণি ফুকনৰ শিল্প সাধনা, শিক্ষাবিদ নীলমণি ফুকন, কবি নীলমণি ফুকন মানুহজন আদিৰ লগতে সাহিত্যৰ বিভিন্ন ধাৰা, মতবাদ, শৈলী বিচাৰ, সাহিত্যৰ প্ৰাচীনতা, কালজয়ী অসমীয়া সাহিত্যৰ বিচাৰ-বিশ্লেষণ আদি বিষয়ক গৱেষণাধৰ্মী প্ৰবন্ধৰ লগতে অন্য বিষয়ৰো গৱেষণামূলক প্ৰবন্ধ ১০ জুলাইৰ ভিতৰত এই সংখ্যাত প্ৰকাশৰ বাবে প্ৰেৰণ কৰিবলৈ অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই অনুৰোধ জনাইছে। প্ৰতি তিনি মাহৰ মূৰে মূৰে প্ৰকাশ পাই অহা অসম সাহিত্য সভাৰ গৱেষণাধৰ্মী পত্ৰিকাখনৰ বাবে সম্পাদকগৰাকীয়ে লেখক-সাহিত্যিকৰ তৰফৰ পৰা ভাষা-সাহিত্য-সংস্কৃতিবিষয়ক গৱেষণালব্ধ প্ৰবন্ধ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছে। লেখক -লেখিকাসকলে পেজমেকাৰ গীতাঞ্জলি ফ্ৰণ্টত প্ৰবন্ধটো টাইপ কৰি upendrajitsarma796@gmail.com অথবা asspatrika2020@gmail.com ই-মেইলত প্ৰেৰণ কৰিবলৈ পত্ৰিকা সম্পাদকগৰাকীয়ে অনুৰোধ জনাইছে। প্ৰবন্ধ প্ৰেৰণৰ বাবে ইচ্ছুক ব্যক্তিবিশেষে প্ৰবন্ধৰ বিষয় সম্পৰ্কে আগতীয়াকৈ ফোন অথবা হোৱাটছএপযোগে যোগাযোগ কৰিব পাৰে। পত্ৰিকা সম্পাদকৰ ঠিকনা- ড° উপেন্দ্ৰজিৎ শৰ্মা, মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ, ভোলানাথ মহাবিদ্যালয়, ধুবুৰী। যোগাযোগৰ ভ্ৰাম্যভাষ নম্বৰ ৮৬৩৮৮-২২৬৬৪ অথবা ৯৪৩৫১-২৯৮৭৪ (হোৱাটছএপ)।

# চিকিৎসাৰ অভাৱত মাৰ্ঘেৰিটাত মৃত্যুৰ সৈতে যুঁজিছে ৰোগগ্ৰস্ত যুৱকে

### চিকিৎসাৰ বাবে লাগে বৃহৎ অংকৰ ধন ঃ চৰকাৰ, স্থানীয় জনপ্ৰতিনিধিৰ লগতে ৰাইজলৈ আৰ্থিক সহায়ৰ আহ্বান দুৰ্ভগীয়া পৰিয়ালটোৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা মাৰ্ঘেৰিটা, ২৩ জুন ঃ** ১২৪নং মাৰ্ঘেৰিটাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ইনথেম গাঁৱৰ এগৰাকী ৩০বছৰীয়া দুৰ্ভগীয়া যুৱকে এতিয়া চিকিৎসাৰ অভাৱত মৃত্যুৰে যুঁজিব লগা হৈছে। আদিত্য সোণোৱাল নামৰ যুৱকজন এক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ বিগত তিনি মাহে মৃত্যুৰে যুঁজিবলগীয়া হৈছে। পৰিয়ালটো পোহপাল দিয়াৰ স্বাৰ্থত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈয়ো আধাতে পঢ়া সামৰি পৰিয়াল পোহপাল দিয়াৰ কামত সহায় কৰিব লগাত পৰে যুৱকজনে। পিতৃহীন দৰিদ্ৰ পৰিয়ালটোক আদিত্যই কোনোমতে পোহপাল দি আহিছিল। কিন্তু তিনি মাহ মান আগতে আদিত্য হঠাৎ এদিন অসুস্থ হৈ পৰে আৰু উঠিব-বহিব নোৱৰা হৈ পৰে। তেতিয়াৰ পৰা বিছনাখনেই তেওঁ একমাত্ৰ সাৰথি। দৰিদ্ৰ পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী আদিত্য অচিন ৰোগত আক্ৰান্ত হৈ পৰাত পৰিয়ালটোৰ অৱস্থা পানীত হাঁহ নচৰা হৈ পৰে। আদিত্যৰ উন্নত চিকিৎসাৰ বাবে এতিয়া পৰিয়ালটোক প্ৰয়োজন বৃহৎ অংকৰ ধনৰ। কিন্তু দৰিদ্ৰ পৰিয়ালটোৰ বাবে ইমান ধন যোগাৰ কৰাটো কোনোপধ্যেই সম্ভৱ নহয়। সেয়েহে আদিত্যক সুস্থ কৰি তোলাৰ স্বাৰ্থত সহায় কৰিবলৈ দৰিদ্ৰ পৰিয়ালটোৰ কাতৰ আহ্বান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে মাৰ্ঘেৰিটা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মালৈ। আনহাতে, কোনো সদাশয় লোকেও যদি দৰিদ্ৰ পৰিয়ালটোক আৰ্থিকভাৱে সহায় কৰিব বিচাৰে তেন্তে একাউণ্ট নম্বৰ ২২৪১০১১০০১৭৩৫১ IFSC-UCBA000241 নম্বৰত দিব পাৰিব নতুবা ৯৯৫৪৬০৫৩৫২ এই ফোন নম্বৰত যোগাযোগে কৰিব পাৰিব।

# বৰশী মাৰিবলৈ গৈ পানীত পৰি মৃত্যু হোৱা অঞ্চুমান তালুকদাৰৰ পৰিয়ালক বিশ্বজিৎ দৈমাৰীৰ দ্বাৰা ৪ লাখ টকাৰ চেক প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, খৈৰাবাৰী, ২৩ জুন ঃ** উল্লেখ্য যে যোৱা ১৯ তাৰিখে পুৱাৰ ভাগত ওদালগুৰি জিলাৰ ডিমাকুছি থানাৰ অন্তৰ্গত ৩নং উত্তৰ ডিমাকুছিৰ ৰবুল তালুকদাৰৰ ১০ বছৰীয়া পুত্ৰ অঞ্চুমান তালুকদাৰে ওচৰতে থকা খাৰৈসদৃশ পুখুৰীত বৰশী মাৰিবলৈ গৈ পানীত পৰি মৃত্যু বৰণ কৰিছিল যি ঘটনাই বৃহত্তৰ ডিমাকুছি অঞ্চলত শোকাকুল পৰিৱেশে বিৰাজ কৰিছিল। সেয়েহে উক্ত ঘটনাৰ খবৰ পাই বিধানসভাৰ অধ্যক্ষ তথা স্থানীয় বিধায়ক দৈমাৰী দেৱে দুৰ্ভগীয়া পৰিয়ালটোৰ কাষত উপস্থিত হৈ মৃতকৰ আত্মা সদ্গতি কামনা কৰাৰ লগতে মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ দ্বাৰা ৪ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰি পৰিয়ালটোৰ দুখৰ সময়ত এক্ষন্তেক সমভাগী হয়। লগতে অনাগত দিনত যিকোনো পৰিস্থিতিত পৰিয়ালটোৰ সৈতে থিয় দিয়াৰ আশ্বাস প্ৰদান কৰে অধ্যক্ষগৰাকীয়ে। অধ্যক্ষগৰাকীৰ চেক প্ৰদান কাৰ্যসূচীত তেওঁৰ সৈতে উপস্থিত থাকে ক্ৰমে ভেৰগাঁও মহকুমাধিপতি দীপক ভূএগ্রা, সমাজসেৱক জুশ্ৰাং বড়ো, বিজেপি নেতা অৰ্জুন দৈমাৰীৰ লগতে অঞ্চলটোৰ বুদ্ধিজীৱীসকলে উপস্থিত থাকে।

# অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে মৈৰাবাৰীৰ ৰাজপথত ওলাই আহিল ফাৰ্মাচী ইউনিয়ন

**দৈনন্দিন বাৰ্তাৰ সেৱা মৈৰাবাৰী, ২৩ জুন ঃ** মৈৰাবাৰীত কাঠফুলাৰ দৰে গঢ়ি উঠিছে অবৈধ ফাৰ্মাচী। একাংশ অবৈধ ফাৰ্মাচী চলি থকাৰ পাছতো ড্ৰাগছ্ ইন্সপেক্টৰৰ কোনো ভূমিকা নথকাত ক্ষোভ প্ৰকাশ কৰে ফাৰ্মাচী ইউনিয়নৰ কৰ্মকৰ্তাসকলে। উল্লেখযোগ্য যে মৈৰাবাৰী বজাৰৰ লগতে মৈৰাবাৰী গ্ৰাম্য চিকিৎসালয়ৰ সন্মুখত একাংশ অবৈধ ভাৱে ফাৰ্মাচী খুলি কোনো নথি পত্ৰ নথককাকৈ ব্যৱসায় চলাই আহিছে কিন্তু বিভাগীয় ফালৰ পৰা কোনো ব্যৱস্থা নোলোৱাত আজি ফাৰ্মাচিষ্ট ইউনিয়নৰ কৰ্মকৰ্তাসকলে মৈৰাবাৰী থানাত অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। কালি মৈৰাবাৰী গ্ৰাম্য চিকিৎসালয়ৰ সন্মুখত অবৈধ ফাৰ্মাচীতে বেজী দিয়াৰ লগে লগেই এগৰাকী মহিলাৰ মৃত্যু হোৱাৰ পাছতেই আজি অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। বিভাগীয় কৰ্তৃপক্ষক শীগ্ৰেই ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়।

### মাজুলী কমলাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্প বিভাগৰ উদ্যোগ

# ৩২গৰাকী অংগনৱাড়ী কৰ্মী-সহায়িকাক বিদায় সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২৩ জুন ঃ** মাজুলী জিলাৰ কমলাবাৰীস্থিত সংহত শিশু উন্নয়ন প্ৰকল্প বিভাগৰ অধীনত সেৱা আগবঢ়াই অহা ৬০ বছৰ সম্পূৰ্ণ হোৱা ৩২ গৰাকী অংগনৱাড়ী কৰ্মী-সহায়িকাক বিভাগৰ তৰফৰ পৰা আনুষ্ঠানিক ভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে যোৱা ২১ জুনত মাজুলী জিলা সাংবাদিক সন্থাৰ কাৰ্যালয়ত আয়োজন কৰা এক সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কৰনিতা পাইটে । বিভাগৰ গাণনিক নবীন লেখাৰুৱে আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাত মাজুলী জিলা সমাজ কল্যাণ বিষয়া (ভাৰপ্ৰাপ্ত) তথা সহকাৰী আয়ুক্ত দেৱ নাৰায়ণ হাজৰিকা, সহকাৰী আয়ুক্ত সংগীতা বৰুৱাই অৱসৰ গ্ৰহণ কৰা সকলোকে ধন্যবাদ জ্ঞাপন কৰি তেখেতসকলৰ সু-স্বাস্থ্য কামনা কৰে। সভাত জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, দক্ষিণপাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ফুলকণ দত্ত, বিভাগৰ মুখ্য সেৱিকা আৰতী ডেকা আৰু পল্লৱী ভূএগ্রা, যদুমণি ভূএগ্রা, অৱসৰপ্ৰাপ্ত মুখ্য সেৱিকা বিনীতা সেনে বক্তব্য প্ৰদান কৰে । সভাত অৱসৰ গ্ৰহণ কৰা ৩২গৰাকী অংগনৱাড়ী কৰ্মী, সহায়িকাক বিভাগৰ তৰফৰ পৰা এখন মানপত্ৰ, গামোচাৰে আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনায়।

# বিহালীত ৰে'লে কটা অৱস্থাত যুৱতীৰ মৃতদেহ উদ্ধাৰ ঃ অঞ্চলটোত উত্তেজনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২৩ জুন ঃ** বিহালী আৰক্ষী থানাৰ অন্তৰ্গত বিহালী মিকীৰত যোৱা নিশা প্ৰায় ১১-৪৫ বজাত চেৰেলীয়াৰ ৰেলৰে ক্ৰছিঙৰ নাতিদূৰৈত এগৰাকী যুৱতীৰ মৃতদেহ উদ্ধাৰ হোৱাত অঞ্চলটোত এক উত্তেজনাই বিৰাজ কৰিছে। পজলধাৰী পাচৱানৰ দ্বিতীয় কন্যা ৰিংকী পাছোৱান (১৮) নামৰ ছোৱালীজনীৰ ৰে'লৰ চিৰিত দ্বিখণ্ড অৱস্থাত উদ্ধাৰ হয়। বিশ্বনাথ ৰে'লৱে বিভাগৰ উপ-পৰিদৰ্শক ঘনকান্ত দাসৰ পৰা জানিব পৰা মতে যুৱতী গৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে আৰু যুৱতীগৰাকীয়ে আত্মহত্যা কৰাৰ সন্দেহ কৰিছে। কাৰণ ঘৰৰ পৰা পোৱা তথ্য অনুসৰি যুৱতীগৰাকীৰ ঘৰত কাৰোবাৰ লগত কোনোধৰণৰ কাজিয়াত লিপ্ত হোৱা নাছিল কিন্তু মোবাইলত পোৱা তথ্য মতে কাষৰীয়া যুৱক এজনৰ লগত মাজনিশালৈকে এছ এম এছৰ যোগেদি বাক্-বিতণ্ডাৰ সূত্ৰপাত হৈছে বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে আৰু প্ৰেমৰ বাবেই এই আত্মহত্যা কৰাৰ সন্দেহ কৰিছে স্থানীয় লোকে। এই বাবেই এনে চৰম পথ বাছি ল'বলগীয়া হৈছে বুলি ক'ব বিচাৰে স্থানীয় লোকে।

# হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ কৃতী শিক্ষাৰ্থীক বুৰুংগাতলী আঞ্চলিক আমছুৰ ঘৰে ঘৰে গৈ সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নীলবাগান, ২৩ জুন ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ হোজাই জিলা সমিতিৰ অন্তৰ্গত বুৰুঙ্গাতলী আঞ্চলিক সমিতিৰ বিষয়ববীয়া সকলে অঞ্চলটোৰ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ্থীক বুধবাৰে ঘৰে ঘৰে গৈ এখন গামোচা, মানপত্ৰ আৰু 'কাব্য যমুনা' নামৰ কাব্যগ্ৰন্থৰে সম্বৰ্ধনা জনোৱা দেখা যায়। খবৰ অনুযায়ী, উক্ত সম্বৰ্ধনা অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে বুৰুংগাতলী আঞ্চলিক আমছু সমিতিৰ সভাপতি নুৰ আহমেদে । বুৰুংগাতলী আঞ্চলিক আমছুৰ কৃতী শিক্ষাৰ্থীক দিয়া সম্বৰ্ধনা অনুষ্ঠানটোত হোজাই জিলা আমছু সমিতিৰ বিষয়ববীয়া ইমদাদুৰ ৰহমান আৰু আব্ৰাৰুল হক চৌধুৰীয়ে সংগ দিয়া পৰিলক্ষিত হৈছে । আমছুৰ এই কাৰ্যসূচীৰ জৰিয়তে কৃতী শিক্ষাৰ্থীক উৎসাহ উদ্দীপনা দিয়াৰ লক্ষ্যৰে ছানিয়া আনজুম, জুহি আমৰিন, চুপৰিতি দে, জুনাইদ আহমেদ, শ্বাহিন মাসুদ, ৰাচিমা বেগম, জাহিদুৰ ৰহমান, মাৰজিয়া বেগম, শ্বুৱানা বেগম, ফইজ আহমেদকে ধৰি ১৭ জন শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱাৰ খবৰ জানিব পৰা গৈছে। প্ৰাপ্ত খবৰ মতে, বুৰুংগাতলী আঞ্চলিক আমছু সমিতিৰ সভাপতি নুৰ আহমেদৰ নেতৃত্বত পূৰ্বৰে পৰা অঞ্চলটোত শিক্ষাৰ লগত জড়িত বহু কাৰ্যসূচী ৰূপায়ন হৈছে । আমছু কৰ্মকৰ্তাৰ এনে শিক্ষামূলক কামে স্থানীয় লোকৰ মাজত চৰ্চা লাভ কৰা পৰিলক্ষিত হৈছে । বুধবাৰে অনুষ্ঠিত হোৱা কৃতী শিক্ষাৰ্থীক ঘৰে ঘৰে গৈ সম্বৰ্ধনা দিয়া অনুষ্ঠানত বুৰুংগাতলী আঞ্চলিক আমছু সমিতিৰ উপ-সভাপতি তাজুল ইছলাম, সাংসম্পাদক মতিবুৰ ৰহমান, প্ৰচাৰ সম্পাদক ফাৰুক আহমেদকে ধৰি বহু বিষয়ববীয়া উপস্থিত থাকে । আমছু কৰ্মীৰ এনে কামত অঞ্চলটোৰ সচেতন মহলে প্ৰশংসা কৰা পৰিলক্ষিত হৈছে।



# দীপৰ বিলৰ বাঢ়নী পানীত প্লাৱিত হৈ আছে খানামুখ, হাওৰাপাৰকে ধৰি ধাৰাপুৰ গাঁও পঞ্চায়তৰ বহু আৱাসিক অঞ্চল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৩ জুন ঃ** বিগত কেইদিনত বৰষুণৰ পৰিমাণ কমি যোৱাত আৰু বতৰ তুলনামূলকভাৱে ফৰকাল হোৱাত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ কালিৰে পৰা কিছু হ্ৰাস পোৱা পৰিলক্ষিত হৈছে । আনহাতে, গুৱাহাটীত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ চাৰিদিন বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ পাছত যোৱানিশাৰে পৰা গুৱাহাটীত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বিপদ সীমাৰ কিছু তললৈ নামে । ফলত আজি পুৱাৰ ভাগত প্ৰায় এটা সপ্তাহৰ অন্তত গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ দীপৰ বিলৰ পৰা ব্ৰহ্মপুত্ৰ সংযোগী আৰু আজাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত পূব ধাৰাপুৰ আৰু গুৱাহাটী পৌৰ নিগমৰ ১নং ৱাৰ্ডৰ অন্তৰ্গত গাড়ীগাঁওৰ মাজত থকা পানীদুৱাৰখন জলসম্পদ বিভাগৰ পশ্চিম গুৱাহাটী উপ-সংমণ্ডলৰ দায়িত্ববাহী কৰ্মচাৰীয়ে খুলি দিয়ে। পানীদুৱাৰখন খুলি দিয়াৰ পাছত দীপৰ বিলৰ পৰা পানীভাগ লাহে লাহে ব্ৰহ্মপুত্ৰ অভিমুখে ওলাই গৈ থকা পৰিলক্ষিত হৈছে । জানিব পৰা মতে পানীদুৱাৰখন খুলি দিয়া হ'লেও ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ এতিয়াও সতৰ্ক মূলক স্তৰৰ ওপৰেদি বৈ থকাত দীপৰ বিলৰ পানীভাগ অতি মন্থৰ গতিৰেহে ওলাই গৈ আছে । যাৰ বাবে এতিয়াও ওফন্দি আছে দীপৰ বিলৰ পানীভাগ। ইয়াৰ ফলত আজাৰা ৰাজহ চক্ৰৰ ধাৰাপুৰ গাঁও পঞ্চায়তৰ অধীনৰ খানামুখ হাওৰাপাৰ, ধাৰাপুৰ নতুনবস্তি, ধোপৰতল, কোঁচপাৰা আদি অঞ্চলৰ খেতিপথাৰতো বাদেই বহু পৰিয়ালৰ বাসগৃহ চৌহদ বিগত প্ৰায় এটা সপ্তাহ ধৰি পানীৰ তলত আছে। আনকি আৱাসীক অঞ্চল প্লাৱিত হৈ থকাৰ বাবে বিদ্যালয়লৈ কণ কণ শিশুবোৰক পিতৃ-মাতৃ বা অভিভাৱকে কোলাত, বোকোচাত বা দাংকোলাকৈ অনা-নিয়া কৰিবলগীয়া হৈছে । সমান্তৰালভাৱে বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈ থকাৰ বাবে গৰু, ছাগলী, গাহৰি আদি পুহি জীৱন নিৰ্বাহ কৰা পশুপালকসকল ভীষণ অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। যাৰ বাবে পশুপালকসকলে স্থানীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাক পশু খাদ্যৰ যোগান ধৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।



# ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত অসমৰ অন্যান্য পিছপৰা শ্ৰেণীৰ জনসাধাৰণ

## অসম পিছপৰা শ্ৰেণী আয়োগক অসম ৰাজ্যিক অ'বিচি সংঘৰ ১০ দফীয়া বিষয়সম্বলিত স্মাৰক-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ২৩ জুন ঃ** অসমৰ অন্যান্য পিছপৰা শ্ৰেণীৰ জনসাধাৰণে আইনসংগতভাৱে পাব লগা সুবিধাসমূহৰ পৰা আজিও বঞ্চিত হৈ আহিছে। এই সন্দৰ্ভত দেশৰ প্ৰধানমন্ত্ৰীকে প্ৰমুখ্যে কৰি অন্যান্য পিছপৰা শ্ৰেণীৰ সৈতে জড়িত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মন্ত্ৰী, কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ অন্যান্য পিছপৰা শ্ৰেণী আয়োগৰ অধ্যক্ষ, সাংসদ আৰু বিধায়কসকলক যথাসময়ত দৃষ্টিগোচৰ কৰিবৰ বাবে অন্যান্য পিছপৰা শ্ৰেণীক প্ৰতিনিধিত্ব কৰা কোনো এটা সংগঠন আজিকোপতি আগবাঢ়ি নাহিল। যাৰফলত অন্যান্য পিছপৰা শ্ৰেণীৰ বিশেষকৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কৰ্মচাৰী, অসমৰ ছাত্ৰ-ছাত্ৰী তথা অন্যান্য পিছপৰা শ্ৰেণী জনসাধাৰণ ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আহিছে। যাৰ ফলত সকলোৰে মাজত সততা, একতা, শান্তি, প্ৰগতিৰ বাতাবৰণ গঢ়ি তুলি সমস্যাসমূহ সমাধানাৰ্থে আৰু সৰ্বাংগীন উন্নয়নৰ বাবে অন্যান্য পিছপৰা শ্ৰেণীৰ কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী তথা পিছপৰা শ্ৰেণীৰ অন্তৰ্গত বিভিন্ন সম্প্ৰদায়ৰ লোকসকলৰ মাজত নিয়ম-শৃংখলা বৰ্তাই ৰাখি সকলোৰে স্বাৰ্থৰ প্ৰতি মনোযোগ দিয়াৰ লগতে উৎসাহ-ভ্ৰাতৃত্ববোধেৰে অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্গত ৩১টা জনগোষ্ঠীৰ হকে কাম কৰি যোৱাৰ সংকল্পৰে যোৱা ১২ জুনত গুৱাহাটীত জন্ম হোৱা অসম ৰাজ্যিক অ'বিচি সংঘ (আসাম ষ্টেট অবিচি ফেডাৰেচন) নামেৰে অৰাজনৈতিক তথা সামাজিক সংগঠনটোৱে এসপ্তাহৰ ভিতৰতে অৰ্থাৎ যোৱা ১৭ জুনত ১০ দফীয়া বিষয়সম্বলিত এখন স্মাৰক-পত্ৰ অসম পিছপৰা শ্ৰেণী আয়োগক প্ৰদান কৰে। অসম ৰাজ্যিক অ'বিচি সংঘৰ সম্পাদক সাংবাদিক প্ৰসেনজিৎ ৰাজখোৱাই জানিবলৈ দিয়া মতে, অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে জাতি গণনা, পৃথক মন্ত্ৰণালয়, উন্নীত অংশৰ ব্যৱস্থা বিলুপ্তিকৰণ, সংৰক্ষণৰ বাবে থকা ৫০ শতাংশ সীমাৰেখা বিলোপ সাধন, শিক্ষাৰ ক্ষেত্ৰত ২৭ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কাৰ্যকৰী কৰা, ন্যায়পালিকাত সংৰক্ষণৰ ব্যৱস্থা কৰা, সংৰক্ষণৰ ভিত্তিত কৰ্মচাৰীসকলৰ পদোন্নতিৰ ব্যৱস্থা কৰা, স্থানীয় নিগম, নিয়ায়সমূহত অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰা, ব্যক্তিগতখণ্ডৰ প্ৰতিস্থানসমূহত সংৰক্ষণৰ ব্যৱস্থা বাধ্যতামূলক কৰা, ১৯৪৭ চনৰ ১২ ফেব্ৰুৱাৰীত গোপীনাথ বৰদলৈৰ নেতৃত্বত গঠন হোৱা চৰকাৰে নতুনকৈ ১৮৮৬ চনৰ ভূমি সুৰক্ষা আইনত সংলগ্ন কৰা 'অসমৰ পিছপৰা শ্ৰেণীসমূহৰ ভূমি সুৰক্ষাৰ ব্যৱস্থা' কাৰ্যকৰীকৰণেৰে এই আইন বলৱৎ কৰি অসমীয়াৰ ৰক্ষা কৱচ সুৰক্ষিত কৰা আদি বিষয়সমূহ উল্লেখ কৰি অসম পিছপৰা শ্ৰেণী আয়োগৰ অধ্যক্ষ শান্তনু গগৈৰ হাতত স্মাৰক পত্ৰ প্ৰদান কৰে। অসম ৰাজ্যিক অ'বিচি সংঘৰ সাধাৰণ সম্পাদক ৰেৱ সন্দিকৈৰ নেতৃত্বত আৰু সংঘৰ উপ-সভাপতি সাংবাদিক চন্দ্ৰকান্ত বৰুৱা, কোষাধ্যক্ষ জ্যোতি প্ৰকাশ ফুকন আৰু মুখ্য সাংগঠনিক সম্পাদক নীলম হাজৰিকাই অংশ গ্ৰহণ কৰা সঁজাতি দলটোৱে অসম পিছপৰা শ্ৰেণী আয়োগৰ অধ্যক্ষ শান্তনু গগৈৰ সৈতে আয়োগৰ গুৱাহাটীৰ কাৰ্যালয়ত এক সৌহাৰ্দ্যমূলক আলোচনাত মিলিত হৈ অন্যান্য পিছপৰা শ্ৰেণীৰ জনসাধাৰণৰ ন্যায্য প্ৰাপ্যৰ স্বাৰ্থত কাম কৰি যাব বুলি সংঘৰ বিষয়ববীয়াসকলক প্ৰতিশ্ৰুতি প্ৰদান কৰে। উল্লেখ্য যে, ইতিমধ্যে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁইক মুখ্য উপদেষ্টা, সাহিত্যিক প্ৰদ্যুম্ন চন্দ্ৰ তাছা আৰু গুৱাহাটীৰ সাংবাদিক চন্দ্ৰকান্ত বৰুৱাক উপদেষ্টা, বৰহোলাৰ অৱসৰপ্ৰাপ্ত শিক্ষক হেমেন শইকীয়াক সভাপতি, ডিমা হাচাওৰ নৃপেন ভূঞাক কাৰ্যকৰী সভাপতি, ডিব্ৰুগড়ৰ টিংখাঙৰ অন্যান্য পিছপৰা শ্ৰেণীৰ সংগঠক দিগন্ত দানহ, ৰহাৰ ঘনশ্যাম নাথক উপ-সভাপতি, গুৱাহাটীৰ বিশিষ্ট চিন্তাবিদ তথা অন্যান্য পিছপৰা শ্ৰেণীৰ অগ্ৰণী সংগঠক ৰেৱ সন্দিকৈক সাধাৰণ সম্পাদক, তিতাবৰৰ সাংবাদিক প্ৰসেনজিৎ ৰাজখোৱা আৰু তিনিচুকীয়াৰ পুষ্প গগৈক সম্পাদক, নামৰূপৰ মাৰ্ফী গগৈক সহঃ সম্পাদিকা, গুৱাহাটীৰ জ্যোতিপ্ৰকাশ ফুকনক কোষাধ্যক্ষ, টিয়কৰ সাংবাদিক দীপজ্যোতি শইকীয়াক প্ৰচাৰ সম্পাদক, নগাঁৱৰ সাংবাদিক প্ৰমোদ বৰাক সহকাৰী প্ৰচাৰ সম্পাদক, গুৱাহাটীৰ নীলম হাজৰিকাক সাংগঠনিক সম্পাদক, ধেমাজিৰ ডাঃ বাবুল বৰগোহাঁই, নগাঁৱৰ ৰাজীৱ হাজৰিকাক ক্ৰমে উত্তৰ অসম আৰু মধ্য অসমৰ মাণ্ডলিক সাংগঠনিক সম্পাদক, ডিব্ৰুগড়ৰ জুনু দিহিঙীয়াক উজনি অসমৰ মাণ্ডলিক সহঃ সাংগঠনিক সম্পাদিকা হিচাপে লৈ 'অল ইণ্ডিয়া অবিচি ফেডাৰেশ্যন'ৰ অধীনত গঠিত হোৱা 'অসম ৰাজ্যিক অ'বিচি সংঘ' (আসাম ষ্টেট অবিচি ফেডাৰেশ্যন)ৰ ২৭ জনীয়া কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিয়ে অন্যান্য পিছপৰা শ্ৰেণীৰ জনসাধাৰণৰ কল্যাণৰ বাবে বিভিন্ন উন্নয়নমূলক আঁচনিসমূহ প্ৰচাৰ আৰু প্ৰসাৰৰ হেতু সজাগ কৰি তুলিবৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। আনহাতে মণ্ডল আয়োগৰ প্ৰতিবেদনত উল্লেখ কৰা বিভিন্ন সুবিধা ৰাইজৰ মাজলৈ আগবঢ়াই দিয়া, অন্যান্য পিছপৰা শ্ৰেণীৰ সংগঠনসমূহ অসম ৰাজ্যিক অ'বিচি সংঘৰ সৈতে অন্তৰ্ভুক্তকৰণেৰে অন্যান্য পিছপৰা শ্ৰেণীৰ জনসাধাৰণৰ বাবে কাৰ্যপন্থা গ্ৰহণ কৰাৰ উপৰিও প্ৰতিটো বিভাগৰ কৰ্মচাৰীসকলৰ স্বাৰ্থত এশ পইণ্ট ৰোষ্টাৰ শুদ্ধভাৱে ৰূপায়ণ কৰি কম্পিটেণ্ট অথৰিটীৰ দ্বাৰা পৰ্যবেক্ষণৰ ব্যৱস্থা কৰা, একেটা পদতে দহ বছৰ সম্পূৰ্ণ হোৱা কৰ্মচাৰীক পদোন্নতিৰ ক্ষেত্ৰত সংগঠনটোৱে ইতিমধ্যে যাৱতীয় ব্যৱস্থাও গ্ৰহণ কৰিছে। এনে পৰিপ্ৰেক্ষিতত অন্যান্য পিছপৰা শ্ৰেণীৰ জনসাধাৰণে আইন সংগতভাৱে ন্যায্য প্ৰাপ্য আদায়ৰ বাবে প্ৰতিখন জিলাতে 'অসম ৰাজ্যিক অ'বিচি সংঘ'ৰ আঞ্চলিক আৰু জিলা সমিতি গঠনৰ ক্ষেত্ৰত সংঘৰ নেতৃবৃন্দই অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলৰ সহযোগিতা কামনা কৰাৰ লগতে 'অসম ৰাজ্যিক অ'বিচি সংঘ', মুখ্য কাৰ্যালয় ঃ হাউচ নং-১২, প্ৰগতি পথ, ঊষা নগৰ, বৰবাৰী চাৰিআলি, গুৱাহাটী-৭৮১০৩৬, ই-মেইল ঃ assamsobcf@gmail.com, ফোন ঃ ৯৪৩৫১৯৩৮১০ (সাধাৰণ সম্পাদক), ৯৬৭৮২০৪৫২৪ (সভাপতি) এই ঠিকনাত যোগাযোগ কৰিবৰ বাবে 'অসম ৰাজ্যিক অ'বিচি সংঘ'ৰ হৈ সম্পাদক প্ৰসেনজিৎ ৰাজখোৱা আৰু পুষ্প গগৈয়ে এক বিবৃতি যোগে আহ্বান জনাইছে।




*অসম এথলেটিক সন্থাই আয়োজন কৰা আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱসত ফ্লেগ অৱ কৰিছে দৌৰবিদ অম্লান বৰগোহাঁই আৰু অভিনেত্ৰী প্ৰস্তুতি পৰাশৰে, গুৱাহাটীত*



# বানাক্ৰান্তক সাহায্য দৰং গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৩ জুন ঃ** দৰঙত জলবন্দী হৈ থকা পিপৰা দোকান, ছোটো নগাঁও, পটলসিংপাৰা, সৰু থেকেৰাবাৰী, বৰনগাঁও, ৰঙামাটি, কটহগুৰি আদি অঞ্চলত বন্যাৰ্তৰ মাজত পানী বটলকে ধৰি কেতবোৰ অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰে সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদে। পৰিষদৰ দৰং জিলাৰ বিষয়ববীয়া, সদস্য, সদস্যা আৰু হৃদয়ৱান ব্যক্তিসকলৰ মাজত বৰঙণি তুলি জনগোষ্ঠীয় সংগঠনটোৱে এইদৰে দুৰ্গতসকলক বিপদৰ সময়ত কিছু সকাহ দিবলৈ প্ৰিয়াস কৰিছে। সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূঞা, দৰং জিলা সমিতিৰ সভাপতি আমান উল্লাহ পাছা, কাৰ্যকৰী সভাপতি বাবুল মকছেদ আহমেদ, উপ-সভাপতি মইনুল হক শইকীয়া, সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদ, সাংগঠনিক সম্পাদক আইনুৰ মতিন, কাৰ্যালয় সম্পাদক ৰবিউল হক, সাংস্কৃতিক সম্পাদক আব্দুল ৰৌফ, মঙলদৈ নগৰ সমিতিৰ মীৰ চাহিল ইৰফান, ঔতলা আঞ্চলিকৰ নয়মুদিন আহমেদ, ৰঙামাটি আঞ্চলিক সমিতিৰ গুলেনুৰ হুছেইন, আবুল হুছেইন প্ৰমুখ্যে বিষয়ববীয়াসকলে পৰিষদৰ হৈ এই বান সাহায্যসমূহ বিতৰণ কৰে। আনহাতে, পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূঞা, জিলা সভাপতি আমান উল্লা পাছা, কাৰ্যকৰী সভাপতি বাবুল মকছেদ, সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদ, নগৰ সমিতিৰ মীৰ চাহিল ইৰফান আৰু ঔতলা আঞ্চলিকৰ নয়মুদ্দিন আহমেদে মঙলদৈ ৰাজহ চক্ৰৰ বিষয়া নয়ন পাঠকক সাক্ষাৎ কৰি বানপীড়িত ৰাইজৰ মাজত ক্ষিপ্ৰতাৰে সাহায্য বিতৰণৰ বাবে অনুৰোধ জনায় আৰু প্ৰয়োজন সাপেক্ষে প্ৰশাসনৰ লগত সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়াবলৈ পৰিষদৰ সদস্যসকল সাজু থকাৰ বিষয়েও বিষয়া গৰাকীক অৱগত কৰে।

# ধুবুৰীত পণ্ডিত ড° নবীন চন্দ্ৰ শৰ্মাৰ জন্মদিন পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৩ জুন ঃ** অসমীয়া সাহিত্য-সংস্কৃতি জগতখনৰ পুৰোধা ব্যক্তি গৱেষক, পণ্ডিত, অসম সাহিত্য সভাৰ সদস্য মহীয়ান সন্মানপ্ৰাপক, প্ৰফেছাৰ অৱ এমেৰিটাৰ্ছ অধ্যাপক ড° নবীন চন্দ্ৰ শৰ্মাৰ জন্মদিন উপলক্ষে ধুবুৰী জনকৃষ্টি সমাজৰ উদ্যোগত আৰু ধুবুৰী জিলা সাহিত্য সভাৰ সহযোগত আবেলি ৪ বজাৰ পৰা গুগল মিট মাধ্যমৰ জৰিয়তে এক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। অসমত লোক-সংস্কৃতি চৰ্চা আৰু ড° নবীন চন্দ্ৰ শৰ্মা বিষয়ত বিশেষ বক্তৃতা প্ৰদান কৰি গৱেষক, সাহিত্যিক তথা ধূপধৰা বিকালী মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ড° মলিনা দেৱী ৰাভাই কয় যে প্ৰকৃতাৰ্থত ড° নবীন চন্দ্ৰ শৰ্মাই অসমত লোক-সংস্কৃতি চৰ্চাৰ এক সবল ভেটি নিৰ্মাণ কৰিছিল। নবীন চন্দ্ৰ শৰ্মাৰ লোক-সংস্কৃতি চৰ্চাৰ সমলসমূহ বাদ দিলে আমি সংস্কৃতি চৰ্চাত তেনেই দুৰ্বল হৈ যাম। দৰঙৰ শিল্পী মুকুট চন্দ্ৰ হাজৰিকাৰ ব্যাস ওজাপালি সংগীতেৰে অনুষ্ঠানটো আৰম্ভ হয়। আদৰণী ভাষণ প্ৰদান কৰে ধুবুৰী জনকৃষ্টি সমাজৰ সভাপতি দেবেন্দ্ৰনাথ শৰ্মাই। ধুবুৰী জিলা সাহিত্য সভাৰ সম্পাদক আজাদ আলী আহমেদে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটো সঞ্চালনা কৰে ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ মুৰব্বী অধ্যাপক তথা অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই। অনুষ্ঠানত সভাপতিত্ব কৰে জিলা সাহিত্য সভাৰ সভাপতি তৰণী কান্ত ৰায়ে। শুভেচ্ছামূলক বক্তৃতা প্ৰদান কৰে গৱেষক সাহিত্যিক ড° অসমী গগৈ, মাজুলীৰ যুৱ লেখক শংকু সিদ্ধ নাথ, দীপলিমা দত্ত, নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱা ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° অলকা শৰ্মা আদিয়ে। চৰাইদেউ জিলা সাহিত্য সভাৰ সম্পাদক তথা সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰঘুনাথ কাগয়ুং ঐনিতম পৰিৱেশন আৰু বক্তব্য প্ৰদান কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড. উপমা ডেকাই সংস্কৃত গীত, মিলন দেৱীয়ে বিয়া গীত পৰিৱেশন কৰে। পণ্ডিতগৰাকীৰ সহধৰ্মিণী বাসন্তী দেৱীয়ে আয়োজকসকলক প্ৰশংসা কৰি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ কৰ্ণধাৰৰ সদস্য ডাঃ গিৰীশ সন্দিকৈও উপস্থিত থাকে।

# বৰপেটাত বন্যাৰ্তক প্ৰশাসনৰ সহায়, উদ্ধাৰ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৩ জুন ঃ** যোৱা দুদিন ধৰি বতৰ ফৰকাল হোৱাৰ লগে লগে বৰপেটা জিলাৰ বান পৰিস্থিতিৰ আজি যথেষ্ট উন্নত হোৱা দেখা গৈছে। জিলাখনৰ প্লাৱিত অঞ্চলৰ আবদ্ধ পানী শুকাবলৈ আৰম্ভ কৰিছে। অৱশ্যে এতিয়াও জিলাখনত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ কেইবাখনো উপনৈৰ পানী বিপদ সীমাৰ ওপৰেৰে বৈ আছে। জিলা প্ৰশাসনে উদ্ধাৰ আৰু সাহায্য অভিযান তীব্ৰতৰ কৰি তুলিছে। বানপীড়িত ৰাইজৰ সুবিধাৰ্থে প্ৰশাসনৰ তৰফৰ পৰা কেইবাটাও সুকীয়া সুকীয়া নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। সকলো বিভাগৰ, বিশেষকৈ স্বাস্থ্য, কৃষি, খাদ্য আৰু অসামৰিক যোগান, জনস্বাস্থ্য কাৰিকৰী আৰু সমাজ কল্যাণ বিভাগৰ লোকক লৈ এটা যুটীয়া নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। ইয়াত বানপীড়িত যিকোনো লোকে তেওঁলোকৰ যিকোনো সমস্যাৰ বিষয়ে জনাব পাৰে। নিয়ন্ত্ৰণ কক্ষৰ নম্বৰকেইটা হ'ল ০৩৬৬৫-২৩৬০৮৫, ৯৩৬৫৩-৬৯০৬৯ আৰু ৯৮৬৪৬-৪৩০৮৯। তদুপৰি জিলা দুৰ্যোগ প্ৰশমন বিভাগৰ মাছুল বিহীন ১০৭৭ নম্বৰতো ইচ্ছুক লোকে যোগাযোগ কৰিব পাৰে বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনাইছে। তেওঁ লগতে জনোৱা মতে উদ্ধাৰ অভিযানৰ বাবে আৰক্ষী বিভাগত সুকীয়াকৈ নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। ইয়াৰ নম্বৰসমূহ হৈছে ৮৮১১০৩০৬০০ আৰু ৬০২৬৯০০১৮৩।

# মাজুলীত ধঁপাতবিৰোধী সজাগতা গীত উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ২৩ জুন ঃ** মাজুলীৰ জ্যেষ্ঠ চিকিৎসা বিষয়া, গীতিকাৰ, সুৰকাৰ ডা০ মানিক মিলিয়ে ৰচনা আৰু কণ্ঠদান কৰা ধঁপাত বিৰোধী এটা সজাগতা গীত কালি, ২১ জুনত উন্মোচন কৰা হয়। ধঁপাত সেৱনৰ ভয়াৱহতা সমূহক ৰাইজৰ মাজত গীতৰ মাধ্যমেৰে ব্যাপকভাৱে প্ৰচাৰ কৰি সমাজৰ পৰা সম্পূৰ্ণৰূপে ধঁপাত বৰ্জন কৰাৰ লক্ষ্য লৈ মাজুলীৰ সু-চিকিৎসক ডা০ মানিক মিলিয়ে লিখা আৰু কন্ঠদান কৰা গীতটো কালি ২১ 'জুনত মাজুলী মিলন সংঘত মুকলি কৰা হয়। উক্ত, গীত উন্মোচন উপলক্ষে মাজুলী মিলন সংঘত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত হয়। মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জগত জ্যোতি সাতোলাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আঁত ধৰে মাজুলীৰ বিশিষ্ট কবি পাৰুল বৰা মিলিয়ে। ডাঃ মাণিক মিলিয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰে মাজুলী জিলাৰ অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ ফুকনে। অনুষ্ঠানত গীতিকাৰ, সুৰকাৰ ডাঃ মাণিক মিলিয়ে লিখা আৰু কণ্ঠদান কৰা গীত 'নাখাওঁ নাখাওঁ- আমি চিগাৰেট নাখাওঁ- শীৰ্ষ ধঁপাতবিৰোধী সজাগতা গীতটো উন্মোচন কৰে মাজুলী জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ শশীধৰ ফুকনে। মধ্য মাজুলীৰ নঈছ ৰ্ৰক ষ্টেচনত বাণীবদ্ধ কৰা গীতটো উন্মোচন কৰি ডাঃ ফুকনে গীতিকাৰ, সুৰকাৰ ডাঃ মাণিক মিলিৰ সামাজিক দায়বদ্ধতাক উচ্চ প্ৰশংসা কৰে। গীতটো উন্মোচন কৰি পৰিৱেশন কৰাৰ লগে লগে ৰাইজৰ বিপুল সঁহাৰি লাভ কৰে। উক্ত, গীতটো বিভিন্ন সামাজিক মাধ্যমত আপলোড কৰাৰ পাছতে ৰাইজে ডাঃ মাণিক মিলিক উচ্চ প্ৰশংসাৰে ওপচাই পেলায়। উক্ত, সজাগতা গীত উন্মোচনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিত শইকীয়া, ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱ কুমাৰ গাম, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ডিম্বেশ্বৰ ভূঞা, বিশিষ্ট কবি জয়ন্ত হাজৰিকাই অংশগ্ৰহণ কৰি ভাষন প্ৰদান কৰে। সভাত, মাজুলী জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত অনুষ্ঠিত আন্তঃমাজুলী ধঁপাতবিৰোধী ৰচনা, কবিতা, শ্ল'গান আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ পুৰস্কাৰ বিজেতা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। মাজুলী জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ নডেল বিষয়া ডাঃ মাণিক মিলিয়ে অনুষ্ঠানত শলাগ জ্ঞাপন কৰে। শতাধিক ছাত্ৰ- ছাত্ৰী, শিক্ষক- শিক্ষয়িত্ৰীয়ে উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, ডাঃ মাণিক মিলিয়ে ইয়াৰ পূৰ্বে যোৱা ১৪ জুনত বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে 'ৰক্তদান সজাগতা'ৰ ওপৰত ৰঙাচাহী মহাবিদ্যালয়ত প্ৰথমটো সজাগতা গীত মুকলি কৰি ৰাইজৰ সমাদৃত হৈছিল। গীত উন্মোচন আৰু পুৰস্কাৰ বিতৰণ অনুষ্ঠানৰ পূৰ্বে এটি যোগ শিবিৰ অনুষ্ঠিত হয়।

# কৃত্ৰিম বানত বিধ্বস্ত বাঁহজানীৰ বাট-পথ

# জৰুৰী ৰোগী চিকিৎসালয়লৈ নিবলৈয়ো সোমাব নোৱাৰে ১০৮

## গৰ্ভৱতী মহিলাৰ হাহাকাৰ

দিগন্ত বৰ্মণ, পশ্চিম নলবাৰী ২৩ জুন: একেবাৰে কেইবাদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানত বিধ্বস্ত প্ৰায় হৈ পৰিছে বৃহত্তম বাঁহজানীকে ধৰি দক্ষিণ নলবাৰী অঞ্চলৰ বাট-পথ।অঞ্চলটোৰ নিজহাঁহজানী, ক্ষুদ্ৰশংকৰা, জাহা, চৰিয়া, দৌকুছি, কুমাৰীকাটা, পশ্চিম খাটাৰ কলাকুছি, পূৰকালাকুছি, মাকালডোৱা আদি গাঁৱৰ বাট-পথ কৃত্ৰিম বানত বুৰ যোৱাৰ পিছত সম্প্ৰতি পানী শুকাবলৈ লৈছে যদিও বাট-পথত সৃষ্টি হোৱা প্ৰকাশু -প্ৰকাণ্ড গাঁও আৰু অত্যধিক বোকাৰ বাবে গ্ৰাম্য পথবোৰেৰে যাতায়ত বাধাগ্ৰস্ত হৈছে আছে।অঞ্চলটোৰ জৰুৰী কালীন ৰোগী আৰু গৰ্ভৱতী মহিলাক চিকিৎসালয়লৈ নিৱ লগীয়া হ'লে কৃত্ৰিম বানত বিধ্বস্ত পথসমূহৰে এম্বুলেন্স তথা ১০৮ সোমাবলৈ নোৱাৰা অৱস্থা হৈছে।ইয়াক লৈ স্থানীয় গওঁা-ৰাইজ দু চিন্তাত ভুগিছে।ইপিনে কৃত্ৰিম বানৰ পিছত অঞ্চলটোৰ পোহনীয়া জীৱ-জন্তুৰ মাজত তীব্ৰ খাদ্য সংকটেও দেখা দিছে।

# ছোৱাইন ফ্লুসদৃশ ৰোগৰ প্ৰাদুৰ্ভাৱ ঃ সংকটত গাহৰিপালক

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিংখাং, ২৩ জুন ঃ** ৰাজ্যখনত পুনৰ ছোৱাইন ফ্লুসদৃশ ৰোগত গাহৰি ব্যাপক হাৰত আক্ৰান্ত হৈছে। এই ৰোগত আক্ৰান্ত বহু গাহৰিৰ মৃত্যু হোৱাত পালকসকলৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। জানিব পৰা মতে বহিঃৰাজ্যৰ পৰা অসাধু ব্যৱসায়ীয়ে নিয়মীয়াভাৱে গাহৰি আমদানি কৰি অহাৰ ফলতে থলুৱা গাহৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ আহিছে। বহিঃৰাজ্যৰ গাহৰিৰ পৰা বিভিন্ন ৰোগ সংক্ৰমিত হৈ অহাৰ পাছতো ৰাজ্য চৰকাৰে গাহৰি আমদানি ৰোগ কৰাৰ বাবে কোনোধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাই। ফলত ৰাজ্যখনত গাহৰিৰ ৰোগৰ সংক্ৰমণ দিনকদিনে ক্ৰমাৎ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বিগত এক পষেকত লখিমপুৰ, ধেমাজি, কামৰূপ আদিকে ধৰি কেইবাখনো জিলাত ছোৱাইন ফ্লু সদৃশ ৰোগত কেইবা হাজাৰ গাহৰিৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। এই ৰোগ প্ৰতিৰোধ কৰাত ৰাজ্য চৰকাৰৰ পশু পালন বিভাগ সম্পূৰ্ণ ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপিত হৈছে। বিভাগটোৰ দুৰ্বল আন্তঃগাঁথনিৰ বাবে ৰাজ্যৰ গাহৰি পালকসকলে ব্যাপক লোকচানৰ সন্মুখীন হ'ব লগা হৈছে। উল্লেখ্য যে ৰাজ্যখনত ব্যাপকভাৱে দেখা দিয়া ছোৱাইন ফ্লুসদৃশ ৰোগৰ পৰিপ্ৰেক্ষিতত একাংশ অসাধু ব্যৱসায়ীয়ে ৰমৰমীয়া ব্যৱসায় গঢ়ি তুলিছে। অসাধু ব্যৱসায়ী চক্ৰটোৱে গাহৰি পালকসকলৰ পৰা কম দৰত ক্ৰয় কৰি অধিক মুনাফা লুটি আহিছে। ছোৱাইন ফ্লুসদৃশ ৰোগত আক্ৰান্ত গাহৰিৰ মাংস বজাৰত বিক্ৰী কৰি অহাৰ ফলত জনস্বাস্থ্যৰ প্ৰতি প্ৰচণ্ড ভাবুকিৰ সৃষ্টি হৈছে। বজাৰত মুকলিভাৱে এনে ধৰণৰ গাহৰি মাংস বিক্ৰী হৈ অহাৰ পাছতো প্ৰশাসনে নিৰ্লিপ্ত ভূমিকা গ্ৰহণ কৰাৰ অভিযোগ উঠিছে। উজনি অসমৰ জিলাসমূহৰ সকলোবোৰ গ্ৰামাঞ্চলৰ লগতে নগৰ-চহৰত এই ধৰণে অবাধে গাহৰি মাংসৰ ব্যৱসায় অব্যাহত আছে। অৱশ্যে বহু অঞ্চলত গাহৰিৰ লগতে মাংস বিক্ৰী প্ৰায় বন্ধ হোৱাৰ উপক্ৰম হোৱা বুলি জানিব পৰা গৈছে। গাহৰি বিক্ৰী নোহোৱা অঞ্চলবিলাকৰ গাহৰিপালকসকলে ভীষণ সমস্যাৰ সন্মুখীন হ'ব লগাত পৰিছে। গাহৰি পালকসকলে প্ৰতিদিনে গাহৰিক দানা দিব লগা হয়। এই দানাসমূহত বৃহৎ পৰিমাণৰ ধনৰ প্ৰয়োজন হৈ আহিছে। গতিকে বহু গাহৰিপালকৰ বৰ্তমান পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। বিশেষকৈ উজনি অসমৰ সকলোবোৰ জিলাতে অসংখ্য সৰু-বৰ বহু গাহৰি ফাৰ্ম আছে। এই ফাৰ্মবিলাকৰ জৰিয়তে শিক্ষিত যুৱক-যুৱতীয়ে বিজ্ঞানসন্মতভাৱে গাহৰি পালন কৰি আত্মসংস্থাপিত হৈ আৰ্থিকভাৱে যথেষ্ট লাভৱান্বিত হৈ আহিছে। শেহতীয়াভাৱে ছোৱাইন ফ্ল'সদৃশ ৰোগৰ বাবে পালকসকল যথেষ্ট উদ্বিগ্ন হৈ পৰা পৰিলক্ষিত হোৱা দেখা গৈছে। ৰাজ্যখনৰ থলুৱা গাহৰি পালকসকলে বহিঃৰাজ্যৰ পৰা আমদানি কৰা গাহৰি শীঘ্ৰে বন্ধ কৰিবলৈ চৰকাৰক দাবী কৰিছে।




*গুৱাহাটী প্ৰেছ ক্লাবত গুৱাহাটী শিশু নাট্য বিদ্যালয়ৰ গ্ৰীষ্মকালীন শিশু নাট কৰ্মশালা- ২০২২ৰ সংবাদ মেল*

# এমৱে ইণ্ডিয়াৰ সজাগতামুলক কাৰ্যসূচী গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২২ জুন ঃ** দেশৰ আগশাৰীৰ প্ৰত্যক্ষ বিক্ৰী কোম্পানী এমৱে ইণ্ডিয়াই শেহতীয়াভাৱে সমগ্ৰ দেশজুৰি স্বাস্থ্য আৰু শাৰিৰীকভাৱে সক্ষম হৈ থকাৰ বাবে মানৱ নিৰ্মাণ তথা স্বাস্থ্য সজাগতা কায্যসূচী মুকলি কৰিছে। এই কাৰ্য্যসূচীসমূহত এমৱে ইণ্ডিয়াৰ ব্ৰেণ্ড এম্বেচাদৰ তথা দেশৰ খ্যাতনামা ক্ৰীড়াবিদ সংগ্ৰাম সিংহই অংশগ্ৰহণ কৰাৰ ওপৰি সজাগতা অভিযান প্ৰচাৰ আৰু প্ৰসাৰ কায্যত জড়িত হ'ব। প্ৰসংগত এমৱে ইণ্ডিয়াৰ মুখ্য বাণিজ্যিক বিষয়া অজয় খান্নাই কয় যে দেশৰ ভৱিষ্যত প্ৰজন্মৰ যুৱক যুৱতী সকলৰ সু-স্বাস্থ্য বৰ্তাই ৰখাত প্ৰতিৰোধমুলক স্বাস্থ্য যতনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শেহতীয়াভাৱে দেশৰ সকলো বয়সৰে লোকৰ মাজত পৰিপুষ্টিজনিত ওপৰঞ্চি খাদ্যৰ ছাহিদা বৃদ্ধি পাইছে। সেয়েহে আমি দেশৰ সকলো শ্ৰেণীৰ লোকৰ মাজত সুষম খাদ্যৰ ওপৰি ওপৰঞ্চি পৰিপুষ্টিজনিত খাদ্য দ্ৰব্যই কেনেদৰে সুস্বাস্থ্য বৰ্তাই ৰাখিব পাৰি, সেই ক্ষেত্ৰত সজাগতামুলক কায্যসূচী গ্ৰহণ কৰি সকলা শ্ৰেণীৰ লোকক শিক্ষিত কৰি তোলাৰ প্ৰয়াস কৰিছো। তেওঁ লগতে এই কায্যসূচীসমূহত সংগ্ৰাম সিঙৰ অংশগ্ৰহণে ইয়াক অধিক ত্বৰান্বিত কৰি তুলিব বুলি মন্তব্য প্ৰদান কৰে। অন্যহাতে সংগ্ৰাম সিঙেও এমৱেৰ এই কায্যসূচীত নিজকে জড়িত কৰিবলৈ পাই যথেষ্ঠ ধন্য মনাৰ লগতে সমগ্ৰ কায্যসূচী সমূহ সফল কৰি তোলাৰ বাবে নিজকে উৎসৰ্গীত কৰিব বুলি মন্তব্য প্ৰদান কৰে। অন্যহাতে এমৱে ইণ্ডিয়াৰ উপাধ্যক্ষ চন্দ্ৰভূষণ চক্ৰৱৰ্ত্তীয়ে সমগ্ৰ পদক্ষেপৰ ওপৰত আলোকপাত কৰি কয় যে মানুহৰ মাজত স্বাস্থ্যকৰ জীৱন যাপনৰ প্ৰচাৰৰ বাবে এমৱে ইণ্ডিয়াই ভাৰ্চুৱেল মাধ্যমেৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰি আহিছে আৰু ইয়াৰ জৰিয়তে জনসাধাৰণ যথেষ্ট উপকৃত হৈছে।

# তিতাবৰত ৭-১৩ জুলাইলৈ শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ গ্ৰীষ্মকালীন সাংস্কৃতিক প্ৰশিক্ষণ সত্ৰৰ আয়োজন

## গীত-নৃত্য-বাদ্যৰ প্ৰশিক্ষণত অংশ ল'ব কেইবা শতাধিক প্ৰশিক্ষাৰ্থীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ২৩ জুন ঃ** শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ সংস্কৃতি শাখা সমিতিৰ উদ্যোগত আৰু তিতাবৰ জিলা শাখাৰ ব্যৱস্থাপনাত অহা ৭ জুলাইৰ পৰা ১৩ জুলাইলৈ সপ্তাহযোৰা কাৰ্যসূচীৰে গ্ৰীষ্মকালীন সাংস্কৃতিক প্ৰশিক্ষণ সত্ৰৰ আয়োজন কৰা হৈছে। ইতিমধ্যে উৎপল শইকীয়াক সভাপতি, নোমল গগৈক উপ-সভাপতি, প্ৰদীপ কুৰ্মীক সম্পাদক, প্ৰাঞ্জল শইকীয়া আৰু প্ৰাচুৰ্য প্ৰতীম বৰাক সহঃ সম্পাদক হিচাপে লৈ গঠন কৰা আদৰণী সমিতিয়ে শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ অন্তৰ্গত অসমৰ বিভিন্ন জিলা শাখাৰ লগতে ভিন্ন প্ৰান্তৰ কেইবা শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব লগা গ্ৰীষ্মকালীন সাংস্কৃতিক প্ৰশিক্ষণ সত্ৰ সফল কৰি তুলিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। অহা ৭ জুলাইৰ পুৱা ৫ বজাত প্ৰাতঃ প্ৰসঙ্গৰ পাছতে পুৱা ৯ বজাত পতাকা উত্তোলন কৰিব শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈয়ে। দিনৰ ১০ বজাত নাম প্ৰসঙ্গ আৰু দিনৰ ১ বজাৰ পৰা প্ৰশিক্ষাৰ্থীসকলৰ নাম পঞ্জীয়নৰ পিছত সন্ধ্যা ৫ বজাত উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব। শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ সংস্কৃতি শাখা সমিতিৰ সভাপতি ড০ সুৰেশ চন্দ্ৰ বৰাৰ সভাপতিত্বত আৰু সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই উদ্বোধন কৰিব লগা অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈয়ে। তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা আৰু ঠেঙ্গাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰতাপ কছাৰী বিশিষ্ট অতিথিৰূপে অংশ গ্ৰহণ কৰিব লগা অনুষ্ঠানত তিতাবৰৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া অৱনি গগৈ আৰু তিতাবৰ পৌৰসভাৰ পৌৰপতি ৰূপা দত্ত শইকীয়া আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকিব। অহা ৮ জুলাইৰ পৰা ১২ জুলাইলৈ প্ৰতিদিনে পুৱা ৫ বজাৰ পৰা ৰাতি ৯ বজালৈ গীত (ৰাগ ক্ৰমে মল্লাৰ, কানাড়া, গৌৰী, ধনশ্ৰী, তুৰ-ভাটিয়ালী, শ্যাম, ভূপালী, গান্ধাৰ আৰু কৌ), বাদ্য (উঠা চাহিনী, একক খোলবাদন কৌশল, তালৰ শিক্ষা আৰু প্ৰয়োগ), নৃত্য (ঝুমুৰা আৰু গোপী নাচ)ৰ প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। অহা ১৩ জুলাইৰ দিনৰ ২ বজাৰ পৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ সংস্কৃতি শাখা সমিতিৰ সভাপতি ড০ সুৰেশ চন্দ্ৰ বৰাৰ সভাপতিত্বত আৰু শঙ্কৰী সংগীতৰ সাধক আৰু গৱেষক অজিত বৰাই উদ্বোধন কৰিব লগা সামৰণি অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা আৰু যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈয়ে। ঠেঙ্গাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ কুমুদ চন্দ্ৰ কছাৰী বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব লগা অনুষ্ঠানত শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ মূলৰ কেইবাগৰাকী সদস্যৰ লগতে তিতাবৰ জিলা শাখাৰ সভাপতি বিজু হাজৰিকা প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। আদৰণী সমিতিৰ সম্পাদক প্ৰদীপ কুৰ্মীয়ে জানিবলৈ দিয়া মতে, গ্ৰীষ্মকালীন সাংস্কৃতিক প্ৰশিক্ষণ সত্ৰত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক প্ৰশিক্ষাৰ্থীসকল সংশ্লিষ্ট জিলা শাখাৰ দ্বাৰা অনুমোদিত হ'ব লাগিব আৰু ৩৫০ টকাকৈ পঞ্জীয়ন মাচুল জমা দিব লাগিব। তদুপৰি প্ৰশিক্ষাৰ্থীসকলে প্ৰয়োজনীয় শিকন আহিলা ক্ৰমে বাদ্য-যন্ত্ৰ, কিতাপ-বহী, বিচনাৰ কাপোৰ, আঁঠুৱা লগত আনিব লাগিব আৰু অন্যান্য যাৱতীয় আদৰণী সমিতিয়ে যোগান ধৰিব। সম্পূৰ্ণ জাতীয় জাতীয় সাজ-পাৰ পৰিধান কৰাৰ লগতে পৰিচালকে নিৰ্ধাৰণ কৰি দিয়া নীতি-নিয়ম মানি চলাটো বাধ্যতামূলক আৰু প্ৰশিক্ষণ কালত বিশেষ কাৰণ নাথাকিলে কোনো কাৰণতে ছুটী মঞ্জুৰ কৰা নহ'ব বুলি সম্পাদক প্ৰদীপ কুৰ্মীয়ে জানিবলৈ দিছে। আনহাতে, প্ৰশিক্ষণ সত্ৰ সাফল্যমণ্ডিত কৰি তুলিবৰ বাবে তিতাবৰ জিলা শাখাৰ প্ৰতিখন প্ৰাথমিক আৰু আঞ্চলিক শাখাৰ সঙ্গীসকলৰ লগতে সংস্কৃতিপ্ৰেমী তথা শুভাকাঙ্খীসকলৰ দিহা-পৰামৰ্শ, কায়িক-মানসিক আৰু আৰ্থিক সহযোগিতা কামনা কৰাৰ উপৰিও ফোন ঃ ৯৮৫৪৭ ০৩৩২৯, ৯৪৩৫৭ ৭২৪৪৫, ৯৮৫৯৩১১৩৬৭ নম্বৰত যোগাযোগ কৰিবৰ বাবে আদৰণী সমিতিয়ে অনুৰোধ জনাইছে।

## নোৰা ফাতেহীৰ ফটোক লৈ অনুৰাগীৰ মাজত চৰ্চা



# ৫১ বছৰ বয়সলৈকে কিয় বিয়া হোৱা নাই অভিনেত্ৰী টাবু

## টাবু-অজয় দেৱগনৰ মাজত কি সম্পৰ্ক আছিল !

### অজয় দেৱগনৰ বাবেই টাবুৰ বিয়া নহ'ল নেকি...



টাবু আৰু অজয় দেৱগনৰ অন-স্ক্ৰীণ যুটিটোৱে ৯০ৰ দশকৰ পৰা মানুহৰ হৃদয়ত শাসন কৰি আহিছে। দুয়োজনে কেইবাখনো ব্লকবাষ্টাৰ চলচ্চিত্ৰত একেলগে কাম কৰিছে, লগতে অজয় আৰু টাবু ইজনে সিজনৰ ঘনিষ্ঠ বন্ধু। অজয় দেৱগনৰ সৈতে টাবুৱে 'বিজয়পথ', 'হকীকত', 'দৃশ্যম', 'গোলমাল এগেইন' আৰু 'দে দে প্যাৰ দে'ৰ দৰে চলচ্চিত্ৰত কাম কৰিছে। দুয়োজন তাৰকাই শীঘ্ৰেই 'দৃশ্যম ২'ত পৰ্দা ভাগ বতৰা কৰিব। মুম্বাই মিৰ সৈতে হোৱা এক সাক্ষাৎকাৰত, টাবুৱে প্ৰকাশ কৰিছিল যে অজয় দেৱগন তেওঁৰ এজন নিকটতম বন্ধু। "তেওঁ মোৰ সম্পৰ্কীয় ভাই সমীৰ আৰ্যৰ এজন চুবুৰীয়া আৰু ঘনিষ্ঠ বন্ধু আছিল, যি মোৰ ডাঙৰ হোৱাৰ অংশ আছিল। যেতিয়া মই সৰু আছিলোঁ, সমীৰ আৰু অজয়ে মোৰ ওপৰত চোৰাংচোৱা কৰিছিল। তেওঁলোকে মোক অনুসৰণ কৰিব আৰু মোৰ সৈতে কথা পাতি থকা যিকোনো লৰা প্ৰহাৰ কৰাৰ ভাবুকি দিব। তেওঁ এজন ডাঙৰ গুণ্ডা আছিল আৰু যদি মই আজি অবিবাহিত হওঁ, তেন্তে অজয়ৰ বাবেই হৈছে।"টাবুৱে কৌতুক কৰি কৈছিল যে তাই অজয়ক তেওঁৰ বিয়াৰ বাবে কাৰোবাক বিচাৰিবলৈ কৈছিল। টাবুৱে ক'লে, "যদি মই বিশ্বাস কৰিব পৰা কাৰোবাক আছে, সেয়া হৈছে অজয়। যেতিয়া তেওঁ ওচৰত থাকে, ছেটৰ পৰিৱেশ চাপমুক্ত হয়। আমি ইজনে সিজনৰ সৈতে বিশেষ বন্ধন আৰু চৰ্তহীন প্ৰেম ভাগ বতৰা কৰোঁ; ইয়াৰ উপৰিও, আৰজে সিদ্ধাৰ্থ কাননৰ সৈতে হোৱা বাৰ্তালাপত টাবুৱে লগতে কয় যে অজয় দেৱগণে কেতিয়াও তাইক বিয়া কৰিবলৈ আৰু থিতাপি ল'বলৈ নক'ব। অভিনেত্ৰীগৰাকীয়ে কয়, "তেওঁলোকে মোক ভালদৰে জানে। তেওঁলোকে জানে মোৰ বাবে কি ভাল।" অজয় দেৱগন আৰু টাবুৰ আহিবলগীয়া ছবি 'দৃশ্যম ২' ২০২২ চনৰ ১৮ নৱেম্বৰত মুক্তি পাব।

## প্ৰচাৰমূলক অনুষ্ঠানৰ বাবে ৮০ হাজাৰ টকীয়া শাৰী পিন্ধি চৰ্চিত বলীউড ডিভা জেকুলিন ফাৰ্ণাণ্ডেজ



# শ্বাহৰুখ খানৰ জীয়ৰী সুহানা খানে শীঘ্ৰেই বলীউডত আত্মপ্ৰকাশ কৰিব

সুহানা খানে সোনকালেই বলীউডত আত্মপ্ৰকাশ কৰিবলৈ সাজু হৈছে। ইয়াৰ বাবে, তেওঁলোকে নিৰন্তৰ কঠোৰ পৰিশ্ৰম কৰি আছে। শেহতীয়াকৈ, তাইক ডান্স ষ্টুডিঅ'ৰ বাহিৰত দেখা গৈছিল আৰু এই সময়ছোৱাত তাইৰ চটিবোৰ চৰ্চালৈ আহিছিল। শ্বাহৰুখ খানৰ আজিকালি বহুত বাতৰিত আছে, কিয় আহি বলীউডত সুহানাৰ আত্মপ্ৰকাশ নকৰে। তাইৰ দেউতাকৰ পদাংক অনুসৰণ কৰি, সুহানাই এতিয়া ডাঙৰ পৰ্দালৈ ঘূৰি আহিছে আৰু সুহানাইও ইয়াৰ বাবে কঠোৰ পৰিশ্ৰম কৰিছে। সুহানাৰ অভিনয় তাইৰ দেউতাকৰ দৰে উজ্জ্বল হ'ব নে নহয়, কেৱল সময়হে ক'ব, কিন্তু তাইক বহুত আকৰ্ষিত কৰা এটা কথা হ'ল তাইৰ পোছাক পৰিধানৰ অনুভূতি। শেহতীয়াকৈ, সুহানাক নৃত্যৰ ৰিহাৰ্চেলৰ বাবে যোৱা দেখা গৈছিল আৰু এই সময়ছোৱাত তাইৰ জোতা পিন্ধি বাতৰিলৈ আহিছিল। সুহানা খানে সোনকালেই 'দ্য আৰ্চিছ' বোলছবিৰ জৰিয়তে বলীউডত আত্মপ্ৰকাশ কৰিব। তেওঁৰ লগত বহুতো ষ্টাৰকিড আছে যিয়ে তেওঁৰ সৈতে বলীউডৰ পৃথিৱীত ভৰি দিবলৈ গৈ আছে। সুহানাই আৰ্চিছ চলচ্চিত্ৰখনৰ বাবে বহুত কঠোৰ পৰিশ্ৰম কৰি আছে। শেহতীয়াকৈ তেওঁলোকক এটা নৃত্য ষ্টুডিঅ'ৰ বাহিৰত দেখা গৈছিল। সুহানাৰ চেহাৰাটো বেশ নৈমিত্তিক লাগছিল, সে একটা সাধাৰণ চেহাৰাৰ স্লাইডাৰদিয়ে তাইৰ চেহাৰাটো সম্পূৰ্ণ কৰিছে। কিন্তু এই সাধাৰণ চেহেৰাৰ চটিবোৰ অতি ব্যয়বহুল। সুহানা খানৰ ফটোছচিয়েল মিডিয়াত ভাইৰেল হৈ আছে। ইয়াত, তেওঁ গুচি ব্ৰেণ্ডৰ স্লাইডাৰ পিন্ধি আছিল, যাৰ মূল্য প্ৰায় ২০ হাজাৰ টকা। শেহতীয়াকৈ, সুহানা খানৰ এটা ভিডিঅ' ভাইৰেল হৈছিল, যাৰ বাবে তেওঁক যথেষ্ট ট্ৰ'ল কৰা হৈছে। দৰাচলতে, ভিডিঅ'টোত, সুহানা খানক তেওঁৰ গাড়ীৰ পৰা ওলাই অহা দেখা গৈছিল। যেতিয়া ফটোগ্ৰাফাৰসকলে তাইক ভংগীমা দিবলৈ ৰ'বলৈ কৈছিল, সুহানা লগে লগে গুচি গ'ল। এজন ফটোগ্ৰাফাৰে কৈছিল, "সুহানাজী, অপেক্ষা কৰক, এতিয়া কি উত্তেজনা আছে, এতিয়া আপোনাৰ চিনেমাও আহি আছে। আমাৰ মুখবোৰ মনত ৰাখিব আৰু আমি প্ৰতিদিনে লগ পাম।" ইয়াৰ পাছতো সুহানাই কাকো একো নোকোৱাকৈ গুচি গ'ল। কিয়নো সুহানা খানে পাপাৰাজ্জিৰ বাবে পোজ নিদিয়াকৈ ঠাই এৰি গৈছিল, এই কাৰণে নেটিজেনসকলে তাইৰ আচৰণৰ বাবে খং কৰিছে। তেওঁৰ ভিডিঅ'টোৰ প্ৰতি প্ৰতিক্ৰিয়া ব্যক্ত কৰি এজন ব্যৱহাৰকাৰীয়ে লিখিছিল, 'ইমান লেতেৰা উপেক্ষা'। আন এজন ব্যৱহাৰকাৰীয়ে লিখিছিল- 'এটিটিউড কুইন এণ্ড আন একো নহয়।' আনহাতে আন এজন ব্যৱহাৰকাৰীয়ে মন্তব্যটোত লিখিছিল- 'প্ৰথম খন চিনেমা অহা নাছিল আৰু ইমান মনোভাৱ আছিল, আনকি ১ মিনিটৰ বাবেও কথা পতা নাছিল।' যেতিয়া ই এটা ডাঙৰ তাৰকা হৈ পৰে তেতিয়া আপুনি কি কৰিব? মই আনকি মোৰ দেউতাক ফোনন নকৰো।" ঠিক আছে, এই ভ্ৰমণৰ বাবে সুহানা খানে লেগিংছ আৰু স্লিং বেগৰ সৈতে বগা ক্ৰপ টপ পিন্ধিছিল। সুহানাক এই নৈমিত্তিক চেহেৰাটোত যথেষ্ট শীতল লাগিছিল। আমি আপোনাক কওঁ যে সুহানাই অলপতে উটিত 'দ্য আৰ্চিছ'ৰ শ্বুটিং অনুসূচী সম্পূৰ্ণ কৰিছে। চলচ্চিত্ৰখনে অমিতাভ বচ্চনৰ নাতি অগষ্ট্য নন্দা আৰু স্বৰ্গীয় শ্ৰীদেৱীৰ জীয়ৰী সুখী কাপুৰেও বলীউডত আত্মপ্ৰকাশ কৰাটো চিহ্নিত কৰিছে। ছবিখন ২০২৩ চনত নেটফ্লি'ত মুক্তি পোৱাৰ কথা আছে।



## নলবাৰীৰ লোক সংস্কৃতিৰ একনিষ্ঠ সাধক বিশিষ্ট বাঁহীবাদক

# পৰমানন্দ দাস



অসমীয়া লোক সংগীতৰ জগতখনৰ সৈতে ওতপ্ৰোত ভাৱে জড়িত থকা এজন নিভাঁজ শিল্পী পৰমানন্দ দাস। ১৯৪৭ চনত জন্ম গ্ৰহন কৰা নলবাৰী জিলাৰ ক্ষুদ্ৰ চেনীকুছি গাঁৱৰ প্ৰয়াত ৰঙোৰাম দাস আৰু লয়ন প্ৰিয় দাসৰ কনিষ্ঠ পুত্ৰ পৰামনন্দ দাসে শিশুকালৰে পৰা লাভ কৰিছিল বাঁহীৰ বিদ্যা। ইয়াৰ পিছত তেওঁ প্ৰণালীবদ্ধ জ্ঞানৰ বাবে বাঁহীবাদক অক্ষয় তালুকদাৰ আৰু পাছলৈ পৰেশ মিশ্ৰৰ ওচৰলৈ গৈ বাঁহী বাদনৰ প্ৰশিক্ষণ লয়। মেট্ৰিকৰ দেওনা পাৰ হোৱা দাসে ১৯৬৭ চনতে গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰৰ পৰা শিল্পীৰ স্বীকৃতি লাভ কৰে। সেয়াসময়ৰ পৰা তেওঁ আজি পৰ্য্যন্ত গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰ, গুৱাহাটীৰ দুৰদশন কেন্দ্ৰ, বিভিন্ন মঞ্চ, কেবাখনো অডিঅ কেছেট বাঁহী সংগত কৰি আহিছে।লোকগীতৰো শিল্পী হিচাপে গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী পৰমানন্দ দাসে অসম চৰকাৰৰ অধীনতদিল্লী, মুম্বাই, কলকাতা আদিৰ লগতে অসমৰ বিভিন্ন স্থানত তেওঁ অনুষ্ঠান কৰি সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।ইয়াৰ মাজতে তেওঁ অসমৰ জনপ্ৰিয় শিল্পী ৰুদ্ৰ বৰুৱা,লক্ষহীৰা দাস, নৰেন দাস আদিৰ সৈতে একেলগে বাঁহী সংগত কৰি তেওঁ নিজস্ব প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে।লগতে তেওঁ স্বানামধনঞ্জ্য নাট্যকাৰ প্ৰয়াত ভৱেন বৰুৱা তিনিখন নাটকতো বাঁহী সংগত কৰিছিল। বিগত দিনত সদৌ অসম ছাত্ৰ সন্থা,অসম সাহিত্য সভাকে ধৰি প্ৰায় ৪০টা অনুষ্ঠান-প্ৰতিষ্ঠানে ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰিছে।ইফালে সমন্বয় মঞ্চ নামৰ বেচৰকাৰী অনুষ্ঠানটোৱে ২০১৪ চনত সমন্বয় বঁটা প্ৰদান কৰাৰ লগতে পূৱ নলবাৰী সাংস্কৃতিক পৰিষদে ২০১৭চনত ৰাজহুৱা সম্বৰ্ধনা জনায়।বাঁহী বজাই,অথবা লোকগীত গায় জিলাখনত তেওঁ লোক সংগীতৰ প্ৰচাৰ আৰু প্ৰসাৰ অব্যাহত ৰাখিছে। অসম চৰকাৰৰ শিল্পী পেঞ্চন প্ৰাপক নিভাঁজ শিল্পী গৰাকীয়ে ইয়াৰ মাজতে বিভিন্নজনৰ সহায়ৰে এখন লোক গীতৰ পুথিও প্ৰকাশ কৰি উলিয়াইছে। আজিৰ আধুনিকতা ধামখুমীয়াত এনে এচাম শিল্পীৰ তিগিদাতে হয়তো জীয়াই আছে আমাৰ থলুৱা কৃষ্টি সংস্কৃতি।

## ৮ জুলাইত ছবিগৃহলৈ


# চন্দ্ৰ, সূৰ্য্য আদি

৮ জুলাইত অসমৰ ছবিগৃহলৈ আহিব ৰমেন গগৈৰ নতুন ছবি চন্দ্ৰ সূৰ্য্য আদি। উল্লেখযোগ্য যে সীমিত সা সুবিধাৰ মাজেৰে অসমৰ বিভিন্ন মনোৰম স্থানত চিত্ৰগ্ৰহণ কৰা কথা ছবি খনত আমাৰ সেউজ পৰিবেশ আৰু পাৰিপাৰ্শ্বিকতা বৰ্তাই ৰখা সংৰক্ষিত বনাঞ্চলৰ লগতে তাত থকা জীৱকূল তথা অভয়াৰণ্যত থকা আপুৰুগীয়া বিশ্বপ্ৰসিদ্ধ এশিঙীয়া গঁড়ৰ সংৰক্ষণৰ বাবে দিন-ৰাত একাকাৰ কৰি অবিৰাম ভাৱে যিসকল বনৰক্ষীয়ে জাগ্ৰত প্ৰহৰীৰ দৰে নিজৰ জীৱনকো তুচ্ছজ্ঞান কৰি আহিছে, মুলতঃ তেওঁলোকৰ সমস্যাবহুল জীৱনৰ কাহিনীসমূহক চলচ্চিত্ৰ ৰূপে উপস্থাপন কৰা এক বাৰ্তাবাহক ছবি । উল্লেখযোগ্য যে পূৰ্বতেও সুন্দৰ ছবি উপহাৰ দিয়া ৰমেন গগৈৰ এইখন দ্বিতীয় ছবি। ৮ জুলাইৰ দিনা অসমৰ প্ৰায় ডেৰকুৰী ছবি গৃহত মুক্তি পাব লগা ছবি খন বেংক'ক মহানগৰৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া চলচ্চিত্ৰ মহোৎসৱলৈ আমন্ত্ৰিত হৈছে বুলি জানিব পৰা গৈছে। আজি সাংবাদিকৰে হোৱা এক আলোচনাত এই ছবিখনে দৰ্শকৰ মাজত এক বিশেষ স্থান লাভ কৰিব বুলি পৰিচালক ৰমেন গগৈয়ে জানিবলৈ দিয়ে।

## বিষ্ণু ৰাভা দিৱসৰ উপলক্ষে চাবুৱাত জয়ন্ত দত্তৰ পৰিচালনাত নটসূৰ্য ফণী শৰ্মাৰ সামাজিক নাট মঞ্চায়ন

# ছি ৰা জ





■ অনুপম বুঢ়াগোহাঁই

এটা দুখীয়া পৰিয়ালৰ ছোৱালী সাৱিত্ৰীয়ে চাহ বাগিচাৰ মালিক তথা সম্ভ্ৰান্ত বৰুৱাৰ পৰিয়ালত আশ্ৰয় ল'বলগীয়াত পৰিছিল। ঘটনাক্ৰমে কলিকতাত অধ্যয়নৰত বৰুৱাৰ পুত্ৰ কন্দৰ্পৰ লগত সাৱিত্ৰীৰ গোপন ভাল পোৱা গঢ়ি উঠিছিল। কিন্তু ধনী-মানি বৰুৱা পৰিয়ালে কন্দৰ্প-সাৱিত্ৰীৰ প্ৰেমৰ এই সম্পৰ্কক মানি ল'ব পৰা নাছিল আৰু সেয়ে কথা বেছি আগ নাবাঢ়োতেই কন্দৰ্পক এগৰাকী ধনী বন্ধুৰ দুহিতা সৰযুৰ লগত বিবাহ কৰাই দিয়াৰ লগতে সাৱিত্ৰীক নিজৰ বাগানৰে জামাদাৰ বাবুৰ পুত্ৰৰ লগত বিয়া ঠিক কৰি দিয়ে । অৱশ্যে সাৱিত্ৰীয়ে নিজৰ প্ৰেম-ভালপোৱাক সজীৱ কৰি ৰখাৰ স্বাৰ্থত বিয়াৰ দিনা ৰাতিয়ে পলাই গুছি যায়। ঘটনাক্ৰমে সাৱিত্ৰীয়ে আশ্ৰয় পায় এগৰাকী ইছলাম ধৰ্মৰ মানুহৰ ঘৰত। যাৰ নাম ছিৰাজ। ছিৰাজ হ'ল এজন মানৱীয় গুণসম্পন্ন, অমায়িক, সৎ স্বভাৱৰ ব্যক্তি। ইফালে ছিৰাজৰ ভনীয়েক ফাতেমাই সাৱিত্ৰী যে অন্ত:সত্তা সেই কথাটো ককায়েক ছিৰাজক কয়। ছিৰাজেও সমস্ত প্ৰত্যাহ্বান মূৰ পাতি লৈ সাৱিত্ৰীক নিজৰ ঘৰতে ৰখাৰ সিদ্ধান্ত লয়। এটা সময়ত এটি কন্যা সন্তানৰ জন্ম দি সাৱিত্ৰীৰ মৃত্যু হয়। ফাতেমাই ছোৱালীজনীৰ নাম দিয়ে নুৰ আৰু ছিৰাজে নাম দিয়ে সীতা। আনহাতে কন্দৰ্পৰ মাক তথা বৰুৱানীয়ে সাৱিত্ৰীৰ সম্পৰ্কত কন্দৰ্পৰ আগত মিছা কথা কয়। ইফালে কন্দৰ্পই ধনী ঘৰৰ জীয়ৰী সৰযুৰ লগত বিয়াত বহে। আকৌ ঘটনাক্ৰমে কন্দৰ্পই সীতাক মুছলপুৰৰ ছিৰাজৰ ঘৰত লগ পায় আৰু সাৱিত্ৰীৰ বিষয়ে প্ৰকৃত সত্য জানিবলৈ সক্ষম হয়। কন্দৰ্পই সীতাক ছিৰাজৰ ওচৰৰপৰা আনি কলিকতাত থকা বন্ধু সুবিমল ফুকনৰ ওচৰত ৰাখে। সুবিমল ফুকনৰ ভাগিনীয়েক অনিলৰ লগত সীতাৰ বিয়াৰ থিক হয়। তেনেতে কন্দৰ্পৰ পত্নী সৰযুৱে সীতাৰ প্ৰকৃত পৰিচয় জানিবলৈ পায় আৰু কন্দৰ্পৰ প্ৰতি তীব্ৰ বিতৃষ্ণা ভাব জাগি উঠে। সুবিমল ফুকনেও অনিলৰ বাবে সীতাক বিয়া কৰাবলৈ অমান্তি হয়। ছিৰাজে জাতি, ধৰ্মৰ ওপৰৰ এখন সমাজৰ স্বাৰ্থত সীতাক বিয়া কৰাবলৈ অনুৰোধ কৰে। কিন্তু ফুকন নিজৰ মতত স্থিৰ হৈ থাকে। ছিৰাজে সীতাক আকৌ নিজৰ ঘৰলৈ লৈ যাবলৈ ওলায়, কিন্তু নতুন প্ৰজন্মৰ নৱ চিন্তাৰ বাহক অনিলে সমাজৰ বিপৰীতে ওলাই আহি সীতাক গ্ৰহণ কৰে। এই ন-দম্পতীক আশীৰ্বাদ দিবলৈ আগবাঢ়ি আহে সৰযু। সমাজৰ বহু কেইটা বাস্তৱ আৰু জলন্ত চিত্ৰ, বিশেষকৈ সমাজৰ ধনী-দুখীয়াসকলৰ জীৱন শৈলী, ডেকা-গাভৰুৰ প্ৰেম-ভালপোৱা, হিন্দু-মুছলমানৰ মাজৰ সম্প্ৰীতি, গভীৰ মানৱতাবোধ, প্ৰগতিশীল আৰু সংস্কাৰমূখী সমাজ গঢ়াৰ এক আশাবাদ কঢ়িয়াবলৈ সক্ষম হোৱা লক্ষ্মীধৰ শৰ্মাৰ বিখ্যাত 'ছিৰাজ' নামৰ চুটিগল্পটিক যশস্বী নাট্যকাৰ , নটসূৰ্য ফণী শৰ্মাই নাট্য ৰূপ দিয়া পূৰ্ণাংগ নাটখনি অপেছাদাৰী নাটকৰ্মী তথা অভিনেতা-পৰিচালক জয়ন্ত দত্তৰ পৰিচালনাত, বিকাশ দাস আৰু প্ৰণৱ জ্যোতি বৰুৱাৰ সহ পৰিচালনাত যোৱা ২০ জুনত চাবুৱাৰ নিকটৱৰ্তী দঙ্গৰচুক গাঁৱত বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উপলক্ষত সফল মঞ্চায়ন হয়। ন-পুৰণি শিল্পীসকলৰ সহযোগত এই পূৰ্ণাংগ নাটখনি সফল ভাৱে প্ৰদৰ্শিত হোৱা ছিৰাজৰ বিভিন্ন চৰিত্ৰসমূহত অভিনয় কৰা অভিনেতা-অভিনেত্ৰীসকল হৈছে ক্ৰমে ছিৰাজ- বুলন দিহিঙ্গীয়া, আঘোণা- লৱণুপ্ৰাণ গগৈ, কন্দৰ্প-এলেন, ডাঙৰ সাৱিত্ৰী- কুইনমণি দত্ত, সৰু সাৱিত্ৰী-প্ৰিয়াশী মাউট, ফাতেমা-মৌচুমী গগৈ, বিনয় ডাক্তৰ- কৈলাশ গগৈ, ডাক্তৰ- পূণ্যজ্যোতি দত্ত, বুঢ়া- বিপুল গগৈ, বৰুৱা- ভূপেন গোহাঁই, মিচেচ বৰুৱাণী- বিনিতা গগৈ, বকুলী বুঢ়ী- নিকুমণি চেতিয়া, আতাও- ৰাজু ফুকন, ৰুছমত- দ্বীপনজ্যোতি চেতিয়া, জামাদাৰ বাবু-পৰাগজ্যোতি গগৈ, সৰজু- চিনাশ্ৰী মাউট, অনিল-পঙ্কজ মাউট আৰু সুবিমলৰ ভাৱত অনুপম বুঢ়াগোহাঁইয়ে অভিনয় কৰিছিল। অন্যহাতে নাটখনত সংগীত ব্যৱস্থাপনাত অংশগ্ৰহণ কৰা শিল্পী সকল হৈছে কীবৰ্ডত- বিকাশ কোঁৱৰ, তবলাত- মনোজ দত্ত, বাঁহীত- অনুপম বুঢ়াগোহাঁই আৰু কণ্ঠদান কৰে ক্ৰমে বেদান্ত দিহিঙ্গীয়া আৰু তন্ময়ী দত্তই। নাটখনৰ প্ৰতিটো চৰিত্ৰক শিল্পীসকলে নিজ নিজ অভিনয় দক্ষতাৰে বাস্তৱায়িত কৰি তোলে। এইখিনিতে ছিৰাজ, আঘোণা, কন্দৰ্প, সাৱিত্ৰী, বৰুৱা, বুঢ়া, বিনয় ডাক্তৰ, অনিল আৰু সুবিমলৰ চৰিত্ৰত অভিনেতাসকলে সুন্দৰ অভিনয়েৰে দৰ্শকক আমোদ দিয়া বুলি কব পাৰি। নাটখনিৰ আৰহ সংগীত ব্যৱস্থাও অতি সুন্দৰ বুলিব পাৰি। নাটখনৰ আটাইতকৈ উল্লেখনীয় দিশটো হ'ল যে নাটকখনত কেৱল তিনিটা চৰিত্ৰৰ বাহিৰে বাকী সকলোবোৰ চৰিত্ৰত গাঁওখনৰ ডেকা-গাভৰু সকলে অভিনয় কৰাতো । দঙ্গৰচুক পূৰ্বোদয় সংঘৰ সহযোগত পৰিচালকসকলে বহু প্ৰত্যাহ্বানৰ মাজেৰে যি এখন উপভোগ্য নাট দৰ্শকক দিলে তাৰ বাবে চাবুৱাবাসীৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা সামাজিক মাধ্যমৰ যোগেদি উচ্চ প্ৰশংসা হৈছে । এসময়ত চাবুৱা অঞ্চলত নাট চৰ্চাই অসমৰে ভিতৰত নাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱা আজি দীৰ্ঘ দিনৰ বিৰতিত এইখনি পূৰ্ণাংগ নাট প্ৰদৰ্শনে চাবুৱা নাট্য শিল্পী সমাজৰ মাজতো আশাৰ সঞ্চাৰ আনিছে।







## প্ৰথম পৃষ্ঠাৰ পৰা—

## গুৱাহাটীত বাঢ়িছে শক্তি

শিৱসেনা আৰু নিৰ্দলীয়কে ধৰি ইয়াত প্ৰায় ৫৫জন বিধায়ক আছে। সূত্ৰটোৱে এইবুলিও দাবী কৰিছে যে হোটেলখন কেৱল সাত দিনৰ বাবে ভাৰাত ল'বলৈ ৫৬ লাখ টকা খৰচ হ'ব। ইয়াৰ উপৰি, খোৱাকে ধৰি অন্যান্য ব্যয় হৈছে প্ৰতিদিনে ৮ লাখ টকা। অৰ্থাৎ একেলগে সাত দিনত এক কোটি ১২ লাখ টকা খৰচ হ'ব। লগতে আছে চাৰ্টাৰ্ড বিমানৰ ব্যয়, বিমান বন্দৰৰ পৰা হোটেললৈ যাতায়াতৰ গাড়ীৰ ভাৰা আদি। ইয়াৰ উপৰি, অন্যান্য ব্যয় আছেই। ৰাজনৈতিক অংক চলি থকাৰ মাজতে গুৱাহাটীৰ হোটেল ৰেডিছন ব্লুত আজি আহি উপস্থিত হয় মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা। অৱশ্যে খানা খাবলৈ অহা বুলিহে মন্তব্য কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। কিন্তু হোটেলখনত বাহৰ পাতি থকা শিৱসেনাৰ বিধায়কসকলৰ সৈতে চলে মেলৰ আচিলাত আলোচনাত মিলিত হোৱা বুলি সূত্ৰৰ পৰা জানিব পৰা গৈছে। প্ৰায় ৪৫ মিনিট সময় ৰেডিছনত থাকে কনৰাড চাংমা। উল্লেখ্য যে বুধবাৰে নিশা প্ৰায় ৯.২০ বজাত পূৰ্বৰ বিধায়কৰ সৈতে যোগ দিয়ে আন চাৰি শিৱসেনাৰ বিধায়কে। গুজৰাট বিজেপিৰ অধ্যক্ষ চন্দ্ৰকান্ত ৰঘুনাথ পাটিলৰ সৈতে আহিছে এই চাৰি বিধায়ক। বৃহস্পতিবাৰে পুৱাৰ ভাগত আহি বিসম্বাদী গোটত যোগ দিছে আন তিনি বিধায়কে। পূৰ্বতে অহা মুঠ বিধায়কৰ সংখ্যা আছিল ৪১ জন। ইয়াৰে ৩৪জন আছিল শিৱসেনাৰ বিধায়ক। আন ৭জন আছিল আন চি পিৰ বিধায়ক। এতিয়া আটাই মিলি মুঠ ৪৮জন হৈছেগৈ হোটেল ৰেডিছন ব্লুত থকা বিদ্ৰোহী বিধায়কৰ সংখ্যা। ইতিমধ্যে যোৱানিশা মুখ্যমন্ত্ৰী উদ্ধৱ ঠাকৰে মুম্বাইৰ মুখ্যমন্ত্ৰীৰ বাসভৱন ত্যাগ কৰিছে। বিসম্বাদী বিধায়কৰ সংখ্যা বৃদ্ধি পাই থকাৰ লগে লগে মহাৰাষ্ট্ৰত ঠাকৰে চৰকাৰৰ পতন প্ৰায় নিশ্চিত হৈ পৰিছে। যিকোনো মুহূৰ্তত পদত্যাগ কৰিব পাৰে মুখ্যমন্ত্ৰী উদ্ধৱ ঠাকৰে। শিৱসেনাৰ নেতা একনাথ চিন্দেৰ নেতৃত্বত হোৱা বিসম্বাদে এতিয়া সকলো পথ ৰুদ্ধ কৰিছে শিৱসেনাৰ। তেওঁলোকে চৰকাৰ ৰক্ষা কৰাৰ কোনো পথ বিচাৰি পোৱা নাই। ইতিমধ্যে মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই চৰকাৰী বাসভৱন এৰি মাতোশ্ৰীলৈ উভতি গৈছে। কিন্তু এতিয়াও যেন দলক ভাঙোনৰ পৰা বচোৱাৰ চেষ্টা কৰিছে সাংসদ তথা শিৱসেনাৰ মুখপাত্ৰ সঞ্জয় ৰাউটে। চৰকাৰখন পতনৰ গৰাহৰ পৰাৰ মাজতে দলৰ সাংসদ সঞ্জয় ৰাউতে কয় যে, যদি অসমত শিবিৰ পাতি থকা বিদ্ৰোহী বিধায়কৰ দলটো ২৪ ঘণ্টাৰ ভিতৰত মুম্বাইলৈ উভতি আহে আৰু মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেৰ সৈতে বিষয়টো আলোচনা কৰে, তেন্তে শিৱসেনাই মহাৰাষ্ট্ৰৰ মহা বিকাশ আঘাদী (এমভিএ) চৰকাৰৰ এৰিবলৈ সাজু আছে। এই মন্তব্যৰ পাছতে এইবাৰ আন সহযোগী দল দুটা অসন্তুষ্ট হৈ পৰাৰ উপক্ৰম ঘটিছে। মহাৰাষ্ট্ৰ কংগ্ৰেছৰ মুৰব্বী নানা পাটোলেই ৰাউটৰ মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, বিজেপিক ক্ষমতালৈ অহাৰ পথ বাধা দিবলৈ আমি তেওঁলোকৰ (শিৱসেনা) সৈতে আছোঁ। কংগ্ৰেছ মজিয়া পৰীক্ষাৰ বাবে সাজু। আমি এমভিএৰ সৈতে আছোঁ আৰু থাকিম। যদি শিৱসেনাই আন কাৰো সৈতে মিত্ৰতা কৰিব বিচাৰে, আমাৰ কোনো সমস্যা নাই। একনাথ চিন্দে বৰ্তমান ৩৭জন বিদ্ৰোহী শিৱসেনা বিধায়ক আৰু নজন নিৰ্দলীয় বিধায়কৰ সৈতে গুৱাহাটীত শিবিৰ পাতি আছে, যাৰ ফলত মহাৰাষ্ট্ৰ চৰকাৰৰ পতন নিশ্চিত হৈ পৰিছে। ইয়াৰ সুযোগ ল'বলৈ বিজেপি তৎপৰ হৈ পৰিছে। এনে পৰিস্থিতিত উপায়বিহীন হৈ মিত্ৰদলক এৰিবলৈ সাজু হৈছে শিৱসেনা। উল্লেখ্য যে, নেচনেলিষ্ট কংগ্ৰেছ পাৰ্টী (এনচিপি) আৰু কংগ্ৰেছো এমভিএ চৰকাৰৰ অংশীদাৰ। পিছে সঞ্জয় ৰাউটৰ মন্তব্যই অন্য এক সংকটৰহে সৃষ্টি কৰিব পাৰে। সঞ্জয় ৰাউতে সাংবাদিকক কয়, 'চিন্দেই কৈছে যে আপুনি এজন প্ৰকৃত শিৱসৈনিক আৰু তেওঁ দল এৰি নাযায়। আমি তেওঁৰ দাবী বিবেচনা কৰিবলৈ সাজু, যদিহে তেওঁ ২৪ ঘণ্টাৰ ভিতৰত মুম্বাইলৈ ঘূৰি আহে আৰু মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেৰ সৈতে বিষয়টো আলোচনা কৰে। তেওঁলোকৰ দাবী ইতিবাচকভাৱে বিবেচনা কৰা হ'ব।'

## সপ্তম মহলাৰ পৰা পৰিল

বৃহস্পতিবাৰে এজন শ্ৰমিক গুৰুতৰভাৱে আহত হয়। নিৰ্মীয়মাণ অগ্ৰিম আৱাসৰ সপ্তম মহলাত কাম কৰি থকাতে সংঘটিত হয় এই অঘটন। ফলত গুৰুতৰভাৱে আহত হয় শ্ৰমিকজন। গুৰুতৰভাৱে আহত শ্ৰমিকজন বঙাইগাঁও জিলাৰ মেৰেংচৰ থানাৰ অন্তৰ্গত ২ নম্বৰ কুশবাৰীৰ মকিবুল ইছলাম (২০) বুলি আৰক্ষীয়ে জানিবলৈ দিছে। সম্প্ৰতি শ্ৰমিকজন সংকটজনক অৱস্থাত বঙাইগাঁৱৰ ল'ৱাৰ আছাম হাস্পতালত চিকিৎসাধীন হৈ আছে। ইপিনে ঘটনা সন্দৰ্ভত উত্তৰ বঙাইগাঁও আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে।

## বৰঘাট বাইপাছৰ ওচৰত

নগাঁও চহৰৰ দিশে গতি কৰাত নগাঁও চহৰৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। কপিলী নৈৰ দ্বিতীয়টো বানে বৃহত্তৰ কামপুৰ, ৰহা ৰাজহ চক্ৰৰ প্ৰকল্পৰ এলেকা প্লাৱিত কৰাৰ পিছত নগাঁও সদৰ ৰাজহ চক্ৰৰ বহু অঞ্চল পানীয়ে বুৰাই পেলাইছে। নগাঁও সদৰ ৰাজহ চক্ৰৰ প্ৰায় শতাধিক গাঁও বানৰ কবলত পৰিছে। ছোট কদলী, এলেঙী সত্ৰ, বাদলগাঁও, বৰজহা,বৰক'লা, ডিফলু, ইটাপাৰা, হাতীপাৰা, মৰিকলং, মৰঙীয়াল, টাউন তেলীয়াগাঁও, দেওধৰ, জলাহ, নৗনে, পাঠৰি, শেনচোৱা, কাটনিগাঁও, ধেনুটোঙা আদি অঞ্চলত পানীয়ে তাণ্ডৱৰ সৃষ্টি কৰিছে। আজি পুৱা কপিলীৰ বাঢ়ি অহা পানী নগাঁও চহৰৰ পৰা কিছু নিলগৰ বৰঘাট বাইপাছৰ ওচৰত ৩৬নং ৰাষ্ট্ৰীয় ঘাইপথেৰে বাগৰাত নগাঁৱৰ বানপৰিস্থিতি অধিক ভয়াবহ হৈ পৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। এনেদৰে এই পথৰ ওপৰেৰে পানী বাগৰাৰ ফলত নগাঁও সদৰ থানাৰ অন্তৰ্গত মাজপাঠৰ, ভোটাইগাঁও, উৰিয়াগাঁও আদি অঞ্চল বানৰ কবলত পৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। বাইপাছৰ পথৰ ওপৰেৰে পানী বাগৰাত বৰঘাট আৰক্ষী চকী পানীয়ে প্লাৱিত কৰিছে। ফলত থানাখনৰ কাম-কাজ সম্পন্ন কৰাত সমস্যাৰ সৃষ্টি হৈছে। উল্লেখ্য যে এইবাৰৰ বানত ৰহা আৰু নগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বহুকেইটা পথৰ ক্ষতিসাধন হোৱাত বহু অঞ্চলৰ যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিছে। আজি পুৱাৰে পৰা নগাঁও চহৰৰ কাষত থকা মহৰেলা, ভোটাইআটি, জুৰীয়া, পানীগাঁও, কচলুখোৱা, নগাঁও চহৰৰ গোষ্ঠান পথ আদিতো পানী বাগৰিছে। ইপিনে নগাঁও চহৰৰ শিৱলগৰ ৮নং ৱাৰ্ডত কলঙৰ বাঢ়নী পানীয়ে বহু বাসগৃহ প্লাৱিত কৰাত অঞ্চলটোত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। কলং নৈৰ বাঢ়নী পানীয়ে নগাঁও চহৰৰ বহুকেইটা এলেকা বুৰাই পেলোৱাত চহৰখনত অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হৈছে।

**বানাক্ৰান্তৰ কাষত বিধায়ক ৰূপক শৰ্মা**— শেহতীয়া বানে নগাঁও জিলাৰ বিভিন্ন স্থানৰ লগতে সদৰ সমষ্টিতো এতিয়া ভয়াৱহ ৰূপ ধাৰণ কৰিছে। আজি নগাঁও সদৰ সমষ্টিৰ বিভিন্ন স্থানত সৃষ্টি হোৱা বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে বান বিধ্বস্ত অঞ্চলসমূহত উপস্থিত হয়গৈ সমষ্টিটোৰ বিধায়ক ৰূপক শৰ্মা। উল্লেখ্য যে সদৰ সমষ্টিৰ দেওধৰ পঞ্চায়তৰ অন্তৰ্গত বিভিন্ন স্থানত বানে যথেষ্ট ক্ষতিসাধন কৰিছে। আজি বানবিধ্বস্ত অঞ্চলসমূহত উপস্থিত হৈ বিধায়কগৰাকীয়ে বান পৰিস্থিতিৰ বুজ লয়। লগতে পঞ্চায়তটোৰ ৰণথলী, ৰজাভেটি আদি অঞ্চলৰ আশ্ৰয় গৃহসমূহৰ লগতে পদপথত থকা বানপীড়িত ৰাইজৰ কাষ চাপি তেওঁলোকৰ সুবিধা-অসুবিধাৰ বুজ লোৱাৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰে। উল্লেখ্য, সদৰ সমষ্টিৰ বিভিন্ন স্থানত হোৱা বানে বৰ্তমান ভয়াৱহ ৰূপ ধাৰণ কৰিছে। সমষ্টিটোৰ বিধায়কগৰাকীয়ে বানবিধ্বস্ত অঞ্চলসমূহ পৰিভ্ৰমণ কৰি বানাক্ৰান্ত ৰাইজৰ দুখ-দুৰ্দশাৰ বুজ লৈ পৰ্যাপ্ত পৰিমাণৰ সাহায্য আগবঢ়াই আহিছে।

**নগাঁও চহৰত বনৰীয়া হাতীৰ মুক্ত বিচৰণ ঃ উপায়ুক্তৰ বাসভৱনৰ ৱালৰ লগতে ফুলনী বাগিচাৰ ক্ষতিসাধন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৩ জুন ঃ** নগাঁও চহৰত আজি নিচেই পুৱাতে এটা বনৰীয়া হাতীয়ে মুক্ত বিচৰণ কৰাত এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। বনৰীয়া মাখনা হাতীটোৱে চহৰখনৰ মাজমজিয়াত বিচৰণ কৰাৰ খবৰ বিয়পি পৰাৰ লগে লগে একাংশ লোক হাতীটোক চাবলৈ ৰাজপথলৈ ওলাই আহে। প্ৰায় ৫ বজাত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ওচৰৰ ৰাজপথত মুক্ত বিচৰণ কৰাৰ পিছত নগাঁও জিলা উপায়ুক্তৰ বাসভৱনৰ চৌহদত প্ৰৱেশ কৰাত নিৰপত্তাৰ দায়িত্বত থকা নিৰাপত্তাৰক্ষীসকলৰ মাজত হুৱা-দুৱাৰ সৃষ্টি হয়। হাতীটোৱে উপায়ুক্তৰ বাসভৱনৰ ৱালৰ লগতে ফুলনী বাগিচাৰ কিছু ক্ষতিসাধন কৰে। পিছত হাতীটো উপায়ুক্তৰ বাসভৱনৰ পৰা প্ৰস্থান কৰে। হাতীটোৱে খগেন মহন্ত প্ৰেক্ষাগৃহৰ চৌহদত প্ৰৱেশ কৰিছিল যদিও প্ৰেক্ষাগৃহৰ কোনো ক্ষতি সাধন নকৰিলে। নগাঁও নেহৰু যুৱ কেন্দ্ৰ, বেংগলী বয়জ হাইস্কুল, চৰকাৰী মজলীয়া বিদ্যালয়ৰ ৱালৰ কিছু ক্ষতি সাধন কৰাৰ লগতে মিছন স্কুল, নেহৰু যুৱ কেন্দ্ৰৰ গেটৰ কিছু ক্ষতি সাধন কৰে। ইয়াৰ পিছত হাতীটো চহৰখনৰ মাজেৰে মৰিকলং হৈ নগাঁও চহৰৰ নাতি দূৰৰ চকৰিগাঁৱৰ পিছফালৰ জংঘললৈ যায়। তাতেই হাতীটোৱে অৱস্থান কৰি আছে। বন বিভাগে জনোৱা মতে বান পৰিস্থিতিৰ বাবে বুঢ়াচাপৰি-লাওখোৱা অভয়াৰণ্যৰ পৰা হাতীটো জন অৰণ্যলৈ ওলাই আহে বুলি বন বিভাগে সন্দেহ প্ৰকাশ কৰিছে। জানিব পৰা মতে, নগাঁও জিলাৰ ধিং হৈ ওলাই অহা হাতীটো জাজৰি, বেবেজীয়া হৈ আজি পুৱা নগাঁও চহৰত প্ৰৱেশ কৰে। চকৰি গাঁৱৰ পিছফালে আশ্ৰয় লৈ থকা বনৰীয়া হাতীটো বন বিভাগ আৰু আৰক্ষী লোকে পহৰা দি আছে। নিশাৰ ভাগত হাতীটো খেদি নিব বুলি বন বিভাগে জানিবলৈ দিয়ে।

## নদীবান্ধে উপকাৰতকৈ বেছি অপকাৰহে কৰিছে

সৃষ্টি হৈছে। চৰকাৰে এইক্ষেত্ৰত নদীবান্ধ কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলিও প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। আনহাতে, এইবাৰ বানে মধ্য অসমত ৰাইজৰ ব্যাপক ক্ষয়-ক্ষতি কৰাৰ কথা উল্লেখ কৰি প্ৰাক্তন মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি অসমৰ বাবে ৪-৫ হাজাৰ কোটি টকা বান সাহায্য আনিবৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনোৱা বুলিও জানিবলৈ দিয়ে। আনহাতে, কলং-কপিলীৰ বানে নগাঁৱৰ মীনপালকৰ ব্যাপক ক্ষয়-ক্ষতি কৰাৰ কথা উল্লেখ কৰি ৰাজেন গোহাঁয়ে লগতে কয় যে নগাঁৱৰ মীনপালকৰ বিলাই নাইকিয়া হৈছে। সকলো মীনপালকৰ লোকচান হৈছে। মোৰ নিজৰ কৃষিপামখনো বানত বুৰ গ'ল। মাছ-খেতি সকলো শেষ হ'ল। জীৱনত এনেকুৱা জলপ্ৰলয় পূৰ্বতে দেখা নাছিল বুলিও প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

## ৪৬ শতাংশ শিশুৱে দুমাহলৈ

ক্ষেত্ৰত ক'ভিডৰ প্ৰভাৱ বহু দিনলৈ ৰৈ যায়। সকলো শিশুৰ ওপৰত মহামাৰীৰ দীৰ্ঘম্যাদী প্ৰভাৱৰ বিষয়ে অধিক গৱেষণা কৰাটো উচিত বুলি গৱেষকগৰাকীয়ে কয়। অধ্যয়নটোত, জানুৱাৰী ২০২০ৰ পৰা জুলাইৰ ভিতৰত ক'ভিড-১৯ৰ ইতিবাচক পৰীক্ষা কৰা ০-১৪ বছৰৰ ভিতৰৰ প্ৰায় ৩৩,০০০ শিশুক সামৰি লোৱা হৈছিল। তেওঁলোকৰ মাজৰে ১১ হাজাৰ শিশুৰ দেহত ক'ভিডৰ পৰা মুক্ত হোৱাৰ পিছতো দুমাহলৈ ক'ভিডৰ লক্ষণ থকা দেখা গৈছিল। অধ্যয়নটোত প্ৰকাশ পোৱা মতে ৪-১১ বছৰ বয়সৰ ভিতৰৰ ক'ভিডৰ পৰা মুক্ত হোৱা শিশুৱে কেতবোৰ লক্ষণ যেনে মেজাজ সলনি হোৱা, মনত ৰখা বা মনোযোগ দিয়াত সমস্যা, ছালত চোকোৰা বন্ধা আদি লক্ষণত ভুগিছিল। ১২-১৪ বছৰ বয়সৰ ভিতৰৰ শিশুসকলে ভাগৰ লগা, মেজাজ সলনি হোৱা, মনত ৰখা বা মনোযোগ দিয়াত সমস্যা পোৱা আদি লক্ষণৰ চিকাৰ হৈছিল। ইয়াৰ উপৰি বহু শিশুৱে মূৰৰ বিষ, মেজাজ সলনি হোৱা, পেটৰ বিষ আৰু ভাগৰ লগা আদি লক্ষণত ভোগাৰ কথাও অধ্যয়নটোৰ পৰা পোহৰলৈ আহিছে। ইপিনে বিশ্ব স্বাস্থ্য সংস্থাৰ এক প্ৰতিবেদনত কোৱা হৈছে বিশ্বজুৰি যোৱা দুবছৰত ১৫ মিলিয়ন লোকে ক'ভিডজনিত কাৰণত মৃত্যু হৈছে। এই মৃত্যু হোৱা লোকসকলৰ সৰহসংখ্যকেই দক্ষিণ-পূব এছিয়া, ইউৰোপ আৰু আমেৰিকাৰ দেশসমূহৰ বাসিন্দা। বিশ্বজুৰি দেখা দিয়া এই সংকটৰ লক্ষ্য ৰাখি 'হু'ৰ অধ্যক্ষ টেড্ৰ'ছ আধানম ঘেব্ৰিয়েছুছে এটা বিশেষ আহ্বানো জনাইছিল। তেওঁ বিশ্বৰ দেশসমূহক স্বাস্থ্যখণ্ডৰ ওপৰত অত্যধিক গুৰুত্ব দিবলৈ কৈছিল। আমেৰিকান একাডেমী অৱ পেডিয়াট্ৰিক্স (এএপি) আৰু চিল্ড্ৰেনছ হস্পিটেল এছ'চিয়েচনৰ শেহতীয়া প্ৰতিবেদন অনুসৰি বিগত কিছু দিনত আমেৰিকা যুক্তৰাষ্ট্ৰত ১১২,০০০ ৰো অধিক শিশু ক'ভিডত আক্ৰান্ত হৈছে। যি আগৰ চাৰি সপ্তাহৰ তুলনাত দুগুণ বেছি। আমেৰিকাত ক'ভিড মহামাৰী আৰম্ভ হোৱাৰ পিছত প্ৰায় ১৩.৪ নিযুত শিশু এই ভাইৰাছত আক্ৰান্ত হৈছিল। আমেৰিকা যুক্তৰাষ্ট্ৰত শেহতীয়াকৈ ক'ভিড আক্ৰান্তৰ ১৮.৯ শতাংশই হৈছে শিশু। চীনৰ বিজ্ঞানীসকলে দেশখনৰ যুহান প্ৰদেশত জন্তুৰ শৰীৰ পৰা মানৱ শৰীৰলৈ এই মাৰাত্মক ভাইৰাছবিধ সংক্ৰমিত হৈছিল বুলি কৈছিল। ক'ভিডে ইয়াৰ চৰিত্ৰ সলনি কৰি আহিছে।

## গ্ৰেপ্তাৰ মহৰী

বঙাইগাঁও আৰক্ষীয়ে গোচৰটোৰ ভিত্তিত মহৰী গিয়াছ উদ্দিন আহমেদক বুধবাৰে গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে আজি বঙাইগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ উপ-পঞ্জীয়ক কুলেন চন্দ্ৰ দাস আৰু নৈশ চকীদাৰ অনন্ত ৰায়ক সোধা-পোছাৰ বাবে আটক কৰে। এই সন্দৰ্ভত বঙাইগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক লুণা সোণোৱালে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে ২০২১ চনত জালিয়াতিৰে আনৰ নামত ভূমি হস্তান্তৰ সম্পৰ্কীয় এক গোচৰ ৰুজু হৈছিল। বঙাইগাঁও সদৰ থানাত ৰুজু হোৱা ৭৪২/২১ (ভাৰতীয় দণ্ডবিধি আইনৰ 120 (b) / 420/ 468/471 ধাৰাৰ অধীনত) নম্বৰৰ গোচৰটোৰ আধাৰত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছিল। এই গোচৰটোৰ সংক্ৰান্তত ইতিপূৰ্বে চাৰিগৰাকী ব্যক্তিক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল যদিও পিছত জামিন লাভ কৰিছিল। কিন্তু এই ভূমি জালিয়াতিৰ গোচৰৰ ভিত্তিত আৰক্ষীয়ে তদন্তৰ বাবে মাটিৰ নথি-পত্ৰ আদি ফ'ৰেনচিক পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছিল। বিশেষকৈ হাতৰ আখৰ, চহী আদি পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছিল। ফ'ৰেনচিক পৰীক্ষাৰ যি প্ৰতিবেদন আহিছে সেই অনুসৰি মাটিৰ প্ৰকৃত গৰাকীৰ চহী অমিল পায়। অৰ্থাৎ মাটিৰ নথিত থকা চহী প্ৰকৃত মাটিৰ গৰাকীৰ নহয়। এই বিষয়টো পোহৰলৈ অহাৰ পিছতে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে আৰু তদন্তৰ বাবে এই তিনিজন ব্যক্তিক সোধা-পোছা কৰাটো জৰুৰী বুলি বিবেচনা কৰি আটক কৰে বুলি কয়। লগতে আটক কৰা ব্যক্তিসকলক জেৰা কৰাৰ সময়ত যদি তেওঁলোকৰ বিৰুদ্ধে উপযুক্ত প্ৰমাণ লাভ কৰে তেতিয়াহ'লে তেওঁলোকক গ্ৰেপ্তাৰ কৰিব বুলিও অতিৰিক্ত আৰক্ষী অধীক্ষক লুণা সোণোৱালে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। ইপিনে বুধবাৰে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা মহৰী গিয়াছ উদ্দিন আহমেদক বৃহস্পতিবাৰে আদালতত হাজিৰ কৰোৱাত আদালতে এদিনৰ বাবে আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰে। উত্থাপিত অভিযোগ মতে মহৰী গিয়াছ উদ্দিন আহমেদ কেইবাবছৰ পূৰ্বে ছীড ফাণ্ড কেলেংকাৰিৰ গোচৰত গ্ৰেপ্তাৰ হৈ ৰঙাঘৰৰ আলহী হৈছিল। পিছত জে'লৰ পৰা ওলাই আহি মহৰীৰ কামত আত্মনিয়োগ কৰাৰ সমান্তৰালভাৱে মাটিৰ দালালি কাৰ্যতো লিপ্ত হৈ পৰে। ইপিনে এই ভূমি জালিয়াতিৰ গোচৰত এজন অধিবক্তাৰ নামো সাঙোৰ খাই থকা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে আজমিনা খাতুন নামৰ এগৰাকী মহিলাই এই গোচৰ ৰুজু কৰিছিল।

## দাম অলপ কমিল মিঠাতেলৰ

পাই উত্তৰ শালমাৰা মহকুমাৰ মহকুমাধিপতি পাৰ্থ সাৰথি জহৰি আৰু চক্ৰ বিষয়াৰ লগতে জিলা পৰিষদ সদস্য খাইৰুল ইছলামকে আদি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়ববীয়াসকল আহি পৰিদৰ্শন কৰি সহায় কৰাৰ বাবে তথা প্ৰাথমিকভাৱে চাউল, দাইল, তিৰ্পাল, নিমখ, মিঠাতেল আদি দিয়াৰ কথা জনায়। জানিব পৰা মতে সেই মতে বিভাগীয়ভাৱে সামগ্ৰীসমূহ উক্ত শিবিৰৰ বাবে মঞ্জুৰ কৰি দিয়ে কাৰ্যালয়ৰ পৰা। কিন্তু শৌলমাৰীৰ উক্ত শিবিৰত কেৱল চাউল, দাইল আৰু নিমখ বিতৰণ কৰা হয়। আন আন শিবিৰত যেতিয়া মিঠাতেল, মমবাতি আদি বিতৰণ কৰা দেখা পায় বানাক্ৰান্তসকলে তেতিয়া পঞ্চায়ত সদস্য, পঞ্চায়ত সভানেত্ৰী আৰু পঞ্চায়ত সম্পাদকক অৱগত কৰে। কিন্তু তেওঁলোকে কোনো ধৰণৰ সঁহাৰি নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় শিবিৰবাসী ৰাইজে। আনকি কয় যে মিঠাতেল, মমবাতি, মেক্সো আদি কি হৈছে নাজানো। যাৰ বাবে ক্ষোভিত হৈ পৰে বন্যাৰ্ত ৰাইজ। পঞ্চায়ত সম্পাদকক অৱগত কৰাৰ পিছতো সম্পাদকজনে কাৰো কথাত কোনো গুৰুত্ব নিদি কয় যে আপোনালোকে অফিচৰ পৰা লৈ আহকগৈ। নহ'লে যি দিছো তাকেই ল'ব লাগিব। ঠিক একেদৰে পঞ্চায়ত সভানেত্ৰীৰ হৈ পঞ্চায়তত নেতৃত্বত দিয়া পঞ্চায়ত সভানেত্ৰীৰ স্বামীয়ে আওপকীয়াকৈ উক্ত সামগ্ৰীসমূহ ৰাস্তাৰ পৰা নোহোৱা হৈছে বুলি জানিবলৈ দিয়ে। অতিকৈ দৰিদ্ৰ তথা সৰ্বস্ব হেৰুৱাই শিবিৰত আশ্ৰয় লোৱা পৰিয়ালৰ বাবে অহা সামগ্ৰীত শেন চকু দিয়াটো এক দুৰ্ভাগ্যজনক বিষয়। আজিলৈকে উক্ত শিবিৰবাসীয়ে নাপালে এটোপাল মিঠাতেল, মমবাতি আৰু মেক্সো। অতিকৈ দুৰ্ভাগ্যজনক বিষয় যে মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশৰ পাছতো সাধাৰণ বন্যাৰ্তৰ বাবে অহা সামগ্ৰী লৈ খেলি-মেলি কৰা ব্যক্তিৰ ওপৰত চৰকাৰ তথা মুখ্যমন্ত্ৰীয়ে কি ব্যৱস্থা লয় সেয়া সময়ত লক্ষণীয় হ'ব।

## এখন ভৰি নোহোৱাকৈয়ে

ৰছুল হকে এখন ভৰি নোহোৱাকৈয়ে নিতৌ প্ৰতিদিনে তিনি কিলোমিটাৰ খোজকাঢ়ি যায় স্কুললৈ। মনত পুহি ৰাখিছে পঢ়া-শুনা কৰি ভৱিষ্যতে ৰছুল হ'ব শিক্ষক। ৰোগত আক্ৰান্ত হৈ আৰু চিকিৎসাৰ অভাৱত দুবছৰ বয়সতে এখন ভৰি হেৰুৱাব লগা হৈছিল ছাত্ৰগৰাকীয়ে। কাৰণ ৰছুলৰ পিতৃয়ে দিন হাজিৰা কৰি পৰিয়াল পোহপাল দিয়ে। চৰকাৰী স্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ ৰছুল হক। উল্লেখ্য, ধুবুৰী সমষ্টিৰ আমেৰভিটা ছোটো বাঝজানী গাঁৱৰ বাসিন্দা জাকিৰ হুছেইনৰ একমাত্ৰ পুত্ৰ ৰছুল হকে দুবছৰ বয়স থাকোঁতে বেমাৰত আক্ৰান্ত হৈছিল। টকাৰ অভাৱত উন্নত চিকিৎসা কৰিব নোৱাৰিলে। যাৰ ফলত এখন ভৰি হেৰুৱাব লগা হৈছিল। ৰছুল হক মতিৰচৰ হাইস্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ। অহা বছৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব। ১৫ বছৰীয়া ৰছুল হকে দুবছৰ বয়সৰে পৰা জীৱন যুদ্ধৰ পথ বাছি লৈছে। ৰছুল হকে ভৱিষ্যতে শিক্ষক হোৱাৰ আশা মনত পুহি ৰাখিছে যদিওঁ ৰছুলৰ পিতৃ এগৰাকী দিন হাজিৰা কৰি ৩৫০ টকা উপাৰ্জনৰে ৰছুলৰ পঢ়া-শুনা চলোৱাৰ লগতে সংসাৰ চলাব লাগে যদিওঁ এদিন কাম পাই আৰু বাকী দুদিন বহি থাকিবলগীয়া হয়। যাৰ বাবেই বহু কষ্টৰ সন্মুখীন হৈছে ৰছুলৰ পৰিয়ালে। বহু চৰকাৰী আঁচনিৰ পৰা বঞ্চিত ৰছুলৰ পৰিয়াল। শাৰীৰিকভাৱে অক্ষম হোৱাৰ পাছতো আজিলৈকে চৰকাৰী সা-সুবিধা নাপালে ৰছুলে। ৰছুলৰ আগলৈকে পঢ়া-শুনাৰ খৰচ বহন কৰিবলৈ স্থানীয় বিধায়ক, সংসদ, চৰকাৰলৈ সহায়ৰ আহ্বান জনায়।

## আকাশলংঘী মূল্যবৃদ্ধিয়ে কোঙা কৰিছে ৰাইজক

ত্ৰাহি মধুসূধন দেখিছে। বৰ্তমান শুৱালকুছি আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত পাচলিৰ মূল্য হ'ল ফ্ৰেঞ্চ বীণৰ প্ৰতিকেজিৰ দাম ২২০ টকা। ঠিক তেনেদৰে (প্ৰতিকেজি) ভাত কেৰেলা ১২০টকা, পটল ৮০ টকা, ভেন্দী ৮০ টকা, নেচেৰা ১০০ টকা, কেঁচা জলকীয়া ১২০ , বেঙেনা ৮০, ইচকোৱাছ ৬০ টকা, সৰু কোমোৰা ৩০ টকা, বিলাহী ১০০ টকা, গাজৰ ১৬০ টকা, বন্ধাকবি ৫০ টকা, টিয়হ ৪০ টকা, কাচকল ডৰ্জন ৫০ টকা, কলফুল (গোট) ৬০ টকা, ৰঙালাউ প্ৰতিকেজিত ৪০ টকা, জিকা ৬০ টকা । এনেদৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সাধাৰণ ৰাইজক ব্যাপক সমস্যাৰ সৃষ্টি কৰিছে। ৰাজ্যৰ যোগান বিভাগক এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰি সাধাৰণ জনতাক সকাহ দিবলৈ ৰেচম গাঁওখনৰ ৰাইজে আহ্বান জনাইছে।

## মুখ্যমন্ত্ৰীয়ে আকাশীযানেৰে

মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে শিলচৰ চহৰৰ বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বানপ্লাৱিত প্ৰতিটো ৱাৰ্ডতে উদ্ধাৰ আৰু সাহায্য অভিযান তীব্ৰতৰ কৰি তুলিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে প্ৰতিটো ৱাৰ্ডৰে বান পীড়িত লোকসকলে যাতে উপযুক্ত সাহায্য লাভ কৰিব পাৰে তাৰ বাবে ৱাৰ্ড পৰ্যায়ত আঁচনি প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়ে। এই আঁচনি স্থানীয় জনসাধাৰণৰ সহযোগত ৰূপায়িত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে কয়। জিলাখনত যাতে প্ৰয়োজনীয় কোনো ধৰণৰ খাদ্য নাটনি নহয়, সেই দিশত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে বিমানৰ জৰিয়তে খাদ্য সৰবৰাহ কৰাৰ বাবেও উচ্চপদস্থ বিষয়াসকলক নিৰ্দেশ দিয়ে। জিলাখনত প্ৰশাসনিক শক্তি বৃদ্ধি কৰি উদ্ধাৰ আৰু সাহায্য অভিযান যাতে সুচাৰুৰূপে পৰিচালনা কৰিব পৰা যায় তাৰ বাবে দহ গৰাকী বিষয়াক কাছাৰ জিলালৈ আহিবলৈ নিৰ্দেশ দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। চহৰখনৰ প্ৰতিটো প্ৰান্ততে যাতে বিদ্যুৎ উপলব্ধ কৰিব পৰা যায় তাৰ বাবে এপিডিচিএলৰ শীৰ্ষ বিষয়াসকলক তৎকালে যথোচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে জিলাখনৰ অভূতপূৰ্ব বান পৰিস্থিতি মোকাবিলা কৰাৰ বাবে জিলা প্ৰশাসনৰ সহযোগত ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। জনসাধাৰণে যাতে বিদ্যুৎ লাভ কৰিব পাৰে তাৰ বাবে গুৱাহাটীৰ পৰা অভিযন্তা অনাৰো ব্যৱস্থা কৰা হৈছে বুলি তেওঁ কয়। খোৱাপানীৰ সমস্যা লাঘৱ কৰাৰ বাবে চৰকাৰে কাইলৈৰ পৰা দৈনিক এক লাখ লিটাৰ পানী অনাৰ ব্যৱস্থা কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। আজিৰ এই বৈঠকত পৰিবহন মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংসদ ৰাজদ্বীপ ৰয়, বিধায়কদ্বয় ক্ৰমে দ্বীপায়ন চক্ৰৱৰ্তী আৰু কৌশিক ৰায়, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, এন ডি আৰ এফ, এছ ডি আৰ এফৰ বিষয়া আৰু জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

## এফালে বান, আনফালে শুকান

ভাৰত-ভূটান সীমান্তৰ চাউলকাড়া অঞ্চলৰ প্ৰায় চাৰি শতাধিক কৃষকৰ মাজত খেতিপথাৰত পানীৰ অভাৱৰ বাবে সৃষ্টি হৈছে হাহাকাৰ অৱস্থাৰ। মূলতঃ খেতিপথাৰত সৃষ্টি হোৱা পানীৰ অভাৱ তথা জলসিঞ্চন বিভাগৰ আঁচনিৰ অভাৱৰ বাবেই এই হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে কৃষকসকলৰ মাজত। উল্লেখ্য, স্বৰাজোত্তৰ ভাৰতৰ কৃষকৰ উন্নয়নৰ বাবে বহু আঁচনি ৰূপায়ণ কৰা হ'ল যদিও সেইসমূহ আঁচনিৰ পৰা আজিও বঞ্চিত হৈ থাকিল এইসকল প্ৰকৃত কৃষক। জলসিঞ্চনৰ অভাৱত উক্ত অঞ্চলৰ ৰাইজে আজিও ভেটিব লাগে খৰস্ৰোতা দিৰিং নদী। নদীত শিল, গছৰ ডাল আদিৰে প্ৰাকৃতিকভাৱে পাৰ্কুপাইন দি কৃত্ৰিম বান্ধ নিৰ্মাণ কৰি প্ৰায় ১০ হাজাৰ বিঘাতকৈ অধিক কৃষিপথাৰলৈ পানী বোৱাই নিবলগীয়া হয় অঞ্চলটোৰ কৃষক ৰাইজে। বাৰিষাৰ সময়ত প্ৰতি মাহত এনেদৰে কাম কৰিব লাগে অঞ্চলটোৰ দুৰ্ভগীয়া কৃষকসকলে। তথাপি হাৰ মনা নাই কৃষক ৰাইজে। চৰকাৰক অপেক্ষা নকৰি নিজৰ গাঁঠিৰ ধনেৰে দিৰিং নদীত কৃত্ৰিম বান্ধ বন্ধাত নিজে লাগিল হাতে-কামে। উল্লেখ্য যে, বছৰ বছৰ ধৰি ১নং চাউলকাড়া পাগলদিয়া গ্ৰুপ দোং বান্ধ সমিতিয়ে এনেদৰে বান্ধ নিৰ্মাণৰ কাম কৰি খেতি কৰি আহিছে বছৰটোৰ প্ৰত্যেক মাহতে। ঠিক তেনেদৰে আজিও নদীত বান্ধ বন্ধাৰ বাবে ৰাইজ ওলাই আহিল। কৃষকসকলৰ অভিযোগ—দেশে স্বাধীনতা লাভ কৰাৰ পিছত বহু চৰকাৰ আহিল আৰু গ'ল কিন্তু কোনো এখন চৰকাৰেই তেওঁলোকৰ সমস্যা সমাধানৰ ক্ষেত্ৰত একো ব্যৱস্থা গ্ৰহণ নকৰিলে। প্ৰতি বছৰেই নিৰ্বাচনৰ সময়ত প্ৰাৰ্থীসকল উক্ত স্থানত উপস্থিত হৈ সমস্যা সমাধানৰ প্ৰতিশ্ৰুতিৰে ভোট ভিক্ষা কৰে যদিও নিৰ্বাচন শেষ হোৱাৰ পাছতেই তেওঁলোকৰ সমস্যালৈ পিঠি দিয়ে। অত্যন্ত ক্ষোভ প্ৰকাশ কৰি অঞ্চলটোৰ এই দীৰ্ঘদিনীয়া সমস্যা শীঘ্ৰে সমাধান কৰিবলৈ চৰকাৰলৈ আহ্বান জনাইছে চাউলকাড়াবাসী কৃষক ৰাইজে।

## চামগুৰিত কনভয়ৰ খুন্দাত

ঘাইপথত কনভয়ৰ খুন্দাত মৃত্যু হোৱা যুৱকজনৰ ঘৰত আজি উপস্থিত হয় ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰা। উল্লেখ্য যে নগাঁও জিলাৰ চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা ১৯ জুন তাৰিখে গুৱাহাটী দিশৰ পৰা বোকাখাত অভিমুখে আহি থকা কৃষিমন্ত্ৰী অতুল বৰাৰ কনভয়ৰ এএছ-২৫ ই চি-২০৯৩ নম্বৰৰ গাড়ীখনে এএছ-০২ ৱাই-৭০৮৭ নম্বৰৰ স্কুটীখনক খুন্দা মাৰে। ফলত স্কুটীখনৰ আৰোহী মানস প্ৰতিম দাস ওৰফে মণিকণ (২৬) নামৰ যুৱকজন পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ নিয়া অৱস্থাত মৃত্যু হৈছিল। চামগুৰিৰ দিলীপ দাসৰ পুত্ৰ মানস প্ৰতিম দাস নামৰ যুৱকজনৰ মৃত্যু হোৱাৰ পাছত আজি ৰাজ্যৰ কৃষিমন্ত্ৰীগৰাকী মৃত যুৱকজনৰ ঘৰত উপস্থিত হৈ গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিয়ালবৰ্গক গভীৰ সমবেদনা জ্ঞাপন কৰে। আনহাতে, মৃত যুৱকজনৰ মাতৃয়ে অনাগত দিনত মন্ত্ৰীসকলৰ কনভয়ৰ গতিবেগ নিয়ন্ত্ৰণ কৰিবলৈ মন্ত্ৰী অতুল বৰাক কৰযোৰে অনুৰোধ জনায়। লগতে দুৰ্ঘটনাপ্ৰৱণ অঞ্চল হোৱাৰ পিছতো চামগুৰিৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত থকা ট্ৰ'মা চেণ্টাৰটো মুকলি কৰিবলৈ স্থানীয় ৰাইজে মন্ত্ৰীগৰাকীক আহ্বান জনোৱাত মন্ত্ৰীগৰাকীয়ে শীঘ্ৰে স্বাস্থ্যমন্ত্ৰীগৰাকীৰ লগত আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উপস্থিত স্থানীয় লোকক আশ্বাস প্ৰদান কৰে।

## স্কুটীৰ সৈতে ডিমৌ নৈত

ডিমৌ নদীত পৰি আত্মহত্যা কৰা ঘটনাই সমগ্ৰ ডিমৌ, নিতাই, ধেমেছী আদি অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে আজি নিচেই পুৱাৰ ভাগতেই নিতাইপুখুৰীৰ হাওবুঢ়া চুক নিবাসী তথা নিতাইপুখুৰী অঞ্চলৰ এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ সহকাৰী শিক্ষক কল্যাণ গগৈয়ে (৩৩) নিজৰ ফেচবুক একাউণ্টত এটা বিতৰ্কিত পোষ্ট প্ৰচাৰ কৰে। উক্ত বিতৰ্কিত পোষ্টত কল্যাণ গগৈয়ে উল্লেখ কৰিছে যে, নিতাইপুখুৰীৰ নাওজান নিবাসী জিতু তপন চেতিয়া আৰু ডিম্পী চেতিয়াই তেওঁক ব্লেকমেইলিং কৰি দহ লাখ টকা দাবী কৰাৰ অভিযোগ কৰিছে। কল্যাণ গগৈয়ে নাওজানৰ ডিম্পী চেতিয়াৰ লগত দীৰ্ঘদিন অবৈধ সম্পৰ্ক ৰক্ষা কৰাৰ কথা উল্লেখ কৰিছে আৰু যোৱানিশাও অবৈধ সম্পৰ্ক ৰক্ষা কৰি দহ লাখ টকা দাবী কৰি পতি-পত্নীয়ে ব্লেকমেইলিং কৰা বুলি উল্লেখ কৰে। উক্ত টকা নিদিলে সমগ্ৰ ঘটনা আৰক্ষীক অৱগত কৰা হ'ব বুলিও ফেচবুক পোষ্ট লিখাৰ লগতে তেওঁলোকৰ বাবেই এই আত্মহত্যাৰ দৰে চৰম পথ বাছি ল'লো বুলি পোষ্টত উল্লেখ কৰি উক্ত পতি-পত্নীক কোনো কাৰণতে এৰি নিদিবলৈ আহ্বান জনায়। ইয়াৰ কিছু সময়ৰ পিছত ডিমৌ নদীত জাঁপ দিলে চাৰিবছৰীয়া কন্যা শিশুসহ তিনিজনীয়া পৰিয়ালটো। নিতাইপুখুৰীৰ হাওবুঢ়া চুকৰ পৰা প্ৰায় তিনি কিলোমিটাৰ নিলগৰ শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ সীমামূৰীয়া কেৰকনি চুকত এ এছ-০৪ জি-৭৫৯৬ নম্বৰ স্কুটীখনৰ সৈতে ডিমৌ নদীৰ ভৰপানীত সোমাই দিয়েগৈ। এই ঘটনা এজন লোকে প্ৰায় ১০.৩০ মান বজাত প্ৰত্যক্ষ কৰাৰ লগে লগে বনজুইৰ দৰে বিয়পি পৰে আৰু ঘটনাস্থলীত কল্যাণ গগৈয়ে ব্যৱহাৰ কৰা মোবাইলটোও উদ্ধাৰ হয়। ইয়াৰ কিছু সময়ৰ পিছত ডিমৌ, নিতাইপুখুৰী আৰু মৰাণ আৰক্ষীৰ লগতে শিৱসাগৰ, ডিব্ৰুগড় জিলাৰ এছ ডি আৰ এফ বাহিনী উপস্থিত হৈ নদীৰ বুকুত তিনিজনীয়া পৰিয়ালটোৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে। এই অভিযানত নদীৰ পৰা উদ্ধাৰকাৰী দলটোৱে স্কুটীখন উদ্ধাৰ কৰিছে যদিও পৰিয়ালটোৰ কোনো এজন লোক বৰ্তমানলৈকে উদ্ধাৰ হোৱা নাই। আনহাতে, কল্যাণ গগৈয়ে ফেচবুকত কৰা অভিযোগৰ ভিত্তিত নিতাইপুখুৰীৰ নাওজান নিবাসী জিতু তপন চেতিয়া আৰু ডিম্পী চেতিয়াক নিতাইপুখুৰীৰ আৰক্ষীয়ে আটক কৰিছে। আজি পুৱাৰ পৰা এই ঘটনাক লৈ সমগ্ৰ নিতাইপুখুৰী অঞ্চলত সৰৱ চৰ্চা চলি থকাৰ মাজতে একাংশ লোকে মত ব্যক্ত কৰিছে যে, কল্যাণ গগৈয়ে নিজৰ চৰিত্ৰক নিকা সজাবলৈকে নিজৰ লগতে নিৰপৰাধী পত্নী আৰু দেৱশিশু কন্যাটিৰ প্ৰাণ লোৱাৰহে গুৰুতৰ অভিযোগ উঠিছে। ইফালে, এই সমগ্ৰ ঘটনা সন্দৰ্ভত কল্যাণ গগৈৰ ভাতৃ বিশ্বজিত গগৈ আৰু দীপা গগৈৰ পিতৃ দিলীপ গগৈয়ে পৃথকে পৃথকে নিতাইপুখুৰী আৰক্ষী চকীত কল্যাণ গগৈৰ তিনিজনীয়া পৰিয়ালটো কেৱল জিতু তপন চেতিয়া আৰু ডিম্পী চেতিয়াই ব্লেকমেইলিং কৰি দহ লাখ টকা ডিমাণ্ড কৰাৰ বাবেই এনে ঘটনা সংঘটিত কৰা বুলি উল্লেখ কৰি দুয়োকে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষীক আহ্বান জনায় এজাহাৰৰ জৰিয়তে।

## দুই শিশুৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৩ জুন ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাছুমাৰা থানাৰ অন্তৰ্গত মৈৰাদিয়া আৰু খোলাবান্ধাৰ বিলপাৰাত আজি দুটি শিশুৰ সলিল সমাধি ঘটাত বৃহত্তৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, জিলাখনৰ সংশ্লিষ্ট থানাৰ এলেকাধীন মৈৰাদিয়া গাঁৱৰ বাসিন্দা নজমূল হকৰ পাঁচবছৰীয়া শিশু সন্তান হাচিনুৰ ৰহমানৰ পানীত পৰি মৃত্যু হয়। ঘৰত কোনো লোক নথকাৰ সুযোগতে শিশুটি ঘৰৰ ওচৰতে খেলি থকা অৱস্থাত হঠাৎ বাঢ়নী পানীত ডুব যায়। বহু সময় পিছত পৰিয়ালৰ লোকে শিশুটিক বিচাৰ-খোঁচাৰ কৰে যদিও নাপায়। পিছত ঘৰৰ কাষতে থকা বাঢ়নী পানীত শিশুটিৰ মৃতদেহ ওপঙি থকা অৱস্থাত উদ্ধাৰ কৰি ততাতৈয়াকৈ নগৰবেৰা ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায় যদিও চিকিৎসকে শিশুটিৰ স্বাস্থ্য পৰীক্ষা কৰি মৃত বুলি ঘোষণা কৰে। শিশুটিৰ এনে অবাঞ্ছিত মৃত্যুত পৰিয়ালৰ লোকে শোকত ভাগি পৰিছে। ইপিনে একেখন থানাৰ অন্তৰ্গত খোলাবান্ধা চৰ (বিলপাৰা) গাঁৱৰ বাসিন্দা আনোৱাৰ হুছেইনৰ চাৰিবছৰীয়া পুত্ৰ হাচিবুল হক নামৰ আন এটি শিশুৰ সলিল সমাধি ঘটাত বৃহত্তৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। দুয়োটি শিশুৰ এনে অবাঞ্ছিত মৃত্যুত বৃহত্তৰ মৈৰাদিয়া আৰু খোলাবান্ধা অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে।

## শিশুক যৌন নিৰ্যাতন বিজেপি কৰ্মীৰ, সোণাৰিত এজনক কাৰাদণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ২৩ জুন ঃ** সোণাৰিত এগৰাকী শিশু ছাত্ৰীক শিক্ষানুষ্ঠানত যৌন নিৰ্যাতন চলাই অৱশেষত দোষী সাব্যস্ত হ'ল এগৰাকী বিজেপি কৰ্মী। সোণাৰিস্থিত চৰাইদেউৰ বিশেষ ন্যায়াধীশৰ আদালতে আজি চূড়ান্ত ৰায়দান কৰি অভিযুক্ত লোকজনক কাৰাদণ্ড বিহিছে। উল্লেখ্য যে, ২০১৬ চনতেই সংঘটিত এক ঘটনাৰ সন্দৰ্ভত সোণাৰি থানাত ভাৰতীয় দণ্ডবিধি আইনৰ ৩৫৪ (ক) ধাৰাৰ অধীনত ১৮৮/১৬ নম্বৰত এটা গোচৰ ৰুজু হৈছিল। তথ্য অনুসৰি, সোণাৰি নগৰৰ সমীপৱৰ্তী ভজো বগৰীগুৰিস্থিত আৱাসিক বিদ্যালয় কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত এগৰাকী কাৰ্যালয় সহায়ক আৰু তত্ত্বাৱধায়ক কৰ্মচাৰী হিচাপে কৰ্মৰত দিগন্ত শইকীয়াই ২০১৬ চনৰ ২৪ ছেপ্টেম্বৰত বিয়লি ভাগত বিদ্যালয়ৰ বাথৰুমত এগৰাকী সপ্তম শ্ৰেণীৰ ছাত্ৰীক শাৰীৰিক নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছিল। পাছত ছাত্ৰীগৰাকীৰ পিতৃয়ে সোণাৰি থানাত এজাহাৰ দাখিল কৰিছিল। সোণাৰি থানাত ৰুজু হোৱা ১৮৮/১৬ নং গোচৰটো পৰৱৰ্তী সময়ত আদালতৰ অধীনলৈ যায়। সেই অনুসৰি চৰাইদেউৰ বিশেষ ন্যায়াধীশৰ আদালতত ৰুজু হোৱা গোচৰ নং ৪৯/১৬ মৰ্মে আইনী প্ৰক্ৰিয়াৰ বিচাৰ আৰম্ভ হয়। দীৰ্ঘদিন ধৰি চলা বিচাৰৰ অন্তত আদালতে বিশেষ প'কচ" আইনৰ অধীনত আজি দোষী সাব্যস্ত কৰে অভিযুক্ত দিগন্ত শইকীয়াক। সেই মৰ্মে, আদালতৰ ৰায় অনুসৰি দোষী দিগন্ত শইকীয়াক পাঁচ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে দহ হাজাৰ টকা জৰিমনা বিহে। জৰিমনা অনাদায়ে অতিৰিক্ত এমাহ কাৰাদণ্ড খাটিব লাগিব বুলি আদালতে আজি গোচৰটোৰ চূড়ান্ত ৰায়দান দিয়ে। মন কৰিবলগীয়া যে দোষী সাব্যস্ত হোৱা দিগন্ত শইকীয়া চৰাইদেউ জিলা বিজেপিৰ কাৰ্যালয় সম্পাদক হিচাপে বৰ্তমান নিয়োজিত হৈ আছে।

## বাক্সাৰ গোৰৰ্ধনাত ডাম্পাৰৰ খুন্দাত নিহত যুৱক

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২৩ জুন ঃ** বাক্সাৰ গোৰৰ্ধনাত আজি এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। দ্ৰুতবেগী ডাম্পাৰে মহটিয়াই নিয়াৰ ফলত থিতাতে নিহত হয় এজন যুৱক। উল্লেখ্য যে, বাক্সা জিলাৰ শালবাৰী মহকুমাৰ গোৰৰ্ধনা থানাৰ অন্তৰ্গত পুব চাফাকামাৰ গাঁৱত সংঘটিত হয় পথ দুৰ্ঘটনাটো। দুৰ্ঘটনাটোত নিহত যুৱকজন চাফাকামাৰৰ ৰাতুল দাস (৩২) বুলি জানিব পৰা গৈছে। বৰপেটাৰোডৰ পৰা মানাহ ৰাষ্ট্ৰীয় উদ্যান সংযোগী পথৰ পুব চাফাকামাৰত সংঘটিত হয় এই ভয়ংকৰ দুৰ্ঘটনাটো। ঘটনাস্থলীত গোৰৰ্ধনা আৰক্ষী উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। উল্লেখ্য যে, মানাহ- বৰপেটাৰোড সংযোগী পথত শিল- বালি কঢ়িওৱা ট্ৰেক্টৰ-ডাম্পাৰৰ ফলত প্ৰায়েই সংঘটিত হৈ আহিছে দুৰ্ঘটনা।

## চৈয়দ আব্দুল মালিক বঁটা প্ৰদান কৰাৰ বাবে অসম চৰকাৰক ধন্যবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৩ জুন ঃ** অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বাধীন অসম চৰকাৰে এই বছৰ অসমৰ বৰণ্য শিল্পী-সাহিত্যিক আৰু নমস্য ব্যক্তিৰ নামত কেইবাটাও ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক বঁটা ঘোষণা কৰি প্ৰদান কৰিছে। এই সন্মানীয় বঁটাবিলাকৰ লগতে পদ্মশ্ৰী, পদ্মবিভূষণ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, উপন্যাসিক, কথা সাহিত্যিক, চুটি গল্পৰ আঘোষিত সম্ৰাট, সাহিত্য জগতৰ অভ্ৰভেদী কাণ্ডাৰী সাহিত্যাচাৰ্য 'চৈয়দ আব্দুল মালিক' বঁটা পুনৰবাৰ প্ৰদানৰ ঘোষণাই সাহিত্যপ্ৰেমী সকলো ৰাইজৰ লগতে 'সাহিত্যাচাৰ্য চৈয়দ আব্দুল মালিক স্মৃতিৰক্ষা সমিতি'ৰ সকলো সদস্যই গৌৰৱ অনুভৱ কৰিছে। অসমৰ মাননীয় মুখ্যমন্ত্ৰীদেৱৰ এনে বলিষ্ঠ পদক্ষেপে সাহিত্য-সংস্কৃতিৰ প্ৰসাৰ আৰু সংৰক্ষণত বহুজনক উৎসাহিত কৰিব বুলি সমিতিৰ সভাপতি ড° ভূৱনেশ্বৰ ডেকাই মত পোষণ কৰিছে। লগতে ২০২১ চনৰ চৈয়দ আব্দুল মালিক বঁটাপ্ৰাপক ছবিলাল উপাধ্যায়ক অভিনন্দন জ্ঞাপন কৰি সমিতিৰ সাধাৰণ সম্পাদক ড° নাজিম হুছেইনে মালিকদেৱৰ সাহিত্যৰাজিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে মুকলি আহ্বান জনায়। অন্যহাতে সমিতিৰ সাংগঠনিক সম্পাদক ড° চৈয়দা মুচফিয়া বেগমে এটি বিবৃতিৰ দ্বাৰা মাননীয় মুখ্যমন্ত্ৰীদেৱৰ প্ৰতি কৃতজ্ঞতা আৰু আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। তদুপৰি, বৰসজাই শাখা সাহিত্য সভা (ঘোৰামাৰা)ৰ সভাপতি নগেন্দ্ৰ নাথ দাস আৰু সাধাৰণ সম্পাদক দিলীপ বৰুৱাদেৱে মাননীয় মুখ্যমন্ত্ৰীৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰে।

## ভাৰতীয় চাহ সন্থাৰ কলকাতাস্থিত মুখ্য কাৰ্যালয়ত ট্ৰিনিটিৰ জৰুৰী সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ২৩ জুন ঃ** ট্ৰিনিটিৰ অন্তৰ্গত ভাৰতীয় চাহ সন্থা, চলিদাৰিড এছিয়া আৰু ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ এখন সভা ভাৰতীয় চাহ সন্থাৰ কলকাতাস্থিত ভাৰতীয় চাহ সন্থাৰ মুখ্য কাৰ্যালয়ত অলপতে অনুষ্ঠিত হয়। উক্ত সভাত ট্ৰিনিটিৰ অন্তৰ্গত ভাৰতীয় চাহ সন্থা, চলিদাৰিড এছিয়া আৰু ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ বিষয়ববীয়া উপস্থিত থাকে। উক্ত সভাখনত সৰ্বভাৰতীয় পৰ্যায়ৰ বিষয়ববীয়া সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তিনিচুকীয়া, যোৰহাট, ডিব্ৰুগড় জিলাৰ বিষয়ববীয়া, জলপাইগুৰিৰ লগতে দক্ষিণ ভাৰতৰ বিষয়ববীয়া উপস্থিত আছিল। ভাৰতীয় চাহ ব'ৰ্ডৰ এছ সুন্দৰৰাজন, ভাৰতীয় চাহ সন্থাৰ সভানেত্ৰী নয়নতৰা পাল চৌধুৰী, অৰিজিত ৰাহা, চলিদাৰিড এছিয়াৰ পৰিচালন সঞ্চালক ড° শতদ্ৰী চেটাৰ্জী উপস্থিত থাকে। সভাত সভানেত্ৰীৰ দায়িত্বত থকা নয়নতৰা পাল চৌধুৰী, অৰিজিত ৰহা আৰু শতমঞ্জৰী চেটাৰ্জী তিনিওজনকে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ যোৰহাট জিলাৰ সম্পাদক কৃষ্ণ প্ৰসাদ শৰ্মাই একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। ভাৰতীয় চাহ সন্থাৰ অসম শাখাৰ যোৰহাট কাৰ্যালয়ৰ পাৰ্থপ্ৰতিম শৰ্মা উপস্থিত আছিল। সভাখনত উপস্থিত থকা সৰ্বভাৰতীয় ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি বিজয় গোপাল চক্ৰৱৰ্তীয়ে যোগাত্মক বক্তব্য প্ৰদান কৰি সকলোকে আপ্লুত কৰে। সভাখনত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ বিভিন্ন দিশ সামৰি আলোচনা কৰা হয়। চাহৰ গুণগত মান উন্নত কৰা, চাহ খেতিৰ বাবে ল'বলগীয়া যত্ন, চাহৰ মূল্য আদি বিভিন্ন দিশ সামৰি আলোচনা কৰা হয়।



## মৰিগাঁৱত বানাক্ৰান্ত ৰাইজৰ

কেশৱ মহন্ত আবেলি ৪ বজাত মৰিগাঁও শংকৰ মাধৱ মাধ্যমিক বিদ্যালয় উপস্থিত হয়। এই স্কুলত ২৯ পৰিয়ালৰ ১৭৫গৰাকী ব্যক্তি আশ্ৰয় লৈ আছে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ খান্দাজান আদি বিভিন্ন ঠায়ো পৰিদৰ্শন কৰি বানপীড়িত লোকসকলৰ অৱস্থাত বুজ ল'ব। এই ভ্ৰমণ কালত মন্ত্ৰীগৰাকীৰ লগত উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, অতিৰিক্ত উপায়ুক্তসকল আৰু জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকল, স্বাস্থ্য বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, জলসম্পদ বিভাগ, সমাজ কল্যাণ আদি বিভিন্ন বিভাগৰ বিষয়াসকলো উপস্থিত থাকে।

# ক'ভিডত নতুনকৈ ১৩,৩১৩ জন আক্ৰান্ত, মৃত্যু ৩৮

## দেশত মহামাৰী ভাইৰাছৰ সংক্ৰমণ পুনৰ উৰ্ধমুখী



**নতুন দিল্লী, ২৩ জুন ঃ** দেশত মহামাৰী ক'ভিড ভাইৰাছৰ সংক্ৰমণ পুনৰ উৰ্ধমুখী হৈছে। এদিনৰ ব্যৱধানত হাজাৰোধিক ৰোগী আক্ৰান্ত হৈছে। সমান্তৰালভাৱে মৃত্যুৰ পৰিসংখ্যাও বৃদ্ধি হোৱা দেখা গৈছে। বৃহস্পতিবাৰে কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্যত এই বিষয়টো স্পষ্ট কৰি দিয়া হৈছে। চৰকাৰী তথ্য অনুসৰি যোৱা ২৪ ঘণ্টাত ৩৮ জন ক'ভিড আক্ৰান্তৰ মৃত্যুৰ বিপৰীতে নতুনকৈ সংক্ৰমিত হৈছে ১৩,৩১৩ জন। ইয়াৰ এদিনৰ পূৰ্বে সংক্ৰমণৰ পৰিসংখ্যা আছিল ১২,২৪৯। অৰ্থাৎ এদিনৰ ব্যৱধানত হাজাৰোধিক সংক্ৰমিত বৃদ্ধি হোৱাটো পৰিলক্ষিত হৈছে। অৱশ্যে দিনান্তত আৰোগ্য লাভ কৰা সংক্ৰমিতৰ সংখ্যা হ'ল ১০, ৯৭২ জন। আৰোগ্যৰ হাৰ ৯৮.৬ শতাংশ। মুঠ আৰোগ্যৰ পৰিসংখ্যা হ'ল ৪,২৭,৩৬,০২৭ জন। আনহাতে দেশত সক্ৰিয় সংক্ৰমিতৰ সংখ্যা বৰ্তমান হৈছেগৈ ৮৩,৯৯০ জন। স্বাস্থ্য মন্ত্ৰালয়ৰ তথ্য অনুসৰি দৈনিক সংক্ৰমিতৰ হাৰ ২.০৩ শতাংশলৈ বৃদ্ধি পাইছে আৰু সাপ্তাহিক সংক্ৰমণৰ হাৰ ২.৮১ শতাংশ বুলি কোৱা হৈছে। আনহাতে মৃত্যুৰ সংখ্যা বৃদ্ধি হৈছে ৫,২৪,৯৪১ জনলৈ। বৰ্তমানলৈকে ৮৫.৯৪ কোটি লোকৰ ক'ভিড টেষ্ট সম্পন্ন কৰা হৈছে। বিগত ২৪ ঘণ্টাত ৬,৫৬,৪১০টা ক'ভিড টেষ্ট সম্পন্ন হৈছে। স্বাস্থ্য মন্ত্ৰালয়ৰ তথ্য অনুসৰি ক'ভিড ভেকচিন প্ৰদান কৰা হৈছে ১৯৬.৬২ কোটি। কেন্দ্ৰীয় চৰকাৰে দেশৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশ সমূহলৈ বিনামূলীয়া ভেকচিনৰ যোগান ধৰিছিল। সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰে ভেকচিন নিৰ্মাণকাৰী সংস্থাসমূহৰ পৰা ৭৫ শতাংশ ভেকচিন নিজৰ দেশৰ বাবে আহৰণ কৰি আহিছে। ইফালে কেন্দ্ৰীয় স্বাস্থ্য সচিব ৰাজেশ ভূষণে বৃহস্পতিবাৰে সকলোবোৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰ অনুসৰি ক'ভিড প্ৰট'কল আৰু ক'ভিডৰ আচৰণ পৰীক্ষণ কাৰ্য খৰতকীয়া কৰিবলৈ কোৱা হৈছে। দেশত নতুনকৈ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি হোৱা কাৰ্যত কেন্দ্ৰীয় চৰকাৰ চিন্তিত হৈছে। আনহাতে কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী মনসুখ মান্দাভিয়াই বৃহস্পতিবাৰে এখন ক'ভিড সম্পৰ্কীয় পুনৰীক্ষণ বৈঠকৰ আহ্বান কৰিছে। এনেধৰণৰ বৈঠক যোৱা ১৩ জুন তাৰিখেও সম্পন্ন কৰিছিল। সেইদিনা কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰসমূহৰ স্বাস্থ্যমন্ত্ৰী, স্বাস্থ্য বিভাগৰ জ্যেষ্ঠ বিষয়া আদিয়ে ভাগ লৈছিল। সকলোৰে ঘৰে ঘৰে ক'ভিড ভেকচিন প্ৰদান আঁচনি সফলভাৱে কাৰ্যকৰী কৰিবলৈ সিদ্ধান্ত লোৱা বুলি প্ৰকাশ পাইছে। মুঠৰ ওপৰত দেশত এতিয়া ক'ভিডৰ নতুন সংক্ৰমণে সকলোকে চিন্তিত কৰি তোলা বুলিব পাৰি। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহে দুবছৰীয়া ক'ভিড প্ৰট'কল শিথিল কৰি দিছে যদিও ঠায়ে ঠায়ে পুনৰ ক'ভিড প্ৰট'কল বলবৎ কৰাৰ পৰিৱেশ ঘূৰি অহা বুলি একাংশই ব্যক্ত কৰিব খোজে।

# সকলোৱে যদিহে মাতৃৰ বিষয়ে অৱগত হয় তেনেহ'লে নিশ্চিতভাৱে সমৰ্থন কৰিব

## ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদীৰ কন্যাৰ অভিমত

**নতুন দিল্লী, ২৩ জুন ঃ** আগন্তুক ৰাষ্ট্ৰপতি নিৰ্বাচনত বিজেপি নেতৃত্বাধীন এন ডি এ মৰ্চাৰ ঘোষিত প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মু এগৰাকী সংগ্ৰামী আৰু ধৈৰ্যশীল তথা সংঘাতময় জীৱন অতিক্ৰম কৰি অহা ব্যক্তি। গতিকে তেওঁৰ বিষয়ে যদিহে দেশবাসী অৱগত হয় তেনেহ'লে সকলোৱে তেওঁকেই ভোট দান কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিব। এই কথা প্ৰকাশ কৰিছে দ্ৰৌপদীৰ কন্যা ইতিশ্ৰী মুৰ্মুৱে। সংবাদ মাধ্যমৰ আগত কয় যে তেওঁৰ মাতৃ অতিশয় শৃংখলাবদ্ধ, দায়িত্বশীল আৰু এসময়ত শিক্ষকতাৰ সৈতে জড়িত আছিল। নিজৰ কন্যাই কয় যে বিদ্যালয়ত তেওঁকো শিক্ষয়িত্ৰী মাতৃয়ে পাঠ পঢ়াইছিল। তেওঁৰ কন্যা হোৱাৰ লগতে ছাত্ৰী হিচাপেও মোৰ দুটা পৰিচয় আছে। বিদ্যালয়ত মাতৃয়ে শিক্ষাৰ্থীসকলৰ মাজত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা সম্পন্ন কৰিছিল। এনে প্ৰতিযোগিতাৰ বিষয়ে ঘুনাক্ষৰেও ঘৰত আলোচনা কৰা নাছিল। কিন্তু সহপাঠীসকলে অভিযোগ কৰে যে মাতৃয়ে তেওঁক অৱগত কৰিছিল। তথাপি সহপাঠীসকলক অৱগত নকৰাৰ বাবে অসন্তোষ কৰিছিল। দৰাচলতে তেওঁৰ মাতৃয়ে এনেধৰণৰ প্ৰতিযোগিতাসমূহৰ জৰিয়তে শিক্ষাৰ্থীসকলক হঠাতে প্ৰস্তুত হ'ব পৰাকৈ এক আত্মবিশ্বাস সৃষ্টি কৰিব খোজে। এনেকৈয়ে দ্ৰৌপদীৰ কন্যাই বিদ্যালয়ৰ শৈক্ষিক দিনবোৰ আৰু নিজৰ শিক্ষয়িত্ৰী মাতৃৰ বিষয়ে ব্যক্ত কৰে। উৰিষ্যাৰ ৰায়ৰংপুৰত অৱস্থিত শ্ৰী অৰবিন্দ ইন্টিগ্ৰেল এডুকেচন এণ্ড ৰিচাৰ্চ চেণ্টাৰত শিক্ষয়িত্ৰী হিচাপে নিযুক্ত আছিল। সেই শিক্ষানুষ্ঠানতে ইতিশ্ৰী আৰু তেওঁৰ ভাতৃ তাৰিণী সেনে অধ্যয়ন কৰিছিল। বৰ্তমান ভুৱনেশ্বৰত থকা ইউকো বেংকৰ প্ৰবন্ধক হিচাপে ইতিশ্ৰীয়ে কাৰ্যনিৰ্বাহ কৰি আছে। দুই কন্যাৰ মাতৃ ইতিশ্ৰীয়ে কয় যে তেওঁৰ মাতৃ ৰাষ্ট্ৰপতি হ'লেও কথা নাই কিন্তু একেলগে বসবাস কৰিব খোজে।



কিয়নো মাতৃৰ স্বাস্থ্যৰ যত্ন বৰ্তমানৰ দৰে লৈ থকাৰ আৱশ্যকতা আছে। উল্লেখ্য যে যদিহে তেওঁৰ মাতৃৰ সংগ্ৰাম, ত্যাগ, সাহস আৰু দায়িত্বৰ বিষয়ে বিৰোধী দলবোৰে অৱগত হয় তেনেহ'লে নিশ্চিতভাৱে তেওঁলোকে নিজৰ দলীয় প্ৰাৰ্থী প্ৰত্যাহাৰ কৰিব। এগৰাকী মহিলা, জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ হোৱাৰ লগতে ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হোৱাটো কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ আদিয়ে সমৰ্থন কৰিবলৈ আগুৱাই আহিব বুলি দ্ৰৌপদী কন্যাই আশা কৰিছে। উল্লেখ্য যে বিৰোধী দলবোৰে প্ৰাক্তন বিত্তমন্ত্ৰী যশৱন্ত সিনহাক প্ৰক্ষেপ কৰিছে উমৈহতীয়া প্ৰাৰ্থী হিচাপে।

### লেঞ্চেটৰ অধ্যয়নত প্ৰকাশ পাইছে পাৰ্শ্বক্ৰিয়াৰ প্ৰসংগ

# ক'ভিডত আক্ৰান্ত ৪৬ শতাংশ শিশুৱে দুমাহলৈ দেখুৱাই থাকে ক'ভিডৰ লক্ষণ

**নতুন দিল্লী, ২৩ জুন ঃ** কোভিডৰ পৰা মুক্ত হোৱাৰ পিছতো বহু শিশোৱে প্ৰায় দুমাহলৈ কোভিডৰ লক্ষণ দেখুৱাই থাকে। শেহতীয়াকৈ দ্য লেঞ্চেট চাইল্ড এণ্ড এডলচেণ্ট হেল্‌থ জাৰ্নেলত প্ৰকাশিত এক অধ্যয়ন অনুসৰি কোভিডত সংক্ৰমিত শিশোৱে কমেও দুমাহ



স্থায়ী দীঘলীয়া কোভিডৰ লক্ষণ দেখুৱাব পাৰে। ০-১৪ বছৰ বয়সৰ শিশুৰ ক্ষেত্ৰত এনে কোভিডৰ লক্ষণৰ ধৰা পৰাৰ কথা অধ্যয়নটোত প্ৰকাশ পাইছে। ডেনমাৰ্কত শিশুৰ ক্ষেত্ৰত এই অধ্যয়ন চলোৱা হৈছিল ডেনমাৰ্কৰ কোপেনহেগেন বিশ্ববিদ্যালয় চিকিৎসালয়ৰ অধ্যাপক চেলিনা কিকেনবৰ্গ বাৰ্গৰ নেতৃত্বত চলোৱা অধ্যয়নটোত এই কথা স্পষ্ট হৈছে যে শিশুসকলৰ ক্ষেত্ৰত কোভিডৰ প্ৰভাৱ বহু দিনলৈ ৰৈ যায়। সকলো শিশুৰ ওপৰত মহামাৰীৰ দীৰ্ঘম্যাদী প্ৰভাৱৰ বিষয়ে অধিক গৱেষণা কৰাটো উচিৎ বুলি গৱেষকে গৰাকীয়ে কয় ।অধ্যয়নটোত, জানুৱাৰী ২০২০ ৰ পৰা জুলাইৰ ভিতৰত কোভিড-১৯ৰ ইতিবাচক পৰীক্ষা কৰা ০-১৪ বছৰৰ ভিতৰৰ প্ৰায় ৩৩,০০০ শিশুক সামৰি লোৱা হৈছিল ।তেওঁলোকৰ মাজৰে ১১ হাজাৰ শিশুৰ দেহত কোভিডৰ পৰা মুক্ত হোৱাৰ পিছতো দুমাহলৈ কোভিডৰ লক্ষণ থকা দেখা গৈছিল। অধ্যয়নটোত প্ৰকাশ পোৱা মতে ৪-১১ বছৰ বয়সৰ ভিতৰৰ কোভিডৰ পৰা মুক্ত হোৱা শিশোৱে কেতবোৰ লক্ষণবোৰ যেনে মেজাজ সলনি হোৱা, মনত ৰখা বা মনোযোগ দিয়াত সমস্যা, ছালত চোকোৰা বন্ধা আদি লক্ষণত ভুগিছিল ।১২-১৪ বছৰ বয়সৰ ভিতৰৰ শিশুসকলে ভাগৰ লগা, মেজাজ সলনি হোৱা, মনত ৰখা বা মনোযোগ দিয়াত সমস্যা পোৱা আদি লক্ষণৰ চিকাৰ হৈছিল।। ইয়াৰ উপৰি বহু শিশোৱে মূৰৰ বিষ, মেজাজ সলনি হোৱা, পেটৰ বিষ, আৰু ভাগৰ লগা আদি লক্ষণত ভোগাৰ কথাও অধ্যয়নটোৰ পৰা পোহৰলৈ আহিছে। ইপিনে বিশ্ব স্বাস্থ্য সংস্থাৰ এক প্ৰতিবেদনত কোৱা হৈছে বিশ্বজুৰি যোৱা দুবছৰত ১৫ মিলিয়ন লোকে ক'ভিডজনিত কাৰণত মৃত্যু হৈছে। এই মৃত্যু হোৱা লোকসকলৰ সৰহসংখ্যকেই দক্ষিণ পূব এছিয়া, ইউৰোপ আৰু আমেৰিকাৰ দেশসমূহৰ বাসিন্দা। বিশ্বজুৰি দেখা দিয়া এই সংকটৰ লক্ষ্য ৰাখি "হু'ৰ অধ্যক্ষ টেড্ৰ'ছ আধানম ঘেব্ৰিয়েছুছে এটা বিশেষ আহ্বানো জনাইছিল। তেওঁ বিশ্বৰ দেশসমূহক স্বাস্থ্যখণ্ডৰ ওপৰত অত্যধিক গুৰুত্ব দিবলৈ কৈছিল।

# মণিপুৰী ছাত্ৰীক বিদেশী আখ্যা

## তাজমহল চৌহদত সমাজবাদী নেতাৰ বিৰুদ্ধে প্লেকাৰ্ড লৈ প্ৰতিবাদ

**নতুন দিল্লী, ২৩ জুন ঃ** মণিপুৰৰ পৰা দিল্লী গৈ তাজমহল দৰ্শন কৰাৰ সময়ত এক বিদ্বেষৰ সন্মুখীন হ'ল এগৰাকী ছাত্ৰী। লিচিপ্ৰিয়া কাঙুজাম নামৰ ছাত্ৰীগৰাকী প্ৰকৃততে বিদেশী বুলি অভিযোগ কৰিছিল সমাজবাদী পাৰ্টীৰ নেতা মনীষ জগন আগৰৱালাই। এই কাৰ্যৰ বিৰুদ্ধে মনিপুৰী ছাত্ৰীগৰাকীয়ে প্ৰতিবাদ কৰা পৰিলক্ষিত হয়।




উল্লেখ্য যে ছাত্ৰীগৰাকীয়ে তাজমহল চৌহদৰ ভিতৰতে প্লাষ্টিকৰ দ্বাৰা সৃষ্টি কৰা প্ৰদূষণৰ বিষয়ত সজাগতা আনিবলৈ প্লেকাৰ্ড লৈ এনেদৰে অৱস্থান কৰা দেখা গৈছিল। বিদেপি দলে ছাত্ৰীগৰাকীৰ এই ফটোখন টুইটাৰত ব্যৱহাৰ কৰিছিল আৰু বিষয়টো ৰাজহুৱা কৰিছিল। কিন্তু সমাজবাদী পাৰ্টীৰ সংবাদ কোষৰ সৈতে জড়িত মনীষ জগন আগৰৱালে উক্ত ফটোখন প্ৰদৰ্শন কৰি উত্তৰ প্ৰদেশৰ শাসকীয় বিজেপি চৰকাৰৰ সমালোচনা কৰিছিল। বিজেপি চৰকাৰে তাজমহল চৌহদত প্লাষ্টিকৰ আৱৰ্জনাৰে পৰিপূৰ্ণ কৰি ৰখা কাৰ্যৰ বিৰুদ্ধে বিদেশী পৰ্যটকে প্লে কাৰ্ড লৈ প্ৰতিবাদ কৰা বুলি অভিহিত কৰিছে। তাজমহল দৰ্শনকাৰীয়ে চৰকাৰৰ মুখা খুলি দিয়া বুলিও সমাজবাদী পাৰ্টীয়ে অভিযোগ কৰিছিল। এই বিষয়টো ভাইৰেল হৈ পৰাত ছাত্ৰীগৰাকীয়ে ইয়াৰ প্ৰত্যুত্তৰ দিয়ে আৰু কয় যে মহাশয়, মই এগৰাকী গৰ্বিত ভাৰতীয়, বিদেশী নহয়। এনেকৈয়ে কণমানি ছাত্ৰীয়ে উত্তৰ প্ৰদেশৰ সমাজবাদী পাৰ্টীৰ বিয়াগোম নেতাক প্ৰত্যুত্তৰ দিয়াৰ পিছত বিজেপি দলে ওলোটাই সমাজবাদী পাৰ্টীৰ বিৰুদ্ধে সোচ্ছাৰ হৈ পৰা দেখা গৈছে।

# সহস্ৰাধিকৰ মৃত্যুৰ পিছত তালিবানে সহায় বিচাৰিছে আন্তঃৰাষ্ট্ৰীয় মহলৰ পৰা

## ভূমিকম্পত থানবান হ'ল আফগানিস্তান

**কাবুল, ২৩ জুন ঃ** ৰিখটাৰ স্কেলত ৬.১ কম্পনাংকৰ ভূমিকম্পই থানবান কৰি দিলে আফগানিস্তান। ইতিমধ্যে বিগত এবছৰে ৰাজনৈতিক অস্থিৰতাত ভোগা দেশখনত অৰ্থনৈতিক ভেটি একেবাৰে দুৰ্বল হৈ পৰিছে। সমান্তৰালভাৱে গোষ্ঠী সংঘৰ্ষ, মৌলবাদ আৰু সন্ত্ৰাসবাদৰ



কাৰ্যকলাপে সাধাৰণ ৰাইজৰ জীৱনযাত্ৰা জটিল কৰি তোলা দেখা গৈছে। বিগত বৰ্ষৰ আগষ্ট মাহত তালিবানে দেশখনৰ ক্ষমতা বলপূৰ্বকভাৱে দখল কৰিছিল। তেতিয়াৰ পৰাই পলাতক ৰাষ্ট্ৰপতি হামিদ কাৰজাইৰ দ্বাৰা চলোৱা দুই দশকৰ সু-শৃংখলিত শাসনৰ পৰিৱৰ্তে তীব্ৰ ইছলামিক নীতি জাপি দিয়া হৈছে। ফলত আন্তঃৰাষ্ট্ৰীয় মহলে আফগানিস্তানৰ তালিবান চৰকাৰক আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰিবলৈ অনিচ্ছুক হৈ আছে। ইয়াৰ মাজতে এদিনৰ পূৰ্বে প্ৰাকৃতিক দুৰ্যোগত দেশখনৰ দুখন জিলাৰ হাজাৰোধিক লোকে প্ৰাণ ত্যাগ কৰিব লগা হোৱা মৰ্মান্তিক ঘটনাৰ সন্মুখীন হৈছে। এই দুৰ্যোগৰ ফলত ছয় শতাধিক লোক গুৰুতৰভাৱে জখম হৈছে বুলিও তালিবান চৰকাৰৰ বৈদেশিক মন্ত্ৰালয়ে স্পষ্ট কৰিছে। বহুতো বাসভৱন ধ্বংসস্তুপত পৰিণত হৈছে আৰু উদ্ধাৰকাৰীৰ দলে ধ্বংসস্তুপৰ আৱৰ্জনা আঁতৰাই মৃতদেহৰ সন্ধান অব্যাহত ৰাখিছে। এতিয়াও ভিতৰুৱা স্থানসমূহত উদ্ধাৰ অভিযান চলাবলৈ সক্ষম নোহোৱা বুলি কোৱা হৈছে। পাহাৰীয়া অঞ্চলত আৰু পাকিস্তানৰ সীমান্তৱৰ্তী জিলাৰ পৰা ভূমিকম্পৰ বাবে উদ্ধাৰ অভিযানত কিছু জটিলতা আহি পৰিছে। উল্লেখ্য যে যিসমূহ অঞ্চলত এই ক্ষয়-ক্ষতি হৈছে সেই অঞ্চলসমূহৰ যাতায়াত ব্যৱস্থা অতিশয় দুৰ্গম হৈ পৰিছে। দেশখনৰ আভ্যন্তৰীণ প্ৰতিৰক্ষা মন্ত্ৰী ছালাহুদ্দিন আয়ুবীয়ে কয় যে মৃতকৰ সংখ্যা অধিক বৃদ্ধি পোৱাটো নিশ্চিত। যিহেতু এতিয়াও সম্পূৰ্ণকৈ ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰিব পৰা হোৱা নাই। ইফালে যোৱা দুই দশকত যিমানসমূহ প্ৰাকৃতিক দুৰ্যোগ হৈছিল তাৰ তুলনাত এই ক্ষয় ক্ষতি বহু পৰিমাণে অধিক বুলি ধাৰণা কৰা হৈছে। ২০০২ চনৰ পৰা হোৱা ভূমিকম্প আৰু প্ৰাকৃতিক দুৰ্যোগে এইবাৰৰ দৰে বৃহৎ ক্ষতি কৰিবলৈ সক্ষম হোৱা নাছিল। দেশখনৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগে এই কথা প্ৰকাশ কৰিছে। উল্লেখ্য যে সবাতোকৈ ক্ষতিগ্ৰস্ত হৈছে পাকটিকা আৰু খুষ্ট নামৰ জিলা দুখনত। বৰ্তমানলৈকে তিনি শতাধিক মৃতদেহ পাকটিকা জিলাৰ পৰাই উদ্ধাৰ কৰা হৈছে। এতিয়াও শাৰী শাৰী ধ্বংসাৱশেষ আছে আৰু এইসমূহত আবদ্ধ হৈ থকা বা পোত গৈ থকা মৃতদেহৰ সন্ধান কৰিবলৈ বহু সময় থকা বুলি ব্যক্ত কৰিছে। আনহাতে খোষ্ট জিলাৰ পৰাও অৰ্ধ শতাধিক মৃতদেহ বৃহস্পতিবাৰে উদ্ধাৰ কৰা হৈছে। জিলাখনৰ বিভিন্ন চিকিৎসালয়ত শতাধিক লোকক ভৰ্তি কৰোৱা হৈছে। প্ৰণিধানযোগ্য এয়ে যে আফগানিস্তানৰ এই দুৰ্যেগৰ সময়ত বিশ্বৰ বহু দেশে সহায়ৰ বাবে আগবাঢ়ি আহিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। আফগান চৰকাৰক স্বীকৃতি নিদিলেও মানৱীয়তাৰ কাৰণতে দুৰ্গত লোকসকলক উদ্ধাৰৰ বাবে ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্টনিও গুটেৰাছ, আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বিডেন, পাকিস্তান চৰকাৰ আদি সষ্টম হৈ পৰা বুলিব পাৰি। আমেৰিকা যুক্তৰাষ্ট্ৰই আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহক আহবান জনাইছে যাতে তেওঁলোকে আফগানিস্তানৰ দুৰ্গত লোকসকলক সহায়



কৰিবলৈ আগুৱাই আহে। ইয়াৰ বাবে আমেৰিকাই সকলো প্ৰকাৰে সহযোগ কৰিবলৈ সাজু থকা বুলি ব্যক্ত কৰিছে। উল্লেখ্য যে ভাৰতেও এই দুৰ্যোগৰ সময়ত মানৱীয়তাৰ কাৰণত আফগানিস্তানৰ সাধাৰণ জনতাৰ কাষত ঠিয় দিবলৈ আগ্ৰহী বুলি অভয় দান কৰা পৰিলক্ষিত হৈছে।

# পনিৰছেলভামৰ গালৈ বটল নিক্ষেপ

## এ আই এ ডি এম কেৰ সভাত বিষম পৰিস্থিতি

**চেন্নাই, ২৩ জুন ঃ** তামিলনাডুৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অ' পনিৰছেলভামৰ গালৈ লক্ষ্য কৰি পানীৰ বটল নিক্ষেপ কৰা কাৰ্যই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে এ আই এ ডি এম কে দলৰ সাধাৰণ পৰিষদৰ বৈঠক বৃহস্পতিবাৰৰ পৰা আৰম্ভ হৈছে। এই সভাত দলটোৰ দুজন প্ৰাক্তন মুখ্যমন্ত্ৰী পনিৰছেলভাম আৰু ই কে পালানীস্বামীৰ মাজত দলৰ শীৰ্ষপদ কুশীগত কৰাৰ বাবে তীব্ৰ প্ৰতিযোগিতা অব্যাহত আছে। দুয়োজন নেতাই জিৰ নিজৰ সমৰ্থকৰ জৰিয়তে সাধাৰণ সভাত শক্তি প্ৰদৰ্শনৰ প্ৰয়াস চলোৱা দেখা গৈছে। ইফালে এজন নেতাৰ জৰিয়তে দল পৰিচালিত হ'ব লাগে বুলি তৃণমূলৰ একাংশ কৰ্মীয়ে দীৰ্ঘদিন ধৰি আহ্বান জনাই আহিছে। এই শীৰ্ষপদ কোনজন নেতাই আজুৰি আনিবলৈ সক্ষম হ'ব সেই বিষয়ত সমগ্ৰ তামিলনাডুত সাধাৰণ জনতাৰ মাজতো বিষয়টো অৱগত হ'বলৈ উৎকণ্ঠা বৃদ্ধি পোৱা বুলিব পাৰি। প্ৰণিধানযোগ্য এয়ে যে দলৰ মজিয়াত পনিৰ ছেলভামৰ সমৰ্থক হ্ৰাস পোৱা বুলি প্ৰকাশ পাইছে। সেয়েহে মঞ্চত ভাষণ প্ৰদানৰ সময়তে তেওঁলৈ পানীৰ বটল নিক্ষেপ কৰি একাংশই ক্ষোভ প্ৰকাশ কৰিছে। অৱশ্যে ইয়াৰ পিছতে মঞ্চৰ পৰা তেওঁ নিজেই আঁতৰি যোৱা বুলিও কোৱা হৈছে। দলৰ মজিয়াত ৭৫ জন জিলা সম্পাদক আছে। ই.য়াৰে কেবল ৯ জনেহে পনিৰছেলভামক সমৰ্থন কৰে। অন্য ৬৬ জনে পালানীস্বামীৰ সমৰ্থক বুলি প্ৰকাশ পাইছে।



ইয়াৰ উপৰিও তামিলনাডুৰ বিৰোধী দলৰ আসনত বহা দলটোত ৬৬ বিধায়কৰ কেবল পাঁচজনেহে পনিৰছেলভামৰ পক্ষত অৱস্থান হোৱা বুলি চৰ্চিত হৈছে।

### দশকটোৰ সৰ্বাধিক ক্ষয়-ক্ষতি বুলি অভিহিত, মোকাবিলা কৰিবলৈ লাগিব বহু বছৰ

# অগ্নিপথ প্ৰতিবাদকাৰীয়ে ৰে'ল বিভাগৰ ক্ষতি কৰিলে এহেজাৰ কোটিতকৈও অধিক টকাৰ সম্পদ





**নতুন দিল্লী, ২৩ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে সেনাবাহিনীত নিযুক্তিৰ বাবে প্ৰণয়ন কৰা অগ্নিপথ নামৰ আঁচনিখনৰ বিৰোধিতা কৰি একাংশই ৰে'ল বিভাগৰ বিভিন্ন সম্পদ ধ্বংস কৰিছে। ৰে'লৰ দবা, আস্থান আদিত অগ্নি সংযোগ কৰি ভস্মীভূত কৰিছে। হাতে হাতে লাঠী আদি লৈ সা-সম্পদ ভাঙি-ছিঙি পেলোৱা পৰিলক্ষিত হৈছে। তেনেস্থলত বিভাগে প্ৰকাশ কৰিছে যে চলিত দশকটোত ৰে'ল বিভাগৰ অনাকাংক্ষিত যিমান ক্ষয়-ক্ষতি হৈছে, তাতকৈ বহু বেচি পৰিমাণে ক্ষতি হ'ল এটা সপ্তাহৰ ভিতৰতে। এই ক্ষতিৰ পৰিমাণ এহেজাৰ কোটিতকৈ অধিক হ'ব বুলিও ব্যক্ত কৰিছে। বহুকেইখন ৰে'লত বিহাৰ, তেলেংগানা, পশ্চিমবংগ আদি অগ্নিসংযোগ কৰা হৈছিল। প্ৰতিবাদকাৰীয়ে হিংসাত্মক ৰূপ ধাৰণ কৰি ৰে'ল আস্থানসমূহ ভাঙি চূড়মাৰ কৰিছিল। যোৱা ১৮ জুন তাৰিখে ৰে'ল বিভাগে ব্যক্ত কৰিছিল যে এনেধৰণৰ আক্ৰমণৰ ফলত বিভাগটোৱে চাৰি দিনত ৭০০ কোটি টকাৰ লোকচান মূৰ পতি ল'ব লগা হৈছে। শতাধিক ৰে'লৰ যাত্ৰা বাতিল কৰিব লগা হৈছে। ৬০ কোটিতকৈ অধিক যাত্ৰীৰ অগ্ৰিম টিকটসমূহ বাতিল হৈছে। গতিকে যোৱা এটা দশকত ৰে'ল বিভাগত সৰ্বমুঠ লোকচানতকৈ যোৱা এসপ্তাহত অধিক ক্ষয়-ক্ষতিৰ সন্মুখীন হোৱা বুলি ৰে'ল বিভাগে প্ৰকাশ কৰা জাননীত উল্লেখ কৰিছে। উল্লেখ্য যে একেটা সাধাৰণ দবাৰ বাবে নিৰ্মাণ ব্যয় আশী লাখ টকাতকৈ অধিক। আনহাতে শ্লিপাৰ আৰু এ চি সংলগ্ন দবাৰ নিৰ্মাণ ব্যয় ক্ৰমে ১.২৫ কোটি আৰু ৩.৫ কোটি টকা। একোটা ৰে'ল ইঞ্জিন নিৰ্মাণৰ বাবে চৰকাৰে ব্যয় কৰে ২০ কোটি টকা। ইফালে বাৰটা যাত্ৰীবাহী দবা সংলগ্ন একোখন ৰে'লৰ নিৰ্মাণ বয় ৪০ কোটি টকাত কৈ অধিক হয়। আনহাতে ২৪টা যাত্ৰীবাহী দবা সংলগ্ন একোখন ৰে'লৰ বাবে চৰকাৰে ৭০ কোটি টকাতৈ অধিক ধন ব্যয় কৰে। বিগত দুটা বছৰে কৰ'না ভাইৰাছৰ সংক্ৰমণ আৰু অন্যান্য কাৰণত ৰে'ল বিভাগ বিস্তৰ ক্ষতিৰ সন্মুখীন হৈছিল। ২০২০-২১ বৰ্ষত ক্ষতিৰ পৰিমাণ আছিল ৪৬৭.২০ কোটি টকা। আনহাতে ২০১৯-২০ বৰ্ষত ৰে'ল বিভাগৰ ক্ষতি হৈছিল প্ৰায় ১০০ টকা। সেয়েহে অগ্নিপথ আঁচনিৰ প্ৰতিবাদৰ নামত হোৱা ক্ষয়-ক্ষতিৰ মোকাবিলাৰ বাবে কমেও এক দশকৰ আৱশ্যক হ'ব বুলি প্ৰকাশ কৰা হৈছে। ইফালে ৰে'লৰে সুৰক্ষা আইনৰ ১৫১ ধাৰা অনুসৰি যদিহে কোনো লোকে ইচ্ছাকৃতভাৱে ৰে'ল বিভাগৰ সম্পদ ক্ষতি কৰে তেনেহ'লে কমেও পাঁচ বছৰৰ কাৰাবাসৰ দণ্ড ভুগিব লগা হয়। বৰ্তমান বিহাৰতে শতাধিক লোকক গ্ৰেপ্তাৰ কৰা হৈছে। গতিকে এই লোকসকলক আইন অনুসৰি শাস্তি প্ৰদানৰ দাবী কৰিছে বিভিন্ন মহলে। ইয়াৰ বিপৰীতে চৰকাৰে অগ্নিপথ আঁচনিৰ ক্ষেত্ৰত নৱ প্ৰজন্মক সঠিকভাৱে পতিয়ন নিয়াবলৈ সক্ষম নোহোৱাৰ কাৰণেই এনেদৰে বিক্ষিপ্তভাৱে আক্ৰমণ কৰিবলৈ দল বান্ধি ওলাই অহা বুলি আঙুলিয়াই দিয়া দেখা গৈছে।

# এ আই ডি এম কেৰ সাধাৰণ পৰিষদৰ সভাক লৈ তামিলনাডুত চেপা উত্তেজনা

## পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৫০০ বাউন্সাৰ নিযুক্ত, ২৩ প্ৰস্তাৱ গ্ৰহণ, জয়া ললিতাৰ দৰেই একক নেতৃত্বৰ অধীনত দল পৰিচৰিত কৰাৰ দাবী

**চেন্নাই, ২৩ জুন ঃ** তামিলনাডুৰ আম্মা খ্যাত জে জয়া ললিতাৰ মৃত্যুৰ পিছত থানবান হৈ পৰা এআইএডি এম কে দলৰ জৰুৰী সাধাৰণ বৈঠক অনুষ্ঠিত হৈছে ৰাজধানী চহৰখনত। বৰ্তমান বিৰোধীৰ আসনত থকা দলটোৰ নেতৃত্বৰ সংঘাতে চূড়ান্ত ৰূপ ধাৰণ কৰা বুলিব পাৰি। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে বৃহৎসংখ্যক আৰক্ষী, অৰ্ধসামৰিক বাহিনীৰ উপৰিও সভাগৃহৰ ভিতৰত পাঁচ শতাধিক বাউন্সাৰ নিযুক্ত কৰা বুলি প্ৰকাশ পাইছে। মূলতঃ দুটা পক্ষৰ মাজত নেতৃত্বকেন্দ্ৰিক সংঘাতে হিংসাত্মক ৰূপ লোৱাৰ আশংকা প্ৰকাশ পাইছে। দলটোৰ মুখপাত্ৰ ডি জয়কুমাৰে সংবাদ মেলৰ জৰিয়তে কয় যে একক নেতৃত্বৰ জৰিয়তে ভৱিষ্যতে দলটো পৰিচালিত হ'ব লাগে বুলি তৃণমূল পৰ্যায়ৰ পৰা দাবী উত্থাপিত হৈছে। বৰ্তমান অ' পনিৰছেলভাম আৰু ই কে পালানীস্বামীৰ মাজত নেতৃত্বকেন্দ্ৰিক সংঘাত বৰ্তি আছে। ইফালে ভি কে শশীকলাই কাৰাগাৰৰ পৰা মুক্ত হৈ এ আই এ ডি এম কে লৈ প্ৰত্যাৱৰ্তনৰ বাবে সুযোগৰ সন্ধানত থকা বুলিও প্ৰকাশ পাইছে।



### সাংসদ সঞ্জয় ৰাউটৰ দাবী

# একনাথ সিন্ধেকে ধৰি ১৭-২০ জন বিদ্ৰোহী বিধায়ক আছে ইডিৰ নজৰত

**নতুন দিল্লী, ২৩ জুন ঃ** বিদ্ৰোহী শিৱসেনাৰ মন্ত্ৰী একনাথ সিন্দে ইডিৰ নজৰত আছে! মহাৰাষ্ট্ৰৰ সংকটৰ মাজতে বালাচাহেব ঠাকৰেৰ দল শিৱসেনাৰ মুখপাত্ৰ সঞ্জয় ৰাউতে এনে এক চাঞ্চল্যকৰ দাবী কৰিছে। তেওঁ লগতে দাবী কৰে যে কমেও ১৭-২০ জন বিদ্ৰোহী বিধায়ক কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৰ নিৰীক্ষণত আছে। বাকী ১০-১৫ জন বিধায়কে ইডিৰ জাননীক লৈ শংকিত হৈ আছে। ৰাউতে সৰ্বভাৰতীয় সংবাদমাধ্যমৰ আগত কয়, "মোৰ ওচৰত তথ্য আছে যে বেছিভাগ বিদ্ৰোহী বিধায়কে ইডিৰ জাননী লাভ কৰিছে। বিজেপিয়ে ইডিৰ জৰিয়তে তেওঁলোকৰ ওপৰত হেঁচা প্ৰয়োগ কৰি আছে।



বাকী বিধায়কসকলও তদন্তকাৰী সংস্থাৰ নিৰীক্ষণত আছে।'' বিদ্ৰোহী বিধায়কসকলৰ দৰে সিন্দেও ইডিৰ স্কেনাৰত আছেনে? সাংবাদিকৰ এই প্ৰশ্নৰ উত্তৰত ৰাউতে কয়, "হয়, মোৰ ওচৰত তেনে খবৰেই আছে। '' শিৱসেনাৰ আন এজন জ্যেষ্ঠ নেতাই কয়, "বহুতো বিদ্ৰোহী নেতাই ইডি কাৰ্যালয়লৈ অহাযোৱা কৰিছিল। তাৰ পিছতে তেওঁলোকে একনাথ সিন্দে আৰু বিজেপি নেতাসকলক সাক্ষাৎ কৰিছিল। এইটো স্পষ্ট যে তেওঁলোকে নিজকে বচাবলৈকে বিজেপিৰ সৈতে হাত মিলাইছে। '' মহাৰাষ্ট্ৰৰ সাম্প্ৰতিক পৰিস্থিতিকলৈ সিন্দে মুখ্যমন্ত্ৰী উদ্ধৱ ঠাকৰেৰ সৈতে এখন বৈঠকত বহিব নেকি বুলি আন এক প্ৰশ্নৰ উত্তৰত ৰাউতে কয়, "আমি তেওঁক মুম্বাইলৈ আহি এখন বৈঠক অনুষ্ঠিত কৰিবলৈ আমন্ত্ৰণ জনাইছো। এইটো ফোনতো কোৱা হৈছিল। মুখ্যমন্ত্ৰীয়ে ফেচবুক লাইভতো কৈছে। কিন্তু সিন্দে আৰু বিধায়কসকল এতিয়াও মুম্বাইলৈ অহা নাই। একো কোৱাও নাই।"

# চৰাইদেউত অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন ৰাজহমন্ত্ৰী যোগেন মহনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ২৩ জুন ঃ** 'অংগনৱাড়ী কেন্দ্ৰসমূহৰ পৰিৱেশ সুন্দৰ আৰু মনোমোহা হ'লেহে শিশুসকল এই কেন্দ্ৰসমূহলৈ আহিবলৈ আগ্ৰহী হ'ব। ৰাজ্য চৰকাৰে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰসমূহ স্থাপনৰ যোগেদি শিশুসকলৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধনৰ পথ প্ৰশস্ত কৰিছে। এই পদক্ষেপৰ জৰিয়তে অংগনৱাড়ী কেন্দ্ৰসমূহে দেশৰ ভৱিষ্যৎস্বৰূপ শিশুসকলক বৰ্তমানৰ প্ৰতিযোগিতামূলক যুগত নিজৰ যোগ্যতা প্ৰতিপন্ন কৰাৰ দিশত উৎকৃষ্ট আদিপাঠ প্ৰদান কৰিবলৈ সক্ষম হ'ব। এইক্ষেত্ৰত অংগনৱাড়ী কেন্দ্ৰসমূহৰ কৰ্মী-সহায়িকাসকলে নিজ নিজ দায়িত্ব নিষ্ঠাসহকাৰে আৰু সেৱাৰ মনোভাবেৰে পালন কৰিব লাগিব।' আজি চৰাইদেউ জিলাৰ মাহমৰা বিধানসভা সমষ্টিৰ অধীনত দুটাকৈ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন কৰি এই মন্তব্য কৰে অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পাৰ্বত্য অঞ্চল উন্নয়ন আদি বিভাগৰ মন্ত্ৰী যোগেন মহনে। জিলাখনৰ দুটা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ ক্ৰমে নাৰায়ণপুৰ অংগনৱাড়ী কেন্দ্ৰ আৰু বনমালী অংগনৱাড়ী কেন্দ্ৰৰ শুভ উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে শিক্ষা জাতিৰ মেৰুদণ্ড বুলি অভিহিত কৰি ৰাজ্য চৰকাৰে শিক্ষা খণ্ডৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰে। তেওঁ লগতে অন্যান্য চৰকাৰী জনহিতকৰ আঁচনিৰ বিষয়েও উল্লেখ কৰে। অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰি চৰাইদেউ জিলাৰ উপায়ুক্ত পল বৰুৱাই কয় যে, ২৫ লাখ টকাকৈ ব্যয়ৰে জিলাখনত মুঠ ২২টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে ১১টা সোণাৰি আৰু ১১টা মাহমৰা বিধানসভাত স্থাপিত হৈছে। অৱশিষ্ট আদৰ্শ অংগনৱাড়ী কেন্দ্ৰকেইটাৰ নিৰ্মাণকাৰ্য ১৫ আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। অংগনৱাড়ী কেন্দ্ৰৰ হিতাধিকাৰীসকলৰ আধাৰ পঞ্জীয়ন অপৰিহাৰ্য বুলি উল্লেখ কৰি তেওঁ সংশ্লিষ্ট সকলোকে শীঘ্ৰে আধাৰ পঞ্জীয়ন কৰাই তেওঁলোকৰ আধাৰ সংযোজনৰ কাম সম্পন্ন কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে অন্যান্য সকলো চৰকাৰী আঁচনিৰ হিতাধিকাৰীসকলৰ আধাৰ পঞ্জীয়ন আৰু আধাৰ সংযোজন বাধ্যতামূলক বুলি উল্লেখ কৰে। উপায়ুক্তগৰাকীয়ে অংগনৱাড়ী কেন্দ্ৰসমূহ সুন্দৰভাৱে পৰিচালনা কৰাৰ ক্ষেত্ৰত কেন্দ্ৰসমূহৰ কৰ্মী-সহায়িকাৰ লগতে পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজো সচেতন হ'ব লাগিব বুলি কয়। আজিৰ অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া জাহ্নৱী গোস্বামীয়ে। অনুষ্ঠানত সোণাৰি সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া প্ৰিয়ংকা টাইদ, চৰাইদেউ জিলা পৰিষদৰ অধ্যক্ষ বন্তি কোঁৱৰ, সদস্য ৰাখাল কুমাৰ, সহকাৰী খণ্ড উন্নয়ন বিষয়া ত্ৰিদীপ সোণোৱাল, পোষণ অভিযানৰ জিলা সমন্বয়ক দ্বিপেন বৰুৱা, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ জিলা কাৰ্যক্ৰম সমন্বয়ক নৱজ্যোতি গগৈ, বিশিষ্ট সমাজ সেৱক ক্ৰমে মণ্টু কোঁৱৰ, নৱ বৰুৱা, স্মৃতি দুৱৰা, সত্যজিত গোহাঁই প্ৰমুখ্যে সোণাৰি সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া-কৰ্মচাৰী আৰু ভালেসংখ্যক অংগনৱাড়ী কৰ্মী-সহায়িকা উপস্থিত থাকে।



## চেপন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

### এহাজাৰগৰাকী লোকে ৰক্তদান কৰি উদযাপন কৰিলে ৰক্তদান উৎসৱ-২০২২

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৩ জুন ঃ** বচাব পাৰো আনৰ প্ৰাণ, যদিহে কৰো ৰক্তদান এই উক্তি আগত ৰাখি আজি মৰাণৰ সমীপৰ চেপনস্থিত চেপন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰায় এহাজাৰগৰাকী লোকে ৰক্তদান কৰি পালন কৰিলে ৰক্তদান উৎসৱ-২০২২। এক ব্যতিক্ৰমী প্ৰচেষ্টাৰে চেপন মহাবিদ্যালয়ৰ প্ৰাঙ্গণত অনুষ্ঠিত হোৱা চেপন মহাবিদ্যালয়ৰ সপ্তম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি কোনো জাকজমকতা গীত-মাত পৰিৱেশনৰ পৰা বিৰত থাকি আনৰ জীৱন কেনেদৰে বচাব পাৰি তাৰ চিন্তা আগত লৈ ডিব্ৰুগড়ৰস্থিত অসম চিকিৎসা মহাবিদ্যালয়ৰ ৰক্ত ভঁৰালৰ সহযোগত প্ৰায় এহাজাৰগৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় দল-সংগঠনৰ উপৰি স্থানীয় লোকে ৰক্তদান কৰি পালন কৰে প্ৰতিষ্ঠা দিৱস। এনে এক ব্যতিক্ৰমী কাৰ্যসূচীৰে অনুষ্ঠিত কৰা প্ৰতিষ্ঠা দিৱসটিত অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মহনৰ লগতে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ সঞ্জীৱ কাকতি উপস্থিত থাকি শলাগ লয়। লগতে এনে ব্যতিক্ৰম পদক্ষেপক প্ৰশংসা কৰি চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষই আগন্তুক অসম চিকিৎসা মহাবিদ্যালয়ৰ ৭৫সংখ্যক প্ৰতিষ্ঠা দিৱসটি এনেদৰে উদ্‌যাপন কৰিব বুলি মন্তব্য কৰে। পুৱা গছপুলি ৰোপণেৰে আৰম্ভ হোৱা অনুষ্ঠানত ৰক্তদান উৎসৱ-২০২২ৰ মূল দুৱাৰৰ ফিতা কাটি মুকলি কৰে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে আৰু গছপুলি ৰোপণ কৰে মন্ত্ৰী যোগেন মহনে।

# ডুমডুমা মহাবিদ্যালয়ত দুৰ্যোগ প্ৰশমনৰ ব্যৱস্থাৱলী প্ৰদৰ্শন-সজাগতা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ২৩ জুন ঃ** অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়াৰ উদ্যোগত আৰু ডুমডুমা মহাবিদ্যালয়ৰ এন চি চি গোট, আই কিউ এ চিৰ সহযোগিতাত তিনিচুকীয়া জিলাৰ আগশাৰীৰ মহাবিদ্যালয় হিচাপে পৰিচিত ডুমডুমা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ 'কল্লোল'ত আজি দুৰ্যোগ প্ৰশমনৰ ব্যৱস্থাৱলী প্ৰদৰ্শন কৰাৰ লগতে সজাগতা অনুষ্ঠান আয়োজন কৰে। কাৰ্যসূচীৰ আঁত ধৰে মহাবিদ্যালয়ৰ অধ্যাপিকা তথা এন চি চিৰ লেফটেনেণ্ট ড° ৰুমী খালেন বৰাই। কাৰ্যসূচীত অংশগ্ৰহণ কৰি ডুমডুমা ৰাজহ চক্ৰ বিষয়া ৰণনময় ভৰদ্বাজে সাম্প্ৰতিক পৰিৱেশ-পৰিস্থিতিত প্ৰতিগৰাকী নাগৰিকেই দুৰ্যোগ প্ৰশমনৰ ব্যৱস্থাৱলীৰ সাধাৰণ জ্ঞান থকাটো বা প্ৰশিক্ষিত হোৱাটো প্ৰয়োজন আছে বুলি উল্লেখ কৰি অসামৰিক প্ৰতিৰক্ষা বিভাগ আৰু ডুমডুমা মহাবিদ্যালয়ৰ কাৰ্যক বিষয়াগৰাকীয়ে শলাগ লয়। তেওঁ দুৰ্যোগৰ সৈতে মোকাবিলা কৰিব পৰাকৈ সকলোকে সাৱধান হোৱাৰ লগতে তৎপৰ হ'বলৈ আহ্বান জনায়। অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়াৰ ডেপুটী কণ্ট্ৰ'লাৰ ৰূপান্ত সোণোৱাল, ৱাৰ্ডেন মনোৰঞ্জন মৰাণ, ডুমডুমা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° চম্পা ৰাও মোহন, অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা অঞ্জু কোঁৱৰ, আই কিউ এ চিৰ মুৰব্বী, অধ্যাপক ড° প্ৰাণজিত শইকীয়া, সহকাৰী কো-অৰ্ডিনেটৰ মিণ্টু উপাধ্যায়, ডুমডুমা মহাবিদ্যালয়ৰ এন চি চিৰ তত্ত্বাৱধায়ক বিষয়া ইজেগা লাগবে জেমে, অসামৰিক প্ৰতিৰক্ষা বিভাগৰ স্বেচ্ছাসেৱক সান্ত্বনা গোহাঁই, প্ৰভাত বাৰ্মা, দিলীপ সোণোৱাল, তুলসী দাস চনা আদি উপস্থিত আছিল। কাৰ্যসূচীত ডেপুটী কণ্ট্ৰ'লাৰ ৰূপান্ত সোণোৱালে আৰু তেওঁৰ দলে বিশেষকৈ অগ্নি নিৰ্বাপন, ভূমিকম্প আৰু বানপানীৰ সময়ত ল'ব লগা সাৱধানতা আদি বিষয়ত সজাগতা সৃষ্টি কৰে। অনুষ্ঠানত বিদ্যালয়খনৰ এন চি চি কেডেটসকলকে ধৰি চাৰি শতাধিক শিক্ষাৰ্থীয়ে ভাগ লয়।

## এঘাৰ দিন পিছত উদ্ধাৰ গোৰেশ্বৰৰ ব্যৱসায়ীৰ মৃতদেহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৰেশ্বৰ, ২৩ জুন ঃ** গোৰেশ্বৰ থানাৰ অন্তৰ্গত মহৰিপাৰা গাঁও নিৱাসী এগৰাকী প্ৰাক্তন সেনা জোৱান তথা এগৰাকী যুৱ ব্যৱসায়ী থানেশ্বৰ বড়োৰ (৩৭) মৃতদেহ কালি তামুলপুৰ জিলাৰ গান্ধীবাৰী আৰক্ষী চকীৰ অন্তৰ্গত গান্ধীবাৰীৰ এখন কলৰ বাগানৰ পৰা উদ্ধাৰ কৰা হয়। উল্লেখ্য যে ১১ জুনত কেইগৰাকীমান বন্ধুৰ সৈতে ভাৰত-ভূটান সীমান্তৰ পৰ্যটনস্থলী বগামাটিলৈ ফুৰিবলৈ গৈছিল। কিন্তু বৰনদী পাৰ হ'বলৈ লওঁতে ঘটিছিল অঘটন। বন্ধুৰ সন্মুখতে নৈত উটি গৈছিল থানেশ্বৰ বড়ো। ভাৰত-ভূটান সীমান্তৰ বগামাটিৰ খৰস্ৰোতা বৰনদীত উটি যোৱা থানেশ্বৰ বড়োক বিচাৰি এইকেইদিন এছডিআৰএফৰ লগতে বন্ধুবৰ্গই বিচাৰ-খোঁচাৰ কৰিছিল যদিও মৃতদেহ বিচাৰি পোৱা নাছিল। থানেশ্বৰ বড়ো মহৰিপাৰা পুখুৰীপাৰ নিৱাসী আছিল যদিও বৰ্তমান গোৰেশ্বৰত বসতি আৰম্ভ কৰাৰ লগতে গোৰেশ্বৰ আৰু মহৰিপাৰাত এখন 'ফাষ্ট ফুড' ৰেষ্টুৰেণ্ট আৰম্ভ কৰি ব্যৱসায় আৰম্ভ কৰিছিল। উক্ত দিনা লগৰীয়াৰ লগতে ব্যৱসায়িক প্ৰতিষ্ঠানৰ কৰ্মচাৰীৰ সৈতে বগামাটিলৈ ফুৰিবলৈ গৈ নিখোঁজ হোৱাৰ পিছত প্ৰবল বানে অঞ্চলটোত তাণ্ডৱ সৃষ্টি কৰিছিল। যাৰ বাবে উদ্ধাৰ অভিযান চলাব পৰা হোৱা নাছিল। কালি পুৱা প্ৰায় ৯ বজাত বানপানীত উটি অহা এটা মৃতদেহ স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে আৰু সুৱাগপুৰ আৰক্ষী চকীৰ সৈতে যোগাযোগ কৰে। পৰিয়ালৰ সৈতে যোগাযোগ কৰাৰ পিছত উক্ত মৃতদেহ নিৰুদ্দেশ হোৱা থানেশ্বৰ বড়োৰ বুলি নিশ্চিত কৰা হয়। ইয়াৰ পিছতে মৃতদেহ মুছলপুৰলৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে।

## ৰহদৈপুখুৰী স্বাস্থ্য কেন্দ্ৰত যোগ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৩ জুন ঃ** নাজিৰা মহকুমাৰ ৰহদৈপুখুৰী স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰত মঙলবাৰে অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়। এই উপলক্ষে পুৱা যোগ প্ৰশিক্ষক বুদ্ধ বুঢ়াগোহাঁয়ে উপস্থিত সকলোকে যোগাভ্যাস কৰোৱায় আৰু প্ৰত্যেকটো যোগ মুদ্ৰাৰ নাম আৰু ইয়াৰ উপকাৰিতা সম্পৰ্কে ৰাইজক অৱগত কৰে। স্বাস্থ্য প্ৰশিক্ষক স্মিতা বৰুৱাই আঁত ধৰা যোগ দিৱসত বৃহত্তৰ ৰহদৈ অঞ্চলৰ ভালেসংখ্যক জ্যেষ্ঠ নাগৰিক, শিক্ষক-শিক্ষয়িত্ৰী, যুৱক-যুৱতী আৰু ৰহদৈপুখুৰী স্বাস্থ্য কেন্দ্ৰৰ চিঅ'চি নিতাশ্ৰী দেৱীকে প্ৰমুখ্য কৰি সকলো কৰ্মচাৰী, আশাকৰ্মীসকলে অংশগ্ৰহণ কৰে। ইফালে যোগ দিৱসৰ লগত সংগতি ৰাখি স্বাস্থ্য কেন্দ্ৰটোত অসংক্ৰামক ৰোগৰ এটি চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হয়।



### গ্ৰীন লিফ ফাউণ্ডেচনৰ উদ্যোগত অধ্যাপক ছামচুল হক সোঁৱৰণী জীৱন সংগ্ৰাম বঁটা প্ৰদান

## ধূলিকণা কবিতা সংকলন উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২৩ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও প্ৰেছ ক্লাবত আজি 'ধূলিকণা' নামৰ এখন কাব্যগ্ৰন্থ উন্মোচনৰ উপৰি গোসাঁইগাঁও মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ছামচুল হক সোঁৱৰণী জীৱন সংগ্ৰাম বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। বিশিষ্ট সমাজকৰ্মী, লেখক তথা গোসাঁইগাঁও শাখা সাহিত্য সভাৰ সম্পাদক খনিন্দ্ৰ নাথ দাসে সভাপতিত্ব কৰে। আজি কাব্যগ্ৰন্থ উন্মোচন কৰে বিশিষ্ট সমাজসেৱিকা তথা গোসাঁইগাঁও ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অনুৰাণী বসুমতাৰীয়ে। কাব্যগ্ৰন্থ উন্মোচন কৰি বিশিষ্ট শিক্ষাবিদগৰাকীয়ে কবি মিজানুৰ ৰহমানৰ কাব্যিক প্ৰতিভা, তেখেতৰ চিন্তাধাৰা, সমাজ সেৱকৰ মনোভাব আদি বিভিন্ন দিশ সাঙুৰি বক্তব্য আগবঢ়োৱাৰ উপৰি প্ৰয়াত অধ্যাপক ছামচুল হকৰ বৰ্ণিল কৰ্মময় জীৱনৰ কিছু আভাস দিয়ে। কাব্যগ্ৰন্থ উন্মোচনী অনুষ্ঠানত নৱজ্যোতি হাই মাদ্ৰাছাৰ অৱসৰপ্ৰাপ্ত অধীক্ষকদ্বয় ক্ৰমে আজাহাৰ আলী, আব্দুল হাই মিঞা, কবি আইকণ সূত্ৰধৰ, বৈদ্যনাথ সাহা, অমৰদীপ ৰায়, উত্তম ঘোষ আৰু আব্দুল হামিদ খান আদিয়ে দুয়োটা আনুষ্ঠানৰ ওপৰত বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত আন ভালেকেইগৰাকী সমাজ সেৱক, শিক্ষাবিদ, লেখক, সাহিত্যক আদি উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানত অতিথিসকলৰ চিনাকি পৰ্বৰ আঁত ধৰে গোসাঁইগাঁও মহকুমা পশু চিকিৎসা বিষয়া তথা লেখক, কবি ডাঃ তৰণীকান্ত কলিতাই। উদ্দেশ্য ব্যাখ্যা কৰে কবি তথা গ্ৰীন লিফ ফাউণ্ডেচনৰ সভাপতি মিজানুৰ ৰহমানে। অনুষ্ঠানত এইবেলি অসম হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা মহকুমাৰ এগৰাকী দৰিদ্ৰ শিক্ষাৰ্থী হাবিজুল ইছলাম মণ্ডলক ছামচুল হক সোঁৱৰণী জীৱন সংগ্ৰাম বঁটা প্ৰদান কৰা হয়। বঁটাত এখন প্ৰশস্তি-পত্ৰ, গছপুলি, কিতাপৰ টোপোলা আৰু নগদ ধন প্ৰদান কৰা হয়। অনুষ্ঠানত সহযোগী অধ্যাপক ছামচুল হক সোঁৱৰণী জীৱন সংগ্ৰাম বঁটা প্ৰদান কৰে থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অমৰজ্যোতি বাইলুঙে। অদম্য স্পৃহা, কঠোৰ পৰিশ্ৰম আৰু মনত দৃঢ়তা থাকিলে কোনো প্ৰতিবন্ধকতাই হেঙাৰ সৃষ্টি কৰিব নোৱাৰে বুলি মন্তব্য কৰে সভাপতি খনিন্দ্ৰ নাথ দাসে। আনহাতে, শলাগৰ শৰাই আগবঢ়ায় মহকুমা পশু চিকিৎসা বিষয়া ডাঃ তৰণীকান্ত কলিতাই।

## কাকডোঙাৰ শংকৰদেৱ শিশু নিকেতনত কলাগুৰুক স্মৰণ

### কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ অৱদানে অসমীয়া সংস্কৃতিক চিৰদিনলৈ আলোকিত কৰি ৰাখিব ঃ পংকজ কুমাৰ দাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ২৩ জুন ঃ** শংকৰদেৱ শিশু নিকেতন, কাকডোঙাই ২০ জুনত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস পালন কৰে। পুৱা বিষ্ণু ৰাভাৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি ধূপ-দীপ প্ৰজ্বলনেৰে পুষ্পাঞ্জলি অৰ্পণ কৰাৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ অন্তত শংকৰদেৱ শিশু নিকেতনৰ প্ৰধানাচাৰ্য মণ্টু শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি সাংবাদিক তথা মাহেকীয়া আলোচনী 'দিগদৰ্শন'ৰ সম্পাদক পংকজ কুমাৰ দাসে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক স্মৰণ কৰি কয় যে 'কলাগুৰু অসমীয়া জাতিৰ বাবে আপোচবিহীন সত্তা আৰু স্বাভিমান। তেখেতৰ কলমৰ পৰশত লিপিবদ্ধ সৃষ্টিৰাজিৰ দীপ্তিমান আভাই প্ৰতিগৰাকী অসমীয়াৰ মনত আলোড়নৰ সৃষ্টি কৰে। ৰাভাদেৱৰ অৱদানে অসমীয়া সংস্কৃতিক চিৰদিনলৈ আলোকিত কৰি ৰাখিব।' কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা সম্পৰ্কত ৰবীন্দ্ৰ শইকীয়া, ৰঞ্জন দত্ত, সংগীতা বৰা, ৰীতা শইকীয়া, মীৰা বৰুৱা, মৃদুস্মিতা দত্ত, মায়াৰাণী হাজৰিকা আদি বহুকেইগৰাকীয়ে বক্তব্য আগবঢ়োৱাৰ লগতে বিদ্যালয়খনৰ ছাত্ৰী মণিকংকনা শইকীয়া, ঋষিকাপ্ৰিয়া হাজৰিকা আদিয়ে কলাগুৰুৰ গীত পৰিৱেশন, কবিতা আবৃত্তি কৰে।

## 'অগ্নিপথ' আঁচনিৰ অধীনত মকৰল উপকৃত হ'ব পাৰে বঙাইগাঁৱৰ যুৱক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৩ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় সশস্ত্ৰ বাহিনীত নিযুক্তিৰ বাবে 'অগ্নিপথ' আঁচনিৰ অধীনত 'অগ্নিবীৰ' নামেৰে এটা বাহিনী সৃষ্টি কৰাৰ সিদ্ধান্ত লৈছে। এই আঁচনিৰ অধীনত ১৭ বছৰ ৬ মাহ বয়সৰ পৰা ২১ বছৰ বয়সৰ যুৱকৰ বাবে ভাৰত চৰকাৰে সোণালী সুযোগ দিয়াৰ ব্যৱস্থা কৰিছে। ভাৰতীয় বায়ুসেনা বাহিনীত ৪ বছৰ সময়সীমাৰ বাবে ১০+২ উত্তীৰ্ণ বা ডিপ্লমা পাঠ্যক্ৰম উত্তীৰ্ণ যুৱকক সামৰিক জীৱনৰ অভিজ্ঞতা উপলব্ধ কৰোৱা হ'ব। অগ্নিপথ আঁচনিৰ অধীনত নিযুক্ত যুৱকসকলে নেতৃত্ব, দেশপ্ৰেম, সংকল্প, পৰিপক্বতা, সাহস, বন্ধুত্ব, শৃংখলা আৰু সময় মতে কাম কৰা আদি গুণ অৰ্জন কৰিব পৰা সামৰিক প্ৰশিক্ষণ লাভ কৰাৰ লগতে এই আঁচনিৰ অধীনত দেশত থকা ভাৰতীয় বায়ুসেনাত মকৰল কৰিব পৰা তীক্ষ্ণ প্ৰতিভাধৰ যুৱকৰ সন্ধান কৰা হ'ব। সেয়ে বঙাইগাঁও জিলাৰ যুৱকসকলৰ মাজতো ওলাব পাৰে এই 'অগ্নিপথ' আঁচনিৰ বাবে যোগ্য অগ্নিবীৰ। সময়ে সময়ে 'অগ্নিপথ' আঁচনিৰ দৃশ্য-শ্ৰব্য, পোষ্টাৰ-গ্ৰাফিক্স আদি প্ৰচাৰ কৰা হ'ব। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে ভাৰতীয় বায়ুসেনা বাহিনীত মকৰলৰ নোডেল এজেন্সী হৈছে No.11 Airmen Selection Centre, Guwahati।

## বানাক্ৰান্ত অঞ্চলত বিদ্যুৎ যোগানৰ বাবে অহৰহ চেষ্টা নলবাৰী বিদ্যুৎ উপ-সংমণ্ডলৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৩ জুন ঃ** বিগত কিছুদিন ধৰি নেৰানেপেৰা বৰষুণ আৰু কৃত্ৰিম বানৰ কবলত পৰা অঞ্চলসমূহত ঠায়ে ঠায়ে বিদ্যুতৰ খুঁটা, তাঁৰ ছিগি পৰাৰ লগতে একাংশ ট্ৰেন্সফৰ্মাৰ পানীয়ে স্পৰ্শ কৰাত ব্যাহত হৈ পৰিছে বিদ্যুৎ যোগান। বিদ্যুৎ সেৱা ব্যাহত হোৱাৰ ফলত অঞ্চলসমূহত এক অভাৱনীয় পৰিৱেশৰ সৃষ্টি হৈছে। অঞ্চলসমূহ সন্ধিয়াৰে পৰা অন্ধকাৰাচ্ছন্ন হৈ পৰাৰ লগতে যোগাযোগ সকলো মাধ্যম বন্ধ হৈ পৰিছে। আৰু ইয়াৰ মাজতে নলবাৰী জিলাৰ পয়লাস্থিত নলবাৰী বৈদ্যুতিক উপ-সংমণ্ডৰ (২) অধীনস্থ গাঁওসমূহত বিদ্যুৎ সেৱা নিয়মীয়া কৰাৰ বাবে বিদ্যুৎ বিভাগৰ কৰ্মচাৰীসকলে আজি পৰ্যন্ত অহৰহ চেষ্টা অব্যাহত ৰাখিছে। অসম শক্তি বিতৰক কোম্পানী লিমিটেডৰ নলবাৰীৰ উপ-সংমণ্ডৰ (২) (পলয়লা)ৰ সহকাৰী কাৰ্যবাহী অভিযন্তা হৰিছ কুলীৰ নেতৃত্বত বিদ্যুৎ বিভাগৰ স্থায়ী-অস্থায়ী কৰ্মচাৰীসকলৰ সমান্তৰালভাৱে ঘগ্ৰাপাৰ এলেকাৰ ভূদেৱ দাস আৰু ধ্ৰুৱ দাসে ঘগ্ৰাপাৰ এলেকাৰ প্ৰায় ২৫খন গাঁৱৰ নিজৰ জীৱন বিপদাপন্ন কৰি বানপানীৰ মাজে মাজে এডিঙি, এবুকু পানীত নামি বিগত দিনত যুদ্ধকালীনভাৱে অঞ্চলসমূহত বিদ্যুৎ যোগান ধৰি ৰাইজক সেৱা আগবঢ়োৱাৰ চেষ্টা অব্যাহত ৰাখি কিছু কিছু অঞ্চলত বিদ্যুৎ সেৱা নিয়মীয়াকৰণ কৰিছে।

## আন্তঃৰাষ্ট্ৰীয় ড্ৰাগ্‌ছবিৰোধী দিৱস পালন




**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৩ জুন ঃ** তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ শুকানজুলিস্থিত ৬৪নং এছ এছ বিৰ উদ্যোগত আজি আন্তঃৰাষ্ট্ৰীয় ড্ৰাগ্‌ছ বিৰোধী দিৱস উপলক্ষে সজাগতামূলক এটি সমদল উলিওৱা হয়। ভাৰত-ভূটান সীমান্তৰ মূল পথেৰে ছাত্ৰ-ছাত্ৰীৰ সহযোগত উলিওৱা সজাগতা সমদলত গুৰুকুল জ্ঞানজ্যোতি একাডেমী, ছ'চিয়েল একচন ফৰ হিউমেন ৰাইটছ, গুৱাহাটী আৰু এছএছবিৰ জোৱানসকলৰ লগতে বিষয়াবৰ্গয়ো অংশগ্ৰহণ কৰে।

## বাসুগাঁও পৌৰ সভাৰ নৱগঠিত বিষয়ববীয়াক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ২৩ জুন ঃ** বাসুগাঁও পৌৰ সভাৰ নৱগঠিত পৰিচালনা সমিতিৰ বিষয়ববীয়াক বাসুগাঁও গুৰুকুল নেচনেল স্কুলৰ তৰফৰ পৰা চিনাকি হৈ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বাসুগাঁও গুৰুকুল নেচনেল স্কুলৰ অধ্যক্ষ বিজিত নাথৰ নেতৃত্বত যোৱা দলে বাসুগাঁও পৌৰ সভাৰ নৱ-নিৰ্বাচিত সভাপতি সাধন মণ্ডল, উপ-সভাপতি মৌখুম বসুমতাৰীকে আদি কৰি প্ৰতিজন ৱাৰ্ড কমিছনাৰক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ অন্তত চিৰাং জিলাৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান বাসুগাঁও গুৰুকুল নেচনেল স্কুলত সোমোৱা পথছোৱাৰ লগতে বাসুগাঁও থানাৰ কাষেৰে যোৱা পথছোৱা বাৰিষা পানীৰে ভৰি থকাত ছাত্ৰ-ছাত্ৰীৰ লগতে পথচাৰীৰ কি ধৰণৰ অসুবিধাৰ সৃষ্টি হয় তাক সবিস্তাৰে বুজাই কয় গুৰুকুল নেচনেল স্কুলৰ অধ্যক্ষগৰাকীয়ে। তেওঁৰ কথা শুনি পৌৰ সভাৰ সভাপতি, উপ-সভাপতিকে ধৰি অন্যান্য ৱাৰ্ড কমিছনাৰক লগত লৈ ঠাই ডোখৰ প্ৰত্যক্ষ কৰি চৰজমিন তদন্ত চলাই ব্যৱস্থা লোৱাৰ আশ্বাস দিয়ে।

## অম্বুবাচীৰ ভক্তৰ বাবে কামাখ্যা ৰে'ল ষ্টেচন চৌহদত অমৃত ভোগ ভাণ্ডাৰাৰ খাদ্য বিপণী মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ২৩ জুন ঃ** ক'ভিড মহামাৰীৰ গণ-সংক্ৰমণ ৰোধৰ বাবে ২০২০ চনৰ ২৪ মাৰ্চত দেশজুৰি লকডাউন ঘোষণা কৰাৰ পাছত খাদ্য সংকটত পৰা লোকসকলক দুবেলা দুমুঠি খাদ্য যোগান ধৰি মহানুভৱতাৰ পৰিচয় দাঙি ধৰা গুৱাহাটীৰ অমৃত ভোগ ভাণ্ডাৰাই প্ৰথমবাৰৰ বাবে শক্তিপীঠ শ্ৰীশ্ৰীকামাখ্যা মন্দিৰ চৌহদত আজিৰে পৰা আৰম্ভ হোৱা বিশ্ববিখ্যাত অম্বুবাচী মেলাত বাহিৰৰ পৰা অহা ভক্তক বিনামূলীয়াকৈ দিনে-নিশাই খাদ্য যোগান ধৰাৰ বাবে কামাখ্যা ৰে'ল ষ্টেচন চৌহদত জিলা প্ৰশাসনৰ অনুমতি সাপেক্ষে স্থাপন কৰিছে এখন বৃহৎ বিপণী। আজি পুৱা বহু বিশিষ্ট লোকৰ উপস্থিতিত ভক্তক ৰন্ধা খাদ্য তথা আহাৰ বিতৰণ কৰি বিপণীখনৰ শুভাৰম্ভ কৰে অমৃত ভোগ ভাণ্ডাৰাৰ প্ৰতিষ্ঠাপক ভাগচন্দ জৈনে। এই উপলক্ষে অনুষ্ঠিত চমু অনুষ্ঠানত ভাগচন্দ জৈনে কয়— মানৱ সেৱাৰ মাজেৰে প্ৰকৃততে ঈশ্বৰ সেৱাৰ ফল পোৱা যায়। অম্বুবাচীত বাহিৰৰ পৰা অহা কোনো ভক্তই যাতে খাদ্যৰ সংকটত নপৰে সেই লক্ষ্যৰে বিপণীখন স্থাপন কৰা হৈছে বুলি ভাগচন্দ জৈনে সদৰী কৰে।



# মুখ্যমন্ত্ৰীৰ সমষ্টিত বান সাহায্যৰ নামত প্ৰহসন

### চাউল ১ কেজি, দালি আধা কেজি, সৰু পাউৰুটী এটা দিয়েই সাহায্যৰ অৱসান চাংসাৰিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ২৩ জুন ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত বানে বিভিষীকাময় পৰিস্থিতিৰ সৃষ্টি কৰাৰ লেখীয়া মুখ্যমন্ত্ৰীৰ সমষ্টিৰ চাংসাৰি, বনমাজা আদি বিভিন্ন ঠাইতো একেই পৰিস্থিতিৰ সৃষ্টি হৈছে। ভয়াৱহ বানৰ কবলত পৰি চাংসাৰি আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বানাক্ৰান্ত একাংশ লোকে খাদ্য সংকটত পৰিছে। আনহাতে, বানাক্ৰান্ত ৰাইজৰ একাংশৰ পশুধন আৰু হাঁহ-কুকুৰা আদিৰো ক্ষতিসাধন হৈছে। বৃহত্তৰ চাংসাৰিৰ জলবন্দী হৈ থকা ৰাইজ বান সাহায্যৰ পৰা বঞ্চিত হৈ থকাৰ খবৰ সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি সন্ধিয়া চাংসাৰি হাইস্কুলত থকা বানাক্ৰান্তৰ আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰাৰ উপৰি বানাক্ৰান্ত ৰাইজৰ বুজ লৈছিল। মঙলবাৰে মুখ্যমন্ত্ৰীৰ পৰিদৰ্শনৰ পিছত কালি চাংসাৰিত ট্ৰেক্টৰৰ সহায়ত জলবন্দী হৈ থকা বানাক্ৰান্ত একাংশক চৰকাৰী সাহায্য প্ৰদান কৰা হয়। চৰকাৰী সাহায্যৰ নামত বানাক্ৰান্ত একাংশইহে কেৱল এক কেজি চাউল, আধা কেজিতকৈ কম পৰিমাণৰ মচুৰ দাইলৰ লগতে মাত্ৰ এটা পাউৰুটী বিস্কুট পাবলৈ সক্ষম হয়। যাৰ ফলত একাংশ বানাক্ৰান্তই এয়া চৰকাৰী সাহায্যৰ নামত এক প্ৰহসন বুলি কৈ চৰকাৰ তথা প্ৰশাসনৰ এনে ধৰণৰ কাৰ্যৰ বাবে সমালোচনা কৰি এনে ধৰণৰ সাহায্য প্ৰদান কৰি বানাক্ৰান্ত ৰাইজক উপলুঙা কৰাহে হৈছে বুলি উল্লেখ কৰিছে। আনহাতে, একাংশই চৰকাৰে সঠিকভাৱে দিছে যদিও বিতৰণ কৰাসকলৰ গাফিলতিৰ ফলত এই ধৰণৰ কাৰ্য সংঘটিত হৈছে বুলি মত ব্যক্ত কৰিছে। যি সময়ত মুখ্যমন্ত্ৰীগৰাকীয়ে হাত খুলি বানাক্ৰান্তসকলক সাহায্য প্ৰদান কৰিবৰ বাবে বাৰে বাৰে কৈ আছে তেনে সময়তে মুখ্যমন্ত্ৰীৰ নিজ সমষ্টিত এনে ধৰণে হাত চেপি বান সাহায্য প্ৰদান কৰা কাৰ্যক লৈ নানা প্ৰশ্নৰ অৱতাৰণা হৈছে একাংশৰ মনত। এয়া চৰকাৰ, প্ৰশাসন নে বিতৰণকাৰীসকলৰ হাত চেপা মনোভাৱৰ বাবেই মুখ্যমন্ত্ৰীৰ সমষ্টিত বান সাহায্যৰ নামত প্ৰহসন কৰা হ'ল ইয়াক লৈ চিন্তা তথা ক্ষোভ প্ৰকাশ কৰি সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপৰি কামৰূপ প্ৰশাসনক উপৰোক্ত বিষয়ত গুৰুত্ব প্ৰদানৰ লগতে শীঘ্ৰেই চাংসাৰি তথা ইয়াৰ উপকণ্ঠ অঞ্চলৰ বানপীড়িত ৰাইজক যথোচিত বান সাহায্য প্ৰদান কৰিবলৈ আহ্বান জনাইছে।

# বীৰ ৰাঘৱ মৰাণ মহাবিদ্যালয়ৰ ভূমিক লৈ সভা সম্পন্ন

### ফটিকজানৰ আবণ্টিত স্থানতে মহাবিদ্যালয়খন স্থাপন কৰিবলৈ মুখ্যমন্ত্ৰীক অনুৰোধ জনাই স্মাৰক-পত্ৰ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ২৩ জুন ঃ** ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালাৰ উদ্যোগত আৰু ইয়াৰ ৰয়েল ফিষ্ট হোটেলৰ সভাকক্ষত মঙলবাৰে সন্ধিয়া এখন সভা স্থানীয় সংস্থা-সংগঠনক লৈ অনুষ্ঠিত হয়। বিধায়কগৰাকীয়ে সভাখনত প্ৰদান কৰা আদৰণী ভাষণযোগে প্ৰায় দুবছৰ পূৰ্বে ডুমডুমাত প্ৰতিষ্ঠিত বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়খনৰ বাবে এডোখৰ মাটি নিশ্চিত কৰিব নোৱৰা বিষয়টোত আক্ষেপ প্ৰকাশ কৰে। তেওঁ সভাক জনায় যে ডুমডুমাৰ ওচৰৰ বিছাকুপি চাহ বাগিচাৰ ফটিকজান ডিভিজনৰ মাজত থকা প্ৰায় ১০০ বিঘা চৰকাৰী মাটিৰ ৩০ বিঘা মাটি তিনিচুকীয়া জিলাৰ উপায়ুক্তই ইতিমধ্যে মহাবিদ্যালয়খনৰ নামত আবণ্টন দিছে আৰু উক্ত মাটিৰ ওপৰত ১৫ কোটি টকা খৰচত মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি নিৰ্মাণ আৰম্ভ কৰাৰ সকলো প্ৰস্তুতি সম্পন্ন হৈছে। তেওঁ ইয়াকো জনায় যে চুবুৰীয়া চাহ মজদুৰ ৰাইজে সেই ঠাই টুকুৰা তেওঁলোকৰ শ্মশানভূমি বুলি দাবী কৰি অহাৰ পৰিপ্ৰেক্ষিতত উপায়ুক্তই স্থানীয় ৰাইজে শ্মশানভূমি কৰিবৰ নিমিত্তে তাত ১০ বিঘা মাটিৰ আবণ্টন দিছে আৰু সমান্তৰালভাৱে শ্মশানখন আটকধুনীয়াকৈ নিৰ্মাণ কৰি দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। কিন্তু, নেতাৰ নাম লৈ সমাজবিৰোধী কামত লিপ্ত হৈ পৰা এচাম লোকে মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ বিৰুদ্ধে স্থানীয় মজদুৰ ৰাইজক উচটাই থকাৰ কাৰণত মহাবিদ্যালয়খন স্থাপনত কিছু অনিশ্চয়তা আহি পৰিছে। ডুমডুমাৰ আশে-পাশে যিহেতু মহাবিদ্যালয়খন স্থাপনৰ বাবে সুবিধাজনক অইন কোনো সুবিধাজনক মাটি নাই গতিকে নিৰ্দিষ্ট স্থানত মহাবিদ্যালয়খন স্থাপন কৰিব নোৱাৰিলে আঁচনিখন চৰকাৰে অন্য ঠাইলৈ স্থানান্তৰ কৰাৰ সুবিধা গ্ৰহণ কৰিব বুলি তেওঁ জনায়। অঞ্চলটোৰ বাবে থকা একমাত্ৰ ডুমডুমা মহাবিদ্যালয়ত স্নাতক মহলাত নামভৰ্তিৰ পৰা বহু ছাত্ৰ-ছাত্ৰী বঞ্চিত হৈ অহাৰ পৰিপ্ৰেক্ষিতত আৰু আটছা, আছু, মৰাণ ছাত্ৰ সন্থা, আছু, যুৱ-ছাত্ৰ পৰিষদ, ভোজপুৰী যুৱ-ছাত্ৰ পৰিষদ, বেঙ্গলী যুৱ-ছাত্ৰ ফেডাৰেচন আদিয়ে প্ৰবল দাবী জনোৱাৰ অন্তত ডুমডুমা সমষ্টিৰ বাবে চৰকাৰে মহাবিদ্যালয়খন মঞ্জুৰ কৰিছিল। সমষ্টিটোৰ পৰা মহাবিদ্যালয়খন আঁতৰি যাবলৈ হ'লে পুনঃ নামভৰ্তিৰ ভীষণ সমস্যা আহি পৰিব। সেই বাবে বিষয়টো আলোচনাৰ বাবে সভাখন জৰুৰীভাৱে আহ্বান কৰা হৈছে বুলি সভাখনক বিধায়কগৰাকীয়ে জনায়। সভাখনত তিনিচুকীয়া জিলা সাহিত্য সভা, ডুমডুমা শাখা সাহিত্য সভা, ৰূপাই শাখা সাহিত্য সভা, তিনিচুকীয়া জিলা সাংবাদিক সন্থা, ডুমডুমা প্ৰেছ ক্লাব, আটছা, আছা, মৰাণ ছাত্ৰ সন্থা, আছু, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ভোজপুৰী যুৱ-ছাত্ৰ পৰিষদ, বেঙ্গলী যুৱ-ছাত্ৰ ফেডাৰেচন, স্বেচ্ছাসেৱী সংগঠন সঁহাৰি, অনাম, ডুমডুমা নাট্য মন্দিৰ সমিতি আদিকৈ প্ৰায় একুৰি অৰাজনৈতিক সংগঠনৰ অৰ্ধশতাধিক প্ৰতিনিধিয়ে যোগদান কৰে। বিধায়কগৰাকীৰ বক্তব্য মনোযোগেৰে শুনাৰ অন্তত সভাত উপস্থিত থকা প্ৰতিটো সংগঠনৰ সভাপতি-সম্পাদক অথবা প্ৰতিনিধিয়ে নিজ নিজ বক্তব্য দাঙি ধৰে আৰু শান্তিপূৰ্ণ পৰিৱেশৰ মাজেৰে মহাবিদ্যালয়খন উক্ত স্থানতে পতাত পূৰ্ণ সমৰ্থন জনোৱাৰ লগতে এচাম স্বাৰ্থপৰ লোকৰ উচটনিত ভোল গৈ যিসকল লোকে ভুল বুজাবুজিৰ কাৰণত মহাবিদ্যালয়খন পতাৰ বিৰোধিতা কৰি আহিছে তেওঁলোকক সাক্ষাৎ কৰি ভুল বুজাবুজি আঁতৰ কৰিবলৈ কাৰ্যকৰীভাৱে আগবাঢ়িবলৈ সভাখনত এক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। স্নাতক মহলাত নামভৰ্তি কৰিবলৈ হাবুডুবু খাই থকা স্থানীয় ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তিৰ সুবিধা পোৱাৰ উদ্দেশ্যে উপায়ুক্তই আবণ্টন দিয়া ফটিকজানৰ চৰকাৰী মাটি ডোখৰতে মহাবিদ্যালয়খন হওক আৰু স্থানীয় ৰাইজৰ সুবিধাৰ্থে প্ৰস্তাৱিত শ্মশানখনো উপায়ুক্তই নিৰ্মাণ কৰি দিয়াৰ অনুৰোধ জনায় দ্বিতীয় এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সেই ঠাইতে মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিবলৈ অনুৰোধ জনাই অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ তৎকালে এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰাৰ প্ৰস্তাৱ সভাই গ্ৰহণ কৰে আৰু সভাত উপস্থিত থকা আটায়ে উক্ত স্মাৰক-পত্ৰখনত স্বাক্ষৰ কৰি সেই স্মাৰক-পত্ৰখন প্ৰেৰণৰ ব্যৱস্থা কৰে।

## আজি ডিমাকুছিত মহিলা ফুটবলৰ দুখন মেচ

**গুৱাহাটী, ২৩ জুন ঃ** চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ কাইলৈ ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত হ'ব গ্ৰুপ 'এইছ'ৰ দুখনকৈ খেল। প্ৰথম মেচত ৰাজস্থানে খেলিব জম্মু আৰু কাশ্মীৰৰ বিৰুদ্ধে। আনহাতে, দ্বিতীয় মেচত তামিলনাডুৱে খেলিব বংগৰ বিৰুদ্ধে। উল্লেখ্য যে তামিলনাডু আৰু বংগই বৃহৎ জয়ৰে নিজৰ অভিযান আৰম্ভ কৰিছে। ইয়াৰপূৰ্বে গ্ৰুপ 'এইছ'ৰ প্ৰথম খেলখনত তামিলনাডুৱে ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল জম্মু আৰু কাশ্মীৰক। দলৰ হৈ দুটা গ'ল কৰে গায়ত্ৰীদেৱীয়ে। আনহাতে, অন্য এখন খেলত বংগই ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ৰাজস্থানক। ৰাজস্থান বনাম জম্মু আৰু কাশ্মীৰৰ মেচৰ পৰাস্ত হোৱাৰ দলটোৰ বিদায় নিশ্চিত হোৱাৰ বিপৰীতে তামিলনাডু আৰু বংগৰ মেচৰ বিজয়ী দলটোৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ স্থিতি অধিক শক্তিশালী হ'ব। উল্লেখ্য যে গ্ৰুপ চেম্পিয়ন দলটো যোগ্যতা অৰ্জন কৰিব কোৱাৰ্টাৰ ফাইনেললৈ।



১৭ অনূৰ্ধ ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপৰ গুজৰাট আৰু হাৰিয়ানাৰ মাজত অনুষ্ঠিত খেলৰ এটি মুহূৰ্ত, ডিমাপুৰত

## প্ৰাক্তন ৰাজ্যিক খেলুৱৈ জচবীৰ সিঙৰ পৰলোক

**গুৱাহাটী, ২৩ জুন ঃ** প্ৰাক্তন ৰাজ্যিক বাস্কেটবল আৰু বক্সিং খেলুৱৈ নগাঁৱৰ ফৌজদাৰীপট্টিৰ জচবীৰ সিং (৫২) আৰু নাই। নগাঁৱৰ ডচ্ছন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত অধ্যয়ন কৰাৰ সময়তে বাস্কেটবল খেলিবলৈ আৰম্ভ কৰা অবিবাহিত জচবীৰ সিঙে অসম দলৰহৈ স্কুল তথা জুনিয়ৰ পৰ্যায়ত কেইবাবাৰো প্ৰতিনিধিত্বৰে ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। একালৰ নগাঁও জিলা ছিনিয়ৰ বাস্কেটবল দলৰো নিয়মীয়া খেলুৱৈ সুঠাম শৰীৰৰ অধিকাৰী জচবীৰে যোৱা ১৭ জুনত ৰহাৰ সমীপৰ সৰাগাঁৱত এক দুৰ্ঘটনাত পতিত হৈ চিকিৎসাধীন হোৱাৰ পিছত ২০ জুনত গুৱাহাটীত চিকিৎসাধীন অৱস্থাতে শেষনিশ্বাস ত্যাগ কৰে। নগাঁৱৰ ফৌজদাৰীপট্টিৰ পুলিচ হস্পিতাল ৰোডৰ বাসিন্দা জচবীৰৰ অকাল বিয়োগত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিবিশেষৰ লগতে নগাঁও ক্ৰীড়া সংস্থা, অম্লান গোষ্ঠী, শ্বাইনক্সছ প্লেয়াৰ্ছ,নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, নগাঁও পৌৰসভাৰ উপ সভাপতি সীমান্ত বৰা, ক্ৰীড়া ভাৰতীৰ নগাঁও জিলা সমিতিৰ সভাপতি দিগন্ত বৰা আদিয়েও গভীৰ শোকপ্ৰকাশ কৰে। মাক-দেউতাকৰ তৃতীয় সন্তান জচবীৰে মৃত্যুৰ সময়ত পাঁচজন ভাই-ককাই,চাৰিজনী ভগ্নীসহিত বহু আত্মীয়-কুটুম্বক ইহ-সংসাৰত এৰি থৈ যায়। তেওঁৰ বিয়োগত নগাঁৱৰ ক্ৰীড়ামহলত শোকৰ ছাঁ বিৰাজ কৰিছে।

# যুৱ অলিম্পিকৰ লগ', থিম ছং, টি ছাৰ্ট মুকলি অসম অলিম্পিক সন্থাৰ

**গুৱাহাটী, ২৩ জুন ঃ** অহা ২৩ ৰ পৰা ২৭ জুলাইলৈ অসম অলিম্পিক সন্থা আৰু অসম চৰকাৰে যুটীয়া ভাৱে প্ৰথমবাৰৰ বাবে আয়োজন কৰিব অসম যুৱ অলিম্পিক। মেগা ৰাজ্যিক ক্ৰীড়া প্ৰতিযোগিতাখনৰ অন্যতম অংশ হিচাপে আজি আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱসৰ দিনা গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ত আয়োজন কৰা এক অনুষ্ঠানত সমাগত যুৱ অলিম্পিক ২০২২ ৰ লগ', থিম ছং আৰু টি ছাৰ্ট আনুষ্ঠানিকভাবে মুকলি কৰা হয়। অসম অলিম্পিক সন্থাই আয়োজন কৰা তথা কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা উক্ত অনুষ্ঠানত উপস্থিত থাকে অসম অলিম্পিক সন্থাৰ উপ সভাপতি তথা কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকা, অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ, কটন বিশ্ববিদ্যালযৰ উপাচাৰ্য ড০ ভৱেশ চন্দ্ৰ গোস্বামী, দেশৰ দ্ৰুততম তৰুণ হোৱাৰ গৌৰৱ লাভ কৰা এথলীট অম্লান বৰগোহাঁই আৰু প্ৰতিভাবান সন্তৰণবিদ শিৱাংগী শৰ্মা। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে কেন্দ্ৰীয় মন্ত্ৰী তথা অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোনোৱাল আৰু বিশিষ্ট অতিথি হিচাপে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অশোক সিংঘাল উপস্থিত থকাৰ কথা আছিল যদিও কৰ্ম ব্যস্ততাৰ বাবে সভাত যোগ নিদিলে। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে হ'বলগা ৰাজ্যিক ক্ৰীড়া প্ৰতিযোগিতাখনত ৩৫ খন জিলাৰ প্ৰায় ৪৫০০ খেলুৱৈয়ে অংশ ল'ব। অসম যুৱ অলিম্পিক মুঠ ৩১ বিধ খেল অন্তৰ্ভুক্ত কৰিছে অসম অলিম্পিক সন্থাই। ইতিমধ্যে অসম যুৱ অলিম্পিকৰ পোষ্টাৰ আৰু টিজাৰ মুকলি কৰা হৈছে। উল্লেখ্য যে গুৱাহাটীৰ মুঠ ১০ টাকৈ ভেন্যুত অনুষ্ঠিত হ'ব এই অসম যুৱ অলিম্পিক । ইয়াৰ ভিতৰত আছে পল্টন বজাৰৰ ছাইকেন্দ্ৰ, দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়াম, সৰুসজাই এথলেটিকছ ষ্টেডিয়াম, এন এফ ৰেলৱেৰ মালিগাঁও ইনড'ৰ ষ্টেডিয়াম, মহম্মদ তৈয়বুল্লা হকী ষ্টেডিয়াম, সোণাপুৰৰ এল এন আই পি ই ক্ৰীড়া প্ৰকল্প, কাহিলীপাৰা শ্বুটিং ৰেঞ্জ, চচল টেনিছ কৰ্ট, ভোগেশ্বৰী ফুকননী ইনড'ৰ ষ্টেডিয়াম আৰু দীঘলী পুখুৰী।

## এছিয়ান ট্ৰেক চাইক্লিং চেম্পিয়নশ্বিপত অসমৰ চয়নিকাৰ দ্বিতীয়টো পদক

**গুৱাহাটী, ২৩ জুন ঃ** ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি ৪১ সংখ্যক এছিয়ান ট্ৰেক চাইক্লিং চেম্পিয়নশ্বিপত ভাৰতীয় দলক নেতৃত্ব দি দলীয় পাৰছুইট ইভেন্টত ব্ৰঞ্জৰ পদক দখল কৰিবলৈ সক্ষম হোৱা অসমৰ চয়নিকা গগৈয়ে প্ৰতিযোগিতাখনত আন এটা সফলতা অৰ্জন কৰিছে। নতুন দিল্লীত চলি থকা প্ৰতিযোগিতাখনৰ মহিলাৰ এলিট স্ক্ৰেটছ ৰেচৰ ১০ কিলো মিটাৰ ইভেন্টত চয়নিকাই নিজৰ দ্বিতীয়টো ব্ৰঞ্জৰ পদক জয় কৰে। এই সফলতাৰ বাবে অসম চাইক্লিং সন্থাৰ সভাপতি হৰমিত সিং আৰু সাধাৰণ সম্পাদক ড০ তপন দাসে চয়নিকাক অভিনন্দন জনাইছে। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰতিযোগিতাখনত অসমৰ চয়নিকা গগৈ নেতৃত্বাধীন ভাৰতীয় চাইক্লিং দলটোৱে ।মহিলাৰ এলিট শাখাৰ দলীয় পাৰছুইট ইভেন্টত তৃতীয় স্থান অৰ্জন কৰিছিল। ব্ৰঞ্জ জয়ৰ যুঁজত ভাৰতে উজবেকিস্তানক পৰাস্ত কৰে। এছিয়ান ট্ৰেক চাইক্লিং চেম্পিঞ্জনশ্বিপৰ চাৰি কিলোমিটাৰ দৈৰ্ঘ্যৰ মহিলাৰ এলিট শাখাৰ দলীয় পাৰছুইট চাইক্লিং ভাৰতে ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি ৪.৪৪ মিনিটত ৰেছ সম্পূৰ্ণ কৰিছিল

## ৰাষ্ট্ৰীয় টাইকোৱানৰ্ড প্ৰতিযোগিতাত জ্যোতিস্মিতা চহৰীয়াৰ ৰূপৰ পদক লাভ




**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, পশ্চিম দৰং, ২৩ জুন ঃ** যোৱা ১০-১২ জুনলৈ কলকাতাৰ আলামেদিন দাস ইনড'ৰ ষ্টেডিয়ামত ভাৰতৰ নক্‌আউট টাইকোৱানৰ্ড একাডেমীয়ে আয়োজন কৰা ইণ্ডিয়া প্ৰগ্ৰেছিভ কাপ দ্বিতীয় ৰাষ্ট্ৰীয় টাইকোৱানৰ্ড চেম্পিয়ন শ্বিপ- ২০২২ প্ৰতিযোগিতাত জ্যেতিস্মিতা চহৰীয়াই নৱাগত শাখাত ৰূপৰ পদক লাভ কৰাৰ কৃতিত্ব অৰ্জন কৰিছে। প্ৰতিযোগিতাত ভাৰতৰ প্ৰায় ২৪ খন ৰাজ্যৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। এই প্ৰতিযোগিতাত অসমৰ তেজপুৰ একাডেমীয়ে দলীয়ভাৱে দ্বিতীয় শ্ৰেষ্ঠ প্ৰতিযোগী দল হিচাপে বিবেচিত হোৱাৰ লগতে বিভিন্ন শাখাত সোণ, ৰূপ, ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে নৱাগত শাখাত ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হোৱা তেজপুৰ গুৰুকুল বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী জ্যোতিস্মিতা চহৰীয়া কৰ্মসূত্ৰে তেজপুৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰ গ্ৰন্থাগাৰিক তথা দৰং জিলাৰ ছিপাঝাৰৰ খাটিকুছি (শানপাৰা) গাঁৱৰ মৃদুল কুমাৰ চহৰীয়া আৰু ৰুবী বৰদলৈৰ জ্যেষ্ঠা কন্যা তথা চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰতুল চহৰীয়া আৰু জুৰীতি শৰ্মাৰ ভতিজা।



অনুশীলনৰ সময়ত শ্ৰীলংকা ক্ৰিকেট দলৰ খেলুৱৈ

### জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতা

## মিজোৰাম-চত্তিছগড়-ছিকিমৰ জয়লাভ

**গুৱাহাটী, ২৩ জুন ঃ** অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত অসম ফুটবল সন্থাই আয়োজন কৰা ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ আজি সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ 'ডি'ৰ খেলত ছিকিমে ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে গোৱাক। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰথম মেচত অৰুণাচলে ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ছিকিমক। আনহাতে, গোৱাই হিমাচলৰ লগত গ'লশূন্য ড্ৰ খেলিছিল। ইফালে, এই গ্ৰুপৰে আজি হোৱা আন এখন মেচত হিমাচলে পুনৰ ড্ৰ খেলে অৰুণাচলৰ লগত। ব্যৱধান ১-১ গ'ল। ইফালে, সৰুসজাই ষ্টেডিয়ামতে আজি অনুষ্ঠিত হোৱা গ্ৰুপ 'বি'ৰ খেলত মিজোৰামে ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে কৰ্ণাটকক। উল্লেখ্য যে প্ৰথম মেচত কৰ্ণাটকে একমাত্ৰ গ'লত উত্তৰ প্ৰদেশক পৰাস্ত কৰাৰ বিপৰীতে মিজোৰামে চত্তিছগড়ৰ লগত ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলিছিল। আজি হোৱা গ্ৰুপ 'বি'ৰ খেলত চত্তিছগড়ে ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে উত্তৰ প্ৰদেশক। এয়া উত্তৰ প্ৰদেশৰ ক্ৰমাগত দ্বিতীয় পৰাজয়। উল্লেখ্য যে চলিত জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ অংশকাৰী দলসমূহক আঠটা গ্ৰুপত ভাগ কৰা হৈছে। প্ৰতিযোগিতাখনৰ মেচসমূহ অনুষ্ঠিত হৈছে সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়াম, নেহৰু ষ্টেডিয়াম, পল্টনবজাৰৰ ছাই নিউ ফিল্ড, সোণাপুৰৰ এল এন আই পি আৰু ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত। গ্ৰুপ পৰ্যায়ৰ মেচসমূহৰ পাছত দুখন কোৱাৰ্টাৰ ফাইনেল সৰুসজাইত আৰু দুখন কোৱাৰ্টাৰ ফাইনেল সোনাপুৰত অনুষ্ঠিত হ'ব। আনহাতে দুয়োখন ছেমিফাইনেল আৰু ফাইনেল মেচ সৰুসজাইত হ'ব।

## ভাৰোত্তোলনৰ খেলো ইণ্ডিয়াত অসমৰ মধুমিতা বৰুৱাৰ ব্ৰঞ্জৰ পদক

**গুৱাহাটী, ২৩ জুন ঃ** হিমাচলত চলি থকা ভাৰোত্তোলনৰ খেলো ইণ্ডিয়াত পুনৰ পদক লাভ কৰিছে অসমৰ মহিলাই। ৮৭ কিলোগ্ৰাম ছিনিয়ৰ শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে অসমৰ মধুমিতা বৰুৱাই। তেওঁ স্নেচত ৮৩ আৰু ক্লিন এণ্ড জাৰ্কত ১০৫ কেজি উত্তোলন কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে অসমৰ ত্ৰিলোচানা ফুকন আৰু পঞ্চমী সোণোৱালে প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে অসম কন্যা প'পী হাজৰিকাই ৰেলৱে দলৰ হৈ খেলি মহিলাৰ ৫৯ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰিছিল। ইতিমধ্যে কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জন কৰা প'পীয়ে স্নেচত ৮৭ আৰু ক্লিন এণ্ড জাৰ্কত ১০৭ কেজি উত্তোলন কৰে। ইফালে, মহিলাৰ ৫৯ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰা ত্ৰিলোচানা ফুকনে স্নেচত ৬১ আৰু ক্লিন এণ্ড জাৰ্কত ৮২ কেজি উত্তোলন কৰে। আনহাতে, পঞ্চমী সোণোৱালে মহিলাৰ ৪৯ কিলোগ্ৰাম শাখাত খেলি স্নেচত ৬৩ আৰু ক্লিন এণ্ড জাৰ্কত ৮০ মুঠ ১৪৩ কেজি উত্তোলন কৰি ৰূপ জয় কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে অসমৰ ভাৰোত্তোলকে সদ্য সমাপ্ত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াতো চমকপ্ৰদ প্ৰদৰ্শন কৰি চাৰিটা পদক অৰ্জন কৰিছিল। অসমৰ সুদিত্য বৰুৱাই ৮৯ কিলোগ্ৰাম শাখাত সোণ লাভ কৰি ৰাজ্যক গৌৰৱময় সফলতা দিয়ে। আনহাতে, অসমৰ ত্ৰিদীপ বৰুৱাই ৮১ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে প্ৰবাল প্ৰতিম গগৈয়েও ল'ৰা ৭৩ কিলোগ্ৰাম শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ইফালে, ছোৱালীৰ ৪০ কেলোগ্ৰাম শাখাত অসমৰ ৰেখামণি গগৈয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। অসমৰ ভাৰোত্তোলকৰ এই ধাৰাবাহিক পদক অৰ্জনৰ বাবে অসম ভাৰোত্তোলন সন্থাৰ সম্পাদক ভৱজ্যোতি গোস্বামীয়ে খেলুৱৈৰ প্ৰদৰ্শনত আনন্দিত হোৱাৰ লগতে খেলুৱৈৰ সফলতাৰ বাবে শুভেচ্ছা জনাইছে।

## দ্বিতীয় মেচত গুজৰাটৰ বিৰুদ্ধে পৰাস্ত হৈ বিপদত অসম

**গুৱাহাটী, ২৩ জুন ঃ** অসমে চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ নিজৰ দ্বিতীয় মেচত গুজৰাটৰ বিৰুদ্ধে পৰাস্ত হৈ বিপদৰ সন্মুখীন হৈছে। প্ৰথম মেচত বৃহৎ জয়ৰে নিজৰ অভিযান আৰম্ভ কৰা অসমে আজি ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দ্বিতীয়খন মেচত গুজৰাটৰ বিৰুদ্ধে ২-১ গ'লৰ ব্যৱধানত পৰাস্ত হয়। গুজৰাটৰ হৈ মায়া ৰাবাৰি (তিনি মিনিট) আৰু খুছবু সৰোজে (৬৩ মিনিট) গ'ল দিয়াৰ বিপৰীতে অসমৰ হৈ একমাত্ৰ গ'লটো দিয়ে অঞ্জুলী বন্মই (১৩ মিনিট)। উল্লেখ্য যে ইয়াৰপূৰ্বে গ্ৰুপ 'জি'ৰ প্ৰথম খেলখনত অসমে ৬-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল প্ৰতিদ্বন্দ্বী পুডুচেৰীক। উক্ত মেচত অসমৰ হৈ হেট্ৰিকসহ চাৰিটা গ'ল কৰিছিল অঞ্জুলী বন্মই (৩৪, ৪৫, ৬৮, ৮৩ মিনিট)। আনহাতে, দুটা গ'ল দিয়ে সোণম দত্তই (৩৩, ৫৭ মিনিট)। উল্লেখ্য যে গ্ৰুপ 'জি' ত আয়োজক অসমৰ লগতে আছে হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট। আজি হোৱা আন এখন মেচত হাৰিয়ানাই ৫-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে পডুচেৰীক। ইয়াৰপূৰ্বে প্ৰথম মেচত হাৰিয়ানাই ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল গুজৰাটক। অসমে অন্তিম মেচ খেলিব হাৰিয়ানাৰ বিৰুদ্ধে। কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ বাবে অন্তিম মেচত অসমে হাৰিয়ানাক ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিব লাগিব। দুখন মেচত পৰাস্ত হোৱাৰ পাছত পুডুচেৰীৰ বিদায় নিশ্চিত হৈছে। কিন্তু আজি অসমৰ বিৰুদ্ধে জয় অৰ্জন কৰি আশা সজীৱ ৰাখিছে গুজৰাটে। অন্তিম মেচত দলে বৃহৎ ব্যৱধান পডুচেৰীক পৰাস্ত কৰিলে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ সমীকৰণত থাকিব। উল্লেখ্য যে গ্ৰুপ চেম্পিয়ন দলটো যোগ্যতা অৰ্জন কৰিব কোৱাৰ্টাৰ ফাইনেললৈ।

## অসমৰ আৰ্বিটাৰলৈ বিশ্ব দবা মহাসংঘৰ স্বীকৃতি

**গুৱাহাটী, ২৩ জুন ঃ** অসমৰ তিনিজন আৰ্বিটাৰ গুৱাহাটীৰ অৰুণ সিং, প্ৰণৱ কুমাৰ নাথ আৰু শিলচৰৰ ডাঃ চাৰ্বাকলৈ বিশ্ব দবা মহাসংঘই আন্ত:ৰাষ্ট্ৰীয় আৰ্বিটাৰ আৰু ফিডে আৰ্বিটাৰৰ স্বীকৃতি প্ৰদান কৰিছে। ২০২২ৰ ২৮ এপ্ৰিলত, আবুধাবিত অনুষ্ঠিত প্ৰথম ফিডে পৰিষদৰ সভাত অৰুণ সিঙৰ আন্তঃৰাষ্ট্ৰীয় আৰ্বিটাৰ খিতাপ আৰু প্ৰণৱ কুমাৰ নাথ আৰু ডাঃ চাৰ্বাকৰ ফিডে আৰ্বিটাৰৰ খিতাপ অনুমোদন কৰে। বিশ্ব দবা মহাসংঘই আঠ জুন, ২০২২ ৰ পৰা কাৰ্যকৰী হোৱাকৈ অৰুণ সিঙক আন্তঃৰাষ্ট্ৰীয় আৰ্বিটাৰ, প্ৰণৱ কুমাৰ নাথ আৰু ডাঃ চাৰ্বাকক ফিডে আৰ্বিটাৰৰ খিতাপ প্ৰদান কৰে। সদৌ অসম দবা সন্থাই, গুৱাহাটী দবা সন্থাই এই কৃতিত্বৰ বাবে তিনিও জন আৰ্বিটাৰলৈ অভিনন্দন জনাইছে।



ইংলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া টেষ্টৰ পূৰ্বে অনুশীলনত ব্যস্ত ভাৰতীয় ক্ৰিকেট দলৰ খেলুৱৈ

### ডিমাপুৰত ১৭ অনুৰ্ধ ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপৰ খেল

## গুজৰাট আৰু হাৰিয়ানাৰ জয়লাভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, খৈৰাবাৰী, ২৩ জুন ঃ** সৰ্বভাৰতীয় ফুটবল ফেডাৰেশ্যনৰ উদ্যোগত অসম ফুটবল সন্থাৰ সহযোগত ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত চলি থকা হিৰো জুনিয়ৰ ১৭ বছৰ অনুৰ্ধ্ব মহিলা ৰাষ্ট্ৰীয় ফুটবল চেম্পিয়নশ্বিপৰ আজি পুৱাৰ খেল গুজৰাট বনাম অসম দলৰ মাজত অনুষ্ঠিত হয় আৰু উক্ত খেলত ২-১ গ'লৰ ব্যৱধানত গুজাৰাট দলে অসম দলক পৰাস্ত কৰে। আনহাতে একেখন খেলপথাৰত আবেলি হাৰিয়ানা আৰু পুডুচেৰী দলৰ মাজত অনুষ্ঠিত খেলত হাৰিয়ানা দলে ৫-০ গ'লত বৃহৎ জয়লাভ কৰিবলৈ সক্ষম হয়। আৰু কাইলৈ পুৱা ৰাজস্থান আৰু জম্মু-কাশ্মীৰৰ মাজত আৰু আবেলি তামিলনাডু আৰু পশ্চিম বংগৰ মাজত অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।



## বিভিন্ন কাৰ্যসূচীৰে কটন বিশ্ববিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস উদ্‌যাপন

**গুৱাহাটী, ২৩ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস উপলক্ষে আজি অসম অলিম্পিক সন্থাই গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ত আয়োজন কৰে সদৌ অসম আন্তঃবিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতা আৰু আন্তঃমহাবিদ্যালয় ক্ৰীড়া কুইজ প্ৰতিযোগিতা। কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ন্যায়াধীশ মনজিৎ ভূঞা। আনহাতে, সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ভৱেশ চন্দ্ৰ গোস্বামী আৰু বক্সিং ফেডাৰেশ্বন অৱ ইণ্ডিয়াৰ সচিব হেমন্ত কুমাৰ কলিতা। তৰ্ক প্ৰতিযোগিতাত কটন বিশ্ববিদ্যালয়ে প্ৰথম স্থান, ভট্টদেৱ বিশ্ববিদ্যালয়ে দ্বিতীয় স্থান আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে তৃতীয় স্থান লাভ কৰে। তদুপৰি শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰি দৰং কলেজৰ মনোজ বৰুৱাই। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ গুঞ্জন ৰাজবংশীয়ে দ্বিতীয় আৰু কটন কলেজৰ ত্ৰিদিপ ভাগৱতীয়ে তৃতীয় স্থান লাভ কৰে। আনহাতে, ক্ৰীড়া কুইজ প্ৰতিযোগিতাত প্ৰথম গুৱাহাটী মেডিকেল কলেজ, দ্বিতীয় তেজপুৰ বিশ্ববিদ্যালয় আৰু তৃতীয় হয় ডিব্ৰুগড় বিশ্ববিদ্যালয়।

# জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৩ জুন ঃ** বৃহস্পতিবাৰে সামান্যভাৱে উন্নত হয় দৰঙৰ বান পৰিস্থিতি। মঙলবাৰৰ ৪৫৭খন বানাক্ৰান্ত গাওঁৰ বিপৰিতে বৰ্তমান জিলাখনৰ দলগাঁও, মঙলদৈ, পাথৰিঘাট আৰু ছিপাঝাৰ ৰাজহ চক্ৰৰ ৩৮১ খন গাওঁ পবিত হৈ আছে আৰু বান ক্ষতিগ্ৰস্তৰ সংখ্যা হৈছে ৪১৫৯৭৬ জন। উক্ত ৰাজহ চক্ৰৰ অন্তৰ্গত ৯৬৮৭.৫০ হেক্টৰ কৃষিভূমি অঞ্চল পবিত হৈছে। তদুপৰি ৩৯৮০৩৮ টা পশুধন বানৰ কবলত পৰিছে। আনহাতে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি জিলাখনৰ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত চেঙেলীঝাৰ অঞ্চলত নৈনৈ নদীৰ মথাউৰিৰ ভগ্ন অংশ পৰ্যবেক্ষণ কৰে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে হাজৰিকাপাৰা অঞ্চলত ১৫ নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা এনডিআৰএফ আৰু এছডিআৰএফৰ নাৱৰ সহায়ত শাকতোলা নদীৰ মথাউৰি ভাঙি সৃষ্টি হোৱা বান পৰিস্থিতিৰ বুজ লয় আৰু বানৰকবলত পৰা লোক সকলে আশ্ৰয় গ্ৰহণ কৰা স্থানসমূহত গৈ ৰাইজৰ সৈতে মত বিনিময় কৰে আৰু তেওঁলোকৰ দুখ-দুৰ্দশাৰ বুজ লয়। তেওঁ এই লোকসকলক সকলো প্ৰয়োজনীয় সুবিধা প্ৰদান কৰিবৰ বাবে আৰু পানী শুকুৱাৰ পিছত নিজৰ ঘৰলৈ ঘূৰাই পঠিয়াবলৈ আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে মথাউৰিৰ চিগা অংশ সমূহৰ মেৰামতিৰ কাম বাৰিষাত পাছতহে সম্ভৱ হ'ব আৰু সেয়ে মথাউৰি অতি সোনকালে অস্থায়ীভাৱে নিৰ্মাণ কৰি স্থানীয় ৰাইজৰ যাতায়াতৰ সুবিধা কৰিবৰ বাবে জলসম্পদ বিভাগৰ বিষয়া সকলক নিৰ্দেশ প্ৰদান কৰে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীৰ লগত সংগ



দিয়ে মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, বিধায়ক ড° পৰমানন্দ ৰাজবংশী, অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা, জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা প্ৰমুখ্যে অন্যান্য বিষয়াসকল আৰু জিলা প্ৰশাসনৰ বিষয়াসকল। এনডিআৰএফ আৰু এছডিআৰএফৰ দ্বাৰা অবিৰতভাৱে উদ্ধাৰ অভিযান অব্যাহত আছে। ভগা মথাউৰি আৰু পথসমূহৰ মেৰামতিৰ কাম ক্ষিপ্ৰগতিত চলাই থকা হৈছে। জিলাখনত স্থাপন কৰা ১০টা সাহাৰ্য শিবিৰ আৰু ১০৯টা সাহাৰ্য বিতৰণ কেন্দ্ৰৰ যোগেদি বানাক্ৰান্তসকলক ক্ষিপ্ৰতাৰে সাহাৰ্য প্ৰদান কৰি থকা হৈছে। উল্লেখযোগ্য যে বুধবাৰলৈকে জিলাখনত বানাক্ৰান্তলোকসকলৰ মাজত চাউল ৩৭২২,৩০ কুইন্টল, দাইল ৬৩৬.৯৭ কুইণ্টল, নিমখ ২১২.৪০ কুইন্টল, মিঠাতেল ২০৯৪০.৮৩ লিটাৰ বিতৰণ কৰা হৈছে। তদুপৰি শিশু খাদ্যও বিতৰণ কৰা হৈছে। টাৰ্পোলিন, মম যোগান ধৰা হয়। ইয়াৰ উপৰি ১৭৪৪.৫০ কুইন্টল পশুখাদ্য বিতৰণ কৰা হয়।

# উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ষ্টেচন পৰিসৰৰ পৰা ৪জন নাবালকক উদ্ধাৰ ৰে'লৱে সুৰক্ষা বাহিনীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মালিগাঁও, ২৩ জুন ঃ** উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৰে'লৱে সুৰক্ষা বাহিনীয়ে ২০ আৰু ২১ জুনত উত্তৰ- পূব সীমান্ত ৰে'লৱেৰ বিভিন্ন ৰে'ল ষ্টেচনত কৰা নিয়মীয়া তালাচীৰ সময়ত ৪ জন নাবালকক সফলতাৰে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উদ্ধাৰ কৰা নাবালকসকলক তেওঁলোকৰ সুৰক্ষিত জিম্মা আৰু পৰৱৰ্তী কাৰ্যব্যৱস্থা গ্ৰহণৰ বাবে অভিভাৱক/চাইল্ড লাইনৰ হাতত অৰ্পন কৰা হয়। ২০ জুনত নিউ জলপাইগুড়ী ষ্টেচনত অভিযান চলাই থকাৰ সময়ত নিউ জলপাইগুড়ীৰ ৰে'লৱে সুৰক্ষা বাহিনীৰ মেৰী চহেলীৰ এটি টীমে এজন নাবালকক উদ্ধাৰ কৰে। আনহাতে ২১ জুনত আন এটা ঘটনাৰ সন্দৰ্ভত নিউ জলপাইগুড়ী ষ্টেচনত অভিযান চলাই থকাৰ সময়ত আৰপিএফ/মেৰী চহেলী/নিউ জলপাইগুড়ীৰ সেই একেটা টীমে এজনী নাবালিকা ছোৱালীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। পিছত উদ্ধাৰ হোৱা নাবালক-নাবালিকাসকলক সুৰক্ষিত জিম্মা আৰু পৰৱৰ্তী কাৰ্যব্যৱস্থা গ্ৰহণৰ বাবে




ৰে'লৱে চাইল্ডলাইন/নিউ জলপাইগুড়ীৰ হাতত অৰ্পণ কৰা হয়। আন এটি ঘটনাৰ সন্দৰ্ভত ২১ জুনত ডিমাপুৰস্থিত ৰে'লৱে সুৰক্ষা বাহিনীৰ এটি টীমে কৰ্ত্তব্যৰত অৱস্থাত থকাৰ সময়ত ডিমাপুৰ ষ্টেচনৰ পৰা এজনী নাবালিকা ছোৱালীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। পিছত উদ্ধাৰ কৰা নাবালিকা ছোৱালীজনীক সুৰক্ষিত জিম্মা আৰু পৰৱৰ্তী কাৰ্যব্যৱস্থা গ্ৰহণৰ বাবে ৰে'লৱে চাইল্ডলাইনযডিমাপুৰৰ হাতত অৰ্পন কৰা হয়। ইয়াৰোপৰি উক্ত দিনা সংঘটিত আন এটা ঘটনাৰ সন্দৰ্ভত কাটিহাৰ ষ্টেচনত নিয়মীয়া অনুসন্ধান অভিযান চলাই থকাৰ সময়ত কাটিহাৰ(পূব)ৰ ৰে'লৱে সুৰক্ষা বাহিনীৰ এটি টীমে এজনী নাবালিকা ছোৱালীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। সঠিক প্ৰমাণীকৰণৰ পিছত উদ্ধাৰ কৰা নাবালিকা ছোৱালীজনীক তাইৰ পৰিয়ালৰ সদস্যৰ হাতত গতাই দিয়া হয়। উল্লেখযোগ্য যে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সমগ্ৰতে 'মেৰী চহেলী' নামে এক নৱতম প্ৰয়াসৰ আৰম্ভ কৰা হৈছে আৰু মহিলাযশিশু ৰেলযাত্ৰীক তেওঁলোকৰ সুৰক্ষা/নিৰাপত্তাৰ বাবে সজাগ হৈ থাকিবলৈ আৰু যিকোনো জৰুৰীকালীন পৰিস্থিতিত হেল্পলাইন নম্বৰ ১৩৯ৰ সহায় লোৱাৰ বিষয়ে অৱগত কৰিবলৈ ইয়াক দিনে-নিশাই সক্ৰিয় কৰি ৰখা হৈছে।

## ইউৰিয়া সাৰৰ বাবে খুচুৰা বিক্ৰেতাৰ নতুন অনুজ্ঞাপত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৩ জুন ঃ** ৰাজ্যত ইউৰিয়া সাৰৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত অসম চৰকাৰে যোৱা ২০ মে'ত জাৰি কৰা নতুন এছ অ' পিৰ আলমত কৃষি বিভাগে এই সাৰ বিধৰ খুচুৰা বিক্ৰীৰ বাবে নতুন অনুজ্ঞা পত্ৰ প্ৰদান কৰিবলৈ জিলা কৃষি বিষয়াসকলক নিৰ্দেশ দিছে। এই নিৰ্দেশ অনুসৰি ৰাজ্যখনৰ কৃষক উৎপাদক কোমপানী, কৃষক উৎপাদক সংস্থা, পথাৰ পৰিচালনা সমিতি, সমবায় সমিতি, ক্ষুদ্ৰ চাহ খেতিয়ক সংস্থা, দুখন বা তিনিখন চাহ বাগিচাৰ সমন্বয়ৰে গঠিত বৃহৎ চাহ বাগিচাক ইউৰিয়া সাৰৰ খুচুৰা বিক্ৰেতাৰ অনুজ্ঞা পত্ৰ প্ৰদান কৰা হ'ব। এই অনুজ্ঞা পত্ৰ লাভ কৰিবলৈ সংশ্লিষ্ট সংস্থাসমূহে ইউৰিয়া সাৰৰ বিপণনৰ ক্ষেত্ৰত পাইকাৰী বিক্ৰেতাৰ দায়িত্ব লাভ কৰা অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদৰ পৰা লাভ অনুমোদনৰ আধাৰত জিলা কৃষি বিষয়াৰ ওচৰত আবেদন কৰিব লাগিব। জিলা কৃষি বিষয়াই জিলা পৰ্যায়ৰ স্থায়ী সমিতিৰ অনুমোদনৰ ভিত্তিত এই সংস্থাসমূহলৈ ইউৰিয়া সাৰৰ খুচুৰা বিক্ৰেতাৰ অনুজ্ঞা পত্ৰ প্ৰদান কৰিব পাৰিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে। কৃষি তথ্য শাখাৰ এটা প্ৰেছ বিবৃতিত এই কথা প্ৰকাশ।

## বানাক্ৰান্ত কৃষকক সহায় কৰিবলৈ তৎপৰতাৰে আগবাঢ়িছে কৃষি বিভাগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৩ জুন ঃ** বানাক্ৰান্ত কৃষকক সহায় কৰিবলৈ যুদ্ধকালীন ক্ষীপ্ৰতাৰে আগবাঢ়িবলৈ কৃষি মন্ত্ৰী অতুল বৰাই কৃষি বিষয়াসকলক নিৰ্দেশ দিয়াৰ লগে লগে এই দিশত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে ৰাজ্যৰ কৃষি বিভাগে। উল্লেখ্য যে চলিত শালি ধানৰ খেতিৰ বতৰ আৰম্ভ হোৱাৰ সময়তে অহা প্ৰলয়ংকাৰী বানৰ ফলত অসমৰ প্ৰায় ৩২,৪৪১ হেক্টৰ কৃষি ভূমিৰ শালি ধান আৰু শালি ধানৰ কঠীয়া নষ্ট হোৱাৰ লগতে বাঁও ধানৰো ক্ষতি হৈছিল। বানাক্ৰান্ত কৃষকক সহায় কৰিবলৈ কৃষি বিভাগে বিভিন্ন আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ বিভিন্ন জিলাত ব্যাপক সংখ্যক সমূহীয়া কঠীয়াতলী স্থাপনৰ ব্যৱস্থা কৰিছে। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ জৰিয়তে ৰাজ্যখনৰ মুঠ ১,৯৫৮ হেক্টৰ মাটিত সমূহীয়া কঠীয়াতলী স্থাপন কৰাৰ কাম আৰম্ভ কৰা হৈছে। এই সংখ্যক সমূহীয়া কঠীয়ালতীত পৰা কঠীয়াৰে মুঠ ১৯,৫৮০ হেক্টৰ কৃষি ভূমিত শালি ধানৰ কঠীয়া ৰুব পৰাৰ লগতে এই আঁচনিখনৰ জৰিয়তে ৰাজ্যখনৰ মুঠ ৪৮,৯৫০টা কৃষক পৰিয়াল উপকৃত হ'ব। এই আঁচনিখনৰ অধীনত মুঠ ৯ কোটি ২০ লাখ টকা ধাৰ্য কৰা হৈছে। একেদৰে প্ৰাকৃতিক দুৰ্যোগ বিশেষ আঁচনিৰ অধীনত মাজুলী, ধেমাজি, লখিমপুৰ আৰু গোলাঘাট জিলাৰ ২০৬ হেক্টৰ মাটিত স্থাপন কৰা সমূহীয়া কঠীয়াতলীৰ জৰিয়তে ২০৬০ হেক্টৰ কৃষিভূমিত শালি ধানৰ খেতি কৰিব পৰা হ'ব। ৯৫ লাখ টকীয়া ব্যয়সাপেক্ষ এই আঁচনিখনৰ জৰিয়তে মুঠ ৫,১৫০টা কৃষক পৰিয়ালে শালি ধানৰ খেতি কৰি উপকৃত হ'ব পাৰিব বুলি কোৱা হৈছে। এই দুয়োখন আঁচনিৰ অধীনত স্থাপন কৰা সমূহীয়া কঠীয়াতলীত শালি ধানৰ কঠীয়া পাৰিবলৈ বাহাদুৰ চাব-১ আৰু বীনাধান-১০ নামৰ শালি ধানৰ জাত দুটাৰ বীজ বিভিন্ন জিলালৈ প্ৰেৰণ কৰা হৈছে। ইপিনে কৃষি বিভাগে বানত ক্ষতিগ্ৰস্ত কৃষকৰ ক্ষতিৰ জোৰা মাৰিবলৈ অহা ৰবি বতৰত আন এখন আঁচনি ৰূপায়ণ কৰিব। ইয়াৰ বাবে ইতিমধ্যে ২৫ কোটি টকাৰ অনুমোদন বিভাগে লাভ কৰিছে। এই আঁচনিখনৰ অধীনত বানত ক্ষতিৰ সন্মুখীন হোৱা কৃষকলৈ ৰবি বতৰত কৰা উচ্চ উৎপাদনক্ষম ধানৰ জাত, নহৰু, পিয়াজ, মাটি মাহ আৰু মাকৈৰ বীজ যোগান ধৰা হ'ব। ৪৬,৮৭৮ হেক্টৰ কৃষিভূমি সামৰি ল'বলগীয়া এই আঁচনিখনৰ জৰিয়তে ৰাজ্যখনৰ মুঠ ১,৪০,১২৪ জন হিতাধিকাৰী উপকৃত হ'ব বুলি বিভাগীয় বিজ্ঞপ্তিখনত কোৱা হৈছে।

### দেউৰী পৰিষদৰ সমষ্টি বৃদ্ধি কৰাৰ বাবে ৰাজ্য চৰকাৰক ধন্যবাদ

## সংশোধিত ভোটাৰ তালিকাৰ ভিত্তিত নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৩ জুন ঃ** দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ নতুন সমষ্টি বৃদ্ধি কাৰ্যকৰী কৰাৰ বাবে ৰাজ্য চৰকাৰলৈ ধন্যবাদ জ্ঞাপন কৰা হৈছে। এক প্ৰেছ বাৰ্তাৰ জৰিয়তে দেউৰী ষষ্ঠ অনুসূচী দাবী সমিতিয়ে লগতে কয় যে ভোটাৰ তালিকা সংশোধন কৰি লগতে সিঁচৰিত হৈ থকা দেউৰী ভোটাৰ সকলক চেটেলাইত পদ্ধতিৰে তালিকাত অন্তৰ্ভুক্ত কৰি শীঘ্ৰে নিৰ্বাচন অনুষ্ঠিত কৰিব লাগে। উল্লেখ্য যে ভৈয়াম জনজাতি কল্যাণ বিভাগৰ প্ৰধান সচিব মুকেশ চন্দ্ৰ চাহুৰ দ্বাৰা জাৰি কৰা নিৰ্দেশনাত পৰিষদৰ সমষ্টি ২২টালৈ বৃদ্ধি কৰা হ'ল। এই তালিকাত থকা সমষ্টি সমূহ হ'ল যথাক্ৰমে— শদিয়া, কুণ্ডিল, মাৰ্ঘেৰিটা, ডিব্ৰুগড়, টেঙাপানী, কটিয়ৰী, ৰাজাবাৰী, যোৰহাট, মাজুলী, চিচিবৰগাঁও, শ্ৰীপানী, জোনাই, বৰদলনী, গোগামুখ, বৰদেউৰী, বাঁহগড়া, কাচিকটা, পিছলা, কিনাপথাৰ, বঙালমৰা, গাভৰুটুনীজান আৰু গহপুৰ। ইফালে নিৰ্দেশনা অনুসৰি ১৮টা সমষ্টি অনুসূচিত জনজাতিৰ বাবে সংৰক্ষণ কৰা হৈছে। তিনিটা সমষ্টি মহিলাৰ বাবে আৰু এটা সমষ্টি সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে সংৰক্ষিত থাকিব। চেটেলাইট পদ্ধতিৰে ভোটাৰ তালিকা প্ৰস্তুত কৰি ৰাজ্যখনৰ বিভিন্ন স্থানত থকা সকলোবোৰ প্ৰাপ্তবয়স্ক দেউৰী ভোটাৰক এই তালিকাত অন্তৰ্ভূক্ত কৰি আগন্তুক নিৰ্বাচনত ভোটদানৰ সুযোগ দিবলৈ আহ্বান জনোৱা হৈছে। লগতে মহিলাৰ বাবে থকা সংৰক্ষিত আসনসমূহ সাল-সলনি কৰি নতুনকৈ নিৰ্দ্ধাৰণ কৰিবলৈ ৰাজ্য চৰকাৰৰ প্ৰতি আহ্বান জনাইছে দাবী সমিতিৰ প্ৰধান সচিব সুমন দেউৰী আৰু সহকাৰী সম্পাদক ধনীৰাম দেউৰীয়ে।

## নলবাৰীৰ নমাটিত বৃহত্তৰ দিছপুৰ অনুভূতি নাগৰিক মঞ্চৰ বান সাহায্য বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৩ জুন ঃ** বৃহত্তৰ দিছপুৰ অনুভূতি নাগৰিক মঞ্চই কালি নলবাৰী জিলাৰ নমাটি অঞ্চলত স্থানীয় বানাক্ৰান্ত ৰাইজৰ মাজত বান সাহায্য বিতৰণ কৰে। স্থানীয় ভাস্কৰজ্যোতি সংঘৰ সহযোগত বেচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠানটোৰে বানাক্ৰান্ত ৰাইজৰ মাজত খাদ্য-সামগ্ৰী আৰু বস্ত্ৰ বিতৰণ কৰে। বৃহত্তৰ দিছপুৰ অনুভূতি নাগৰিক মঞ্চৰ সভানেত্ৰী মানসী আদিলৰ নেতৃত্বত গুৱাহাটীৰ পৰা যোৱা প্ৰতিনিধি দলটোত আছিল উপ-সভাপতি ইউছুফ আলম চৌধুৰী, সাধাৰণ সম্পাদিকা পাৰবীন হুছেইন, কোষাধ্যক্ষ মাজিদা আহমেদৰ লগতে কাৰ্যকৰী সদস্য অনুৰাৰা বেগম, মমী ৰহমান, ৰুফিয়া



বেগম, আজাহাৰ উদ্দিন আহমেদ। এই কাৰ্যসূচী সফল ৰূপায়ণত স্থানীয় ভাস্কৰজ্যোতি সংঘৰ বিষয়ববীয়াসকলৰ লগতে স্থানীয় কেইবাজনো ব্যক্তিয়ে সহযোগিতা আগবঢ়ায়। বৃহত্তৰ দিছপুৰ অনুভূতি নাগৰিক মঞ্চৰ প্ৰতিনিধি দলটোৱে বৃহত্তৰ অঞ্চলটো পৰিভ্ৰমণ কৰি ৰাইজৰ অৱস্থাৰ বুজ লয়।

## বানপীড়িতক সাহায্য প্ৰদান মানকাচাৰ মহাবিদ্যালয়ৰ এনএছএছ গোটৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৩ জুন ঃ** সাম্প্ৰতিক সময়ৰ বানপীড়িতক সাহায্য প্ৰদান কৰা মহান কাম কৰিছে দক্ষিণ শালমাৰা মানকাচাৰ জিলাৰ মানকাচাৰ মহাবিদ্যালয়ৰ এন এছ এছ গোটে। জানিব পৰা মতে জিলাখনৰ পোষ্য গ্ৰাম মহন্তপাৰাত অৱস্থিত মহন্তপাৰা এল পি স্কুলত আশ্ৰয় লোৱা কেবাটাও বানপীড়িত পৰিয়ালক মানকাচৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটে বানপীড়িতক সাহায্য প্ৰদান কৰে। শিবিৰত থকা পৰিয়ালসমূহৰ মাজত চাউল, দাইল, মিঠাতেল, বিস্কুট, চাবোন, চেনিটাৰী নেপকিন, চয়াবিন, চিৰা, প্ৰয়োজনীয় ঔষধ পাতি আদি ভিন্ন সামগ্ৰী বিতৰন কৰে। এই সাহাৰ্য সামগ্ৰী বিতৰণৰ সময়ত মানকাচৰ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° সুদীপ্তা দত্ত, পি অ' ড° মোৰশেদুজ জামান, মানকাচৰ মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা সকলৰ লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱকসকলে উপস্থিত থাকে।

## মেৰাপানীত কৰ ফাঁকি দিয়া ব্যৱসায়িক প্ৰতিষ্ঠানত কৰ বিভাগৰ তালাচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২৩ জুন ঃ** মেৰাপানীত এছজিএছটি কৰ ফাঁকিৰে বৃহৎ ব্যৱসায় চলাই অহাৰ অভিযোগত আজি পুনৰ মেৰাপানীৰ এখন ব্যৱসায়িক প্ৰতিষ্ঠানত তালাচী অভিযান চলায়। ২১ জুনত মেৰাপানী বজাৰৰ নাৰায়ণ মজুমদাৰ নামৰ এজন ব্যৱসায়ীৰ দোকানত কাৰ্যবাহী দণ্ডাধীশৰ নেতৃত্বত গোলাঘাটৰ বিক্ৰী কৰ বিভাগে তালাচী অভিযান চলায়। উল্লেখ্য যে জিলা কৰ বিভাগে ব্যৱসায়ীজনৰ বিৰুদ্ধে বৃহৎ কৰ ফাঁকিৰ অভিযোগ উত্থাপন কৰাৰ লগতে সঠিক আৰু শুদ্ধ ৰূপত জি এছ টি দাখিল নকৰাৰ বাবেই গোলাঘাট জিলাৰ কাৰ্যবাহী দণ্ডাধীশ সত্যজিত নেওগৰ নেতৃত্বত গোলাঘাটৰ কৰ বিভাগৰ বিষয়া আৰু মেৰাপানী আৰক্ষীয়ে অভিযান চলাছিল। এই অভিযানকৰী দলটো অহাৰ গম পায় নাৰায়ণ মজুমদাৰ নামৰ ব্যৱসায়ীজনে সেইদিনা ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ কৰি পলায়ণ কৰিছিল। উপায়ন্তৰ হৈ অভিযানকাৰী দলটোৱে ব্যৱসায়ী জনক গোলাঘাট জিলাৰ কৰ বিষয়াৰ কাৰ্যালয়ত সোঁশৰীৰে উপস্থিত হোৱাৰ জাননী লিখি দোকানত আঁৰি থৈ যোৱাৰ পাছত বাধ্য হৈ নাৰায়ণ মজুমদাৰে কৰ বিভাগৰ কাৰ্যালয়ৰ উপস্থিত হৈছিল। ইয়াৰ পাছতে পুনৰ আজি বিক্ৰীকৰ বিভাগৰ গোলাঘাট কাৰ্যালয়ে ব্যৱসায়ী জনৰ কেইবাটাও গুদামত তালাচী চলাই সামগ্ৰী মজুত ৰখাৰ তথ্য সংগ্ৰহ কৰে। ইফালে আজিৰ অভিযানত ব্যৱসায়ীজনৰ গুদামত বহু ম্যাদ উকলা সামগ্ৰীও প্ৰত্যক্ষ কৰে বিষয়া-কৰ্মীসকলে। এই সন্দৰ্ভত ব্যৱসায়ীজনৰ প্ৰতিষ্ঠানত খাদ্য সুৰক্ষা বিভাগে নিয়মিত পৰ্যবেক্ষণ নকৰাত উদ্বেগ প্ৰকাশ কৰিছে মেৰাপানীবাসী ৰাইজে।





## ঢকুৱাখনাত ২৬ জুনত তৃতীয়সংখ্যক থলুৱা আমৰ প্ৰদৰ্শনী মেলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ২৩ জুন ঃ** থলুৱা সম্পদ সংৰক্ষণ সমিতি অসম, চিবিইএছ আৰু অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ উদ্যোগত মেগামিক্সি প্ৰকৃতি সংঘ, ঢকুৱাখনা মহাবিদ্যালয়ৰ এনএছএছ গোট, ঢকুৱাখনা নৰ্মাল স্কুল আৰু প্ৰেছ গীল্ড ঢকুৱাখনাৰ সহযোগত ২৬ জুন ২০২২ তাৰিখ দেওবাৰে ঢকুৱাখনা নৰ্মাল স্কুলত অনুষ্ঠিত হ'ব তৃতীয় সংখ্যক থলুৱা আমৰৰ প্ৰদৰ্শনী মেলা। আজি ঢকুৱাখনা নৰ্মাল স্কুলৰ প্ৰাংগনত আমমেলাৰ উদযাপন সমিতিয়ে এক সংবাদমেল আয়োজন কৰি জনাই যে এই আমমেলাত ঢকুৱাখনা আৰু ধেমাজি অঞ্চলত পোৱা প্ৰায় ৫২টা প্ৰজাতিৰ থলুৱা আম প্ৰদৰ্শিত হ'ব। ইপিনে কাৰ্যসূচী অনুসৰি ২৬ জুনৰ পুৱা ৮ বজাত ঢকুৱাখনা জ্যেষ্ঠ নাগৰিক সন্থাৰ সম্পাদক দিগেন্দ্ৰ নাথ



হাজৰিকা আৰু ঢকুৱাখনা নৰ্মাল স্কুলৰৰ অধ্যক্ষ লক্ষী কোঁৱৰৰ তত্ত্বাৱধানত পৰিৱেশ নিকাকৰণ। পুৱা ১০ বজাত প্ৰদৰ্শনী দ্বাৰ উন্মোচন কৰিব ঢকুৱাখনা অতিৰিক্ত উপায়ুক্ত লখিমপুৰ জিলা ভাৰপ্ৰাপ্ত মহকুমাধিপতি অৰিন্দম বৰুৱাই। পুৱা ১০.৩০ বজাত বিপনী দ্বাৰা উন্মোচন কৰিব ঢকুৱাখনা মহকুমা কৃষি বিষয়া গৌতম চন্দ্ৰ ডেকাই। ১১ বজাত অতিথি আদৰণি আৰু আমমেলাৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কত বক্তব্য ৰাখিব থলুৱা সম্পদ সংৰক্ষণ সমিতিৰ সভাপতি সেৱক চন্দ্ৰ চুতীয়াই। ১১.৩০ বজাত লখিমপুৰ জিলা আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° প্ৰফুল্ল শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হব লগীয়া আমমেলাৰ 'বহনক্ষম ভৱিষ্যতৰ বাবে থলুৱা জৈৱিক সম্পদসমূহক অৰ্থনীতিলৈ ৰূপান্তৰৰ প্ৰয়োজনীয়তা' শীৰ্ষক কৰ্মশালাখনি শুভ উদ্বোধন কৰিব লখিমপুৰ জিলা উপায়ুক্ত সুমিত চাত্তাৱনে। মুখ্য অতিথি হিচাপে যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° বি চি ডেকা, মুখ্য সমল ব্যক্তি হিচাপে কামৰূপ উদ্যান শস্য গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° শৰৎ কুমাৰ শইকীয়া লগতে সমল ব্যক্তি হিচাপে অসম চৰকাৰৰ কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ড° হিতেশ কুমাৰ দত্ত, লখিমপুৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক ড° প্ৰশান্ত কুমাৰ পাঠক, ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক ড° গুঞ্জন গগৈ, ধেমাজি মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অন্ন জ্যোতি গগৈ, লখিমপুৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ মুখ্য প্ৰবন্ধক ৰঞ্জন বৰা আদি থকা অনুষ্ঠানত বিয়লি ১.৩০ বজাত বিশিষ্ট বিজ্ঞানী সকলৰ সৈতে স্থানীয় গৱেষক, পৰিৱেশকৰ্মী, প্ৰগতিশীল কৃষক আৰু ছাত্ৰ সমাজৰ মত বিনিময় অনুষ্ঠানৰ অন্তত বিয়লি ৪ বজাত আম পুলি ৰোপণ কৰা পাছতে অনুষ্ঠানৰ কাৰ্যক্ৰমণিকা সমাপ্তি ঘটিব। এই ৰোপণ কাৰ্যসূচীত ঢকুৱাখনাৰ বহুকেইজন গণ্য-মান্য ব্যক্তি উপস্থিত থাকিল বুলি জানিবলৈ দি লগতে আমমেলা উপভোগ কৰিবলৈ অসমবাসী ৰাইজৰ সহায় সহযোগিতা উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে আয়োজক সমিতিয়ে।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি